চিত্ৰ-ভাগৱত

चित्र-भागवत

3503 / R-1. ৰ
108 | R-L

মহাপুৰুষ
শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচিত মহাভাগৱতৰ বৰ্ণিত শ্ৰীকৃষ্ণৰ
শিশু আৰু কিশোৰলীলাৰ প্ৰাচীন চিত্ৰ
আৰু বৰ্ণনা।

महापुरुष
श्रीमंत शङ्करदेव द्वारा रचित महाभागवतमें वर्णित
भगवान् श्रीकृष्णकी शिशुकालीन एवं किशोरकालीन
लीलाओंका सचित्र वर्णन।

3503 / R-1

সংগ্ৰহ কৰোঁতা
শ্ৰীহৰিনাৰায়ণ দত্তবৰুৱা সাহিত্যৰত্ন

संग्रहकर्त्ता
श्रीहरिनारायण दत्तबरुवा साहित्यरत्न

প্ৰথম সংস্কৰণ
১৮৭১ শকাব্দ

प्रथम संस्करण
१८७१ शकाब्द

প্ৰকাশক
দত্তবৰুৱা ব্ৰাদাৰ্চ এণ্ড কো
নলবাৰী, অসম।

प्रकाशक
दत्तबरुवा ब्रादर्स एण्ड कम्पनी
नलबाड़ी, असम।

STATE CENTRAL LIBRARY ASSAM
Call No. 294.554 / 13.23

Printed by Phani Bhusan Roy,
at the Prabartak Printing & Halftone Ltd.,
52/3, Bowbazar Street, Calcutta.

STATE CENTRAL L... ASSAM
Call No.

FOREWORD

by
K. K. HANDIQUI, M.A. (Cal. et Oxon),
Vice-Chancellor, Gauhati University.

The history of medieval Indian painting has been the subject of considerable research in recent years, both in India and the West; but very little is known about the materials available in Assam, especially the illuminated manuscripts several of which are known to exist in private and other collections. The present publication is the first systematic attempt to reproduce the paintings incorporated in one such manuscript, that of a portion of the tenth *Skandha* of the Assamese *Bhágavata* composed by Sankardeva. According to the editor, the manuscript is dated *Saka* 1461 or A.D. 1539, and contains both the text and the illustrations. The text was published separately some years ago, and the present volume contains only the illustrations with explanatory notes in Assamese and Hindi. The descriptive notes just below the pictures are in old Assamese and given from the manuscript. Although many of the pictures have been reproduced in one colour, there are enough examples to give an idea of the brilliant colour sense of the original paintings.

The publication of these illustrations will be welcome to all students of medieval Indian painting. The art of illuminated manuscripts, which was developed in Gujarat or Western India in the twelfth century, and at first practised on palm leaves for embellishing Jaina texts like the *Kalpasútra*, was later extended to Vaishnava works like the *Bhágavata* and especially the *Gitagovinda*, not only in Gujarat but in Rajputana and the Hill States of the Western Himalayas. Large series of paintings were executed to illustrate the *Rámáyana* of Tulsí Dás and reference may be made also to the miniatures illustrating secular poems; for example, the *Rágamálá* and *Vasantavilása* paintings. The pictures reproduced here illustrate the stories of Krishna's childhood as narrated in the Assamese version of the tenth *Skandha* of the *Bhágavata*. These stories were popular with Rajput painters; and scenes from Krishna's early life form the subject-matter of some of the best known examples of the Kángrá school, which flourished in the second half of the eighteenth century. The Assamese manuscript dated in A. D. 1539 is of special interest in view of the paucity of known examples of Rajput painting earlier than the seventeenth century, and represents one of the earliest attempts to illustrate a version of the Bhágavata composed in the vernacular.

Please handle the book carefully.

The paintings in the original manuscript deserve careful study in relation to those of other Indian schools. The pictures of trees with flowers or birds have considerable charm; and animal life is vividly portrayed with observant sympathy and tenderness of feeling. The maneless Indian lion occurs more than once, and the bison (*methan* in Assamese) which is almost extinct in the province will attract the attention of the student. The costumes follow a conventional pattern, but it is interesting to find the drum and the horn (*pepá*), the familiar auxiliaries of the *Bihu* festival. Treatment of popular mythological topics, in connected sequence, and representation of realistic scenes of rural life constitute a genre in which Rajput painting excels, and these features are exhibited to a considerable extent in the pictures in our manuscript, though not with a draughtsmanship comparable to the best examples of Rajput art. A detailed study of the original pictures is essential for a correct appreciation of their technical traits and the aims and methods of the Assam school of painting and its relation to folk art.

The publication of a work like this would have done credit to any research institution, but actually we owe it to the enterprising zeal of Srijut Hari Narayan Datta Borooah, a retired school teacher who has devoted his life and energies to the study and publication of old Assamese texts. The labours of the veteran scholar will be amply rewarded if some of his younger contemporaries emulate his example and help to widen our knowledge of a little known phase of Assamese culture.

Gauhati,
April, 1949.

মুখবন্ধ

আমি দেখা বস্তুবোৰৰ ভিতৰত যিবোৰ বেছি মনতখোৱা, সেইবোৰ স্বাভাৱিকেই মনত থাকে। আমি ভালপোৱা বস্তুবোৰ বন্ধু-বান্ধৱক বুজাবলৈ নানা বৰ্ণনা দিওঁ আৰু কেতিয়াবা মাটিত বা পাতত আঁকিও দেখুৱাওঁ। আদিম কালত মানুহে বনৰীয়া পশু-পক্ষী, গছ-লতা আৰু নিজৰ প্ৰেমিক-প্ৰেমিকা, শত্ৰু-মিত্ৰ আদিবো চিন ৰাখিবলৈ চিত্ৰ অঙ্কন বা মূৰ্ত্তি নিৰ্ম্মাণ কৰিছিল।

কিছুমানে কয়—মাতৃজাতিকেই প্ৰথম চিত্ৰকৰ বুলি। প্ৰস্তৰ-যুগত যেতিয়া মানুহে চিকাৰ কৰি খাইছিল, সেই সময়ত গুহাত থকা আইসকলে শৰৰ তূণত চৰাই, পশু আদিৰ চিত্ৰ খোদিত কৰিছিল। বয়ন-শিল্পত যেতিয়া আইসকলে পোনতে হাত দিয়ে, সেই সময়তো তেখেতসকলে কাপোৰত নানা ফুল বাছিবলৈ আৰম্ভ কৰিছিল। শিল সমান কৰি চিত্ৰ অঙ্কন কৰা কাৰ্য্যতো আইসকলে পুৰুষৰ লগত হাত নিদি নাথাকিছিল হেনো। আজিলৈকে আমাৰ ভাৰতৰ কিছুমান ঠাইৰ আইসকলে ঘৰৰ বেৰত নানা চিত্ৰ আঁকা, মাটিৰ সাজত নানা চিত্ৰ অঙ্কন কৰা, কন্যাক অলঙ্কাৰ পিন্ধাওঁতে মণ্ডল আঁকা, বৰ-কন্যাৰ পিৰা ৰঙা আদি দেখিলে আইসকলৰ চিত্ৰকলালৈ স্বাভাৱিক ধাউতিৰ পৰিমাণ অনুমান কৰিব পাৰি।

আমাৰ প্ৰাচীন কামৰূপৰ বাণৰজাৰ দুহিতা উষাৰ সখী চিত্ৰ-লেখাই ভাৰতৰ সকলো ৰজা-মহাৰজা, ৰাজকোঁৱৰ আৰু যদুবংশধৰ-সকলৰ চিত্ৰ আঁকি সখী উষাৰ আগত ধৰিছিল বুলি পুথিত পোৱা যায়। ইয়াৰ পৰা সেইকালৰ কামৰূপৰ চিত্ৰবিদ্যা-চৰ্চ্চাৰ অলপ

मुखबन्ध

जिन चीजोंको हम देखते हैं, उनमेंसे जो हमें ज्यादा पसन्द आती है—सहजही हमारे मानसपट पर अंकित हो जाती हैं और स्वभावत: हम अपनी पसन्द की चीज अपने लोगोंको दिखाना चाहते हैं। हम दिखानेकी एक मात्र क्रिया, उस वस्तुका अंकन कर दिखलाना, यही चित्रकला है। वर्णन से चित्रज्ञान सहज-बोधगम्य है और यह चित्रकला मानव की अविकसित अवस्था में भी थी जो आज मानव-विकासके साथ साथ विकसित हो गयी है।

आदिम-युग में मानव, पशु पक्षियों और पेड-पौधों आदि का तथा अपने प्रेमी-प्रेमिका, बन्धु-बान्धव, मित्रादियों की पहिचान के लिये उनका चित्रांकन या प्रस्तर मूर्तियों का निर्म्माण किया करते थे।

कितने ही लोगों का यह कहना है कि आदि चित्रकार—मातृ-जाति है। प्रस्तर-युग में जब मनुष्य शिकार पर ही अपना जीवन-यापन करता था—उस समय कन्दराओंमें रहनेवाली स्त्रियां शरों के तूणीरों पर और अन्य वस्तुओं पर पशु-पक्षियों के तथा फूल-पत्तियाँ अंकित किया करती थीं। बुनने के काम को प्रारम्भ करनेवाली मातायें भी आदि में फूल-पत्तियोंके चित्र खींचना सीखती थीं। पत्थर को समान कर चित्र खींचने के काम में भी स्त्रियां पुरुषों से किसी प्रकार कम न थीं।

आज भी हमारे भारतीय हिन्दु घरोंमें स्त्रियोंके चित्रकला के प्रति प्रेमका उदाहरण मिलता है। घरोंकी दीवारों

প্ৰমাণ পোৱা হয়; কিন্তু তাৰ নিদৰ্শনহে সঠিককৈ আঙুলিয়াব নোৱাৰি।

চিত্ৰ-শিল্পৰ উন্নতিৰ লগে লগে ভাৰতৰ চিত্ৰবোৰত দাৰ্শনিক ভাৱ ফুটি উঠিবলৈ ধৰে। ভাৰতৰ মানুহ স্বাভাৱিকেই দাৰ্শনিক; সেই কাৰণে ভাৰতৰ প্ৰায়বোৰ চিত্ৰ দাৰ্শনিক ভাৱপূৰ্ণ হৈ উঠে। খৃঃ পূঃ তিনি হাজাৰ বছৰ আগৰ মহেঞ্জোদৰো আৰু হাৰাপ্পাৰ মূৰ্ত্তি আৰু চিত্ৰবোৰতো সেই ভাৱ দেখা যায়।

বৌদ্ধযুগত বহুত চিত্ৰ খোদিত হয়।* ঐতিহাসিক পণ্ডিত তাৰানাথে বৌদ্ধচিত্ৰক তিনি শ্ৰেণীত ভাগ কৰে—দেৱ, যক্ষ আৰু নাগ। তেওঁৰ মতে খৃঃ পূঃ ৬ষ্ঠ শতিকাৰপৰা খৃঃ পূঃ ৩য় শতিকালৈকে দেৱভাৱৰ চিত্ৰ মগধত অঙ্কিত হৈছিল। খৃঃ পূঃ ৩য় শতিকাৰপৰা খৃঃ ৩য় শতিকালৈকে অলৌকিক ভাৱৰ আৰু ভূত-প্ৰেত আদিৰ যক্ষ নামৰ চিত্ৰবোৰ তৈয়াৰ হৈছিল। কণিষ্কৰ পাছত মধ্যভাৰতত নাগবংশীয় ৰজাসকলে ৰাজত্ব কৰে। ৩য় শতিকাৰপৰা ৯ম শতিকালৈকে তৈয়াৰ হোৱা ভাৰতীয় চিত্ৰবোৰক নাগ ভাৱৰ বোলে।†

কুশান আৰু নাগবংশীয় ৰজাসকলৰ দিনত উত্তৰ-ভাৰতৰ পূব, মধ্য আৰু পশ্চিম এই তিনি ঠাইত চিত্ৰ-চৰ্চ্চাৰ তিনটা প্ৰধান কেন্দ্ৰ হৈ উঠিছিল। খৃঃ পূঃ ৩য় শতিকাৰ মগধৰ মহাৰজা বিন্দুসাৰৰ দিনত

* প্ৰাচীন চিত্ৰকৰসকলৰ নিজৰ অঙ্কিত চিত্ৰৰ তলত নাম খোদিত কৰাৰ দস্তুৰ নাছিল; সেই কাৰণে চিত্ৰকৰসকলৰ নাম পোৱা নাযায়।

† অমৰাৱতীৰ খোদিত চিত্ৰবোৰ নাগাৰ্জ্জুনৰ সময়ৰ।

पर अनेक प्रकारके चित्र खींचना, मिट्टीके बर्तनों पर चित्रांकन, दुलहिन को जेवर पहनाते समय मंडल बनाना, वर-वधूके पाट को रंगना इत्यादि से हम सहजही में अनुमान कर सकते हैं कि चित्रकला में मानवजाति की कितनी जिज्ञासा है।

प्राचीन काल के हमारे इस कामरूप में बाण राजा की दुहिता ऊषा की सखी चित्रलेखा भारतके प्रत्येक राजा-महाराजा और राजकुँवरों के चित्र अंकित कर राजकुमारी ऊषा को दिखलाती थी; ऐसा कई पुस्तकों में मिलता है। इस बात से कामरूपमें उस काल की चित्रकला की चर्चाका कुछ प्रमाण अवश्य मिलता है; किन्तु इसका निदर्शन ठीक तरहसे नहीं किया जा सकता।

चित्रकला भी ज्यों ज्यों उन्नत होती गई उसमें दार्शनिकता के भाव प्रकट होने लगे। भारतीय जन स्वभावतया दार्शनिक हैं; इसलिए प्राय: भारतीय चित्र भी पूर्णत: दार्शनिक ही मिलते हैं। ईसवी सन् के तीन हजार वर्ष पूर्व की सभ्यताके मोहेंजोदड़ो और हड़प्पा में निकले हुए पत्थर पर अंकित चित्रों और मूर्तियों में भी यही भाव दिखाइ पड़ता है।

बौद्धकालमें बहुत चित्रों और मूर्तियों का निर्माण हुआ है।* ऐतिहासिक विशेषज्ञ पं० तारानाथ ने बौद्ध-चित्रों का देव, यक्ष और नाग इन तीन श्रेणियों में विभाजन किया है। उनके मतानुसार ई० पू० ६ठी सदी से ई० पू० ३री सदी तक मगधमें

* प्राचीन चित्रकारोंमें अपने द्वारा अंकित चित्रोंपर अपना नाम देने की प्रथा नहीं थी; इसलिए चित्रकारों का नाम उनमें नहीं मिलता है।

চিত্ৰবিদ্যাৰ বিশেষ উন্নতি হয়, কিন্তু সেইবোৰ আগৰ দেৱভাৱৰ। বিন্দুসাৰক এই কাৰণে প্ৰাচীন কলাৰক্ষক বোলে। চিত্ৰশিল্পৰ চৰ্চাৰ কেন্দ্ৰ পশ্চিমে ৰাজপুতনাত হৈছিল। ৭ম শতিকাৰ শিলাদিত্যৰ সময়ত ঘাইকৈ যক্ষভাৱৰ চিত্ৰ-চৰ্চ্চা ইয়াত হৈছিল। ৯ম শতিকাৰ পুবৰ প্ৰাচীন গৌড়ত (বাৰেন্দ্ৰ) ধৰ্ম্মপাল আৰু দেৱপাল ৰজাৰ দিনত নানা ভাৱৰ চিত্ৰ নানাবিধ ধাতুপাতত চৰ্চ্চা হৈছিল। ৬ষ্ঠ শতিকাৰপৰা ১০ শতিকালৈকে কাশ্মীৰ, নেপাল, কামৰূপ, ব্ৰহ্ম আৰু দক্ষিণাপথৰ বহুত ঠাইত দেৱ, যক্ষ আৰু নাগ ভাৱৰ চিত্ৰ-চৰ্চাৰ চিন পোৱা যায়।

গুপ্তযুগৰ বাৎস্যায়নৰ কামসূত্ৰত হিন্দু-চিত্ৰৰ ছয়টা অংশৰ কথা উল্লেখ আছে ; যেনে—(১) ৰূপভেদ অৰ্থাৎ দৰ্শনজ্ঞান, (২) প্ৰমাণ অৰ্থাৎ অনুভৱ, পৰিমাণ আৰু অৱয়ৱৰ ধাৰণা, (৩) ভাব অৰ্থাৎ আকৃতিৰ অনুভূতি, (৪) লাৱণ্য যোজনা অৰ্থাৎ কমনীয়তা, (৫) সাদৃশ্য আৰু (৬) বৰ্ণিকাভঙ্গ অৰ্থাৎ তুলী আৰু ৰঙৰ জ্ঞান।

৭ম শতিকাৰ বাণভট্টৰ হৰ্ষচৰিতত কাপোৰত অঁকা যমপুৰীৰ চিত্ৰৰ কথা উল্লেখ আছে। এই সময়ৰ কামৰূপৰ ৰজা ভাস্কৰ বৰ্ম্মাৰে হৰ্ষবৰ্দ্ধনলৈ পঠোৱা উপঢৌকনৰ ভিতৰত ৰঙিন চিত্ৰৰ উল্লেখ আছে।* আমাৰ ডিমাপুৰৰ ৰাজ-কাৰেঙৰ চিত্ৰাৱলীও বেছি পুৰণি বুলি কিছুমানে কয়। শ্ৰীসূৰ্য্য পাহাৰৰ বেছি ভাগ মূৰ্ত্তি বৌদ্ধযুগৰ। খৃঃ পূঃ ২য় শতিকাৰপৰা উত্তৰ ভাৰতত ভাগৱত ধৰ্ম্ম প্ৰচাৰিত হয় ; এই সময়ত অনেক বিষ্ণুমূৰ্ত্তি শিলত খোদিত

* Early History of Kamrup: By K. L. Baruah, Page 95.

दैवभावमूलक चित्रों का अंकन होता था। ई० पूर्व ३री सदी से ईसवी ३री सदी तक भूत प्रेतादियों और अलौकिक भाववाले यक्ष नामक चित्रों का अंकन होता था। कनिष्क के बाद नाग-वंशीय राजाओं ने मध्यभारत पर राज्य किया था। अतः ई० ३री सदी से लेकर ८वीं सदी तक जितने भारतीय चित्र तैयार हुए वे नागभावके चित्र कहलाते हैं।*

कुशान और नागवंशीय राजाओं के राजत्वकालमें उत्तर भारतके पूर्व, मध्य और पश्चिम के तीनों स्थान चित्रकलाके मुख्य केन्द्र बन गये थे। मगधराज बिन्दुसार के समय में ई० पू० ३री सदी में चित्रकला की विशेष प्रगति हुई। वे चित्र पहले के दैव-भावमूलक हैं ; इसलिए बिन्दुसार को प्राचीन चित्रकला का रक्षक कहा जाता है। पश्चिम में चित्र-शिल्पकला का केन्द्र राजपूताना था। ७वीं सदी में शिलादित्य के समयमें मुख्यतया यक्ष भाव के चित्रों की चर्चा हो थी। पूर्व के प्राचीन गौड़ (वारेन्द्र) में ९वीं सदी के धर्मपाल और देवपाल के शासनकाल में अनेक भावों के चित्रों का निर्माण विविध धातु-पत्रों पर हुआ था।

गुप्त कालीन वात्स्यायन के कामसूत्र में हिन्दु चित्रों के ६ भेद उल्लिखित हैं—जैसे—(१) रूपभेद यानि दर्शन ज्ञान। (२) प्रमाण यानि अनुभव ; परिमाण और अवयव की धारणा। (३) भाव यानि आकार का अनुभव। (४) लावण्य-योजना यानि

* अमरावतीके प्रस्तर चित्रों में नागार्जुनकाल के चित्र हैं।

হৈছিল। গুপ্তবংশৰ ৰজাসকল বৈষ্ণৱ আছিল; এওঁলোকৰ সময়ত ভাৰতত বিষ্ণু আৰু শিৱপূজা বহুলৰূপে প্ৰচলিত হৈছিল। এই সময়ত শিল্পকলাৰ সম্পূৰ্ণ বিকাশ হোৱা বুলিব লাগে। এই সময়ৰ শিল্পীসকলে পুৰাণৰ ধৰ্ম্মভাৱ লৈ সেইবোৰ তুলিৰ সহায়েৰে প্ৰকাশ কৰিছিল। অজন্তাৰ গুহাৰ চিত্ৰাৱলী এই সময়তেই তৈয়াৰ হৈছিল বুলি বহুতে ঠাৱৰায়।

আমাৰ কামৰূপৰ ভাস্কৰ বৰ্ম্মণৰ সময়ত দেশত বৌদ্ধপ্ৰভাৱ পৰে; পালবংশৰ ৰাজত্বকালত বৌদ্ধপ্ৰভাৱ বেছি হয়; কিন্তু তাৰ পাছত গোটেই উত্তৰ-পূব ভাৰতত পুনৰ হিন্দু-ধৰ্ম্মই বিশেষকৈ শৈৱ সম্প্ৰদায়ে দেখা দিয়ে। বুঢ়াগোঁসাইৰ থানবোৰ আছিলৈকে তাৰ অৱশেষস্বৰূপে আমাৰ ইয়াত আছে। এই সময়ত কটা কিছুমান বুদ্ধমূৰ্ত্তি বিষ্ণুমূৰ্ত্তিত পৰিণত হয়।

প্ৰায় ১৩ শ শতিকাত পূৰ্ব্বদেশ তন্ত্ৰপ্ৰধান হৈ উঠে; এই সময়ত কামৰূপৰ যোগিনীতন্ত্ৰ আদি ৰচিত হয়। বিশেষকৈ পৰ্ব্বতৰ ওচৰৰ বহুত ঠাইত কোনো সময়লৈকো বৌদ্ধ-তান্ত্ৰিক মত চলে। হাজোৰ কেঁচাখাতী, শেষত "তাৰা" নাম থকা দেৱালয়বোৰ এই সময়ৰেই বুলি কিছুমানে ঠাৱৰায়।

প্ৰাচীন কামৰূপত ভাগৱতী ধৰ্ম্ম আৰু বিষ্ণুপূজা ১৫শ শতিকালৈকে থকাৰ চিন পোৱা যায়; কিন্তু সি অতি ক্ষীণভাৱে আছিল। এই সময়ত ব্ৰাহ্মণপণ্ডিত কিছুমানৰ ভিতৰত ভাগৱত চৰ্চা অলপ অচৰপ আছিল যদিও সৰ্ব্বসাধাৰণ ইয়াৰ ৰসৰপৰা বঞ্চিত আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পাছৰ-পৰাহে দেশত ভাগৱত চৰ্চা কোবালভাৱে চলে। এই সময়ত

कमनीयता। (५) साहृश्य और (६) वर्णिका भंग यानि तुलिका और रंगोंका स्थान।

सातवीं सदी के बाणभट्ट लिखित हर्षचरित में 'कपड़ों' पर अंकित यमपुरीके चित्रों की बात का उल्लेख है। तत्कालीन कामरूपके राजा भास्कर वर्मनके द्वारा हर्षवर्धनके पास भेंट-स्वरूप भेजी गईं वस्तुओं में रंगीन चित्रों का उल्लेख मिलता है।*

डीमापुरके राजमहलकी चित्रावली भी बहुत प्राचीन है ऐसा कई लोग बतलाते हैं। श्रीसूर्य पहाड़की मूर्तियाँ बौद्धकालीन हैं। ई० पू० २री सदी से उत्तर भारतमें भागवत धर्मका प्रचार हुआ। इसी कारण इस समय में विष्णुमूर्तियाँ पत्थर पर अंकित होती थीं। गुप्तवंशके राजागण वैष्णव थे; अत: उनके शासनकालमें बहुलतासे विष्णु और शिव की पूजाका प्रचार हुआ था। इस समय शिल्प-कला का पूरा विकास हुआ ऐसा कहा जा सकता है। इस समयके शिल्पियों ने पुराण से धर्मभावको लेकर तुलिकाओं द्वारा उसे प्रगट किया था। अनुमानत: 'अजन्ता' गुफाकी चित्रावली इस काल में ही तैयार हुई है।

हमारे कामरूपमें भास्कर वर्म्मन के राजत्वकाल में देश पर बौद्धधर्मका बहुत प्रभाव था; और पालवंश के राजाओं के समय में बौद्धधर्मका ज्यादा प्रसार हुआ; परन्तु उसके बाद समस्त उत्तर-पूर्व्व भारतमें फिरसे हिन्दुधर्म विशेषकर शैव सम्प्रदाय का बोलबाला हो गया। हमारे यहां आज भी 'बूढ़ा गोसाई'' के

* Early History of Kamrup, by K. C. Baruah, page 95.

দিল্লীৰ মোগল বাদচাহ জেলালউদ্দিন আকবৰ আৰু কামৰূপত সুবিখ্যাত মহাৰাজ নৰনাৰায়ণ। আকবৰে নিজৰ চিত্ৰকৰ খোৱাজ অব্দুল চামাদক (চিৰাজ) আৰু সমৰকন্দৰ মহম্মদ নাছিৰক হিন্দু আৰু মুছলমান চিত্ৰকৰসকলক চিত্ৰাঙ্কন শিক্ষা দিবলৈ নিযুক্ত কৰিছিল। মোগল বাদচাহ জাহাঙ্গীৰৰ সময়ত উত্তৰ-ভাৰতত চিত্ৰ-বিদ্যাৰ বেছি উন্নতি হৈছিল। আমাৰ স্বৰ্গদেউ শিৱসিংহ, মহাৰাজ নৰনাৰায়ণ আৰু পৰৱৰ্ত্তী কোচ ৰজাসকলৰ দিনত চিত্ৰবিদ্যাৰ বিশেষ চৰ্চা হৈছিল। এইবোৰ চিত্ৰৰ ধৰণ মোগলী। এতেকে ভাৰতীয় চিত্ৰবোৰ তিনি শ্ৰেণীত ভাগ কৰিব পাৰি—হিন্দু, বৌদ্ধ আৰু মোগলী। ভাৰতীয় চিত্ৰবোৰৰ অঙ্কনৰ ঠাচ (style) অনুসৰি ঠাইৰ-নামমতে আকৌ পাছত নামকৰণ হয়—যেনে দিল্লী, কাঙ্গৰা, কাশ্মিৰী, জয়পুৰী ইত্যাদি। জয়পুৰী চিত্ৰক আমি সাধাৰণতে ৰাজপুতী চিত্ৰ বোলোঁ। ৰাজপুতী চিত্ৰত ঘৰুৱা চৰিত্ৰ, মানুহৰ চলন-ফুৰণ ফুটি উঠিছিল। বৌদ্ধচিত্ৰত বৌদ্ধধৰ্ম্মৰ মধুৰ ভাৱবোৰ ফুটাই তুলিছিল। মোগলী চিত্ৰবোৰো প্ৰায় ৰাজপুতী চিত্ৰৰ দৰে; কিন্তু সেইবোৰত ধৰ্ম্মভাৱ নাই—প্ৰায়-বোৰেই ঐহিক সুখ-সম্ভোগৰ। এক কথাত কবলৈ হলে হিন্দু আৰু বৌদ্ধ-চিত্ৰবোৰ ভাৰতৰ আত্মিক জীৱনৰ বিকাশ, মোগলী-চিত্ৰবোৰ পাৰ্থিৱ আৰু স্বাভাৱিক। আমাৰ প্ৰাচীন **কামৰূপৰ ষোড়শ শতিকাৰ চিত্ৰবোৰ ৰাজপুতী**; ইয়াৰ লতা, গছ, জীৱ-জন্তুৰ চিত্ৰ আদিত অৱশ্যে কামৰূপীয় বৈশিষ্ট্য আছে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ অঙ্কিত চিহ্নযাত্ৰাৰ পট (বৈকুণ্ঠৰ পট), বৃন্দাৱনী কাপোৰ, সচিত্ৰ পুৰণি সাঁচিপতীয়া ভাগৱত (সংস্কৃত, অসমীয়া)।

स्थानों के रूप में इस के अवशेष प्राप्त हैं। इसी समय में बौद्ध-मूर्तियाँ विष्णुमूर्तियों में रूपान्तरित करदी गईं थीं।

१२वीं सदी के आस-पास पूर्वदेश तन्त्रप्रधान बन गया। इसी समय कामरूप में योगिनी-तन्त्र आदि प्रचलित हुए। प्रधानतया पहाड़ के समीपवर्त्ती अनेक स्थानों में और कहीं कहीं समतल स्थान पर भी बौद्ध-तान्त्रिक मत चला। कई विद्वानों के मत के अनुसार लखीमपुर की कँचाखाती (कञ्चीखानिवाली) और तारायुक्त देवालयों की स्थापना इस काल में ही हुई।

यह प्रमाण भी मिलता है कि प्राचीन कामरूप में साधारणतया भागवती धर्म और विष्णुपूजा पन्द्रहवीं सदी तक थी। ब्राह्मण पण्डितों में भागवती-चर्चा थोड़ी-बहुत इस समय अवश्य थी; परन्तु सर्व साधारण लोग उसके रस से वंचित थे। महापुरुष श्रीशङ्करदेव के प्रादुर्भाव के पश्चात् ही भागवत की चर्चा देश में प्रबल रूपसे चली थी। इस समय देहली में मुगल सम्राट जलालुद्दीन अकबर और कामरूप में सुविख्यात नरेन्द्र नरनारायण थे। अकबरने अपने चित्रकार ख्वाजा अब्दुल समद (शिराज) को और समरकन्द के चित्रकार महम्मद नसीर को, हिन्दु और मुसलमान चित्रकारों को चित्रांकन सीखाने को नियुक्त किया था। मुगल सम्राट जहांगीर के समय में उत्तर भारत में चित्रकला की बहुत उन्नति हुई। हमारे यहाँ भी महाराज शिवसिंह, महाराज नरनारायण और परवर्ती कोच राजाओं के समय में चित्रकला एक विशेष चर्चा का विषय था। इस काल के चित्रोंका ढंग मुगली

ধৰ্ম্মপুৰাণ, হস্তীবিদ্যামহাৰ্ণৱ, কীৰ্ত্তনঘোষা, শঙ্খচূড়বধ আদি পুথিৰ চিত্ৰবোৰ কামৰূপীয় চিত্ৰৰ নিদৰ্শন। পুৰণি শিলৰ মঠ-মন্দিৰ, শিলৰ ৰাজ-কাৰেঙৰ খুটা, দুৱাৰ, মূৰ্ত্তি, কাঠৰ আৰু হাতী-দাঁতৰ সিংহাসন, দোলা-খাটোলা, নামঘৰৰ বেৰ, ধাতুৰ পাত্ৰ যেনে— শৰাই, বাটি, কাঁহী আদিত কামৰূপীয় শিল্পৰ আদৰ্শ আজিও দেখিবলৈ পোৱা যায়।

প্ৰাচীন কামৰূপত অতীজৰেপৰা কপাহী, পাট, মুগা, মেজাংকৰী— সূতাৰ কাপোৰৰ চলন্তি আছে; এইবোৰ সূতাত উপত্যকাৰ বহুতে বনৰীয়া গছৰ ছাল-পাতৰ বোল দি নানা ৰঙৰ সূতা তৈয়াৰ কৰে আৰু সেইবোৰেৰে বিচিত্ৰ কাপোৰ বই ব্যৱহাৰ কৰে। খামতী, নগা আদি পৰ্ব্বতীয়া ভাইসকলেও বহুকালৰেপৰা কপাহী সূতাত নানা ৰং দিয়া দস্তুৰ চলাই আহিছে। এই কাপোৰবোৰত নানা ফুল বছা প্ৰণালীও বহুকালৰ পৰা দেশত আছে। বৌদ্ধ ভিক্ষুসকলে সোণৰ পাত কৰি তাৰ ওপৰত নানা চিত্ৰ অঙ্কন কৰি পুথি লিখিছিল। আমাৰ এচৰৰ পৰ্ব্বতৰ কোষত থকা বাপুচাঙৰ ভিক্ষুসকলৰ হাতত এনে দুৰ্মূল্য পুথি এতিয়াও দেখিবলৈ পোৱা যায়।* এই সমস্ত কামৰূপীয় চিত্ৰৰ অৱশেষ।

আমি নানা ঠাইত বহুতো সচিত্ৰ পুথি দেখিবলৈ পাইছিলোঁ। তাৰ ভিতৰত যোৰহাটৰ শ্ৰীশ্ৰীফুলবাৰী সত্ৰৰ কীৰ্ত্তন-ঘোষা, শ্ৰীশ্ৰীআউনিআটি সত্ৰৰ হস্তীবিদ্যামহাৰ্ণৱ, নগাৱঁৰ শ্ৰীশ্ৰীকচুং সত্ৰৰ

* শিৱসাগৰত আমি নিজে পালীভাষাৰ এনে পুথি দেখিছিলোঁ।

है। इसलिए इस समय के भारतीय चित्रों को हिन्दु, बौद्ध और मुगली इन तीन श्रेणियों में बाँटा जा सकता है।

भारतीय चित्रों के अंकन की शैली (style) का स्थान के नाम के अनुसार बाद में पृथक् पृथक् नामकरण हो गया है। जैसे—इरानी, देहली, कंगरा, काश्मीरी, जयपुरी इत्यादि। जयपुरी चित्रको मूलतया राजपूती चित्र ही कहा जा सकता है। राजपूती चित्रमें गृह-चरित्र, मनुष्यका चलन, स्वभाव आदि प्रकट होते हैं। बौद्ध चित्रों में तो बौद्धधर्मके मधुर-भावों का ही प्रकाश मिलता है। मुगली चित्र तो प्राय: राजपूती चित्रों जैसे ही हैं; किन्तु इनमें धर्मभाव न होकर ऐहिक सुख-संभोग की प्रधानता है। सारांश यह कि—हिन्दू और बौद्ध चित्रों में तो भारतके आध्यात्मिक जीवन का विकाश था और मुगली चित्र थे—पार्थिव और लौकिक (स्वाभाविक)।

हमारे प्राचीन कामरूपके १६वीं सदीमें चित्रित चित्र राजपूती शैलीके ही हैं; किन्तु फिरभी उनमें लता-पेड़, पशु-पक्षी आदिका चित्रण कामरूपी वैशिष्ट्य अवश्य है। महापुरुष शङ्करदेव के द्वारा अंकित चिह्नयात्राके पट (चिह्नयात्रा का पट, वैकुण्ठ का पट), वृन्दावनी कपड़ा, सचि त्र पुराने सांचीपत्रों पर लिखित भागवत (संस्कृत और असमिया), धर्म-पुराण, हस्तिविद्या-महार्णव, कीर्त्तनघोषा, शंखचूड़ वध आदि पुस्तकोंके चित्र कामरूपी चित्रों का निदर्शन है। पत्थरोंके मठ-मन्दिर, राज-महलके पत्थरके खम्भे, किवाड़, मूर्तियाँ, लकड़ी और हाथीदाँत के सिंहासन, दोला-खटोला (पालकी), नामघर की दीवार, धातुओं के बर्तन, जैसे—शराइ, कटोरा, थाली आदि प्राचीन अवशेषों पर कामरूपीय शिल्पों की झलक आज भी देखने को मिल जाती है।

हमारे इस कामरूप प्रदेश में कपास, पाट, मूंगा, मेजांकरी आदिके सूत के कपड़ों का प्रचलन अतीत कालसे ही है। इन

সংস্কৃত ভাগৱত (শ্ৰীধৰ স্বামীৰ টীকা থকা) শ্ৰীশ্ৰীবালি সত্ৰৰ আদ্য-দশম-স্কন্ধ ভাগৱত আৰু শ্ৰদ্ধেয় ডাঃ সূৰ্য্যকুমাৰ ভূঞা ডাঙৰীয়াই সংগ্ৰহ কৰা "ধৰ্ম্মপুৰাণ" প্ৰধান। এই সকলোবোৰ পুথিৰ ভিতৰত শ্ৰীশ্ৰীবালি সত্ৰৰ শ্ৰীযুক্ত শিৱেন্দ্ৰনাৰায়ণ দেৱাধিকাৰৰ ঘৰত পোৱা আদ্য-দশমখন বেছি পুৰণি বুলি বোধহোৱাত আমি সংগ্ৰহ কৰোঁ।* আৰু বাধনাই চন্দ্ৰ ধৰিবলৈ হাত মেলাৰ দৰে ইয়াৰ প্ৰকাশ-কাৰ্য্য হাতত লওঁ।

আমি পোৱা মূল পুথিখনৰ পাতবোৰৰ আকাৰ ১৯"×৭", পুথিৰ প্ৰায় প্ৰতি পাততে পদত উল্লেখ কৰা প্ৰত্যেক ঘটনাৰ চিত্ৰ আছিল বুলি ডাঙৰ-স্ক কৰি তিনি ৰঙত অঙ্কন কৰা। ১ম পৃষ্ঠাৰ শুকদেৱ আৰু পৰীক্ষিতৰ চিত্ৰখন ৮"×৩½" ডাঙৰ, ২য় পৃষ্ঠাৰ চিত্ৰখন ১৮"×৩½" ডাঙৰ ইত্যাদি। পুথিত থকা আকাৰত সকলোবোৰ চিত্ৰ আমি তৈয়াৰ কৰিব নোৱাৰিলোঁ। প্ৰায়বোৰ চিত্ৰকেই আধা আকাৰত, কেইখনমান এক চতুৰ্থাংশ আকাৰত তৈয়াৰ কৰোৱা হল। আৰু সকলোবোৰ চিত্ৰ তিনি ৰঙত তৈয়াৰ কৰালে খৰচৰ পৰিমাণ বৰ বেছি হয় দেখি কিছুমান তিনি ৰঙত তৈয়াৰ কৰাই বাকীবোৰ কেৱল এক ৰঙত তৈয়াৰ কৰাই ছপা কৰালোঁ।

অসমীয়া আদ্যদশম অৰ্থাৎ দশম স্কন্ধ ভাগৱতৰ ১ম খণ্ড মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত **মহাভাগৱতৰ** প্ৰধান অংশ।

* ১৮১ পৃষ্ঠাৰ চিত্ৰৰ ওপৰত "চতুৰ্দ্দশি তিথিত পণ্ডিতয়ো সম্প্ৰদান কৰা শিৱপূজা কাটা সমংশাত চাগ ।" যি শাৰী পদ আছে, তাতেই সেই সময়ৰ লিপি আৰু বানানৰ নিদৰ্শন দেখা পাব।—সম্পাদক।

হতী পর উপত্যকা কে লোগ জংগলী পেড়োঁ কে ছিলকোঁ ঔর পত্তোঁ কা রংগ লেকর বিভিন্ন রংগোঁ কে সূত তৈয়ার করতে হৈং ঔর উনসে বিভিন্ন রংগ-বিরংগা কপড়া বুনকর কাম মেং লাতে হৈং। খামী, নংগা আদি পহাড়োঁ পর বসনেবালে লোগ বহুত দিনোং পহলে সে হী কপাস কে সূত পর অনেক প্রকারকে রংগ লগানে কা কার্য করতে আয়ে হৈং। ইন কপড়োঁ পর নানা প্রকার কে ফুল-পত্তে নিকালনে কী প্রণালী ভী বহুত সময় সে চলতী আই হৈ। বৌদ্ধ ভিক্ষুওং নে সোনেকে পত্তোঁ পর অনেক চিত্র অংকিত কর পুস্তক লিখী থী। হমারে সমীপবর্তী পহাড় কে কিনারে পর অবস্থিত বাপু চাংগ কে ভিক্ষুওং কে পাস ঐসী দুষ্প্রাপ্য পুস্তক অব ভী বিদ্যমান হৈ।*

হমারে দেখনে মেং অনেক প্রাচীন সচিত্র পুস্তকেং আয়ী হৈং— জিনমেং, জোরহাট কে শ্রীশ্রীফলবাড়ী সত্রকা "কীর্তন-ঘোষা", শ্রীশ্রীআতনিআটী সত্র কা "হস্তিবিদ্যার্ণব", নৌগাংব কে শ্রীশ্রীকবুংগ সত্র কা "সংস্কৃত-ভাগবত" (শ্রীধর স্বামী কী টীকা সহিত), শ্রীশ্রীবালি সত্র কা "আদ্য দশম স্কন্ধ ভাগবত" ঔর শ্রদ্ধেয় ডা০ সূর্যকুমার ভূঞা দ্বারা সংগৃহীত "ধর্মপুরাণ" প্রধান হৈং। ইন সভী পুস্তকোঁ কে দেখনে পর হমেং শ্রীশ্রীবালি সত্র কে শ্রীশিবেন্দ্রনারায়ণ দেবাধিকার কে ঘরমেং জো আদ্য দশম স্কন্ধ মিলা, সবসে প্রাচীন প্রতীত হোনে পর উসকা হমনে সংগ্রহ কিয়া† ঔর বামনকে চাঁদ পকড়নে কে সমান হী উসকে প্রকাশন কা কার্য হমনে অপনে হাথমেং লিয়া।

জো মূল প্রতি হমেং প্রাপ্ত হুই উসকে পত্রোঁ কা আকার ১৮"×৭" হৈ ঔর প্রায়: প্রত্যেক পৃষ্ঠ পর পদোঁ মেং উল্লিখিত প্রতি ঘটনা কা চিত্র

* শিবসাগরমেং ঐসী পুস্তক জো পালী ভাষামেং থী, অপনী আঁখোঁ সে দেখী হৈ।

† ১৮১ পৃষ্ঠ কে চিত্র কে উপর "চতুর্দশী তিথি মেং ধনুর্যাস মনাওঁ, শিবকী পূজা করো, অর্ন্তগলন বকরী কাটো বালী পংক্তিমেং উস সময় কী লিপি ঔর বর্ণনকা নিদর্শন মিলেগা।

—সম্পাদক।

"ভাগৱত" বুলিলে অসমীয়া মানুহে সাধাৰণতে এই আদ্যদশমকেই বুজে। অনুমান হয়—বৈকুণ্ঠৰ পট অঙ্কন কৰোঁতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ নিৰ্দ্দেশমতে তেওঁৰ ৰচিত পদৰ মাজে মাজে প্ৰত্যেক ঘটনাৰ চিত্ৰবোৰ অঙ্কন কৰোৱা হৈছিল; অৰ্থাৎ এই চিত্ৰবোৰ সম্ভৱতঃ মহাপুৰুষে নিজে অনুমোদন কৰিছিল। অৱশ্যে আমি পোৱা সচিত্ৰ আদ্যদশমখন মহাপুৰুষে আগত থাকি নকল কৰোৱা নহব পাৰে; পৰৱৰ্ত্তী কালত এই পুথি নকল কৰা আৰু চিত্ৰবোৰ অঙ্কন কৰা হলেও মহাপুৰুষৰ অনুমোদিত চিত্ৰৰ অনুৰূপে অঙ্কন কৰা বুলি ধৰিলে বোধকৰোঁ ভুল নহব। পুথিখনিৰ শেষত ১৪৬১ শক লিখা আছে; গতিকে এই পুথিৰ আখৰ আৰু চিত্ৰবোৰ ১৪৬১ শকৰ অৰ্থাৎ ১৫৩৯ খৃষ্টাব্দৰ বা ষোড়শ শতিকাৰ আদি ভাগৰ বুলি ধৰিব পাৰি। এই সময়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ বয়স ৯০ বছৰ। আমি পোৱা উক্ত আদ্যদশম স্কন্ধ ভাগৱতৰ পদবোৰ হুবহু ছপা কৰি তাৰ মাজে মাজে পুথিৰ তিনি ৰঙৰ চিত্ৰবোৰ ছপা কৰা আমাৰ পক্ষে অসম্ভৱ; সেই কাৰণে পদবোৰ **পুথিৰ বানানতে সুকীয়াকৈ ছপা কৰা হৈছে** আৰু চিত্ৰবোৰ ভগৱানৰ কৃপাত আজি প্ৰায় ন বছৰ পাছতহে সুকীয়াকৈ প্ৰকাশ কৰা হল। চিত্ৰবোৰ বুজিবৰ সুবিধাৰ অৰ্থে প্ৰত্যেক চিত্ৰৰ তলে তলে অতি সংক্ষিপ্ত বিৱৰণ দিয়া হল। বিৱৰণবোৰত চিত্ৰ অনুসাৰে শ্ৰীকৃষ্ণৰ শৈশৱ আৰু কৈশোৰ লীলা ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। এই কাৰণে পুথিখনিৰ নাম চিত্ৰ-ভাগৱত ৰখা হল। **ই চাৰি শ বছৰ আগৰ প্ৰাচীন কামৰূপৰ ভাগৱতীসকলৰ ভাগৱত প্ৰচাৰৰ এটা জীৱন্ত নিদৰ্শন।**

आवश्यकताके अनुरूप छोटा या बड़ा, तीन रंगों में चित्रित है। यथा - पहले पृष्ठ पर शुकदेव और परीक्षितका चित्र ४"×२॥" तथा दूसरे पृष्ठ का चित्र १८"×३॥" नापका है। पुस्तक में बड़े नापों में हम सभी चित्रों को तैयार नहीं करवा सके। प्राय: आधे और कुछ चौथाई आकार में ही चित्र बनवाये हैं। सभी चित्रों को तीन रंग में तैयार करने पर व्यय अधिक होने की संभावनासे कुछ तो तीन रंगों में बनवाये गये हैं बाकी सिर्फ एक रंग में ही तैयार कर छपवाया है।

असमिया आद्य दशम यानि दशम स्कन्ध भागवत का पहला खंड, महापुरुष श्रीमन्त शङ्करदेव रचित महाभागवत का एक अंश है। "भागवत" कहने से साधारणतया असमिया लोग इस आद्य दशम को ही समझते हैं। अनुमानत: वैकुण्ठ के पटके अंकनकारी महापुरुष श्रीमन्त शङ्करदेव के निर्देशानुसार ही, उनके द्वारा रचित पदोंके बीच-बीच में प्रति घटनाके चित्र अंकित किये गये थे, अर्थात्—चित्रोंके लिए महापुरुषने स्वयं ही अनुमोदन किया था। हमें जो आद्य दशम मिला है उसको, हो सकता है महापुरुषके सामने नकल न की गई हो; पर बाद में प्रतिलिपि की जा सकती है और चित्रोंका अंकन भी हो सकता है। फिर भी महापुरुष द्वारा अनुमोदित आधार पर चित्रों का अंकन किया गया ऐसा मान लेने पर, शायद कोई भूल न होगी। पुस्तक के अंत में १४६१ शक लिखा हुआ है अत: इस पुस्तक के अक्षर और चित्र १४६१ शक यानि १५३८ ई० या सोलहवीं सदी के प्रथम भाग के हैं ऐसा माना जा सकता है। इस समय में श्रीमन्त शङ्करदेव की आयु ८० वर्ष की थी।

हमें जो आद्य दशम की मूल प्रति मिली उसके पदों को उसी प्रकार छपवाकर उसके बीच-बीच में तीन रंगों के चित्रों का छपवाना हमारे लिए असंभव था; इस लिए पदों को पुस्तक के

চিত্ৰবোৰৰ বিৱৰণ লিখোঁতে নলবাৰী সংস্কৃত কলেজৰ আগৰ অধ্যক্ষ পণ্ডিত শ্ৰীযুক্ত ভগৱানচন্দ্ৰ গোস্বামী কাব্য-ব্যাকৰণতীৰ্থদেৱে আমাক ভালেখিনি সহায় কৰিছে। বিৱৰণবোৰৰ হিন্দী অনুবাদ মোৰ ছাত্ৰ শ্ৰীমান্ মহেন্দ্ৰমোহন তালুকদাৰে কৰি দিছে। মোৰ অনুজ সদৃশ মাৰোৱাৰী পণ্ডিত শ্ৰীযুত বাসুদেৱ শৰ্ম্মাদেৱে হিন্দী অনুবাদবোৰ সম্পাদন কৰি দিছে। এই তিনিজন সজ্জনৰ সহায় নাপালে মোৰ দ্বাৰা এই কাম হৈ নুঠিলহেঁতেন। ইয়াৰ উপৰি শ্ৰদ্ধেয় বন্ধু ডাঃ সুধীৰচন্দ্ৰ চক্ৰবৰ্ত্তীদেৱে (কলিকতা) হিন্দী অংশৰ আৰু মোৰ সহকৰ্মী শ্ৰীযুত যোগেশচন্দ্ৰ গোস্বামী স্মৃতি-ব্যাকৰণ শাস্ত্ৰীয়ে অসমীয়া অংশৰ প্ৰুফ চোৱাতো মোক ভালেখিনি সহায় কৰিছে। এই কাৰণে এই কেইজন ভ্ৰাতৃৰ ওচৰত চিৰকৃতজ্ঞ থাকিলোঁ।

পুথিখনৰ ছপা কাৰ্য্যত প্ৰায় পঁচিশ হাজাৰ টকা ব্যয় হল; তলত নাম দিয়া মহাশয়সকলে আমাক মুঠতে সাত শ সাত টকা দি এই কামত সাহায্য কৰিছে; এইবাবে তেখেতসকলৰ ওচৰতো কৃতজ্ঞ থাকিলোঁ। তেজপুৰৰ পাৰিজাত সঙ্ঘ—পঁচিশ টকা; মিঃ বি. কেৰকেৰা—এশ টকা; শ্ৰীযুত মণিৰাম কণ্ট্ৰাক্টৰ—দহ টকা; শ্ৰীযুত বাপুৰাম দত্ত—পঞ্চাশ টকা; শ্ৰীযুত তুলসীনাথ ভট্টাচাৰ্য্য—পঞ্চাশ টকা; শ্ৰীমান কমলাকান্ত নাথ (ছাত্ৰ)—পাঁচ টকা; শ্ৰীযুত ৰাজমোহন নাথ বি. ই.—পঁচিশ টকা; মিঃ এচ. কে দত্ত, আই. চি. এচ.—দুশ টকা। নগাওঁ (ঢিঙৰ) শ্ৰীযুত চন্দ্ৰকান্ত বৰকাকতি—এটকা; শ্ৰীশ্ৰীহিহিং সত্ৰাধিকাৰ—কুৰি টকা; শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰাধিকাৰ—সত্তৰ টকা; গুৱাহাটীৰ

वर्णन में ही अलग अलग छपवाया है। भगवान् की कृपासे चित्रों को आज नौ साल बाद ही प्रकाशित किया है। समझने के लिए प्रत्येक चित्रके नीचे बहुत ही संक्षेप में विवरण दिया गया है। पुस्तक का नाम "चित्र-भागवत" रक्खा गया है। यह चार सौ साल पहले क कामरूपके भागवत धर्मानुयायियों के भागवत प्रचारका एक सजीव प्रमाण है।

चित्रों के विवरण लिखने में नलबाड़ी संस्कृत कालेज के प्राक्तन अध्यक्ष श्रीयुत् पं० भगवानचन्द्रजी गोस्वामी काव्य-व्याकरण-तीर्थने हमें बहुत सहायता दी। विवरणों का हिन्दी अनुवाद मेरे प्राक्तन छात्र श्रीमहेन्द्रमोहन तालुकदारने किया है। मेरे अनुज सदृश मारवाड़ी पंडित श्रीयुत् वासुदेवजी शर्मा ने हिन्दी अनुवादों का सम्पादन कर दिया है। यदि इन तीन सज्जनों की सहायता न मिली होती तो मुझसे यह काम न हो पाता। इसके अतिरिक्त श्रद्धेय बन्धु डा० सुधीरचन्द्र देवने हिन्दी अंशके और सहकर्मी श्रीयोगेशचन्द्र गोस्वामी स्मृति-व्याकरण शास्त्रीने असमिया अंशके प्रूफ देखने में अत्यधिक सहायता दी। इसके लिए इन भाइयों का आभारी हूँ।

पुस्तकके छपवाने में पचीस हजार रुपये के आस पास व्यय हुए हैं। निम्नलिखित सज्जनों ने हमें कुल सात सौ सात रुपये देकर इस काममें सहायता की। इसके लिए इन लोगोंका आभारी हूँ। रुपये देनेवाले सज्जनों के नाम ये हैं—

तेजपुर पारिजात संघ २५), मि० बी० केरकेरा १०), श्रीयुत् मणिराम कण्ट्राक्टर १०), श्रीयुत् बापुराम दत्त ५०), श्रीयुत् तुलसीनाथ भट्टाचार्य ५०), श्रीकमलाकान्त नाथ (छात्र) ५), श्रीयुत् राजमोहन नाथ बी० ई० २५), मि० एस० के० दत्त, आइ० सी० एस० २००), नौगांव ढिंगके श्रीयुत् चन्द्रकान्त बरकाकति १),

শ্ৰীযুত কৃষ্ণানন্দ গোস্বামী—এশ টকা ; শ্ৰীযুত গোপালচন্দ্ৰ বৰুৱা (বৰুৱা এজেন্সি)—পঞ্চাশ টকা ; আৰু নলবাৰীৰ শ্ৰীযুত চৌথমল চেৰাউগী—এটকা।

ইমান খৰচবহুল কাম আমাৰ দ্বাৰা হোৱা অসম্ভৱ ; ৰাইজৰ শুভইচ্ছা, সাধুসকলৰ—বিশেষকৈ পুথিৰ স্বত্বাধিকাৰী গোস্বামীদেৱৰ আশীৰ্ব্বাদ আৰু ভগৱানৰ কৃপাতহে ই সম্ভৱ হৈছে। এতেকে এই কামটো মহাপুৰুষৰ ইচ্ছাতহে হোৱা বোধে—যাতে আমাৰ হিয়াত উঠিব পৰা গৰ্ব্ব ভাৱক উঠিব নিদিয়ে, তাৰ বাবে ৰাইজৰ মাজেদি শ্ৰীভগৱানৰ চৰণত প্ৰাৰ্থনা জনালোঁ।

নলবাৰী, কামৰূপ, অসম।
২৯ অঘোণ, ৫০১ শঙ্কৰাব্দ।

শঙ্কৰকিঙ্কৰ
হৰিনাৰায়ণ

श्रीश्रीदीहिंग सत्राधिकार २०), श्रीश्रीदक्षिणपाट सत्राधिकार ३०), गुवाहाटीके श्रीयुत् कृष्णानन्द गोस्वामी १००), श्रीयुत् गोपालचन्द्र बरुवा (बरुवा एजेन्सी) ५०) और नलबाड़ीके श्रीयुत् चौथमल सरावगी १)।

इतने व्ययबहुल कार्यका हमारे द्वारा होना असम्भव था ; किन्तु सज्जनों की शुभ इच्छा, साधुओं का आशीर्वाद और भगवान् की कृपाके कारण ही यह सम्भव हुआ है। अत: यह काम महापुरुषों की इच्छासे ही हुआ समझकर हमारे मनमें उठ सकनेवाले गर्वभाव न उठ पावें उसके लिए हमारे देशवासियों द्वारा श्रीभगवानके चरणों में प्रार्थना करता हूँ।

नलबाड़ी (कामरूप), असम।
२९ अगहन, ५०१ शङ्कराब्द।

शंकर-किंकर
हरिनारायण

শ্ৰীমন্ত শঙ্কৰদেৱ

শ্ৰীমন্ত শঙ্কৰদেৱ ১৪৪৯ খৃষ্টাব্দত অসমৰ নগাওঁ জিলাৰ বটদ্ৰৱাৰ ওচৰৰ আলিপুখুৰী নামে ঠাইত জন্মে। তেওঁৰ পিতৃৰ নাম কুসুম্বৰ শিৰোমণি ভূঞা। শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ অলপ দিন পাছতেই পিতৃ-মাতৃ স্বৰ্গী হয়; বুঢ়ীমাক খেৰসূতী আইৰ লালন-পালনত তেওঁ ডাঙৰ হয়।

শ্ৰীমন্ত শঙ্কৰৰ ৰূপ-গুণৰ কথা তেওঁৰ চিৰসঙ্গী মহাপুৰুষ শ্ৰীমাধৱদেৱে এইদৰে বৰ্ণনা কৰিছে—শ্ৰীশঙ্কৰৰ বৰ্ণ গৌৰ, মূৰ ছত্ৰাকাৰ, নয়ন আয়ত, অধৰ ৰাতুল, উৰু, জানু, জঙ্ঘা আদি সকলো অঙ্গ দেখিবলৈ সুশোভন, ডিঙিত ধৱল উত্তৰী, বক্ষস্থলত কণ্ঠমণি, হিয়াত সুৱৰ্ণৰ হাৰ, দুই হাতত তাঁৰ, হাতৰ আঙ্গুলিত আঙঠি, নীলা পাৰিৰ হেঙুলীয়া ভুনি, মুখত মিচিকীয়া হাঁহি, বাণী মেঘৰ দৰে গম্ভীৰ, গজগতি গমন, ধীৰ মতি, দেৱতাৰ দৰে তেওঁৰ বিতোপন ৰূপ।

শ্ৰীমন্ত শঙ্কৰদেৱে তেৰ বছৰ বয়সত মহেন্দ্ৰ কন্দলী নামে পণ্ডিতৰ পাঠশালাত বিদ্যা শিক্ষা আৰম্ভ কৰে। তেওঁ চাৰি বছৰতেই হিন্দুধৰ্মৰ আৱশ্যকীয় সমস্ত শাস্ত্ৰ অধ্যয়ন কাৰ শেষ কৰে। তাৰ পাছত ঘৰলৈ যায় আৰু যোগ অভ্যাস কৰিবলৈ ধৰে। ইয়াৰ পাছত ভাগৱত আলোচনাত মগ্ন হয়। তাকে দেখি খুৰাকসকলে তেওঁক বিয়া কৰাই দিয়ে আৰু পিতৃৰ শিৰোমণি বিষয় শোধাই দিয়ে। শ্ৰীশঙ্কৰে এবাৰ নোৱাৰি দুয়োটা বিষয় পোনতে কিছুদিন চলাবলৈ ধৰিলে। কিন্তু পাছলৈ তেওঁৰ ধৰ্মচিন্তা

श्रीमंत शंकरदेव

श्रीमंत शंकरदेव सन १४४८ में आसामके नौगाव जिलाके बटद्रवाके नजदीक आलिपुखुरी नामक स्थानमें जन्म ग्रहण किया था। उनके पिताका नाम था कुसुम्बर शिरोमणि भुआं। श्रीमंत शंकरदेवके जन्मके थोड़े दिन बाद माता पिता इस दुनियासे चल बसे। वे नानीकी परवरिशमें बड़े हुये।

श्रीमंत शंकरदेवके रूप-गुणकी बात उनके चिरसंगी महापुरुष श्रीमाधवदेवने इस तरह बयान की है—श्रीशंकरदेव गौरवर्ण, छत्राकार मस्तक, आयत नयन, रक्ताभ अधर, उरु, जानु-जंघा आदि सब अंग देखनेमें सुशोभित ; गलेमें धवल उत्तरीय, वक्षःस्थलमें कंठमणि, हियमें सुवर्णहार, बाजुमें तार, अंगुलीमें अँगुठी, नीली पारिकी केसरिया धोती, मुखपर मंदहँसी, वाणी मेघकी तरह गंभीर, गज-गमन धीर मति, देवताकी तरह उनका सुशोभित रूप।

श्रीमंत शंकरदेव १२ वर्षकी अवस्थामें महेन्द्र कान्दली पंडित की पाठशालामें विद्याध्ययनके लिये प्रविष्ट हुये और चार वर्षोमें ही "हिन्दूधर्म" का अध्ययन समाप्त कर लिया। इसके पश्चात् घर आकर योगाभ्यास करने लगे और भगवत् चिंतनमें अपनेको लगा दिया। घरवालोंने यह देखकर इनका विवाह कर इनको सांसारिक गृहस्थ कर्म करनेको अनुप्रेरित किया। घरवालोंके अनुरोध को न टाल सकनेके कारण वे दोनों कर्म करते हुए भी अपने मानसिक द्वंद्वको न रोक सकनेके कारण वे अपना ध्यान

প্ৰবল হৈ উঠে, আন কি বেছিভাগ নিশা তেওঁৰ আত্ম-চিন্তাতে যাবলৈ ধৰে।

সেই সময়ত আমাৰ দেশত শাক্তধৰ্ম্ম প্ৰবল আছিল, আৰু কিছুমানে ধৰ্ম্মৰ নামত তন্ত্ৰৰ বিকৃত মতে চলি নানা অনাচাৰ আৰু ব্যভিচাৰ কৰিছিল। শ্ৰীমন্ত শঙ্কৰে তাত বাধা দি দেশত এক ঈশ্বৰ উপাসনা প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁ গোলোকধামৰ পট আঁকি চিহ্নযাত্ৰা ভাওনা কৰি সকলোৰে মন ভগৱন্মুখী কৰিলে আৰু ব্ৰাহ্মণৰপৰা কৈবৰ্ত্তলৈকে সকলো শ্ৰেণীৰ মানুহৰ মাজত "কলিৰ পৰম ধৰ্ম্ম জানা হৰি নাম" বুলি ঘোষণা কৰিলে। পাছলৈ শ্ৰীশঙ্কৰৰ এই ধৰ্ম্ম পৰ্ব্বতীয়া আৰু মুছলমান ভাইসকলেও গ্ৰহণ কৰি আনন্দ লাভ কৰিবলৈ ধৰে। এইসকলৰ ভিতৰৰপৰা আকৌ কেইজনমানে বিশিষ্ট ভক্ত হৈ উঠি প্ৰচাৰক বা ধৰ্ম্মাচাৰ্য্য পদো লাভ কৰে। অস্পৃশ্যতা আৰু মাদকতা বৰ্জ্জন, অহিংসা, ভূতদয়া আৰু ত্যাগ তেওঁৰ ধৰ্ম্মৰ মূলনীতি হল।

শ্ৰীশঙ্কৰে প্ৰচাৰ কৰিবলৈ ধৰিলে—

(একেশ্বৰবাদ) "এক দেৱ এক সেৱ ;
এক বিনে নাই কেৱ।"

আকৌ কলে,—

(সাংখ্য বাদ) "নাহি ভকতিত জাতি আচাৰ-বিচাৰ।
কৃষ্ণ-ভকতিত সমস্তৰে অধিকাৰ॥" (কীৰ্ত্তন)

আৰু কলে—

(অহিংসা) "ব্ৰাহ্মণ-চণ্ডাল-চোৰ-দাতা-ক্ৰূৰ-শান্ত।
সবাতে আমাক তুমি দেখিবা নিতান্ত॥" —ভক্তিৰত্নাকৰ

भगवत् चिंतन में खो जाने लगे और अपने इस सुखों से वे सबकी नजरमें श्रेष्ठ जँचने लगे।

उस समय हमारे देशमें शाक्त-धर्मका प्रभाव था; और कुछ लोग तो धर्मके नामपर तन्त्रको ग्लानिकारी गतिमें चला कर अतिशय अनाचार करते थे। श्रीमंत शंकरने राम राम करके उसमें बाधा डाली। और उन्होंने एक ईश्वर का ध्यान करनेका मत प्रचार किया। वे गोलोकधामके पट अंकन कर चिह्नयात्रा तथा "भावना"से सबका मन भगवन्मुखी करने लगे और ब्राह्मणसे लेकर म्लेच्छ तक सभी श्रेणीके बीचमें "कलिका परम धम हरिनाम है" कह कर प्रचार करने लगे। पीछे तो इनका धर्म पहाड़ी भाई तथा मुसलमान भाइयोंने खुशीके साथ ग्रहण किया। इन लोगोंके बीचमेंसे चंद लोग तो विलक्षण भक्त बन गये और धर्म प्रचार करके प्रचारक यानी धर्माचार्य कहलाते थे। अहिंसा, छूत, और मादक द्रव्य वर्जन, भूतदया, त्याग आदि उनके धर्मकी नीति हुई। श्रीशंकर प्रचार करने लगा—

(एकेश्वरवाद) "एक देव एक सेव।
एक बिना नाहि केव॥"

फिर कहा—

(सांख्यवाद) "नाहि भकतिमें जाति आचार विचार।
कृष्ण भकतिमें सबका अधिकार॥" (कीर्तन)

और कहा—

(अहिंसा) "ब्राह्मण चंडाल चोर दाता क्रूर शान्त।
सबाते आमाक तुमि देखिबा नितांत॥" (भक्तिरत्नाकर)

হাত দাঙি ঘোষণা কৰিলে,—

(পৰম-তত্ত্ব)—"সমস্ত ভূতৰে হৃদয়ত আছোঁ আমি।
পৰম সুহৃদ মহেশ্বৰ অন্তৰ্য্যামী॥"
হেন বুদ্ধি কৰি সৰ্ব্বদায় জানা-মোক।
এতেকে তৰিবা সংসাৰৰ দুখ শোক॥"

—ভক্তি প্ৰদীপ

শ্ৰীশঙ্কৰৰ প্ৰচাৰিত ধৰ্ম্ম দাস্যভাৱ প্ৰধান, তেওঁৰ মতে শ্ৰীকৃষ্ণই পৰম ব্ৰহ্ম, তেৱেঁই সনাতন, তেৱেঁই জ্ঞানময়, তেওঁ পুৰুষ প্ৰকৃতিৰ পৰ। তেওঁ নিজক কৃষ্ণ-কিঙ্কৰ বুলি য'তে ত'তে চিনাকি দি গৈছে। দাস ভাৱে কৃষ্ণৰ নামগুণ শ্ৰৱণ কীৰ্ত্তন কৰাকেই তেওঁ ভক্তিৰ প্ৰধান উপায় বুলি ঘোষণা কৰি গৈছে। তেওঁৰ মতে অন্য দেৱ-দেৱী মিছা, কেৱল এক কৃষ্ণতেই জীৱে শৰণ লৈ তেওঁৰ নাম-গুণ শ্ৰৱণ-কীৰ্ত্তন কৰিলে সকলো সিদ্ধি হয়। এই কাৰণে শ্ৰীশঙ্কৰৰ প্ৰচাৰিত মতক এক শৰণ ধৰ্ম্ম বোলে।

শ্ৰীশঙ্কৰে আলিপুখুৰী অনুচল বোধকৰি জ্ঞাতিসকলৰ সৈতে পূৰ্ব্বপুৰুষৰ ভেটি-বটদ্ৰৱালৈ উঠি যায় আৰু তাত হাটি বাটি পাতি আৰু কীৰ্ত্তন ঘৰ আদি সজাই বাস কৰে। অলপ দিন পাছতেই ইয়াত হৰি-কীৰ্ত্তনৰ বোল বৰ বেছি হৈ উঠিল আৰু বহুতে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিলে। ইয়াৰ কেইবছৰমান পাছত শ্ৰীশঙ্কৰৰ পত্নী বিয়োগ হয়। তাৰ পাছতেই তেওঁ বাৰজন ভকত লগত লৈ বাৰ বছৰ কাল গোটেই ভাৰতৰ তীৰ্থবোৰ দৰ্শন কৰি ফুৰে। তীৰ্থৰ পৰা ঘূৰি আহি বটদ্ৰৱাত কিছুদিন থকাৰ পাছত কছাৰি বিদ্ৰোহ হয়; তেতিয়া শ্ৰীশঙ্কৰে জ্ঞাতিসকলৰ সৈতে উজনীলৈ যায়। উজনীৰ

(परम तत्त्व) "समस्त भूतके हृदयत आछों आमि।
परम सुहृद महेश्वर अन्तर्यामी॥
हेन बुद्धि करि सर्वदाय जाना मोक।
एतेके तरिबा संसारर दुख शोक॥"

—(भक्तिप्रदीप)

श्रीशंकरके प्रचारित धर्ममें दास्यभाव प्रधान है। उनके अनुसार श्रीकृष्ण ही परम ब्रह्म हैं। वे ही सनातन, तथा ज्ञानमय हैं। वे पुरुष प्रकृतिसे परे हैं। वे अपने को कृष्ण-किंकर कह कर प्रचार किया है। दास भावसे नामगुण श्रवण कीर्त्तन करनाही भक्तिका प्रधान मार्ग बतलाया है। उनके मतानुसार केवल एक कृष्णको ही शरण लेकर उसीका नाम गुण तथा श्रवण कीर्त्तन करनेसे सर्व सिद्धि प्राप्त होगी। इस लिये श्रीशंकरके प्रचारित मतको "एक शरण धरम" कहते हैं।

श्रीशंकर 'आलिपुखुरी'को अनुपयुक्त स्थान समझते हुये अपने संबंधियों साथ बटद्रवाको चले गये और इसमें हाट, बाट बनाकर और कीर्त्तन-घर आदि बनवाकर वास करने लगे। थोड़े दिनोंके बाद प्रचारके बाहुल्यके कारण ज्यादा लोगोंने शिष्यत्व ग्रहण किया। कुछ साल बाद उनकी पत्नी चल बसी। बादमें वे अपने १२ भक्तों साथ १२ बरसों तक सारे भारतवर्षमें तीर्थ-भ्रमण करते रहे। भ्रमणके बाद बटद्रवा लौट आये और वहां रहे। कुछ दिन रहनेके बाद कछारी जातिमें गदर हुआ; तब श्रीशंकरदेव संबंधियों साथ "उजनी"को चलेगये। उजनीमें कई जगहोंमें रहकर भाडीरवार सुआलकाटीमें रहने लगे।

কেইবা ঠাইতো থাকি শেষত ধুঞাহাটাত গৈ বাস কৰে।' ইয়াত তেওঁ ওঠৰ বছৰ কাল একেৰাহে থাকি বহুতক এক শৰণ ধৰ্ম্মত শৰণ দিয়ে। মহাপুৰুষ শ্ৰীমাধৱদেৱে ইয়াতেই শ্ৰীশঙ্কৰৰ সঙ্গ লাভ কৰে। এই সময়ৰপৰা এক শৰণ ধৰ্ম্ম উজনীত কোৱাল ভাৱে চলিবলৈ ধৰে। কিন্তু কিছুদিন পাছতেই ৰজাৰ কোপদৃষ্টি পৰাত শ্ৰীশঙ্কৰে উজনী অসম ত্যাগ কৰি ভটিয়াই আহি মহাৰাজ নৰনাৰায়ণৰ ৰাজ্য কামৰূপৰ পাটবাউসী পায়হি। শ্ৰীশঙ্কৰে শিষ্যসকলৰ সৈতে পাটবাউসীত বহুকাল থাকে।

শ্ৰীশঙ্কৰদেৱে প্ৰাচীনকালৰ বৌদ্ধসংঘ্ৰামৰ দৰে সত্ৰপাতি বহুতো উদাসীন আৰু গৃহস্থী ভকত বাস কৰোৱাৰ ব্যৱস্থা কৰিছিল। সত্ৰবোৰ গণতান্ত্ৰিক নিয়মে চলোৱাইছিল, তদুপৰি প্ৰত্যেক সত্ৰতে পুথিভঁৰাল, পণ্ডিত, লিখা-পঢ়া শিকাৰ ব্যৱস্থা, ঔষধ তৈয়াৰ কৰা শিক্ষা, চিত্ৰ বিদ্যা, খনিকৰি বিদ্যা আদিৰ চৰ্চ্চাৰো ব্যৱস্থা আছিল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰধান কৰ্ম্মক্ষেত্ৰ পাটবাউসী ধাম, ইয়াত থকা কালতেই শ্ৰীদামোদৰদেৱ, শ্ৰীহৰিদেৱ, শ্ৰীগোপাল দেৱ (আতা) আৰু শ্ৰীনাৰায়ণ ঠাকুৰে তেওঁৰ সঙ্গলাভ কৰি এক শৰণ ধৰ্ম্ম প্ৰাচীন কামৰূপত বহুলভাৱে প্ৰচাৰ কৰে। কিছুদিন এইদৰে ধৰ্ম্মপ্ৰচাৰ হওঁতে শ্ৰীশঙ্কৰৰ ওপৰত মহাৰাজ নৰনাৰায়ণৰ কোপদৃষ্টি পৰে; কিন্তু পাছত মহাৰাজে শ্ৰীশঙ্কৰৰ গুণ-গৰিমা বুজি পাই তেওঁক বিশেষ আদৰ কৰে আৰু নিজ ৰাজধানীৰ ওচৰতে তেওঁৰ থকা মেলাৰ বন্দোবস্ত কৰি দিয়ে। শ্ৰীশঙ্কৰে প্ৰায় ৯১ বছৰ বয়সত এই পাটবাউসীৰ পৰা ১২০ জন শিষ্য লগত লৈ ২য় বাৰ

यहाँ लगातार १८ बरस तक रह कर बहुत लोगोंको इस शरण धर्मकी शिक्षा दीक्षा दी। महापुरुष माधवदेव यहींपर इनके सत्संगमें आये। इसी समयसेही उजनीमें एक शरण धर्मका प्रभाव जोरसे होने लगा। लेकिन थोड़े दिनोंके बाद वे राजाकी कोपदृष्टिमें पड़ कर उजनी असम छोड कर महाराज नरनारायणके राज्यमें तथा कामरूप जिलेके पाटबाउसी नामक स्थानमें चले गये और अपने शिष्यों सहित वहीं पर अनेक दिनों तक रहे।

श्रीशंकरदेवने बौद्ध संघाराम कहीं कहींपर सत्र बनवाकर बहुतसे उदासीन और गृहस्थी भक्तोंको बसानेकी व्यवस्था की थी। सत्रोंको गणतान्त्रिक पद्धतिसे चलानेकी व्यवस्था थी। उसमें भी हर सत्रमें पुस्तकालय, शिक्षा देनेकी व्यवस्था, औषध बनानेकी शिक्षा, चित्रविद्या, तथा कारीगरी विद्या आदिकी चर्चा करनेकी व्यवस्था थी।

श्रीशंकरदेवका प्रधान कर्मक्षेत्र पाटबाउसी है। इस समयमेंही श्रीदामोदरदेव श्रीहरिदेव, श्रीगोपालदेव (आता) और श्रीनारायण ठाकुर आदि पुरुषोंने उनका संग लाभ किया था। वे एक शरण धर्मका प्रचार, कामरूपमें करते थे। कुछदिन इसी तरह धर्म-प्रचार करनेके बाद महाराज नरनारायणकी कोपदृष्टि पड़ी— लेकिन बादमें महाराजने श्रीशंकरकी गुण-गरिमा देखकर उन्हें विशेष सम्मानित कर अपनी राजधानीके नजदीक ही उनके रहनेकी व्यवस्था करवा दी। श्रीशंकरदेवने करीब ८१ बरस की उम्रमें पाटबाउसीसे ही १२ शिष्यों को लेकर दूसरीबार

তীৰ্থ পৰ্য্যটন কৰে। এইবাৰ তেওঁ নিশা য'তেই বাস কৰিছিল, ত'তেই একোখন সত্ৰ হৈ উঠাৰ দৰে হৈছিল। তীৰ্থৰ পৰা ঘূৰি আহি কিছুকাল পাটবাউসীত থকাৰ পাছত পুনৰ মহাৰাজ নৰনাৰায়ণৰ ৰাজধানী কোচবিহাৰলৈ যায় আৰু তাতে আঢ়ৈ বছৰ কাল থকাৰ পাছত ১৫৬৮ খৃষ্টাব্দত বৈকুণ্ঠ প্ৰয়াণ কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱে নিজে গৃহাশ্ৰমী আছিল, আৰু খেতিবাতি কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল; কিন্তু তেওঁৰ প্ৰধান সঙ্গী মহাপুৰুষ শ্ৰীমাধৱদেৱ উদাসীন আছিল। শ্ৰীমাধৱদেৱৰ আদৰ্শকে লৈ কিছুমান ভক্তে সংসাৰ ত্যাগকৰি ধৰ্ম্মপ্ৰচাৰ কৰিছিল; এই উদাসীন ভকতৰ সৰহভাগেই সত্ৰৰ হাটি বহাত বাস কৰিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱে বহুতো শাস্ত্ৰ প্ৰণয়ণ কৰে, তাৰ ভিতৰত এইকেইখন প্ৰধান—(১) কীৰ্ত্তন ঘোষা, (২) শ্ৰীমদ্ভাগৱত ১ম, ২য়, ৩য় স্কন্ধ (অনাদি পাতন)। ৬ষ্ঠ স্কন্ধ (অজামিল উপাখ্যান), ৮ম স্কন্ধ (অমৃত মথন—বলিছলন), আদ্য দশম, কুৰুক্ষেত্ৰ, একাদশ স্কন্ধ, নিমিনৱ সিদ্ধ, দ্বাদশ স্কন্ধ, গুণমালা, ৰামায়ণ (উত্তৰাকাণ্ড), হৰিশ্চন্দ্ৰ উপাখ্যান, ভক্তি-ৰত্নাকৰ (সংস্কৃত), টোটয়, বড়গীত, অঙ্কীয়া নাট—কালিদমন, পত্নীপ্ৰসাদ, কেলিগোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ, ৰামবিজয় ইত্যাদি।

শঙ্কৰ-কিঙ্কৰ
হৰিনাৰায়ণ

तीर्थ पर्यटन करनेको निकले। इस बार की उनकी यात्रा तथा स्थान जहाँ २ वे ठहरते थे मानो सत्र से मालुम होते थे। तीर्थसे लौट कर कुछ दिन तक पाटबाउसीमें रहनेके बाद फिर महाराज नरनारायणकी राजधानी कूचबिहारमें ढाई बरस तक रहे। आखिर सन १५६८ में वैकुंठगामी हुये।

श्रीशंकरदेव गृहस्थी थे, और खेती-बारी करके जीवन बिताते थे। लेकिन उनके प्रिय और प्रधान संगी महापुरुष माधवदेव उदासीन थे। श्रीमाधवदेवके आदर्श को अपना कर कुछ भक्तोंने धर्मचर्चा की थी। इन उदासीन भक्तोंमेंसे ज्यादा लोग तो सत्रके हाटिडेरेमें बास करते थे।

श्रीमंत शंकरदेवने बहुतसे शास्त्रोंका प्रणयन किया। उनमेंसे नीचे लिखे शास्त्र प्रधान हैं:— (१) कीर्तन घोषा, (२) श्रीमद्भागवत पहला, दूसरा, तीसरा, स्कन्ध (अनादि पातन) छठा स्कन्ध (अजामिल उपाख्यान), आठवाँ स्कन्ध (अमृत मंथन—बलिछलन), आद्य दशम, कुरुक्षेत्र, ग्यारहवाँ स्कन्ध, निमि नवसिद्ध, बारहवाँ स्कन्ध, गुणमाला, रामायण (उत्तराकांड), हरिश्चन्द्र उपाख्यान, रुक्मिणी हरण, भक्तिप्रदीप, (संस्कृत), टोटय, बड़गीत, अंकीया नाट, कालिय दमन, पत्नीप्रसाद, केलि-गोपाल पारिजात हरण, रामविजय इत्यादि।

शंकर-किंकर
हरिनारायण

ওঁ নমো ভগৱতে বাসুদেৱায়। **চিত্ৰ-ভাগৱত :: चित्र-भागवत** ऑं नमो भगवते वासुदेवाय।

ৰাজা পৰীক্ষিৎ

শুকদেৱ

শুকদেৱৰ মুখৰপৰা ভাগৱত শুনিবলৈ পৰীক্ষিতৰ আগ্ৰহ :—শ্ৰীমদ্ভাগৱতৰ আৰম্ভন। ব্ৰাহ্মণৰ শাপত ভয় খাই মহাৰাজ পৰীক্ষিতে ব্যাসৰ আদেশত ভাগৱত শুনিবলৈ শুকদেৱৰ আগত হাতযোৰ কৰি আঠুলৈ বহিছে। পৰম বৈষ্ণৱ শুকদেৱে ওপৰলৈ হাত দাঙি মহাৰাজক ভয় কৰিবলৈ বাধা দি ভাগৱত শুনাবলৈ আৰম্ভ কৰিছে।

महर्षि शुकदेवकी मुँहसे भागवत सुननेका महाराज परीक्षितका आग्रह : ब्राह्मणके अभिशापके डरसे महाराज परीक्षित व्यासके आदेशानुसार भागवत सुनने के लिए महर्षि शुकदेवके सामने हाथ जोड़कर घुटने टेककर बैठे हुये हैं। परम वैष्णव शुकदेव महाराज अभय देते हुये श्रीभागवत सुनाना प्रारंभ करते हैं।

সূৰ্য্য বৰুণ বায়ু অগ্নি বসুমতিয়ে ব্ৰহ্মাত দুখ নিবেদন কৰিছা ইন্দ্ৰ কুবেৰ চন্দ্ৰ যম

ধেনুৰূপা পৃথিবীৰ ব্ৰহ্মাৰ ওচৰত দুখ নিবেদন। অসংখ্য দৈত্যৰজাৰ পীড়নত পৃথিবী পীড়িতা হৈ তাৰ ভাৰ সহিব নোৱাৰি ধেনুৰূপ ধৰি ব্ৰহ্মাৰ আগত দুখ নিবেদন কৰিছে। ব্ৰহ্মাই সেই গাভী-ৰূপা পৃথিবীক আগত লৈ সূৰ্য্য, বৰুণ, বায়ু, অগ্নি, ইন্দ্ৰ, কুবেৰ, চন্দ্ৰ, যম আদি ত্ৰিদশ কোটি দেৱতাৰ সৈতে ক্ষীৰোদ সাগৰৰ পাৰত পুৰুষ-সুক্ত মন্ত্ৰেৰে মাধৱক আৰাধনা কৰোঁতে সমাধিত আকাশী বাণী শুনে।

धेनुरूपमें पृथ्वीका ब्रह्मा के पास दुःख निवेदन : असंख्य दैत्यराजाओंके पीड़नसे पृथ्वी पीड़ित होकर बोझ सहनेमें असमर्थ हो धेनु रूपमें ब्रह्माके सामने दुःख निवेदन करती है। ब्रह्माने उस गाभी-रूप पृथ्वीको साथ लेकर सूरज, वरुण, वायु, अग्नि, इन्द्र, कुबेर, चन्द्र, यम प्रभृति तीस करोड़ देवताओं के साथ क्षीर सागरके किनारे पुरुष सूक्त मन्त्र से माधवकी आराधना करते हुये आकाश वाणी सुनी।

যৌতক হাতী — যৌতক ঘোঁৰা — শঙ্খ বোৱা — ৰথত কংস চৰিছে — দৈৱকী-বসুদেৱ — যৌতক দাসদাসী

দৈৱকী-বসুদেৱৰ বিবাহ আৰু আকাশীবাণী শ্ৰৱণ।

ভগবানৰ আদেশ অনুসাৰে দেৱ-দেৱীসকল পৃথিবীত যদুবংশত জন্মে। দেৱমাতা অদিতি যদুবংশৰ দেৱক ৰজাৰ ঘৰত দৈৱকী নামে জন্মলাভ কৰে। দৈৱকীক বসুদেৱৰ লগত দাস-দাসীৰ সৈতে বিয়া দি কংসই* ভনীয়েকৰ স্নেহত নিজ ৰথ চলাই নানা বাদ্য ভাণ্ডেৰে বসুদেৱৰ ঘৰলৈ যাত্ৰা কৰিছে। এনেতে মাজ বাটত আকাশবাণী শুনিলে—"যাক ৰথত লৈ আনন্দমনে শহুৰেকৰ ঘৰত থবলৈ লৈ যাইছ, সেই দৈৱকীৰ অষ্টম গৰ্ভৰ পৰা তোৰ বিনাশ হব।" এই বাণী শুনিয়েই কংসই দৈৱকীৰ চুলিত ধৰি তৰোৱাল দাঙি কাটিবলৈ উদ্যত হৈছে। বসুদেৱে হাত দাঙি নানা প্ৰবোধ বাক্যেৰে বাধা দিছে। দৈৱকীয়েও "দাদা মোক নাকাটিবা, তোমাৰ চৰণত পৰিছোঁ" বুলি আঠু কাঢ়ি আগভৰিখনত আগ হাতখনেৰে সাৱটি মাৰি ধৰি জীৱন ভিক্ষা কৰিছে। বসুদেৱে নানা বুজনি দি কংসক নিবৃত্ত কৰিব নোৱাৰি শেষত কলে—

"তাহান পুত্ৰত যেবে ভৈল মৃত্যুভয়।
সম্পিবো তোমাতে উপজিলে পুত্ৰচয়॥" ১০৭৬৩॥

* দেৱকৰ ভায়েক উগ্ৰসেনৰ পুতেক

वसुदेव-देवकीका व्याह व आकाशवाणीका श्रवण।

भगवानके आदेशानुसार देव-देवियोंने पृथ्वी पर यदुवंशमें जन्म लिया। देवमाता अदितिने यदुवंशके देवक राजाके घरमें देवकी नामसे जन्म लाभ किया। देवकीका विवाह वसुदेवके साथ कर दास-दासियोंकी साथ देकर कंसने* बहनके स्नेहसे खुद रथ चलाकर अनेक बाद्योंके साथ वसुदेवके घरकी ओर यात्रा की। इतनेमें बीच राहमें आकाश वाणी सुनी—'जिसको रथपर लेकर आनन्दमनसे ससुरके घर पहुंचाने चला उसी देवकीके आठवें गर्भसे तेरा विनाश होगा। इस वाणीको सुनकरही कंसने देवकीके बाल पकड़कर तलवार उठाकर काटनेका उद्योग किया। वसुदेव हाथ उठाकर नम्र वाणीसे मना कर रहे हैं। देवकी भी "भैया! मुझे मत मारो तुम्हारे चरणों में पड़ी हूं" कहकर घुटने टेककर दाहिने पाँवको दाहिने हाथसे पकड़कर प्राण भिक्षा मांग रही है। वसुदेवके समझाने पर भी कंसके न मानने पर वसुदेव ने कहा "यदि देवकीके पुत्र ही तेरी मृत्युका कारण हैं तो मैं जनमतेही पुत्रोंको तुझे सौंप दूंगा"।

* देवक के भाई उग्रसेन का पुत्र।

কংসৰ দাস কংস ৰজা কংসৰ সেৱক বসুদেৱৰ পুত্ৰ কীৰ্ত্তিমন্তক সত্যক ৰাখি দিছা

পূৰ্বপ্ৰতিশ্ৰুত মতে ৰজা কংসৰ ওচৰত সন্তানৰ সৈতে বসুদেৱৰ উপস্থিতি। আগৰ প্ৰতিশ্ৰুতি মতে বসুদেৱে প্ৰথম সন্তানটো ওপজা মাত্ৰকে কোলাতলৈ কংসৰ ওচৰলৈ আহে। কংস ৰাজ-সিংহাসনত বহি আছে; এজন সেৱকে পিছ ফালৰপৰা তেওঁৰ ওপৰত বিচিত্ৰ ৰত্নমণ্ডিত বগা ছত্ৰ ধৰিছে, সমুখৰ ফালে আন এজন সেৱকে চন্দনাদি গন্ধ দ্ৰব্যৰ পাত্ৰ বাওঁহাতত লৈ আগহাত ওপৰলৈ তুলি ৰজাৰ স্তুৱ কৰিছে। এনে সময়ত কংসই বসুদেৱক সদ্যজাত সন্তানটো লৈ অহা দেখি বসুদেৱক সত্যবাদী বুলি জানি সন্তানটো উলটাই নিবলৈ আদেশ কৰে।

पूर्व प्रतिस्रुतिके अनुसार राजा कंसके पास सन्तानके साथ वसुदेवका आगमन। पूर्व प्रतिज्ञानुसार वसुदेव पहली सन्तानको जन्मतेही गोदीमें लेकर कंसके पास आया। कंस राजसिंहासनपर बैठा है; एक सेवक पीछेसे उसके ऊपर विचित्र रत्नोंसे सजा हुआ सफेद छत्र डुला रहा है, सम्मुखको और एक दूसरा सेवक चंदनादि गंध द्रव्योंको बायें हाथमें लेकर दाहिने हाथसे राजा का स्तवन कर रहा है। ऐसे समयमें कंसने वसुदेवको सद्यजात शिशुको लेकर आते देख वसुदेवको सत्यवादी जान सन्तान को लौटा ले जानेका आदेश दिया।

ৰখীয়া　বসুদেৱ-দৈৱকী　ৰখীয়া　নাৰদ ঋষি　কংস ৰজা　কংসৰ অনুচৰ

দৈৱকী-বসুদেৱ কাৰাগাৰত আৱদ্ধ। বসুদেৱে সন্তানটি ফিৰাই লৈ যোৱাৰ পাছতেই মহৰ্ষি নাৰদ কংসৰ ওচৰত উপস্থিত হল। নাৰদে কংসক কবলৈ ধৰিলে "অবোধ কংস, তই বুজা নাই নে যে বসুদেৱ, নন্দ আদি সকলোবিলাক বিষ্ণু অংশ দেৱতা। দৈৱকী, যশোদা আদি সকলোবিলাক দেৱনাৰী; তই পূৰ্বত কালনিমি আছিলি। বিষ্ণু দৈৱকীৰ গৰ্ভত পুনৰ জন্মি তোক মাৰিব। তোৰ যিবিলাক জ্ঞাতি সকলোবিলাক তোৰ বৈৰী।" কংসই নাৰদৰ কথা শুনা মাত্ৰেই ভয় খাই দূত পঠাই দৈৱকী-বসুদেৱক আনি লোহা লগাই বন্দীশালত থোৱালে আৰু ৰখিবলৈ অনুচৰ নিযুক্ত কৰিলে।

এই সময়ত কংস ৰত্ন-সিংহাসনত বহিছে, তেওঁৰ এজন অনুচৰে মূৰৰ ওপৰত বিচিত্ৰ ৰত্নখচিত ছত্ৰ ধৰিছে; এজন গা ৰখীয়া সৈন্যই ঢাল-তৰোৱাল লৈ ৰজাৰ আদেশলৈ অপেক্ষা কৰি আগত বহি আছে।

देवकी-वसुदेव का मथी कारागारमें। वसुदेव सन्तान को लौटा ले जानेके बाद महर्षि नारद कंसके पास हाजिर हुए। नारद कहने लगे—'अबोध कंस! तूने क्या समझा नहीं कि वसुदेव, नंद वगैरह सभी विष्णुके अंश देवता हैं, देवकी, यशोदा आदि सभी देवनारियां हैं, तूँ पहले कालनेमि था। विष्णु देवकीके गर्भमें फिर जन्मकर तुझे मारेंगे। तेरे जितने कुटुम्बी हैं सभी बैरी हैं। कंस ने नारद की बात सुनते ही डरकर दूत भेजकर देवकी-वसुदेव को लाकर लोहे की जंजीर लगाकर कैदखाने में डलवा दिया और पहरा देनेके लिए अनुचर नियुक्त कर दिया।

इस समय कंस रत्नसिंहासनपर बैठा है। एक अनुचर सिरपर विचित्र रत्न खचित छत्र डुला रहा है, एक देह रक्षी सैनिक ढाल तलवार लेकर राजाके आदेशकी अपेक्षा कर रहा है।

কংসৰ ৰখীয়া বন্দীশালত বসুদেৱ-দৈৱকী কংসৰ দাস কংস ৰাজা কংসৰ অনুচৰ

কংসৰ কাৰাগাৰত দৈৱকী আৰু বসুদেৱ বন্ধন অৱস্থাত আছে; ৰখীয়াই বন্দীশাল পহৰা দিছে। গৰ্ভৱতী দৈৱকী চিন্তাযুক্তা হৈ আছে; বসুদেৱে তেওঁক নানা প্ৰবোধ-বাক্যৰে আশ্বাস দিছে। কংসৰ অনুচৰে দৈৱকীৰ গৰ্ভহোৱা সংবাদ কংসৰ আগত দিলত কংস চিন্তাযুক্ত হল; পাছত জন্মহীন বিষ্ণুৰ জন্ম ভয়ত দৈৱকীৰ প্ৰত্যেক সন্তান জন্ম মাত্ৰেই মাৰিবলৈ স্থিৰ কৰি বন্দীশালত খৰ দৃষ্টি ৰাখিবলৈ অনুচৰক আদেশ কৰিছে।

कंसके कैदखानेमें देवकी और वसुदेव बंधी हुई हालतमें हैं। पहरेदार कैदखानेमें पहरा दे रहा है। गर्भवती देवकी चिन्तित हैं: वसुदेव अनेक प्रबोध वाणी से आश्वासन दे रहे हैं। कंस दूतसे शिशु-जन्मकी सूचना पाकर चिंतित हुआ। फिर जन्मरहित विष्णुके जन्मके भयसे देवकीकी हर सन्तानको जन्मतेही मारनेका निश्चय कर कैदखाने पर कड़ा नजर रखनेके लिए अनुचरको आदेश दिया।

বৰুণ বায়ু নাৰদ ব্ৰহ্মা বসুদেৱ দৈৱকী মহেশ ইন্দ্ৰ চন্দ্ৰ

(দেৱগণে বন্দীশালত কৃষ্ণক স্তুতি কৰিছা)

কংসৰ বন্দীশালত দেৱী-ৰূপিনী দৈৱকীৰ গৰ্ভত ভগবান স্থিতি লাভ কৰিছে। এই কথা দৈৱকী আৰু বসুদেৱক জনাবৰ কাৰণে আনৰ অদৃশ্যে নিজ নিজ বাহনত চৰি ব্ৰহ্মা, যম, বৰুণ, চন্দ্ৰ, ইন্দ্ৰ আদি দেৱতাসকল কাৰাগাৰলৈ আহি ভগবানৰ স্তৱ কৰিছে।

कंसके कैदखानेमें देवी-स्वरूपिणी देवकीके गर्भमें भगवान ने स्थिति लाभ की है. इस बातको देवकी और वसुदेवको ज्ञान करानेके लिए दूसरोंकी दृष्टि बचाकर अपनी अपनी सवारीपर चढ़कर ब्रह्मा, यम, वरुण, चन्द्र, इन्द्र आदि देवगण कारागारमें आकर भगवानकी स्तुति कर रहे हैं।



ব্ৰহ্মা যম বৰুণ বসুদেৱ-দৈৱকী চন্দ্ৰ ইন্দ্ৰ

(বসুদেৱ-দৈৱকীক আশ্বাস বুলিছা। দেৱগণে বিদায় কৰি নিজথানে যায়)

বসুদেৱ দৈৱকীক ভগবান বিষ্ণুৰ আবিৰ্ভাৱৰ কথা কৈ আশ্বাস দি তেওঁলোকৰ পৰা বিদায় লৈ নিজ নিজ বাহনত উঠি ব্ৰহ্মা, যম, বৰুণ, চন্দ্ৰ, ইন্দ্ৰ আদি দেৱতাসকল ভগবান বিষ্ণুক সন্মুখত ৰাখি পিছুৱাই পিছুৱাই নিজ নিজ থানলৈ গল।

वसुदेव देवकीसे भगवान विष्णुके आविर्भावकी बात कहकर आश्वासन देकर उनसे बिदा लेकर अपनी अपनी सवारीपर चढ़कर ब्रह्मा, यम, वरुण, चन्द्र, इन्द्र आदि देवगण भगवान विष्णुको सामने रखकर पीछे हट हट कर अपने अपने स्थान पर चले गये।



বসুদেৱে স্তুতি কৰিছা   বসুদেৱ-দৈৱকীক কৃষ্ণে নিজৰূপে দেখা দিছা   দৈৱকী স্তুতি কৰিছা

শ্ৰীকৃষ্ণৰ আবিৰ্ভাৱ আৰু বসুদেৱ-দৈৱকীৰ স্তৱ।

দেৱী দৈৱকীৰ পৰা ভগবান বিষ্ণু চতুৰ্ভুজৰূপে শঙ্খ, চক্ৰ, গদা, পদ্ম কৰত লৈ আবিৰ্ভূত হল। কণ্ঠত কৌস্তুভ, গাত পীত বস্ত্ৰ, কাণত কুণ্ডল, মেঘসম শ্যাম বৰ্ণ, হিয়াত শ্ৰীবৎসপান্তি, গলত বনমালা, কটিত ৰত্নৰ মেখলা, কৰত কঙ্কণ, পাদপদ্মত ৰত্নময় নুপুৰৰ অদ্ভুত বালকৰ জ্যোতিয়ে সূতিকা ঘৰ প্ৰকাশ কৰা দেখি বসুদেৱে মনতে স্নান আৰু ধেনুদান কৰিলে; আৰু দেৱতাসকলৰ কথা স্মৰণ কৰি

श्रीकृष्णका आविर्भाव और वसुदेव देवकीका स्तुति-गान करना।

देवी देवकीके गर्भसे भगवान विष्णु चतुर्भुज रूपमें शंख, चक्र, गदा, पद्म करोंमें लेकर आविर्भूत हुए। कण्ठमें कौस्तुभ, बदनपर पीला वस्त्र, कानोंमें कुंडल, हृदय पर श्रीवत्सों की पंक्ति, गलेमें बनमाला, कमरमें रत्नोंकी मेखला करोंमें कंकण, चरणोंमें रत्नमय नूपुरोंके साथ बाटल जैसे श्यामवर्ण अजीब बालकको ज्योतिसे सूतिका गृह दीप्त होते देखकर वसुदेवने मन ही मन स्नान



গন্ধৰ্বে গীত গাইছা বিদ্যাধৰে মৃদঙ্গ বাইচা। অপেস্বৰা নাচিছা সিদ্ধমুনি স্তুতি কৰিছা। দেৱতাগণে পুষ্পবৃষ্টি কৰিছা।

এই অদ্ভুত বালকটিক সাক্ষাৎ নাৰায়ণ মূৰ্ত্তি বুলি বুজি পাই দেৱকীৰ সৈতে আহ লৈ হাতযোৰ কৰি স্তুৱ কৰিব ধৰিছে। এই সময়ত খোল, তাল লৈ গন্ধৰ্ববিলাকে গীত গাব ধৰিছে আৰু অপ্সৰাবিলাকে নৃত্য কৰিছে।

শ্ৰীকৃষ্ণক লৈ বসুদেৱৰ নন্দ ভৱনলৈ গমন। ভগৱান বিষ্ণুৱে বসুদেৱ-দেৱকীৰ স্তুৱত তুষ্ট হৈ কলে—"আগৰ জন্মত তোমালোক দুয়োজনে মোক পুত্ৰ কামনা কৰি আৰাধনা কৰিছিলা, সেই কাৰণে মই প্ৰথমে পৃশ্নিগৰ্ভ নামে, দ্বিতীয়তে বামনৰূপে আৰু তৃতীয় জন্মত নিজ ৰূপে জন্ম গ্ৰহণ কৰিলোঁ। তোমালোকে কংসলৈ যদি ভয় কৰা, তেন্তে 'থৈয়ো নিয়া মোক গোকুলত পলুৱাই' গোকুলত যশোদাৰ ঘৰত যোগমায়া জন্মিব, তুমি মোক যশোদাৰ বিছনাত থৈ যোগমায়াক লৈ আহিবা।" এই বুলি ভগৱান শ্ৰীকৃষ্ণ "দুই জনৰ আগতে ভৈলন্ত শিশুৰূপ।"

और धनका दान किया : और देवताओं की बात याद कर इस अद्भुत बालकको स्वयं नारायण समझकर देवकी के साथ घुटने टेककर हाथ जोड़कर स्तव गान करने लगे। इस समय मृदंगादि लेकर गंधर्वगण गीत गाने लगे और अप्सरागण नाचने लगी।

श्रीकृष्णको लेकर वसुदेवका नन्द-भवन गमन। भगवान् विष्णुने वसुदेव-देवकीको स्तवसे संतुष्ट होकर कहा—"पहले जन्ममें तुम दोनोंने मुझे पुत्र-कामनासे मेरी आराधना की थी, इसीलिए मैंने पहले पृश्निगर्भ नामसे, दूसरेमें वामन रूपसे और तीसरे जन्ममें इस रूपमें जन्म ग्रहण किया है। अगर तुम कंससे डरते हो तो मुझे "गोकुल में ले जाकर छिपाकर रखो। गोकुल में यशोदाके घरमें योगमाया जन्मेगी। तुम मुझे यशोदाके बिछौने पर रखकर योगमायाको ले आओ।"

যমুনা

নন্দৰ গৃহক বসুদেৱে কৃষ্ণক লৈ গাস্ত, অনন্ত ফণায়ে ছত্র ধৰিছা, আকাশত কণিকা বৃষ্টি কৰিছা

বন্দীশালত দৈৱকী

ৰখীয়া অচেতনে শুতিছা

শ্ৰীকৃষ্ণৰ আদেশৰ লগে লগে বসুদেৱৰ পাৱৰ নিহল ছিগিছে। গোকুলত যশোদাৰ গৰ্ভৰপৰা যোগমায়া জন্মিছে। বসুদেৱে কৃষ্ণক কোলাত লৈ গোকুললৈ যাব ওলাইছে; অনন্তদেৱে ফণা মেলি ওপৰত ছত্র ধৰি হাতযোৰে স্তুতি কৰিছে। সেই সময়ত ধাৰাসাৰে বৰষুণ হৈছে; যমুনা নদী ফেনে ফোটোকাৰে উপচি পৰিছে; পালি পহৰীয়াবোৰ অচেতন হৈ পৰিছে, দৈৱকী কংসৰ কাৰাগাৰত আগৰ দৰে আছে।

यह कहकर भगवान श्रीकृष्णने दोनोंके सामने शिशुका रूप धारण किया। भगवान् कृष्णके आदेश के साथ साथ वसुदेवके पैरोंकी जंजीर टूट गयी। वसुदेव कृष्णको गोदमें लेकर गोकुल जा रहे हैं। शेष-भगवान अपने फण फैलाकर भगवान् पर छतसा करदिया है। उस समय घोर वर्षा होरही है। यमुना नदी उमड़ रही है। पहरेदार बेसुध पड़े हैं, देवकी कंसके कैदखानेमें पहले जैसी ही है।

সেৱকিনী। যশোদাৰ লগে কৃষ্ণ শুতিছা।

বসুদেৱ-দৈৱকীৰ সঙ্গে যোগমায়া শুতিছা।

ৰখীয়া কংসত জান দিতে লৰ মাৰিছা।

যশোদাৰ কন্যা-হৰণঃ—বসুদেৱে যমুনা পাৰ হৈ গোকুললৈ গৈ টোপনিত অচেতন হৈ থকা যশোদাৰ কোলাত কৃষ্ণক থৈ যোগমায়াক লৈ আহিল; আৰু দৈৱকীৰ কোলাত শুৱাই থ'লে। তেওঁ নিজে আগৰ দৰে শিকলি লগাই বন্ধন অৱস্থাত থাকিল। কংসৰ কাৰাগাৰৰ দুৱাৰ আগৰ দৰে বন্ধ হল। কাৰাগাৰত কেঁচুৱাৰ কান্দোনৰ শব্দ উঠিল। পালি পহৰীয়াবিলাক জাগি উঠিল আৰু কংস ৰজাক খবৰ দিবলৈ বুলি এজন প্ৰহৰী লৰা-লৰিকৈ যাব ধৰিলে।

यशोदा की कन्या का हरण : वसुदेव जमुना पार करके गोकुल जाकर नींदमें अचेतन होकर पड़ी हुई यशोदाकी गोदमें कृष्णको रखकर योगमायाको ले आये : और देवकीकी गोदमें सुला दिया। वसुदेव पहले जैसे बंधनमें बंध गये। कंसके कैदखानेका दरवाजा पहले जैसा बंद हो गया। कारागारमें बच्चेके रोनेकी आवाज उठी। पहरेदार जाग उठे और कंस राजाको खबर देनेके लिए एक पहरेदार दौड़कर जाने लगा।

বসুদেৱ দৈৱকী কংসক কাৰ্পূণ্য কৰিছ কংসে যোগমায়াক ধৰিছ

কংসৰ দ্বাৰা যোগমায়া বধৰ চেষ্টাঃ—ৰজা কংসই দৈৱকীৰ সন্তান হোৱা সংবাদ পাই বিহ্বল হৈ লৰি যমৰ দৰে কাৰাগাৰলৈ

कंसके द्वारा योगमायाके वध की चेष्टा : राजा कंस देवकीका संतान होने का संवाद पाकर विह्वल होकर दौड़कर

আহে। কংসৰ ৰাক্ষসৰ দৰে মূৰ্তি দেখি দৈৱকী ভয় খায়; কিন্তু পিছ মুহূৰ্ত্তে নিজক চম্ভালি কন্যাটী ভিক্ষা কৰে আৰু কোলাত সাৱটি লৈ আৰ্তস্বৰে কান্দিবলৈ ধৰে। তাকে দেখি কংসই দাঁত কামুৰি নানা ভৰ্ৎসনা কৰি কন্যাটীৰ ভৰি দুখনত ধৰি টানি আনিবলৈ খুজিছে। বসুদেৱেও যেন কন্যাটীক ভিক্ষা দিবৰ কাৰণে হাত পাতি ৰৈ আছে।

यम जैसा कैदखानेमें आया। कंसकी राक्षस जैसी मूर्ति देखकर देवकी डर गयी; लेकिन दूसरे क्षणही अपनेको संभाल कर लड़कीकी भीख मांगती हुई पैरपकड़कर आतस्वर से रोने लगी। उसे देखकर कंस दाँत निकाले झिड़कते हुवे लड़कीके दोनों पैरों को पकड़कर खींच लाना चाहता है वसुदेव भी मानो कन्याके जीवन की भीख मांगने से हाथ फैलाये हैं।



কিন্নৰ   চাৰণ   বিদ্যাধৰী   যোগমায়া   কংস ৰাজা যোগমায়াক শিলাত আফালিছা   কংসৰ অনুচৰ

মায়ামোহিত ৰজা কংসই বসুদেৱ-দৈৱকীৰ কাকূতি মিনতিলৈ ভ্ৰূক্ষেপ নকৰি যোগমায়াৰ ভৰি দুখনত ধৰি দৈৱকীৰ কোলাৰপৰা আজুৰি আনিলে আৰু এটা ডাঙৰ শিলৰ ওপৰত আফাল মাৰি দিলে। পিছ মুহূৰ্ত্তে যোগমায়াই অষ্টভুজা ৰূপ ধৰি প্ৰভাতৰ সূৰ্য্যৰ

मायामुग्ध राजा कंस वसुदेव देवकीकी विनतीकी परवाह न कर योगमायाके दोनों पैरोंको पकड़कर देवकीकी गोदसे छीनकर एक बड़े पत्थर पर दे मारा दूसरे क्षणमें योगमाया अष्टभुजाके रूपमें प्रभात कालीन सूर्यकी भाँति दिग्विदिक् को

দৰে দিগ্‌বিদিক পোহৰ কৰি আকাশলৈ উঠিল। অসংখ্য বিদ্যাধৰীয়ে নৃত্যগীত আৰু চাৰণ-কিন্নৰে যোগমায়াক তুতি কৰিবলৈ ধৰিলে।

प्रकाशित कर आकाशपर चढ़ गयी। असंख्य विद्याधरी नृत्य गीतसे और चारण, किन्नरगण योगमाया की स्तुति करने लगे।

দাসী দৈৱকী বসুদেৱক কংসে মিনতি কৰিছা কংসৰ অনুচৰ

কংসৰ ক্ষমা ভিক্ষা: যোগমায়াই আকাশৰপৰা কংসৰ বৈৰীৰ সংবাদ দিলত কংস আচৰিত হল আৰু মিছাতে ভাগিন-বধৰূপ অকাৰ্য্য কৰা বাবে অনুতপ্ত হৈ বসুদেৱ-দৈৱকীৰ বন্ধন খুলি দিলে। কংসই বসুদেৱৰ ভৰিৰ ওচৰলৈ হাত নি ভাগিন-বিলাকক মৰাৰ বাবে নানা ভাৱে ক্ষমা খুজিলে।

कंसकी क्षमा याचना: योगमाया का आकाशसे कंसकी बैरीका संवाद देनेपर कंस को अचरज हुआ और व्यर्थ ही भागिनी-वध जैसा पाप कर्म करनेके कारण पश्चात्ताप करते हुये वसुदेव-देवकीका बंधन खोलकर कंसने वसुदेवके पैरोंपर पड़कर नाना रूपसे माफी मांगी।

পূতনা অঘাসুৰ বকাসুৰ কংসৰ সেৱক সভাপাতি কংস বসিছা দাস কেশী অৰিষ্ট

ৰাজা কংসৰ মন্ত্ৰণাসভা:—কংসই বসুদেৱ-দৈৱকীৰপৰা বিদায় লৈ যোগমায়াৰ বাণী স্মৰণ কৰি সচিন্তিত মনে ঘৰলৈ উভতিল। পিছত পূতনা, অঘাসুৰ, বকাসুৰ, কেশী, অৰিষ্ট আদি অসুৰবিলাকৰ সৈতে সভাপাতি যোগমায়াৰ বাণীৰ বিষয়ে আলোচনা কৰে। দৈত্যবিলাকে সগৰ্বে হাত তুলি আশ্বাস দি কলে—"আপোনাৰ শত্ৰু কোনোবা ঠাইত জন্মিছে যেতিয়া ৰাজ্যত যিমান শিশু বিচাৰি পাওঁ সকলোকে মাৰোঁ। দেৱতাবিলাকৰ মূল মাধৱ; বিষ্ণুৰ সেৱক হৈছে যজুৰ্বেদী ব্ৰাহ্মণ; সেই কাৰণে তপস্বী ঋষিবিলাকক বধ কৰোঁ আৰু যাগ-যজ্ঞ নষ্ট কৰোঁ; বিষ্ণুৱে খাবলৈ নাপাই আপুনি মৰিব।

राजा कंसकी मन्त्रणासभा : वसुदेव-देवकीसे बिदा लेकर योगमायाकी वाणी याद कर सोचते सोचते कंस घर लौटा। बाद में पूतना, अघासुर, बकासुर, केशी अरिष्ट आदि असुरोंके साथ सभामें योगमायाकी वाणीके बारेमें आलोचना की। दैत्योंने गर्वके साथ हाथ उठाकर आश्वासन देकर कहा—"जब आपका शत्रु किसी जगह जन्मा है, तो राज्यके समस्त शिशुओंको ढूँढ़कर मारेंगे। देवताओंके, विष्णुके सेवक हैं यजुर्वेदी ब्राह्मणगण : इसलिए तपस्वी ऋषियोंका वध करनेपर और यज्ञादि भ्रष्ट कर देनेपर भोजन न मिलने से विष्णु आप ही मर जायगा।"

কংসৰ মহাদৈ　　কংস গৃহত পশিছা　　দাসী

চিন্তাযুক্ত ৰাজা কংস : কংস ৰজাই সভাভঙ্গ কৰি চিন্তাযুক্ত মনে সিংহাসনত বহি আছে। এজনী দাসীয়ে পিছৰ ফালৰ পৰা চামৰেৰে বিচিছে। সম্মুখত কংসৰ মাদৈয়ে কংসক চিন্তাযুক্ত দেখি হাত জোকাৰি চিন্তা কৰিবলৈ যেন বাধা কৰিছে।

चिन्तायुक्त राजा कंस : राजा कंस सभा समाप्त करनेके बाद सोचमें सिंहासनपर बैठा हुवा है। एक दासी पीछेकी ओर चामरसे हवा कर रही है। सामने कंसकी रानी कंसको चिन्तित देखकर हाथ हिलाकर सोचनेसे मानो मना कर रही है।

তিলৰ পৰ্ব্বত। কৃষ্ণৰ জন্মত মহোৎসৱ মিলিছা। যশোদা কৃষ্ণক কোলা লৈছা। নন্দে জাতকৰ্ম্ম কৰাইছা। গৰ্গ ঋষি

গোকুলত কৃষ্ণ-জন্মোৎসৱ :— ইফালে গোকুলত নন্দ-যশোদাৰ আনন্দৰ পাৰকুল নাই। গোপৰাজ নন্দই পুত্ৰ-জন্ম আনন্দত বিভোৰ হৈ স্নান কৰি ৰত্ন-বস্ত্ৰৰ সৈতে পৰ্বত প্ৰমাণ তিল ব্ৰাহ্মণক দান কৰিলে। গোকুলৰ কোনোৱে খোল, কোনোৱে তাল কোনোৱে বা কালি বজাই বজাই নাচি বাগি আনন্দত আত্মহাৰা হৈ পৰিছে। মহামুনি গৰ্গই বসুদেৱৰ আদেশত গোকুললৈ আহি গোপনে গোপনে কৃষ্ণৰ নামকৰণ কৰিলে। ভগৱান কৃষ্ণক কোলাত লৈ যশোদা দেৱীয়ে পিয়াহ খুৱাইছে। গোপৰাজ নন্দ গৰ্গ মুনিৰ সম্মুখৰ ফালে বহি আগ্ৰহাত মেলি পুত্ৰৰ কোষ্ঠীৰ ফল কেনে তাকেহে শুনিবলৈ যেন প্ৰতীক্ষা কৰিছে।

गोकुल में कृष्ण-जन्मोत्सव : इधर गोकुलमें नन्द यशोदाके आनन्दका कूल किनारा ही नहीं है। गोपराज नन्द पुत्रजन्मके आनन्दमे बसुध होकर स्नानके बाद रत्न-वस्त्रोंके साथ ढेरके ढेर तिलोंका ब्राह्मणोंको दान दिया। गोकुल-वासी आनन्दमे नाचते गाते आत्महारा होगये। महामुनि गर्गने वसुदेवके आदेशमे गोकुल आकर छिपाकर कृष्णका नामकरण किया। भगवान कृष्णको गोदमें लेकर यशोदा-देवी स्तनपान करा रही हैं। गोपराज नन्द गर्गमुनिके सामने बैठकर टाहिना हाथ फैला कर पुत्रकी जन्मपत्रिकाका फल सुननेकी प्रतीक्षा कररहे हैं।



গুৱালগণে আনন্দ কৰিছে   যশোদা কৃষ্ণক কোলা লৈছা; গোপীসবে দুর্বাক্ষত সিঞ্চিছা।

নন্দোৎসৱ: গোকুল আনন্দে উপচি পৰিছে। গোপ-গোপিনীসকলে যশোদাৰ পুত্ৰ-জন্ম সংবাদ পাই নতুন বস্ত্ৰ অলঙ্কাৰ পিন্ধি গোন্ধতেল লৈ গোপৰাজ নন্দৰ ঘৰ ভৰি পৰিছে। গোপ-সকলৰ কোনোৱে শঙ্খ, কোনোৱে শিঙা বজাইছে আৰু আনন্দত পৰস্পৰে ইটোৱে সিটোৰ মুখত, সিটোৱে ইটোৰ মুখত লাড়ু খুৱাই দিছে। যশোদাই কৃষ্ণক কোলাত লৈ স্তন খুৱাই বহি আছে। গোপীসকলে চিৰঞ্জীৱী হওক বুলি শিশুক আশীৰ্বাদ দিছে আৰু হালধিৰ গুড়া তেল-পানী মিহলাই আনন্দত ছিটাছিটি কৰিছে। ৰজা নন্দই সকলোকে যথাযোগ্য সম্ভাষণ কৰিছে।

नन्दोत्सव : गोकुल आनंदमें उभर गया है। ग्वाल-ग्वालिन यशोदा को पुत्र हुआ यह संवाद मिलते ही नये कपड़े जेवर पहनकर इत्रादि लगाकर गोपराज नन्द के घर जमा हो गये। ग्वालोंमेंसे कितने शंख, कितने सींगा बजाया और आनन्दसे आदम में एक दूसरे के मुँह में लड्डु खिला रहे हैं। यशोदा कृष्णको गोद में लेकर स्तन पिला कर बैठी है। ग्वालिन गण "चिरंजीव हो" कहकर शिशु को आशीर्वाद दे रही हैं और हलदीका चूर्ण तेल-पानी मिलाकर आनन्दमें उबटन कर रही हैं। राजा नन्द सबसे यथायोग्य संभाषण कर रहे हैं।

শুৱাল। বসুদেৱে নন্দে প্ৰিয় সম্ভাষণ কৰিছা।

গোপৰাজ নন্দ আৰু বসুদেৱৰ আলাপ : গোপৰাজ নন্দই পুত্ৰৰ জন্মোৎসৱ সমাপ্ত কৰি গোপসকলক গোকুল ৰক্ষাৰ ভাৰ দি কংসক দিবলগীয়া বাৰ্ষিক কৰ সোধাবলৈ মথুৰালৈ গৈ কৰ দি উঠি মিত্ৰ বসুদেৱৰ ঘৰলৈ গৈছে। বসুদেৱে বহুদিনৰ মূৰত নন্দক দেখি আথেবেথে সমাদৰ কৰি দুয়ো মুখামুখিকৈ বহি নানা আলাপ কৰিছে। নন্দৰ পিছৰ ফালে এজন গুৱালে আঠু লৈ বহি তেওঁলোকৰ আলাপ শুনিছে। বসুদেৱে গোকুলত নানাপ্ৰকাৰ উৎপাত হব পাৰে বুলি নন্দক বেগেতে গোকুললৈ যাবলৈ কোৱাত গোপৰাজ নন্দই মিত্ৰত বিদায় লৈছে।

गोपराज नन्द और वसुदेवका प्रेमालाप : गोपराज नन्द पुत्रके जन्मका त्योहार समाप्त कर ग्वालोंको गोकुलकी रक्षाका भार देकर कंसका मालाना कर देनेके लिए मथुरा आकर कर देनेके बाद मित्र वसुदेवके घर गये। बहुत दिनोंके बाद नन्दको देखकर बहुत आदरके साथ वसुदेव नन्दके आमने सामने बैठकर अनेक चर्चायें कर रहे हैं। नन्दके पीछे एक ग्वाला घुटने टेककर बैठकर उनकी चर्चा सुन रहा हैं। नन्दकी अनुपस्थितिमें गोकुलमें अनेक प्रकारकी घटनाएं हो सकती हैं यह वसुदेवके कहनेपर गोपराज नन्द मित्रसे बिदा लेते हैं।

শকটত নন্দ

নন্দৰ গোকুললৈ প্ৰত্যাৱৰ্তন: নন্দই মিত্ৰ বসুদেৱৰ কথা মতে গৰুৰ গাড়ীত উঠি গোকুলৰ মুখা হৈ উভতিব ধৰিছে

महाराज नन्दका गोकुल लौटना : नन्द मित्र वसुदेवके कहनेके अनुसार बैलगाड़ीपर चढ़ कर गोकुलकी ओर लौट रहे हैं।

শয্যাত কৃষ্ণে শুইছে।

नन्दৰ গৃহত পূতনা পশিছে।

গোকুলত পূতনা প্ৰৱেশ ঃ সিফালে কংসই পঠোৱা পূতনা নামে ৰাক্ষসী এজনীয়ে সুন্দৰী ৰমণী বেশে কৃষ্ণক বধিবলৈ গোকুলত উপস্থিত হৈছে। যশোদাই কৃষ্ণক সৰু খাট এখনত শুৱাই থৈছে। পূতনাই হাতত পদুমফুল এটা লৈ লাহে লাহে কৃষ্ণৰ ওচৰ চাপিছে। পূতনাক দেখি কৃষ্ণই—

"আচাৰন্ত ভৰি ভোখে কান্দন্ত সাক্ষাত
দেখি নিশাচৰী হাসি মেলিলন্ত হাত ॥"

गोकुलमें पूतनाका प्रवेश : उधर कंस द्वारा भेजीहुई पूतना नामकी राक्षसी सुंदर रमणीके वेशमें कृष्णका वध करनेके लिए गोकुलमें आई। यशोदाने कृष्णको पलंगपर सुला रखा था। पूतना हाथमें एक कमलका फल लेकर धीरे धीरे कृष्णके पास पहुंची। पूतनाको देखकर कृष्ण हाथपैर मारतेहुवे रोने लगे मानों भूखे रो रहे हैं। निशाचरी यह देखकर हाथ फैलाती है ।



তনে সমে কৃষ্ণে পূতনাৰ প্ৰাণ শুষিছা।

গোপিনী হালি চাহিছা কৃষ্ণক। যশোদা। ৰোহিণী।

পূতনা-বধ : পূতনাই কৃষ্ণক পিয়াহ দিবলৈ হাত মেলি কোলাত লৈছে। যশোদা-ৰোহিণী আদিয়ে পূতনাৰ ৰূপত মুগ্ধ হৈ ৰ লাগি চাই আছে। পাছত যেতিয়া নিশাচৰীয়ে কৃষ্ণক মাৰিবলৈ বিষময় স্তন দিলে, তেতিয়া সুযোগ পাই—

"আটি ধৰি মুখে হৰি কোপে তুলিলন্ত।
তনে সমন্বিতে তাইৰ প্ৰাণ শুষিলন্ত।"

বজ্ৰপাত পৰাৰ দৰে পূতনা মাটিত পৰি গল আৰু মুখেদি ফেন উলিয়াব ধৰিলে; কৃষ্ণই পূতনাৰ ওপৰত পৰি স্তন পান কৰি থাকিল।

पूतना वध : पूतना स्तन पिलानेके लिए कृष्णको हाथ फैलाकर गोदमें लेती है। यशोदा रोहिणी आदि पूतनाके रूपमें मुग्ध होकर पुलकमें देख रही है। जब निशाचरीने कृष्णको मारनेके लिए अपना विशाल स्तन मुखमें दिया तो कृष्णको मानो सुयोग मिल गया और पूतनाके स्तनको दबाकर चूसने लगे। स्तनके साथ उसको प्राण भी चूसली। पूतना वज्राहतसी जमीनपर गिर पड़ी और मुंहसे फेन निकलने लगा; कृष्ण पूतनाकी छातीपर चढ़कर स्तनपान कर रहे हैं।

গোপী। ৰোহিণী। কৃষ্ণ। যশোদা। গোপী। পূতনা প্ৰাণ ছাড়িলা।

পূতনাই হাত ভৰি মেলি ৰাজ আলিৰ দৰে পৰি আছে ; কৃষ্ণই তাইৰ বুকত বঢ়ে ক্ৰীড়া কৰি আছে। যশোদা-ৰোহিণী আদিয়ে অতি বিস্ময় হৈ মৃত পূতনাৰ বুকৰপৰা আথেবেথে কৃষ্ণক আনিলে আৰু চক খোৱা বুলি মূৰত থুথ্‌থুৰিয়াই দি খাট এখনত শুৱাই থৈ মূৰৰ ফালে যশোদা আৰু ভৰিপিহনাৰ ফালে ৰোহিণীয়ে ৰক্ষাৰ কবচ বান্ধিছে। দুয়োৰে পিছফালে দুজনী গোপীনীয়ে আচৰিত হৈ হাত তুলি যেন ভূত-প্ৰেত দূৰ হোৱা ঔষধহে যোগাইছে।

पूतना हाथ-पैर फैलाकर राजमहलमें लंबी पड़ी है। कृष्ण उसकी छातीपर आनन्दसे क्रीड़ा कर रहा है। यशोदा रोहिणी आदिने खूब विस्मित हो कर मरी हुई पूतनाकी छातीसे जल्दीसे कृष्णको उठाया और डर गया सोचकर पुचकार कर पलंगपर सुलाकर सिरहाने यशोदा और पैताने रोहिणी रक्षा-कवच बांध रही है। दोनोंके पीछे दो गोपियां विस्मयसे हाथ उठाकर मानों भूत-प्रेत भगानेवाली दवाका प्रबंध कर रही है।

গোপসবে পূতনাক দহিছা। নন্দত বাৰ্ত্তা কহিছা। গুৱাল। যশোদা। ৰোহিণী।

পূতনাৰ শ দাহ : কেইজনমান গুৱালে কুঠাৰেৰে খৰি কাটি জুই জলাই পূতনাক দাহ কৰিবলৈ আৰম্ভ কৰিছে। নন্দ ৰজা মথুৰাৰপৰা ঘূৰি গৈ পাওঁতেই এজন গুৱালে পূতনাৰ বাতৰি দিলত নন্দই আচৰিত হৈ আথে বেথে কৃষ্ণক কোলাত লৈ মূৰ সুঙিব ধৰিছে। পাছৰ ফালে আন এজন গুৱালে হাত তুলি একো অনিষ্ট হোৱা নাই বুলি যেন কৈছে। নন্দ ৰজাৰ পিছফালে যশোদা আৰু ৰোহিণীয়েও যেন কৃষ্ণৰ একো অপকাৰ কৰিব নোৱাৰাৰ কথাকে কব ধৰিছে।

पूतना शव दाह : कई ग्वाले कुल्हाड़ीसे लकड़ी काटकर आग जलाकर पूतनाका दाह करना शुरू करते हैं। नन्दराज मथुरासे लौटकर पहुँचतेही एक ग्वालेने जब पूतनाकी खबर दी तो नन्द तत्परतासे कृष्णको गोदमें लेकर सिर सूँघने लगे। पीछे एक दूसरा ग्वाल हाथ उठाकर मानो कह रहाहै कृष्णको हानि नहीं पहुँची। नन्दराजके पीछे यशोदा और रोहिणी भी मानो कृष्णका कुछ अपकार कर न सकनेकी बातही कह रही है।

বাদ্য বাজাইছা। বিপ্রে স্তুতি কৰিছা। যশোদা কৃষ্ণক নোৱাইছা। গোপী। যশোদা গোপীক ভুঞ্জাইছা। চৰণ আঘাতে শকট পৰিছা। পৰীক্ষিত। শুক।

শকট ভঞ্জন ঃ মহাৰাজ পৰীক্ষিতে একাগ্ৰচিত্তে হাতযোৰ কৰি আঠুলৈ ভাগৱতৰ কথা শুনিছে। শুকদেৱে শ্ৰীকৃষ্ণৰ শিশুলীলাৰ কথা কব ধৰিছে। ভগবান কৃষ্ণ অলপ ইফাল সিফাল কৰিব পৰা হোৱাত ৰজা নন্দই "অঙ্গ-পৰিৱৰ্ত্তন" নামে উৎসৱ পাতি ব্ৰাহ্মণ জ্ঞাতিক নিমন্ত্ৰণ কৰিছে। এনে সময়ত কৃষ্ণৰ টোপনি অহা দেখি যশোদাই তেওঁক এখন গাড়ীৰ তলত শুৱাই থৈ ঠগীত কৰি লাড়ু আদি আনি মানুহক খুৱাব ধৰিছে। ইপিনে কৃষ্ণই সাৰ পাই পিয়াহত কান্দিব ধৰিছে। যশোদাই সেইফালে কাণ নকৰাত কৃষ্ণই ভৰি তুলি কান্দোঁতে আগ ভৰিৰ আঘাতত গাড়ীখন উলটি পৰিল। শব্দ শুনি যশোদাই ঘাৰ ফিৰি চায় যে গাড়ীখন উলটিছে আৰু তাত থকা দধি, দুগ্ধ, ঘৃতৰ কলহবোৰ কাতি হোৱাত সেইবোৰ পৰিব ধৰিছে।

शकट भंजन : महाराज परीक्षित एकाग्रचित्तमें हाथ जोड़कर घुटने टेककर भागवतकी कथा सुन रहे हैं। शुकदेव श्रीकृष्णकी शिशुलीलाकी कथा कह रहे हैं। भगवान कृष्ण जरा चलने फिरने लगे : तब राजा नन्द अंग परिवर्त्तन नामका त्योहार मनाकर ब्राह्मण और कुटुंबी जनोंको निमंत्रित किया। इसी समय कृष्णकी नींद आते देखकर यशोदा एक बैलगाड़ीके नीचे सुलाकर लड्डू वगैरह लाकर लोगोंको खिला रही है। इधर कृष्ण जागकर प्यासमें रोने लगे। यशोदाके उधर ध्यान न देनेमें कृष्ण पैर उठाकर रोते हुए दाहिने पाँवकी चोटमे गाड़ीको उलट दिया। आवाज सुनकर यशोदाने जब मुँह फिराकर देखा कि गाड़ी उलट गयी और उसमेंसे दूध, दही, घी घड़ोंमें गिर रहे हैं।

ব্ৰাহ্মণক নন্দে দান দিছা। সভাসদ। উপনন্দ। নন্দ। ব্ৰাহ্মণে বেদমন্ত্ৰ উচ্চাৰিছা। যশোদা কৃষ্ণক তন দিছা। গোপগণে শকট পূৰ্ব্বৱতে থৈছা।

কৃষ্ণই কান্দি থকা দেখি যশোদা আথে-বেথে গৈ কৃষ্ণক কোলাত লৈ পিয়াহ দিলে আৰু ব্ৰাহ্মণক মতাই আনি ৰক্ষা-মন্ত্ৰ পাঠ কৰালে। বলবান্ গুৱালবিলাকৰ হাতুৰাই গাড়ীখন আগৰ দৰে ঠিক কৰি, কলহবোৰ তুলি থলে। ৰজা নন্দই সভাসদ আৰু উপনন্দৰ সৈতে পৰামৰ্শ কৰি ব্ৰাহ্মণক কাপোৰ, অলঙ্কাৰ আৰু ধেনু দান কৰিলে। ব্ৰাহ্মণসকলে দান-দক্ষিণা লৈ আশীৰ্ব্বাদ কৰি ঘৰলৈ গল।

চক্ৰবাতৰূপী তৃণাবৰ্ত্ত বধ : এদিন যশোদাই কৃষ্ণক ৰঙতে নচুৱাই থাকোঁতে বৰ বেছি গধুৰ পাই নমাই থলে। এনে সময়তে এটা বৰ ভীষণ বাৰমাড়লি আহি ধুলা-মাটিৰে একো নেদেখা কৰি পেলালে। এই সুযোগতে কংসই পঠোৱা চক্ৰবাত নামৰ অসুৰ এটাই কৃষ্ণক হৰি নিলে। কৃষ্ণই অসুৰৰ গলত সাৱট মাৰি ধৰি আছে।

कृष्ण की रोते देखकर यशोदा ने जल्दी आकर कृष्ण को गोद में लेकर दूध पिलाया और ब्राह्मणों को बुलाकर रक्षामन्त्र का पाठ करवाया। बलवान् ग्वालों के द्वारा गाड़ी को पहले जैसी ठीक करके घड़ों को उठवाकर रक्खा। राजा नन्द सभासद और उपनन्द के साथ सलाह कर ब्राह्मणों को कपड़ा, जेवर और धेनु आदिका दान दिया। ब्राह्मणगण दान-दक्षिणा लेकर आशीर्वाद देकर घर गये।

तृणावर्त्त वध : एकदिन यशोदा ने कृष्ण को आनन्द से नचाते नचाते बहुत भारी मालूम होनेपर सुला दिया। इतनेमें ऐसा काला पीला तूफान आया की कुछभी दिखाइ नहीं पड़े। इस संयोगमें कंसके द्वारा भेजा हुआ चक्रवात नामक एक असुर कृष्ण को चुरा ले गया। कृष्ण असुरको गर्दनको जकड़कर पकड़

চক্রবাতে কৃষ্ণক আকাশলৈ নিছা। যশোদা সন্তাপ কৰিছা। গোপী।

বাৱমাড়লি যোৱাত যশোদাই কৃষ্ণক নেদেখি ইফালে সিফালে চাই কাতৰভাৱে মাটিত আঠু কাঢ়ি পৰি হিয়া ভুকুৱাই যেন কান্দিব ধৰিছে। এজনী গোপিনীয়ে কৃষ্ণক বেগেতে পাব বুলি যশোদাক বেজাৰ কৰিবলৈ হাক দি হাত তুলি আশ্বাস দিছে।

रखा है। बवंडरके चले जानेके बाद यशोदा कृष्णको न देखकर इधर उधर ताकतेहुए कातर भावमे जमीनपर गिरकर विलाप कर रही है। एक गोपी "कृष्ण जल्दी आ पहुंचेगा" कहकर यशोदाको आश्वासन दे रही है।

চক্ৰবাত বধ হৈছা। কৃষ্ণক গোপী আক্ৰমি ধৰিছা। সেৱকিনী। যশোদা কৃষ্ণক স্তন দিছা। নন্দ।

যশোদাৰ বিশ্ব-দৰ্শন: কৃষ্ণক নেদেখি গোকুলৰ যশোদা আদি ৰমণীসকল কান্দি-কাতি উত্ৰাৱল হৈ আছে; এনেতে এটা ভীষণ শব্দ হল। গোপীবিলাকে কান্দিবলৈ এৰি সেইফালে চাই দেখে, যে এটা বৰ ডাঙৰ অসুৰ হাত ভৰি মেলি দাঁত নিকটাই মৰি পৰি আছে আৰু তাৰ গলত কৃষ্ণ ওলমি আছে। এজনী গোপীয়ে সেই মৰা অসুৰৰ বুকৰপৰা কৃষ্ণক আনিব ধৰিছে; কৃষ্ণই গোপীৰ গলত এখন হাত আৰু কঁকালত এখন হাত দি গোপীৰ কোলাত উঠিব খুজিছে। গোপীয়ে কৃষ্ণক নি যশোদাৰ কোলাত দিলত যশোদাই কৃষ্ণক কোলাত লৈ তেওঁৰ মুখৰ ফালে একেবাৰে আনন্দমনে চাই থাকিল। কৃষ্ণই যশোদাৰ কোলাত উঠি হাঁহি মাৰিলত যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত সমস্ত জগত দেখি স্তব্ধ হল। আগৰ ফালে সেৱকিনী গোপীয়ে

यशोदाका विश्व-दर्शन : कृष्णको न देखकर यशोदा आदि गोकुल की रमणियाँ अधीर हो रो रही हैं; इतनेमें एक डरावनी आवाज होती है। ग्वालिनें रोना छोड़कर उसकी ओर ताककर देखती हैं कि एक बहुत बड़ा असुर हाथ पैर फैलाकर दाँत निकाले मरा पड़ा है और उसके गलेमें कृष्ण लटका हुवा है। एक गोपी उस मरे हुए असुरकी छातीसे कृष्णको गोदमें ला रही है। कृष्ण गोपीके गलेमें एक हाथ और कमरमें एक हाथ देकर गोपीकी गोदमें आना चाहता है। जब गोपीने कृष्णको लाकर यशोदाकी गोदमें दिया तो यशोदा कृष्णको गोदमें लेकर उसके मुँहकी ओर एक टक देख रही हैं। इतनेमें कृष्ण अपना मुँह खोलते हैं। कृष्णके गर्भमें समस्त जगतको देखकर यशोदा स्तब्ध हो गयी। सामने सेविका गोपी हाथ फैलाकर सेवा

হাত মেলি সেৱা কৰিছে। পিছৰ ফালে নন্দ যেন বিস্ময় হৈ এখন আসনত হাত তুলি বহি আছে।

करती हैं। पीछे नन्द विस्मितसे होकर एक आसन पर बैठे हैं।



গোপী। ৰোহিণী। বলভদ্ৰ। যশোদা। কৃষ্ণ। নন্দে জাতকৰ্ম্ম কৰাইছা। গৰ্গ ঋষি।

শ্ৰীকৃষ্ণৰ জাতকৰ্ম্ম আৰু নামকৰণ: যাদৱৰ পুৰোহিত গৰ্গ ঋষি বসুদেৱৰ দ্বাৰা প্ৰেৰিত হৈ গোকুললৈ আহি কৃষ্ণ-বলৰামৰ নামকৰণ আৰু জাতকৰ্ম্ম কৰিলে। তেঁও এখন উচ্চ আসনত বহি হাত দাঙি কৃষ্ণ-বলৰামৰ কোষ্ঠীৰ ফলাফলৰ কথা কৈছে। নন্দ ওচৰতে আঠু লৈ হাতযোৰ কৰি বহি আছে। নন্দৰ পিছফালে কৃষ্ণক হাতত ধৰি থিয় কৰি যশোদাও আঠুকাঢ়ি বহিছে। তেঁওৰ পাছত বলভদ্ৰক থিয় কৰি লৈ ৰোহিণীও আঠু লৈ বহিছে। পিছৰ ফালে এজনী গোপী আঠু কাঢ়ি বহি যেন কৃষ্ণ-বলৰামৰ গুণাগুণৰ কথা শুনিব ধৰিছে।

श्रीकृष्णका जातकर्म्म और नामकरण: यादवोंके पुरोहित गर्ग ऋषि वसुदेव द्वारा प्रेरित होकर गोकुल आये और कृष्ण बलरामका नामकरण व जातकर्म्म किया। वह एक ऊँचे आसनपर बैठकर हाथ उठाकर कृष्ण बलरामकी जन्मपत्रीका फलाफल कह रहे हैं। नन्द पासही हाथ जोड़े बैठे हैं। नन्दके पीछे कृष्णका हाथ पकड़ करके यशोदाभी बैठी हैं। उसके पीछे बलभद्रको पास रोहिणी भी बैठी हैं। पीछे एक गोपी मानों कृष्ण बलरामका गुण अवगुण सुन रही है।



কৃষ্ণে-বলভদ্ৰে দামুৰিৰ লাঙুত ধৰিছা। | যশোদা ৰোহিণী নিষেধিছা। | যশোদা-ৰোহিণী পুত্ৰক ধৰি ইফাল সিফাল কৰিছা। | ৰোহিণী-যশোদা পুত্ৰক কোলে লৈছা। | পৰীক্ষিত। | শুক।

কৃষ্ণ-বলৰামৰ বাল্যলীলা: কৃষ্ণ বলৰাম ডাঙৰ হৈ দামুৰি চাবিব পৰা হৈছে। এদিন কৃষ্ণ-বলৰাম দুয়ো দুটা দামুৰিৰ লেজত ধৰি খেদি নিব ধৰিছে। পিছৰ ফালে যশোদা আৰু ৰোহিণীয়ে দামুৰিৰ লেজত ধৰিবলৈ হাত দাঙি নিষেধ কৰিছে। যশোদা আৰু ৰোহিণীয়ে কৃষ্ণ-বলৰামৰ হাতত ধৰি তহলিব ধৰিছে। যশোদা-ৰোহিণীয়ে কৃষ্ণ-বলৰামক কোলাত লৈ আনন্দ কৰিব ধৰিছে।

কৃষ্ণে এদিন বলভদ্ৰক লগত লৈ এঘৰ গোৱালৰ ঘৰত সোমাই দামুৰি এটা এৰি দিব ধৰিছে। বলভদ্ৰে পিছ ফালে থিয় দি চাই আছে; ঘৰৰ গিৰিহঁতনী গোপীয়ে হাত তুলি দামুৰিটো এৰি দিবলৈ বাধা কৰিছে। আন এদিন যশোদাই কৃষ্ণক কোলাত লৈ বহি আছে। এজনী গোপী যশোদাৰ ওচৰত

कृष्ण बलरामकी बाल लीला : कृष्ण बलराम जब गायें चराने योग्य हुये तब एकदिन कृष्ण बलराम दोनों दो बछड़ोंकी पूँछ पकड़कर भगा रहे हैं। पीछे यशोदा और रोहिणी बछड़ोंकी पूँछ पकड़नेकी हाथ उठाकर मना करती हैं। यशोदा और रोहिणी कृष्ण बलरामके हाथ पकड़कर टहल रही है। यशोदा रोहिणी कृष्ण बलरामको गोदियों में लेकर आनन्द रही हैं।

एकदिन कृष्ण बलभद्रको साथ लेकर एक ग्वालके घर घुसकर एक बछड़ेका बांध-खोल रहे हैं। बलभद्र पीछे खड़ा होकर देख रहा है। घरकी मालकिन गोपी हाथ उठाकर बछड़ेको खोलनेसे मना करती है। दूसरे एकदिन यशोदा कृष्णको गोदमें लेकर बैठी है। एक गोपी यशोदाके पास बैठकर कृष्णका गुण

বলভদ্ৰ-কৃষ্ণ দামুৰি মেলিছা। গোপী নিষেধিছা। গোপী যশোদাত কৃষ্ণৰ গুণ কহিছা। গোপীসব।

বহি কৃষ্ণৰ গুণৰ কথা কব ধৰিছে। আন দুজনী গোপী যশোদাৰ পিছৰ ফালে বহি হাত তুলি সেই গোপীৰ কথাকেই যেন সমৰ্থন কৰিছে।

মাটি নাই খোৱা বুলি কৃষ্ণই মুখ মেলোঁতে যশোদাৰ জগত দৰ্শন : এদিন গোপশিশুসবে কৃষ্ণই মাটি খোৱা বুলি গেৰিয়াই কলত, যশোদাই কিয় মাটি খাইছা বুলি আগহাতেৰে কৃষ্ণৰ আগহাতত আৰু বাওঁহাতেৰে মূৰত ধৰি সোধে। কৃষ্ণই ভয়ত মাটি নাই খোৱা বুলি কৈ কলে—"ইহঁতে মিছা কৈছে। যদি নপতিওৱা চোৱাঁ"—এই বুলি মুখ মেলি দিয়ে। তেতিয়া যশোদাই কৃষ্ণৰ গৰ্ভত শশী, সূৰ্য্য, তৰা, আৰু সমাগৰা মহীৰে সৈতে ব্ৰহ্মাণ্ডকেই

बखान रही है। दूसरी दो गोपियां यशोदाके पीछे बैठी उस गोपीकी बातकाही मानों समर्थन कररही हैं।

विश्व दर्शन : एकदिन ग्वालबालों जब कहा कि कृष्णने मिट्टी खायी, तो यशोदा "क्यों मिट्टी खायी" कहकर दाहिने हाथमें कृष्णके दाहिने हाथको और बायें हाथमें सिर पकड़कर पूछती है। कृष्णने डरकर कहा, "ये झूठ कहते हैं; अगर न मानती हो तो देखो" यह कह अपना मुँह खोल दिया। तब यशोदाने कृष्णके गर्भमें शशि, सूर्य, तारे और समागरा महीके साथ साथ सारा ब्रह्मांड देखा। इसके बाद जब

যশোদা কৃষ্ণৰ মুখ চাহিছা। বলভদ্ৰে কথা কহিছা। যশোদা কৃষ্ণক কোলে লৈছা। পৰীক্ষিত। শুকদেৱ।

দেখা পালে। ইয়াৰ পাছতেই কৃষ্ণই যশোদাক বৈষ্ণৱী মায়াৰে মোহিত কৰাত পুত্ৰ বুলি তেওঁক আথে-বেথে কোলাত ললে।

যশোদাৰ দ্বাৰা শ্ৰীকৃষ্ণ-বন্ধনঃ আন একদিন যশোদাই কৃষ্ণগুণ গাই এটা কলহত দধি মথি আছে। এনেতে কৃষ্ণই পিয়াহত আতুৰ হৈ লৰি আহি মথনি ডালত ধৰিলে। তেতিয়া যশোদাই দধি মথিবলৈ এৰি আথে-বেথে কৃষ্ণক কোলাত ললে আৰু এখন পিৰাত বহি কৃষ্ণক পিয়াহ দিব ধৰিলে। যশোদাই ওচৰতে এটা চৰুত গাখীৰ তপত হবলৈ দিছিল; গাখীৰ উতলি পৰে দেখি যশোদাই কৃষ্ণক আধা পিয়াহ দিয়েই নমাই থৈ গাখীৰৰ চৰু

कृष्णने वैष्णवी मायासे मुग्ध किया तब यशोदा पुत्र मानकर गोदमें उठा लिया।

यशोदाजी द्वारा कृष्ण-बंधन : यशोदा कृष्ण-गुण गाती हुई दही बिलो रही है। इतनेमें प्याससे व्याकुल कृष्ण दौड़कर आया और मथनीका डंडा पकड़ लिया। तब यशोदा दही मथना छोड़कर लाड़से कृष्णकी गोदमें ले चौकीपर बैठकर कृष्णको स्तनसे दूध पिलाती है। यशोदाने पासही एक बरतनमें दूध गर्म होनेकेलिए आगपर रखा था; दूध उफनकर गिरते देखकर यशोदा

কৃষ্ণে মথনিত ধৰিছ । যশোদা দধি মথিছা । যশোদা কৃষ্ণক কোলে লৈছা । যশোদা কৃষ্ণক মাৰিব বাৰি লৈছা । কৃষ্ণে বানৰক লৱনু দিছা ।

নমাবলৈ গল। মাকে তেনেকৈ নমাই থৈ যোৱাত কৃষ্ণৰ খং উঠিল আৰু তেওঁ পাটকু এটা দলিয়াই মথা দধিৰ হাঁড়ি ভাঙি পেলালে। তাৰ পাছত খোপৰাত সুমাই উৰলত বহি শঙ্কিত নয়নে লৱনু চুৰ কৰি নিজে খাবলৈ ধৰিছে আৰু পোহনীয়া বানৰক দিব ধৰিছে।

> “হেন দেখি যশোদা হাতত লৈয়া বাৰি।
> জুম্পি জুম্পি যান্ত পিম্পবাৰ নাই সাৰি ॥১০৭১৩
> মাৰিবে আসন্ত মাৱ দেখি কৃষ্ণ ডৰে।
> দিলন্ত লৱৰ ভিৰে নামি উৰলবে ॥”

कृष्णकी आधा स्तन देकरही गोदमें उतार दूधके बरतनकी हटाने गयी। माँके इस व्यवहारमें कृष्णकी गुस्सा आया और एक पत्थरका पीसनेका टुकड़ा फेंककर दहीकी मटकी फोड़ डाली। उसके बाद ओवरीमें घुसकर ओखलपर चढ़ डरती आखोंमें मलाई चोरी करके खुदभी खा रहाहै और पालतू बन्दरोंको भी खिला रहा है। उसे देखकर यशोदा हाथमें डंडा लेकर छिपे छिपे आ रही है; मारनेके लिए माँको आते देख कृष्ण ओखलसे उतर कर भाग गया।

যশোদা কৃষ্ণক ধৰি আনিছা। যশোদা কৃষ্ণক বান্ধিছা। গোপী জৰী দিছা। যমলাৰ্জুন।

যশোদাই কৃষ্ণক পাছে পাছে খেদি ভাগৰা দেখি কৃষ্ণই পলাব নোৱাৰা ভাও জুৰি আদৰতে কান্দিব ধৰিলে। মাকে লগ পাই কৃষ্ণৰ হাত দুখনত ধৰি ধমকি দি ককালত জৰী লগাই এটা উৰলত বান্ধি থলে। কৃষ্ণ বান্ধ খাই আঠু কাঢ়ি আছে। আগৰ ফালে এজনী গোপীয়ে জৰী আনি যশোদাক দিছে।

अपने पीछे दौड़ती, यशोदाको देखकर कृष्ण मानों भाग नहीं सकता ऐसा दिखाकर प्यारसे रोने लगा। माँने मिलतेही कृष्णके दोनों हाथ पकड़ डाटकर कमरमें रस्सी बांधकर एक उखालके साथ बांध दिया। बंधनमें बंधा कृष्ण घुटनोंके बल चलता रहा है। सामने एक गोपी रस्सी लाकर यशोदाको देती है।

যমলাৰ্জুন ভঞ্জন: যশোদাই কৃষ্ণক উৰলত বান্ধি থৈ যোৱাৰ পাছত কৃষ্ণই উৰলটো টানি আঠু কাঢ়ি কাঢ়ি গৈ থাকোঁতে উৰলটো যমলাৰ্জুনৰ মাজত বজাত গছ দুজোপা উঘলি পৰিল।

यमलार्जुन भञ्जन: यशोदा कृष्णको उखलके साथ बांधकर चली गयी। उसके बाद घुटनोंके बल कृष्ण उखलको खींचते खींचते जब यमलार्जुनोंके बीच उखलके उलझ जानेसे

গোপশিশু। কৃষ্ণ। যমলাৰ্জ্জুনে স্তুতি কৰিছে।

গছ পৰা শব্দ শুনি কৃষ্ণই ঘূৰি চায় যে ওচৰতে দুটা দিব্য পুৰুষে গলবস্ত্ৰ হৈ আঠু কাঢ়ি হাতযোৰ কৰি স্তুতি কৰিব ধৰিছে। তাৰ পাছ ফালে গছ দুজোপা উঘলি পৰি আছে। কৃষ্ণৰ সন্মুখৰ ফালে সমবয়সীয়া গোপবালক দুটাই আগ হ'ত পাতি কৃষ্ণত যেন কিবা খুজি থিয় হৈ আছে।

यमलाৰ্জ্জুন উঘলি পৰা ঘটনাটো এজন গোপশিশুৱে নন্দ আদিৰ আগত কোৱাত নন্দ, উপনন্দ আদি গুৱালবিলাক লৰি গৈ দেখে

दोनों पेड़ उखड़ गये। पेड़ोंके गिरनेकी आवाज सुनकर कृष्णने मुँह मोड़कर देखा कि पासही दो दिव्य पुरुष घुटने टेककर, हाथ जोड़े स्तुति कर रहे हैं। उनके पीछे दोनों पेड़ उखड़े पड़े हैं। कृष्णके सामने सम-वयस्क दो गोपबालक दाहिने हाथ फैलाकर कृष्ण मानों कुछ मांग रहे हैं।

यमलार्जुन उखाड़ फेंकनेकी घटनाको एक गोपबालक, नन्द, उपनन्द, आदिके सामने जब बताया तो नन्द, उपनन्द

108/R-2

উপনন্দ। নন্দে কৃষ্ণক কোল লৈছা। গোপশিশু বাৰ্ত্তা কহিছা। গুৱাল। অৰ্জ্জুন উভৰি পৰিছা।

যে ঘটনাটো সঁচা, কৃষ্ণ তেতিয়াও উৰলত বান্ধ খাই গছ দুজোপাৰ মাজতে আছে। ৰজা নন্দই তৎক্ষণাৎ উৰলৰ পৰা কৃষ্ণক মোকলাই কোলাত ল'লে। কৃষ্ণই আগ হাতখন নন্দৰ মুখৰ ওচৰলৈ তুলি যেন স্নেহহে ঢালি দিছে। উপনন্দই পিছৰ ফালৰ পৰা বেগাই অহাৰ দৰে আহি হাতখন তুলি কোনো অনিষ্ট নোহোৱাৰ আশ্বাস দিছে। নন্দৰ আগৰ ফালে এটা গোপবালকে হাত দাঙি আছে, তেওঁৰ পিছৰ ফালে আন এজন গুৱাল থিয় দি হাত তুলি যেন সেই ঘটনাৰ কথাকে কৈছে।

आदि ग्वालोंने दौड़कर जाकर देखा कि घटना सच्ची है; कृष्ण तब भी उखलमें बंधा हुआ ही है। राजा नन्दने झट उखलसे कृष्णको मुक्त कर गोदमें उठा लिया। कृष्ण दाहिने हाथको नन्दके मुहके पासतक उठाकर मानों स्नेह ढाल रहा है। उपनन्द पीछेसे मानो तेजीसे आकर दाहिने हाथ उठाकर कुछ हानि नहीं होनेका आश्वासन दे रहे हैं।

গোপী কৃষ্ণক নচাইছা। গোপীৰ আগত কৃষ্ণে পিৰা পানৈ ধৰিছা। পসাৰী কৃষ্ণৰ হস্তত ফল দিছা। কৃষ্ণে বলভদ্ৰে গোপশিশু সমে মালাৰি কৰিছা।

বাল্য-লীলা : কৃষ্ণই গোকুলক আনন্দিত কৰি নানাৰূপ ক্ৰীড়া কৰি আছে। কোনো সময়ত কৃষ্ণই ধান দি কল লৈছে। কেতিয়াবা কৃষ্ণ আৰু বলভদ্ৰই গোপশিশুৰ সৈতে মাল-যুজ খেলিছে।

বাল-লীলা : কৃষ্ণ গোকুলবাসিয়োঁকো আনন্দ দেতেহুয়ে নানা-প্ৰকাৰকী ক্ৰীড়া কৰতে হৈঁ। কভী কৃষ্ণ ঔৰ বলভদ্ৰ গোপশিশুওঁকে সাথ মল্লযুদ্ধ কৰতে হৈঁ।

যশোদাই কৃষ্ণক ধৰি আনিছা। ৰোহিণী পুত্ৰক ভুঞ্জাইছা। যশোদা কৃষ্ণক ভোজন কৰাইছা।

কৃষ্ণ বলৰামৰ ভোজন: এদিন যশোদাই কৃষ্ণক খেলাৰ ঠাইৰ পৰা হাতত ধৰি ঘৰলৈ আনিছে। ৰোহিণী আৰু যশোদাই কৃষ্ণ বলৰামক পিৰাত বহুৱাই খুৱাব ধৰিছে। কৃষ্ণ বলৰামে খাব ধৰিছে। যশোদা-ৰোহিণীয়ে ওচৰতে বহি আদৰ কৰি খুৱাব ধৰিছে।

कृष्ण-बलभद्रका भोजन : एकदिन यशोदा कृष्णको खेलकी जगहसे हाथ पकड़कर घर लायी। रोहिणी और यशोदा कृष्ण-बलरामको चौकीपर बिठाकर प्यारसे खिला रही हैं।

শকটত ৰোহিণী যশোদা পুত্ৰক কোলে লৈছা।

নন্দ। উপনন্দ। বৃন্দাবনক যাইবাক প্ৰতি নন্দে উপনন্দ গোপসমে আলোচ কৰিছা।

নন্দ-আদিৰ বৃন্দাবনলৈ গমন: শ্ৰীকৃষ্ণই এইদৰে কিছুদিন ক্ৰীড়া কৰি থকাৰ পাছত গোকুলত নানা উৎপাত হব ধৰিলে; তাকে দেখি নন্দ, উপনন্দ আদি গুৱালবিলাকে পৰামৰ্শ কৰি বৃন্দাবনক যাবলৈ ঠিক কৰিলে। এখন গাড়ীত যশোদা আৰু ৰোহিণীয়ে কৃষ্ণ আৰু বলৰামক কোলাত লৈ বহিছে। তাৰ পাছ ফালে আন এখন গাড়ীত নন্দ উপনন্দ উঠি বৃন্দাবনলৈ যাত্ৰা কৰিছে।

गोप-गोपियोंका वृन्दावन गमन : श्रीकृष्ण इसी तरह कुछ दिनोंतक क्रीड़ा करते रहे। गोकुलमें अनेक उत्पात होते देखकर नन्द, उपनन्द आदि गवालोंने सलाह करके वृन्दावन जाना तय किया। एक गाड़ीपर यशोदा और रोहिणी, कृष्ण और बलरामको गोदियोंमें लेकर बैठीं हैं। उनके पीछे दूसरी गाड़ीपर नन्द उपनन्द चढ़कर वृन्दावन की यात्रा करते हैं।

বকাসুৰে কৃষ্ণক গিলিছা। গোপশিশু সন্তাপ কৰিছা। কৃষ্ণে বৎসাসুৰ বধিছা। বলভদ্ৰ। শ্ৰীদাম। সুদাম।

বৎসাসুৰ আৰু বকাসুৰ বধঃ বৃন্দাবনত বসতি কৰা সময়ত এদিন কৃষ্ণ বলৰাম আদিয়ে দামুৰি চাৰি থাকোঁতে এটা অসুৰে দামুৰি ৰূপ ধৰি দামুৰি পালৰ মাজত সোমাল। কৃষ্ণই ইঙ্গিতেৰে বলাইক দেখুৱাই তাৰ ওচৰলৈ গল, আৰু—

"লাঙ্গুৰে সহিতে পাছ ভুয়ো ভৰি
ধৰি তাক চক্ৰপাণি।
পাক ফুৰাই আনি কপিথক লাগি
পাঠাইলন্ত মেলি হানি।"

বলৰাম শ্ৰীদাম আৰু সুদাম তেওঁৰ পিছৰ পিনে আচৰিত হৈ হাত দাঙি থিয় দি থাকিল।

আন এদিন বকাসুৰ নামে আন এটা অসুৰে আহি কৃষ্ণক হঠাৎ ঠোঁট মেলি গিলিলে। কৃষ্ণক বকাসুৰে আধা গিলা কৰা দেখি

वत्सासुर और बकासुर वध : वृन्दावनमें रहनेके समय एकदिन कृष्ण बलराम आदि जब बछड़े चराते थे तब एक असुर बछड़ेका रूप धरकर बछड़ोंके बीच घुस गया। कृष्ण इशारासे बलरामको दिखाकर उसके पास गया और पूँछके साथ पीछेके दोनों पैर पकड़कर घुमा दिया और कपित्थ पेड़पर गिरकर वह मर गया। बलराम, श्रीदाम और सुदाम उसके पाछे विस्मित होकर खड़े हैं।

दूसरे एकदिन बकासुर नामका एक असुर आकर चोंच फैलाकर हठात् कृष्णको निगल गया। कृष्णको, बकासुरको आध-

লগৰীয়া গোপশিশুসবে ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰি বেজাৰ কৰিছে। দামুৰিবোৰেও বেজাৰ মনে কাষতে থিয় হৈ আছে।

गिला देखकर सारे गोपशिशुगण एक दूसरेका मुँह ताकते हुए से रहे हैं। बछड़े भी दुःखी मनसे पासही खड़े हैं।

গোপশিশু বৎস আনিছা। কৃষ্ণে বকাসুৰৰ ঠোঁট চিৰিছে। বলভদ্ৰ।

কৃষ্ণ বকাসুৰৰ পেটত জুইৰ দৰে লগাত বকাসুৰ বিমূৰ্চ্ছিত হৈ বতিয়াই দিলে। কিন্তু অলপ পাছতে সি পুনৰ ঠোঁটেৰে কৃষ্ণক মাৰিবলৈ খেদি গল। কৃষ্ণই দুই হাতে তুয়ো

कृष्ण बकासुरके पेटमें अग्नि जैसा लगनेसे बकासुर मूर्च्छित होकर के करदी। लेकिन थोड़ी देर बादही वह फिर चोंचसे कृष्णको मारनेके लिए आगे बढ़ गया। कृष्णने दोनों हाथोंसे दोनों

দেৱগণৰ আনন্দ, পুষ্পবৃষ্টি।

ঠোঁটত ধৰি মুখ ফালি মাৰি পেলালে। তাকে দেখি দেৱগণে পুষ্পবৃষ্টি কৰিছে।

বৃন্দাবনত বনভোজন আৰু ক্ৰীড়া: কৃষ্ণ-বলৰামে বাঁহী বজাই নিতৌ গৰু চৰাবলৈ বৃন্দাবনলৈ যায়। লগতে সমবয়সীয়া গোপবালকসকলে দধি-ভাত শিকিয়াত আৰি লৈ পাছে পাছে যায়। বৃন্দাবনত কিছুমানে গছত উঠি বান্দৰৰ নেজত ধৰি টানাটানি কৰি ধেমালি কৰে, কোনোৱে বা নাচে। কোনোৱে বা

चोंच पकड़कर मुँह फाड़ डाला, बकासुर मर गया। यह देखकर देवतालोगोंने पुष्पवृष्टि करनी लगे।

वृन्दावनमें वनभोजन और क्रीड़ा: कृष्ण बलराम रोज बाँसुरी बजाकर गायें चरानेकेलिए वृन्दावन जाते हैं। साथमें साथी गोपबालकगण दही-भात लटकाये पीछे पीछे जाते हैं। वृन्दावनमें कई पेड़ोंपर चढ़कर बन्दरोंकी पूँछ पकड़कर खींचातानी करके आनन्द करते हैं तो

কৃষ্ণে মৈৰাক শিয়াৰিছা।

কৃষ্ণ। বলভদ্ৰ। গুৱাল।

চৰাইচিৰিকতিৰ মাত মাতি আনন্দ কৰে। এইদৰে নানাপ্ৰকাৰ কৈশোৰ কালৰ ধেমালি কৰি আছে।

कीड़ नाचता है। इमी तरह नाना प्रकारके बालपनके खेल खेलते हैं।

অঘৰ গভত গোপ গৰু পৰিছা।

অঘাসুৰ বধঃ এদিন কৃষ্ণই গোপবালকসকলৰ সৈতে গৰু চৰাই থাকোঁতে পুতনাৰ ভায়েক অঘ নামে অসুৰ এটাই প্ৰকাণ্ড সাপৰ আকৃতি ধৰি তেওঁলোকৰ বাটত পৰি থাকিল। এই বাটেদি

अघासुर वध : एकदिन कृष्ण जब गोपबालकों के साथ गायें चराते थे. पूतनाका भाई अघ नामका एक असुर प्रकांड सापके आकारमें उनको राहमें पड़ा रहा। इमी राहसे कई बछड़े

কেইটামান দামুৰি গৈ তৰ্কিব নোৱাৰি অঘৰ গৰ্ভত সোমাই গল। কেইটামান দামুৰি বাজৰতে থাকিল। ইয়াকে দেখি গোপ-শিশুসবে থমকি কৃষ্ণৰ ফালে চালে। গোপশিশুবিলাকৰ পিছৰ ফালে কৃষ্ণ বলৰামে হাতত মুদ্ৰা দি কিবা বনগীত গাই আছিল।

अनजाने जाकर अघकी पेटमें समा गये। कइ बाहरही रहे। इसे देखकर गोपशिशुगण भयसे कृष्णकी ओर देखा। गोप-शिशुओंके पीछेकी ओर कृष्ण बलराम हाथोंसे मुद्रा देकर कोई वनगीत गा रहे थे।



কৃষ্ণে অঘৰ গৰ্ভৰপৰা গোপ গৰুসমে বাজ কৈলা।

অঘৰ নাম্কৰ অসুৰ।

সৰ্পাকৃতি অসুৰক মাৰিবলৈ গোপশিশুবিলাক আগবাঢ়ি গৈ সাপৰ পেটত সুমাই গল। তাকে দেখি ভকত-বৎসল কৃষ্ণয়ো

सर्पाकृति असुरको मारनेके लिए गोपशिशुगण आगे बढ़कर साँपके पेटमें समा गये। ऐसा देख कर भक्तवत्सल (भक्तके प्रति

গন্ধৰ্ব। অপেশ্বৰা। দেৱতা। ব্ৰহ্মা।

বলভদ্ৰৰ সৈতে সাপৰ পেটত সোমাল। তেতিয়া অসুৰৰ জ্ঞাতি-বিলাকে কৃষ্ণ আদিৰ বিনাশ হল ভাবি আনন্দ কৰি হাঁহিবলৈ ধৰিলে। আনফালে কৃষ্ণৰ মহিমাগুণে অঘ অসুৰ পেট ফিকি উশাহ নাপাই মৰি গল। সাপৰ বিষত মৃতপ্ৰায় গৰু আৰু গোপ-শিশুসকক কৃষ্ণই অমৃত হাত বুলাই জীৱিত কৰিলে আৰু অঘৰ

अत्यंत दयावान्। कृष्णभी बलभद्रके साथ साँपके पेटमें घुस गये। तब असुरके कुटुंबियोंने कृष्ण आदिका विनाश हुआ यह सोचकर आनन्द मनसे हँसने लगे। इधर कृष्णकी महिमाके प्रभावसे अघ असुरका पेट फूलकर श्वास-प्रश्वास बंद होकर मर गया। साँपके विषसे मुर्दा जैसे गायें और गोपशिशुओंको कृष्णने हाथ फेरकर



দেৱতা।

পেটৰপৰা তেওঁলোকক উলিয়াই দি নিজেও ওলাই আহিল। গোপশিশুবোৰে আগৰ দৰে কাষত শিঙা, কান্ধত লৰু আৰু মুখত বাঁহী লৈ অঘৰ পেটৰপৰা ওলাইছে। কৃষ্ণ আগত, তেওঁৰ পাছত বলদেৱ আৰু তাৰ পাছত অন্যান্য গোপবালকসকল। ইয়াকে দেখি গন্ধৰ্ববিলাকে খোল-তাল লৈ গীত গাইছে আৰু বিদ্যাধৰীয়ে

जीवित किया और अघके पेटसे उनको निकालकर आपभी निकल आया। गोपशिशुगण पहले जैसे पासमें सींगा कन्धेपर डंडा और मुहमें बांसुरी लेकर अघके पेटसे निकल रहे हैं। कृष्ण आगे आगे उसके पीछे बलदेव और उसके पीछे दूसरे गोपबालकगण। यह देखकर गंधर्वगण खोल ताल लेकर गीत गा रहे हैं और

নাচিছে। প্ৰজাপতি ব্ৰহ্মাই হংসযানত উঠি ভগবানৰ মহিমা চাবলৈ বৃন্দাবনত উপস্থিত হৈছে।

विद्याधरीगण नाच रही हैं। प्रजापति ब्रह्मा हंसकी सवारीपर चढ़कर भगवानकी महिमा देखनेके लिए ब्रन्दावनमें आये।

কৃষ্ণে গোপগণসমে দধিভাত ভুঞ্জিছা। কৃষ্ণে বৃন্দাবনত দামুৰি বিচাৰিছা।

বনভোজন: অঘাসুৰ বধ আৰু সবৎস গোপশিশুৰ মুক্তিৰ পাছত **কৃষ্ণই** গোপবালকসকলৰ লগত বনভোজনৰ ব্যৱস্থা কৰিলে।

“থৈলা দধিভাত শিকিয়াৰপৰা মেলি।
কৃষ্ণে সমে ভুঞ্জিবে লাগিলা কৰি কেলি॥
মাধৱক মধ্য কৰি কৰে সবে খেড়ি।
পদ্মৰ চকাক যেন পত্ৰে আছে বেঢ়ি॥
পদ্মৰ কৰ্ণিকা ভৈলা নন্দেৰ তনয়।
গোপশিশুগণ পদ্ম পত্ৰৰ আনয়॥
কেহো পুষ্পপত্ৰত থৈলন্ত দধিভাত।
ফলপল্লৱত কতো থৈলা শিকিয়াত॥”

গোপশিশুবিলাকে কাষলতিৰ তলত শিঙা চেপা মাৰি খাবলৈ আৰম্ভ কৰিছে।

“অন্যো অন্যে দেখাৱন্ত কতো হাত তুলি।
সবাতো অধিক মোৰ অন্নস্বাদ বুলি॥”

वन-भोजन : अघासुरका वध और बछड़ोंके साथ गोपशिशुओंके उद्धारके बाद कृष्णने गोपबालकोंके साथ वनभोजनकी व्यवस्था की। गोपशिशुगण भुजाओंसे सींगाओंको दबाकर खाना शुरू किया। कृष्णको बीचमें लेकर चारों ओर गोपशिशुगण बैठकर आनन्दके साथ भोजन कर रहे हैं।

কৃষ্ণে সমস্তৰে ৰূপ ধৰি ব্ৰজক যাত্ৰা। গুৱাল। গৰু। গোপশিশু।

ব্ৰহ্মাৰ গোপবালক আৰু দামুৰি চুৰি: কৃষ্ণৰ গোপবালক আৰু দামুৰিৰূপ ধাৰণ:—কৃষ্ণ আৰু গোপশিশুসবে ভোজন কৰি থাকোঁতে কোমল ঘাঁহৰ লোভত দামুৰিবোৰ বহুদূৰলৈ গল। গোপবালকবিলাকে দামুৰি বিচাৰি নাপাই কৃষ্ণত জনালে। কৃষ্ণই গৰখীয়া গোপশিশুসবক বেজাৰ কৰিবলৈ হাঁক দি নিজে বনত বহুত বিচাৰিলে; পাছত দামুৰি নাপাই ঘূৰি আহি গোপশিশুসবকো নেদেখি হৃদয়ত ধ্যান কৰি দেখে যে ব্ৰহ্মাই চুৰি কৰি নিছে। পাছত ভগবান কৃষ্ণই নিজে গৰখীয়া দামুৰিৰ ৰূপ ধৰি কাষত শিঙা, হাতত লক লৈ বাঁহী বজাই বজাই ব্ৰজলৈ উলটিল। ব্ৰজত গৈ যি গাইৰ যি দামুৰি তাক পিবলৈ ধৰিলে। কোনো কোনো দামুৰি শুই থাকিল। কৃষ্ণ, গোপ আৰু গোপবালকসকলে নিৰীখি নিৰীখি সিহঁতক চাবলৈ ধৰিলে।

ब्रह्माकी गोपबालक और बछड़ोंकी चोरी : कृष्ण और गोपशिशुगण जब भोजन करते थे तब नरम घासकी चाहसे बछड़े बहुत दूर तक गये। गोपबालकगण बछड़ोंको खोजते खोजते न मिलनेपर कृष्णसे कहा। कृष्ण गायें चरानेवाले गोपशिशुओंको दुःखी देखकर खुद वनमें ढूँढ़ने लगे। बादमें बछड़े न मिलनेपर लौट आकर गोपशिशुओंको भी न देखकर हृदयमें ध्यान किया तो मालूम हुआ कि ब्रह्माने चोरी की है। तब भगवान कृष्ण खुद गायें चरानेवाले व बछड़ोंके रूपमें पासमें सींगा, हाथमें डंडा लेकर बांसुरी बजाते बजाते व्रजको लौटे। व्रजमें आकर बछड़े अपनी अपनी मा का दूध पीने लगे। कोई कोई बछड़ा ऊंघ रहा था। कृष्ण ग्वालबालोंके साथ उन्हें चावसे देख रहे हैं।

গোপীসবে পুত্ৰক কোলে লৈছা। গোপী পুত্ৰক ধুৱাইছা। ৰামক ৰোহিণী ভোজন কৰাইছা। কৃষ্ণক যশোদা ভোজন কৰাইছা।

গোপীসকলৰ নিজ নিজ পুত্ৰক আদৰ-সাদৰ ঃ—কৃষ্ণ-বলৰাম আৰু গোপশিশুসব আহি ঘৰত উপস্থিত হলত গোপী-বিলাকে নিজ নিজ পুত্ৰক কোলাত লৈ আদৰ কৰিছে; কোনো গোপীয়ে বা তেল-কুৰ ঘঁহি নিজ পুত্ৰক গা ধুৱাইছে। ৰোহিণীয়ে বলৰামৰ আগত খোৱা বস্তু দি আগ হাত দাঙি খাবলৈ মাতিছে। যশোদাই কৃষ্ণক খাবলৈ দিছে। কৃষ্ণ-বলৰাম দুয়ো দুখন পিৰাত বহি খাবলৈ ধৰিছে। বলৰামৰ ওচৰত ৰোহিণী আৰু কৃষ্ণৰ ওচৰত যশোদা বহি কিবা দিব নে বুলি সুধি আছে।

गोपियों का अपने अपने पुत्रों के प्रति आदर : कृष्ण, बलराम और गोपशिशुगण जब घर आये तो गोपिनीगण अपने अपने पुत्रों को गोदमें लेकर प्यार करने लगीं : कोई कोई गोपी तो तेल उबटन मलकर अपने पुत्रको नहलाने लगी। रोहिणी बलरामके सामने खानेकी चीजें देकर दाहिने हाथ उठाकर खानेके लिए बुलाती है। यशोदा कृष्णको खाने देती है। कृष्ण बलराम दोनों दो चौकियोंपर बैठकर खाने लगे। बलरामके पास रोहिणी और कृष्णके पास यशोदा बैठकर और कुछ दें क्या पूछ रही हैं।



গুৱালে পুত্ৰসকলক ধৰিছা। শ্ৰীদাম। কৃষ্ণ। ৰাম।

কৃষ্ণ-বলৰাম আদিৰ ক্ৰীড়া: খাই বৈ উঠি কৃষ্ণ-বলৰাম গোপশিশুবিলাকে খেলা কৰিবলৈ আৰম্ভ কৰিছে। শ্ৰীদাম, কৃষ্ণ আৰু বলৰামে নানা ভঙ্গি কৰি নাচিবলৈ আৰম্ভ কৰিছে। কোনোবা গোপে মৰম কৰি নিজ পুত্ৰক পিছ ফালৰপৰা ধৰি বং কৰিছে। আন ফালে গোহালি-ঘৰত সোমাই থোৱা গাই-বিলাকক দামুৰিবোৰে পিবলৈ আৰম্ভ কৰিছে।

বলভদ্ৰৰ মোহ: ইয়াৰ পিছত এদিনাখন গোৱালবিলাকে গোবৰ্দ্ধন পহাৰৰ ওপৰত গাই চৰাই আছিল, পাছত হঠাৎ দেখিলে যে গাইবিলাক অতি বেগাই হৰ হৰ কৰি নামি যাব ধৰিছে। গুৱালবিলাকে আগুৰিবলৈ বহু যত্ন কৰিও নোৱাৰি লাজ পাই পাছে পাছে খেদি গৈ কিছুমানে আগত ডাং লৈ থিয় দিলে, কোনো কোনো আকৌ পাছে পাছে গল; পাছত দেখে যে নিজৰ

कृष्ण-बलराम आदिकी क्रीड़ा : खाने पीनेके बाद उठकर कृष्ण बलराम और गोपबालकगण खेलना शुरू करते हैं। श्रीदाम, कृष्ण और बलराम अनेक भंगियोंमें नाचना शुरू कर रहे हैं। कोई ग्वाल प्यारसे अपने पुत्रको पीछेकी ओरसे पकड़कर आनन्द कर रहा है। इधर गोशालाओंमें घुसती हुई गायोंको बछड़ोंने पीना शुरू कर दिया है।

बलभद्रका मोह : एकदिन ग्वालगण गोवर्द्धन पहाड़पर गायोंको चरा रहे थे। बादमें हठात् देखा कि सभी गायें खूब तेजीसे पहाड़से उतर रही हैं। ग्वालोंने रोकनेके लिए बहुत कोशिश की। पर रोक न सकनेपर लजाते हुए पीछे पीछे खदेड़ते हुए आकर कई सामने डंडा लेकर खड़े हुए। कई पीछे पीछे हो गये; बादमें देखा कि अपने

গোবৰ্দ্ধন পৰ্ব্বতৰপৰা ধেনুসব ডেৰ কৰিছা। গুৱালে আগ ভেটিছা। গুৱালে স্নেহত পুত্ৰক ধৰিছা

শিশুসন্তানবিলাকে এচৰতে দামুৰি চৰাই আছে। তেতিয়া তেওঁলোকে হাতৰ ডাং দলিয়াই পেলাই নিজৰ সন্তানবিলাকক পিছৰ ফালৰপৰা সাৱটি মাৰি ধৰিলে। ইতিমধ্যে গাইবিলাকে গৈ নিজৰ দামুৰিক মৰমেৰে পিয়াবলৈ ধৰিলে।

अपनि शिशुगण पामही बछड़े चरा रहे हैं। तब वे हाथका डंडा फेंककर अपने अपने पुत्रोंको पीछेसे जकड़कर पकड़ रहे हैं। इमी बीच गायें आकर अपने अपने बछड़ोंको दूध पीलाने लगीं।



ধেনুসবে নৱ বৎস এৰি বোকগাক তন দিছা। কৃষ্ণত ৰামে অদভূত দেখি সুধিছা। গোপগণে পুত্ৰক ধৰিছা।

বলৰামে গাইবোৰক নতুন সক সক দামুৰি এৰি বখনীয়া দামুৰিক পিয়োৱা আৰু বুঢ়া গুৱালবিলাকে মৰমেৰে গোপশিশু-

गायें नये नन्हे नन्हे बछड़ोंको छोड़कर बड़े बड़े बछड़ोंको पिलाने और बूढ़े ग्वालोंको गोपशिशुओंको जकड़कर पकड़ते

বিলাকক সাৱট মাৰি ধৰা দেখি অতি অদ্ভুত আৰু বিস্ময় মানিলে। বলৰামে এনে অদ্ভুত দেখি সম্মুখত থকা কৃষ্ণক আগহাত দাঙি সুধিছে। সেই সময়ত গাইবিলাকে বখনীয়া দামুৰি পিয়াইছে, সৰু দামুৰি কাষত থিয় হৈ আছে। গোৱালবিলাকেও নিজ নিজ সন্তানক আদৰ কৰি সাৱটি ধৰি থিয় হৈ আছে।

देखकर बलरामको बड़ा अचरज मालुम हुआ। बलरामने सम्मुख खड़े कृष्णसे दाहिने हाथ उठाकर इसका कारण पुछा। उस समय गायें उमरवाले बछड़ोंको पीला रही हैं; छोटे बछड़े पासमें खड़े हैं। ग्वालगण भी अपने अपने बेटोंको प्यारसे जकड़ते हुए खड़े हैं।

ব্ৰহ্মা বিস্ময় দেখিছা। কৃষ্ণে ৰাম সনে ধেনু চাৰিছা। ব্ৰহ্মায়ে বৎস-শিশু গণিছা।

ব্ৰহ্মাৰ মোহ : বলৰামে সোধাত কৃষ্ণই কলে যে ব্ৰহ্মাই মোৰ মাহাত্ম্য পৰীক্ষা কৰিবলৈ গোবৎস চুৰি কৰি নিয়াত আৰু তেনে দামুৰি আৰু শিশুৰূপ ধৰি আছোঁ। ইফালে বছৰ পাৰ হৈ যোৱাত ব্ৰহ্মাই আহি দেখে যে কৃষ্ণ আদি শিশুবিলাকে দামুৰিবোৰক আগৰদৰে চাৰি আছে। তাকে দেখি ব্ৰহ্মাই আগৰ লুকাই থোৱা থলত গৈ গণি দেখে, যে সকলোবোৰ দামুৰি আগৰদৰে শুই আছে আৰু গোপশিশুবিলাক দামুৰিবোৰৰ কাষত বহি আছে। ব্ৰহ্মাই অতি বিস্ময় মানিলে।

ब्रह्माका मोह : बलरामके पुछनेपर कृष्णने कहा कि ब्रह्मा मेरी परीक्षा लेनेके लिए गो-वत्स चोरी कर ले गये थे, तबसे उनका रूप मैंने धारण कर रक्खाहै। इधर साल पूरा होनेके बाद ब्रह्माने आकर देखा कि कृष्ण आदि शिशुगण बछड़ोंको पहलेही जैसे चरा रहे हैं। ऐसा देखकर ब्रह्माने पहले जहां छिपाया था उस जगहपर देखा कि सभी बछड़े पहले जैसे सो रहे हैं और गोपशिशुगण बछड़ोंके पासही बैठे हैं। ब्रह्माको बड़ा अचरज मालुम हुआ।

কৃষ্ণক গাৱে গাৱে একো ব্ৰহ্মা স্তুতি কৰিছা। মহামায়া স্তুতি কৰিছা। নৰ্ত্তকী। ব্ৰহ্মা। কৃষ্ণৰ পাৱত ব্ৰহ্মা পৰিছা।

ব্ৰহ্মাৰ কৃষ্ণস্তুতিঃ পাছত ব্ৰহ্মাই আঠুকাঢ়ি হাতযোৰ কৰি আগত নৈবেদ্য দি স্তুতি আৰম্ভ কৰিছে। সেই সময়ত মহামায়াইও অষ্টভুজাৰূপে আঠু লৈ স্তুতি কৰিছে। গন্ধৰ্বই খোল বাইছে আৰু বিদ্যাধৰীয়ে নাচিছে। সেই সময়ত ভগৱান কৃষ্ণই শঙ্খ, চক্ৰ, গদা, পদ্ম ধৰি চতুৰ্ভুজৰূপে ব্ৰহ্মাৰ আগত দেখা দিছে। ব্ৰহ্মাই চতুৰ্ভুজৰূপ ভগৱানক দেখা পাই বাহনৰ সৈতে ভগৱানৰ চৰণত পৰি প্ৰণিপাত কৰিছে।

ब्रह्माकी कृष्णस्तुति : ब्रह्मा घुटने टेककर हाथ जोड़ कर सामने नैवेद्य रखकर स्तुति कर रहे हैं। उस समय महामायाभी अष्टभुजा रूपमें घुटने टेककर स्तुति कर रही हैं। गंधर्व बाजे बजा रहे हैं और विद्याधरी नाच रही हैं। उस समय भगवान कृष्ण शंख, चक्र, गदा, पद्म लेकर चतुर्भुज रूपसे ब्रह्माके सामने प्रगट हुये। ब्रह्मा चतुर्भुज रूपमें भगवानको देखकर भगवानके चरणोंमें शीश झुकाते हैं।

ভগৱান কৃষ্ণই দেখিলে যে ব্ৰহ্মা অচেতন হৈ নিজ চৰণত পৰি আছে। তেতিয়া সুপ্ৰসন্ন হৈ ভগৱানে নিজ মায়া সংহাৰ কৰিলে। পিছত ব্ৰহ্মাই ভগৱান কৃষ্ণৰ অনুগ্ৰহত চৈতন্য লাভ কৰি উঠি দেখে যে সম্মুখত বিতোপন বৃন্দাৱন বিৰাজিত। বাঘ, ছাগ, সিংহ

भगवान कृष्णने देखा कि ब्रह्मा बेहोश होकर चरणोंमें पड़े हैं। तब प्रसन्न होकर भगवानने अपनी मायाको संवरण किया। फिर ब्रह्माने भगवान कृष्णकी कृपासे ज्ञान प्राप्त कर, उठकर देखा कि सामने सुंदर

ব্ৰহ্মা। কৃষ্ণ। ছাগল। বাঘ। সিংহ। ব্ৰহ্মা। কৃষ্ণ।

তাত একেলগে খেলা কৰি আছে। তাৰ মাজতে কৃষ্ণক অকলে কাষতলিত শিঙা আৰু বাওঁহাতেৰে ভাতৰ পাত্ৰ লৈ আগ হাতেৰে ভাতৰ গৰাহ মুখত ভৰাবলৈ ধৰা দেখা পালে।

"হেন বৃন্দাবন মধ্যে পাছে গ্ৰাস কৰে।
দেখন্ত আছন্ত মাত্ৰ কৃষ্ণ একেশ্বৰে॥" ২৭৭।

वृन्दावन है। बाघ, बकरी, सिंह बड़ा एक साथ खेल रहे हैं। उनके बीचमें कृष्णजी अकेले बाहुके नीचे सींगा और बायें हाथमें भातका बरतन लेकर दाहिने हाथसे भातके ग्रासको मुँहमें भरते हुए दिखाई दिये।

ব্ৰহ্মাই কৃষ্ণক তেনে অৱস্থাত দেখি অতি বিস্মিত হৈ স্তুতি কৰিবলৈ ধৰিলে। সেই সময়ত ব্ৰহ্মাই নিজৰ বাহন হংসৰ ওপৰত উঠি হাতযোৰ কৰি আছে। কৃষ্ণেও কাষতলিত শিঙা লৈ

ब्रह्मा कृष्णको ऐसी हालतमें देखकर अत्यंत विस्मित होकर स्तुति करने लगे। उस समय ब्रह्मा अपनी सवारी हंसपर चढ़कर हाथ जोड़ रहे हैं। कृष्णजी भी भुजाके बीच सींगा दबाये द्विभुज

ব্ৰহ্মা স্তুতি কৰিছে।

कृष्ण।

দ্বিভুজৰূপে আগহাতেৰে ভাতৰ গৰাহ লৈ ব্ৰহ্মাৰ আগত থিয় দি আছে।

रूपसे दाहिने हाथसे भात (चावल) का ग्रास लेकर ब्रह्माके सामने खड़े हैं।

ব্ৰহ্মা। কৃষ্ণ।

ব্ৰহ্মাৰ সান্ত্বনা লাভ : ভগবান কৃষ্ণ ব্ৰহ্মাৰ স্তুতিত সন্তুষ্ট হৈ ব্ৰহ্মাক আশ্বাস দিয়াত তেওঁ আশ্বস্ত হৈ নিজ আসনত সুস্থ মনে বহি থাকিল।

ब्रह्माको आश्वासन लाभ : भगवान कृष्ण ब्रह्माकी स्तुतिसे प्रसन्न होकर ब्रह्माको आश्वासन देनेपर ब्रह्मा आश्वस्त होकर शांत मनसे बैठे हैं।

গোপসবে কৃষ্ণক বাট চাই আছা। कृष्णे धेनुगण आनिछा।

গোপশিশুবিলাকৰ কৃষ্ণলৈ অপেক্ষা ঃ ইফালে গোপ-শিশুবোৰে কৃষ্ণক বহু পৰ নেদেখি খোৱা বস্তুবোৰ হাতত লৈ বাটচাই ৰৈ আছে। হেন সময়তে কৃষ্ণই হাতত লক আৰু কান্ধত বাঁহী লৈ ধেনুবোৰ খেদি লৈ আহিব ধৰিলে। গাইবোৰ কৃষ্ণৰ আগে আগে শাৰীপাতি আহিব ধৰিলে।

गोपशिशुओं की कृष्णकी अपेक्षा : इधर गोपशिशुगण कृष्णकी बहुत देरतक न देखकर चीजों को हाथमें लिये इन्तजार कर रहे हैं। इसी समय कृष्ण हाथमें डंडा और कंधेपर बाँसुरी लेकर गायोंको हाँकते हाँकते आ रहा है। गायें कृष्णके आगे आगे पंक्तिसे आ रही हैं।

গোপশিশুসবৰ ঘৰলৈ প্ৰত্যাৱৰ্ত্তন আৰু অঘাসুৰ বধ বৰ্ণনা ঃ সাঁজবেলিকা গোপবালকবিলাকে আগত দামুৰিবোৰ লৈ বাথানত উপস্থিত হল। সম আগত কৃষ্ণই শিঙা বজাই আহিছে; তাৰ পিছত বলৰাম, তাৰ পিছত অন্যান্য শিশুবিলাকেও বাঁহী বজাই বজাই আহিব ধৰিছে। শিশুবিলাক ঘৰলৈ আহি গাই

गोपशिशुओंका गृह प्रत्यावर्तन और अघासुर वधका वर्णन : साँझके समय गोपबालकगण बछड़ोंको लेकर गोपुरीमें आये। सबसे आगे कृष्ण सींगा बजाता आ रहा है; उसके पीछे बलराम, उसके पीछे दूसरे गोपबालक भी बाँसुरी बजाते बजाते आ रहे हैं। शिशुगण घर आकर गाय बछड़ोंको

শিশুসবে ব্ৰজত অঘ-বধ কহিছা।

কৃষ্ণ। ৰাম। সুদাম। শ্ৰীৰাম।

দামুৰিবোৰ গোহালিত সুমাই থৈ নিজ নিজ মাকৰ ওচৰত থিয় হৈ আচৰিত ভাৱে হাতৰ মুদ্ৰা দি অঘাসুৰ বধৰ কথা কব ধৰিছে। মাকসকলেও লৰাৰ কাষতে বহি সেই কথা বিস্ময়ান্বিত হৈ শুনি আছে।

गोशालामें छोड़कर अपनी अपनी माँके पास खड़े होकर अजीब प्रकारके हाथकी मुद्रा देकर अघासुरके वधकी कहानी कह रहे हैं। मातायें भी लड़कोंके पासमें बैठकर विस्मित होकर उस बातको सुन रही हैं।



মৃগ। গাভী। কৃষ্ণ। ৰাম। বসুদাম।

কৃষ্ণ-বলৰাম আদিৰ ধেনু চৰোৱা: কৃষ্ণ আৰু বলৰামে এইদৰে দামুৰি চাৰি লাহে লাহে ডাঙৰ হৈ গাই চাৰিব পৰা

कृष्ण-बलराम आदिका धेनुचराना: कृष्ण और बलराम इसी तरह बछड़ा चराकर धीरे धीरे बड़े होकर गायें

হল। কৃষ্ণ প্ৰধান গুৱাল হৈ বলৰাম আৰু সুদাম আদিৰ সৈতে বৃন্দাবনত গাই চাৰি ফুৰিবলৈ ধৰিলে। গাইবিলাকে পছুবোৰৰ সৈতে একলগে ঘাঁহ খাই ফুৰে। কৃষ্ণই বলৰামক হাত পাতি কিবা খুঁজিছে; বলৰাম আৰু সুদামে হাতত বাঁহী আৰু কান্ধত শিঙা লৈ কৃষ্ণৰ পাছে পাছে গৈছে।

चराने लायक हुए। कृष्ण मुख्य ग्वाल होकर बलराम और सुदाम आदिके साथ वृन्दावनमें गायें चराकर घूमने लगे। गायें हिरनोंके साथ मिलकर एकसाथ चरती हैं। कृष्ण बलरामसे हाथ पसारकर कुछ मांग रहा है: बलराम और सुदाम हाथमें बाँसुरी और पासमें सींगा लेकर कृष्णके पीछे पीछे जा रहे हैं।

বাঘ। সিংহ। সিংহ-বাঘ দেখি ভয়ে গোপগণে লৰ দিছা। গোপগণে নৃত্য কৰিছা। গোপৰ কোলাত সিথান দি শুইছা; গোপগণে হাত পাৰ জাপ্তিছা। বলভদ্ৰ শুইছা, কৃষ্ণে পাৰ জাপ্তিছা।

বৃন্দাবনত গোপশিশু-সবৰ সম্প্ৰীতি: এদিন সকলো গোপবালক বৃন্দাবনত গৰু চৰাবলৈ গৈছে। বৃন্দাবন নানাবিধ গছ-লতাৰে ভৰপূৰ; ময়ূৰ আদি পাখীবোৰে গছৰ ডালত পৰি বং মনে বিহাৰ কৰিছে। সিংহ, বাঘ, গৰু আদি জন্তুবোৰে হিংসা দ্বেষ এৰি একেলগে চৰি ফুৰিছে। কোনো কোনো গোপশিশুৱে হিংস্ৰ জন্তু দেখি পলাব খুজিছে। কোনো ঠাইত কৃষ্ণ শুইছে।

वृन्दावनमें गोपशिशुगणकी संप्रीति: एकदिन सभी गोपबालक गायें चरानेके लिए वृन्दावन गये। वृन्दावन तरह तरहके पेड़-पौधोंसे भरा है। मोर आदि पंछी पेड़की टहनियोंपर बैठकर आनन्दसे विहार कर रहे हैं। सिंह, बाघ, गाय-बैल आदि जानवर हिंसा, द्वेष छोड़कर एक साथ चर रहे हैं। कोई कोई गोपशिशु हिंसक जानवरको देखकर भागना चाहता है।

কোনো গোপবালকে কৃষ্ণৰ হাত টিপিব ধৰিছে; কোনোৱে বা ভৰি নিজৰ গাত তুলি পিহিব ধৰিছে। কৃষ্ণই বলৰামৰ ভৰি দুখন আনন্দেৰে নিজৰ কোলাত তুলি লৈছে। আন এজন গোপবালকে বলৰামৰ হাত টিপিব ধৰিছে।

किसी जगह कृष्ण भी रहा है। कोई गोपबालक कृष्णके हाथ दबा रहा है तो कोई पांवको अपने बदनपर रखकर मल रहा है। कृष्णने बलरामके दोनों पैर आनन्दसे अपनी गोदमें बैठा लिए। दुसरा गोपबालक बलरामके हाथको दबा रहा है।



ধেনুকাসুৰে তালক ৰাখিছা। শ্ৰীদাম। বলভদ্ৰে তালক ৰক্ষাৰিছা। সুদাম। শ্ৰীদাম। কৃষ্ণ। ৰাম।

ধেনুকাসুৰ বধ:—বৃন্দাবনত ধেমালি কৰি থাকোঁতে শ্ৰীদাম, সুদাম আদি গোপবালকসকলে পকা তালৰ গোন্ধ পাই কৃষ্ণ আৰু বলৰামৰ আগত তালফল খাবলৈ ইচ্ছা প্ৰকাশ কৰিলত দুয়ো ভাই তাঁহি তালবনত সোমাল। ৰামে দুয়ো হাতেৰে এজোপা তাল গছ জোকাৰি দিলত ডাঙৰ ডাঙৰ পকা তালবোৰ সৰি পৰিল। তাল পৰা শব্দ শুনি ধেনুকাসুৰ খেদি আহি পাছ ঠেং দুখন ওপৰলৈ তুলি ৰামৰ বুকত লাথি মাৰিলে।

धेनुकासुर वध: वृन्दावनमें खेल रहे थे तो पके हुए ताड़की गंध पाकर श्रीदाम, सुदाम आदि गोपबालकगणने कृष्ण और बलरामके सामने ताड़का फल खानेकी इच्छा प्रगट की। दोनों भाई घूमकर ताड़वनमें घुस गये। बलरामने जब दोनों हाथोंसे एक ताड़के पेड़को जोरसे हिला दिया तो बड़े बड़े पके हुए ताड़ गिर गये। ताड़के गिरनेकी आवाज सुनकर धेनुकासुर आकर पीछेके दोनों पैरोंको ऊपर उठाकर रामकी छातीपर प्रहार किया।

বলভদ্ৰে ধেনুকাসুৰক মাৰিছা। গোপসবে তালফল ভোজন কৰিছা। কৃষ্ণ ধেনুকাসুৰৰ জ্ঞাতিক বধ কৰিছা।

বলভদ্ৰ তাতে অতি ৰুষ্ট হৈ ধেনুকাসুৰৰ পাছ ঠেং দুখন জপাই ধৰি ওপৰলৈ তুলি ঘূৰাওঁতে সি মৰিল, তেতিয়া তেওঁ তাক তাল গছৰ গালৈ মাৰি পঠালে। ধেনুকক এইদৰে মৰা দেখি তাৰ জ্ঞাতিবিলাক খেদি আহিল। কৃষ্ণ-বলৰামে সিহঁতকো পাছ ঠেঙত ধৰি ওপৰলৈ তুলি তাল গছলৈ দলি মাৰিব ধৰিলে। তালগছত পৰি ধেনুকৰ জ্ঞাতিবোৰ মৰিব ধৰিলে আৰু গছবোৰ জোকাৰ খোৱাত বহুত তাল সৰি পৰিল। তাকে দেখি দেৱতাবিলাকে প্ৰশংসা কৰিবলৈ ধৰিলে, গন্ধৰ্ববিলাকে নৃত্য কৰিবলৈ

बलभद्र इससे अत्यंत क्रुद्ध होकर धेनुकासुरके पीछेके दोनों पैरोंको साथ मिलाकर पकड़कर ऊपर उठा घुमाकर पृथ्वीपर दे मारा और गामने उसको ताड़के पेड़पर फेंक दिया। धेनुकको इस तरह मारते देखकर उसके रिश्तेदारगण दौड़कर आये। कृष्ण बलराम उन्हें भी पकड़कर ऊपर उठाकर ताड़के पेड़पर फेंकने लगे। ताड़के पेड़पर गिरकर धेनुकके रिश्तेदारगण मरने लगे और पेड़ोंमें धक्का लगनेके कारण हिलनसे बहुतसे ताड़ गिर पड़े। इसे देखकर देवतागण स्तुति करने लगे, गंधर्वगण नाचने लगे।

দেৱগণ।

ধৰিলে ; ইপিনে গোপবালক সবে পকা তাল বং মনে কাৰাকাৰি কৰি খাবলৈ ধৰিলে।

इधर गोपबालकगण पके हुए ताड़ोंको आनन्दसे छीनाझपटीकर खाने लगे।

বলভদ্ৰৰ দলিত অসুৰ মুখথেকেচা খাই মাটিত পৰিল। বলদেৱে আগ হাত মুঠা মাৰি দাঙি বাওঁহাত মুঠি মাৰি আগবঢ়াই

बलभद्रके फेंकनेसे असुर मुँहमें चोट खाकर मिट्टीमें गिर पड़ा। बलदेव दोनों हाथोंको कसकर बाँधकर वीरविक्रमसे खड़ा है।



বলভদ্ৰ। মৰা ধেনুকাসুৰ। গোপগণে ফল খাইছা। কৃষ্ণ।

বীৰবেশে থিয় দি আছে। গোপবালকবিলাকৰ কোনোৱে আঠু কাঢ়ি তাল বুটলিছে, কোনোৱে বা ফল কাৰাকাৰি কৰিছে। কোনো কোনো গোপবালকে আকৌ কৃষ্ণক এটা ফল দিছে আৰু নিজেও খাবলৈ ফল মুখৰ ওচৰলৈ নিছে।

কৃষ্ণ-বলৰাম আদিৰ ব্ৰজলৈ প্ৰত্যাৱৰ্ত্তন: ধেনুকাসুৰক বধ কৰি কৃষ্ণ-বলৰাম আৰু অন্যান্য গোপবালকসকল ধেনু লৈ ব্ৰজলৈ উভতিল। ধেনুবোৰ আগত, তাৰ পাছতে শিঙা বজাই

गोपबालकोंमें कोई घुटने टेककर ताड़ बटोर रहा है तो कोई फलके लिए छीनाझपटी कर रहा है। कोई कोई गोपबालक फिर कृष्णको एक फल दे रहा है और खुद भी खानेके लिए मुँहके पास फल ला रहा है।

कृष्ण-बलराम आदियोंका व्रजमें प्रत्यावर्त्तन : धेनकासुरका वध करनेके बाद कृष्ण बलराम और दुसरे गोप-बालकगण धेनु लेकर सींगा बाँसुरी बजाते हुए व्रजमें आ रहे हैं।

যশোদা। কৃষ্ণ। ৰাম। ৰোহিণী। ৰাম-কৃষ্ণ গোপসমে গোকুলক আসিছা।

বলভদ্ৰ, তাৰ পাছত বাঁহী বজাই কৃষ্ণ আৰু গোপবালকবিলাক আহি ব্ৰজত উপস্থিত হল। কৃষ্ণ-বলৰাম অহা দেখি যশোদা আৰু ৰোহিণীয়ে এখন শৰাইত খোৱাবস্তু সজাই তেওঁলোকৰ আগত দিছে। দুয়ো ভাই-ককাইৰ মনে সেই বস্তু খাবলৈ ধৰিছে।

कृष्ण बलरामको आते देखकर यशोदा और रोहिणी एक टगोर्मे* खानेकी चीजें सजाकर उनको देरही हैं। दोनों भाई मिलकर आनन्दसे वे चीजें खा रहे हैं।

* असमके कामिका बरतन, जिसमें प्रसाद, पान वगैरह लिया जाता है।

কৃষ্ণে পৰশি গোপ-গৰু জীয়াইছা। हृदर जल पान करि गोप-गरु मरिछा।

কালীয় দমন: তাৰ পাছত আন এদিনাখন কৃষ্ণই গোপ-বালকবিলাকৰ সৈতে যমুনাৰ পাৰত গৰু চৰাবলৈ গল। কৃষ্ণ আন ফালে থকা সময়ত গৰু আৰু গোপবালকবিলাকে পিয়াহত

कालीय-दमन: एकदिन कृष्ण गोपबालकोंके साथ यमुनाके किनारे गायें चराने गये। कृष्ण दूसरी ओर रहनेके समय गायें और गोपशिशुगण प्याससे विह्वल होकर कालीय-

আতুৰ হৈ কালীয় হ্ৰদৰ পানী খাই বিষ লাগি মৰি পৰি থাকিল। কৃষ্ণই গোপ-গৰুৰ অৱস্থা দেখি অমৃত-হাত বুলাই সকলোকে জীয়ালে ; সকলোবোৰে আগৰ দৰে চলি ফুৰিব ধৰিলে।

ह्रदका जहरीला पानी पीकर मर गये। कृष्ण ग्वाल और गायोंकी हालत देखकर अमृत-हाथसे मलकर सबको जीवित किया और सभी पहले जैसे चलने-फिरने लगे।



কৃষ্ণ কদম্বত চড়িছা।

কালীয় হ্ৰদৰ পাৰত এজোপা কদম গছ আছিল। কৃষ্ণই সেই কদমত উঠি দুটা ঠানিত ভৰি দুখন মেলি দি খুপনি পুতি দুই হাতেদি দুটা ঠানিত টানকৈ মুঠি মাৰি ধৰি আছে।

कालीय ह्रदके किनारे कदम्बका एक पेड़ था। कृष्ण उस कदम्बपर चढ़कर दो टहनियोंपर पैर लटकाकर जोरसे दोनों हाथोंसे दो टहनियोंको मुट्ठी बाँधकर पकड़े हुये है।

কালি আসি কৃষ্ণক্ষণ বৰ্ণাইছা। কৃষ্ণে কালিৰ হ্ৰদত পৰিছা।

শ্ৰীকৃষ্ণই কদম গছৰ ডালত ধুলনি দি হ্ৰদৰ মাজত জাপ দি পৰিলত হ্ৰদৰ পানী উথলি উঠিল। কালীয় নাগে তাকে দেখি খঙত খেদি আহিল; আৰু কৃষ্ণৰ মূৰৰ ওপৰত সহস্ৰ ফণা তুলি জিভা মেলি কোৱাৰি চেলেকিবলৈ ধৰিলে।

श्रीकृष्ण कदम्बकी डालोंमें भूलकर ह्रदके बीचमें जब कूद पड़ा तो ह्रदका पानी उछल पड़ा। उसे देखकर कालीय नाग क्रोधसे कृष्णके सिरपर सहस्र फणोंको उठाकर जीभ लपलपाने लगा।

কালীয় নাগে কৃষ্ণক মেৰাই ধৰিলে, আৰু ফণাবোৰ কৃষ্ণৰ মূৰৰ ওপৰত তুলি যেন কৃষ্ণক গ্ৰাস হে কৰিবলৈ উদ্যত হল। কৃষ্ণে

कालीय नाग कृष्णके चारों ओर लिपट गया और फणाको कृष्णके सिरपर उठाकर मानो कृष्णकोही निगलनेके लिए उद्यत हुआ।

কালীয়ে কৃষ্ণক সৰ্বগাৱে মেৰাই ধৰিছা।

বিষৰ জালত অচেতন হৈ পৰি থকা ভাৱ জুৰিলে। কৃষ্ণৰ সেই অৱস্থা দেখি পাৰত থকা গোপবালকবিলাক অতি বিষণ্ণ মনে মূৰে কপালে হাত দি আঁঠু কাঢ়ি বহি কান্দিবলৈ ধৰিলে। ধেনু-বিলাকেও গল দাঙি দাঙি যেন কৃষ্ণৰ বিৰহত অস্ফুট শব্দেৰে বিলাপহে কৰিব ধৰিলে।

ইফালে গোকুলত বিমঙ্গলৰ নানা চিন দেখি কৃষ্ণ আদিৰ বিপদ আশঙ্কা কৰি গোপ-গোপীবিলাক গৈ নন্দৰ ঘৰত উপস্থিত হৈছে। নন্দ ৰজা বহি আছে; এজন গোপে হাতযোৰ কৰি উৎপাতৰ কথা নন্দক কৈছে। আৰু আন এজনী গোপী পাছৰ ফালে থাকি হাত দাঙি হুঙ্কাৰ ধৰিছে। কোনো গোপে আকৌ হাতত লাখুটি ধৰি কৃষ্ণৰ পদচিহ্ন চাই বন ফেৰি ফেৰি আগে আগে



গোপ-গৰু সন্তাপ কৰিছা।

कृष्णने विषकी ज्वालासे बेहोशीका बहाना किया। कृष्णकी एसी हालत देखकर किनारेके गोपबालक अत्यंत दुःखके साथ सिरपर हाथ रखकर घुटनेके बल बैठकर रोने लगे। गायेंभी गला उठा उठाकर कृष्णके विरहमें मूक आवाजमेंही रोने लगीं।

इधर गोकुलमें अपशकुनोंसे शंकित होकर कृष्ण आदिके अमंगलकी आशंकाके कारण ग्वाल-ग्वालिनें नन्दके घरमें हाजिर हुये। नन्द राजा बैठे हैं। एक ग्वाल हाथ जोड़कर उत्पातकी बात नन्दसे कहरहा है। दूसरी एक ग्वालिन पीछे खड़ी उसका समर्थन कर रही है। कोइ ग्वाल फिर हाथमें लाठी लेकर कृष्णका पदचिह्न देखता हुवा वनकी ओर आगे आगे जा रहा है: कई

নন্দ আদি গোপ-গোপীগণে কৃষ্ণক দেখিবলৈ বৃন্দাবন প্ৰবেশিছা। যশোদা-ৰোহিণী কৃষ্ণৰ খোজত পৰবস্তে যায়। বলভদ্ৰ। গোপী। গোপ-গোপী বিমঙ্গল দেখি নন্দৰ মন্দিৰে একঠাই হৈছা।

গৈছে; কেইজনীমান গোপীয়ে সেই পদচিহ্ন হালি হালি দেখাই তাৰ অনুসৰণ কৰিছে। তাৰ পাছত বলভদ্ৰ আৰু সমশেষত এজনী গোপী কৃষ্ণৰ অনুসন্ধান কৰিব ধৰিছে।

ग्वालिनें उन पद-चिह्नों को देखकर उनका अनुसरण कर रही हैं। उनके पीछे बलभद्र और एक गोपी कृष्ण को खोजने आरहे हैं।

কৃষ্ণক কালিয়ে ডকিছা। যশোদা হিয় মুণ্ড ভকুৱাই কান্দিছা। নন্দ। বলভদ্ৰ। ৰোহিণী। গোপী। গোৱাল।

কৃষ্ণ কালীয় হ্রদত কালী নাগৰ মেৰত মেৰ খাই ভৰি দুখন দুই ফালে মেলি দি ঘোৰাত উঠি থকাৰ দৰে আছে। নাগে আকৌ কৃষ্ণৰ মূৰটো গিলিবলৈ খুজি যেন ফণা মেলি আছে। তাকে দেখি যশোদাই আতুৰ হৈ কৃষ্ণৰ গুণ বৰ্ণাই কপাল ভুকুৰাই মাটিত আঠুকাঢ়ি কান্দিব ধৰিছে। নন্দয়ো হাত ওপৰলৈ তুলি অদৃষ্টক ধিয়াই কান্দি আছে। তাৰ পিছত বলদেৱ, ৰোহিণী আৰু অন্যান্য গোপ-গোপীবিলাকেও কৃষ্ণৰ অৱস্থা দেখি শোকাতুৰ হৈ বিলাপ কৰিব ধৰিছে।

कृष्ण कालीय ह्रदमें कालीय नागसे लिपटे हुये दोनों फणों पर पैर रखे शोभायमान हैं मानो घोड़ेपर चढ़े हैं। नाग फिर कृष्णको निगलनेकी इच्छासे फणा फैला रहा है। इसे देखकर यशोदा अस्थिर होकर कृष्णके गुणोंका वर्णन करती हुई सिर पीटकर जमीनपर घुटने टेककर रो रही हैं। नन्दभी सिर पीट रहे हैं। बलदेव, रोहिणी और दुसरे ग्वाल-ग्वालिन भी कृष्णकी अवस्था देखकर शोकसे विह्वल होकर रो रहे हैं।

বলভদ্ৰে নিষেধ কৰিছা।

কৃষ্ণৰ শোকত আতুৰ হৈ যশোদা আৰু নন্দই কালীয় হ্রদত জাপ দি আত্মহত্যা কৰিবলৈ ওলোৱা দেখি বলদেৱে যশোদাৰ হাত দুখন সাৱটি মাৰি ধৰি "কৃষ্ণৰ বিনাশ নাই, তুমি ভয়

कृष्णके शोकसे विह्वल होकर यशोदा और नन्द कालीय ह्रदमें कूदकर प्राण गँवाना चाहते हैं। बलदेव यशोदाके दोनों हाथ थामते हुये "कृष्णका विनाश नहीं है, तुम डरो मत। वह अभी

নকৰিবা ; তেওঁ এতিয়াই সৰ্পৰ দৰ্প চূৰ্ণ কৰি পানীৰপৰা উঠি আহিব” ইত্যাদি কথা কৈ আশ্বাস দিছে। যশোদাৰ পিছত এজন গোপ আৰু এজনী গোপী থিয় দি আছে।

सांपका गर्व चूर करके पानीसे निकल आयेगा” आदि कहते हुवे आश्वासन दे रहा है। यशोदाके पीछे एक गोप और एक गोपी खड़ी हैं।



কৃষ্ণে কালিৰ শিৰত নাচিছা।

বিষ লাগি মানুহ পৰি থকাৰ দৰে কৃষ্ণ পৰি থকা দেখি কালী ফণা মেলি উঠিল। সেই চেগতে কৃষ্ণই কালীৰ মূৰত উঠি তাৰ সহস্ৰ শিৰক দুফাল কৰি দুই ফালে দুখন ভৰি দি নানা ভঙ্গি কৰি

सांपका विषसे म्रियमान अवस्था प्राप्त कृष्णको देखकर कालीय फुफकार उठा। उस संयोगमें कृष्णने कालीयके सिरपर चढ़कर उसके हजार सिरोंको दो तरफ बांटकर दोनों ओर दो

গন্ধৰ্ব্ব।　বিদ্যাধৰ।　দেৱমুনি।　অপেশ্বৰী নাচিছা।

নাচিবলৈ আৰম্ভ কৰিলে। তাকে দেখি আকাশত গন্ধৰ্ব্বই তাল, বিদ্যাধৰে খোল, দেৱমুনিয়ে স্তুতি আৰু অপেশ্বৰাই নৃত্য কৰিবলৈ ধৰিলে।

ऐसे टवाकर अनेक मुद्राओं से नाचना शुरू कर दिया। इसे देखकर आसमानमें गंधर्व ताल बजाने, विद्याधर खोल बजाने, देवर्षिगण स्तुति करने और अप्सरागण नाचने लगीं।

কৃষ্ণই কালীৰ মূৰত উঠি এনেদৰে নৃত্য আৰম্ভ কৰিলে যে, কালী অতিষ্ঠ হৈ পৰিল। কালীয়ে যেতিয়াই যিটো মূৰ দাঙে কৃষ্ণই সেইটোতে উঠি নাচিবলৈ ধৰে। কালীৰ সেই আতুৰ অৱস্থা

कृष्णके तांडव नृत्यसे मर्माहत कालीय जिस सिरको उठाता है कृष्ण उसी सिरपर चढ़कर नाचने लगता है। कालीय की ऐसी नाजुक हालत देखकर उसकी पत्नियाँ



শিশুক আগকৰি নাগপত্নীসবে কৃষ্ণক স্তুতি কৰিছা।

কৃষ্ণে কালিৰ শিৰত নৃত্য কৰিছা।

দেখি পত্নীসকলে শিশু-সন্তানবিলাকক লগত লৈ হাতযোৰ কৰি কৃষ্ণৰ ওচৰত উপস্থিত হলগৈ।

शिशु-सन्तानोंको साथ लेकर हाथ जोड़कर कृष्णके सामने आईं।

নাগপত্নীসবে স্তুতি কৰিছা।

নাগপত্নীসকলৰ স্তুতি ঃ—নাগপত্নীসকলে শিশু-সন্তানবোৰৰ সৈতে কৃষ্ণৰ ওচৰলৈ গৈ আঠুকাঢ়ি হাতযোৰ কৰি স্তুতি আৰম্ভ কৰিছে। কৃষ্ণই হাত তুলি কালীয়ৰ মূৰত উঠি নানা ভঙ্গিৰে অবিৰাম নৃত্য কৰি আছে।

नागपत्नियों की स्तुति : नागपत्नियाँ शिशु-सन्तानोंके साथ कृष्णके सामने स्तुति कर रही हैं। कृष्ण हाथ उठाकर कालीयके सिरपर अनेक भंगियोंसे निरंतर नृत्य कर रहा है।



নাগপত্নীৰ স্তুতিত কৃষ্ণ তুষ্ট হৈয়া, কালিৰ শিৰ নামি, নিৰ্ভয় দিছা।

নাগপত্নী আৰু নাগ-শিশুবিলাকৰ প্ৰাৰ্থনাত কৃষ্ণ তুষ্ট হৈ কালীয়ৰ মূৰৰ পৰা নামিল ; আৰু আগহাত দাঙি কালীয়ক নিৰ্ভয় দিলে। কালীয়য়ে কৃষ্ণক পাৰত সহস্ৰ ফণা নমাই হাতযোৰ কৰি স্তুতি কৰিলে।

नागपत्नी और नागशिशुओंकी प्रार्थनासे सन्तुष्ट होकर कृष्ण कालीयके सिरसे उतर गया : और दाहिना हाथ उठाकर कालीयको निर्भय किया। कालीय भी कृष्णके चरणोंमें सहस्र फणोंको झुकाकर हाथ जोड़कर स्तुति कर रहा है।

কালীয়ৰ স্তুতি ঃ—কালীয়ই কৰপুটে মূৰ দোঁৱাই কৃষ্ণক স্তুতি কৰি থাকোঁতে নাগপত্নী আৰু নাগশিশুবিলাকে কালীয়ৰ পিছফালে

कालीय नागकी स्तुति : कालीय नाग परिवार सहित धूप, नैवेद्य आदिसे कृष्णकी पूजा और विनीत स्वरमें



নাগপত্নীসৰ। কালিয়ে হাতজোৰে কৃষ্ণক স্তুতি কৰিছা। কালিক কৃষ্ণে বিদায় দিছা।

হাতযোৰ কৰি থিয় দি আছিল। কালীয়ই ধূপ, নৈবেদ্য আদি কৃষ্ণৰ আগত দি স্তুতি কৰাত কৃষ্ণ সন্তুষ্ট হৈ আগ হাত দাঙি আশ্বাস দি কলে যে, 'হে কালীয়, তুমি এই ঠাইৰপৰা আন ঠাইলৈ যোৱা।' কালীয়ই কৃষ্ণৰ আদেশ ক্ৰমে সেই ঠাই এৰি আন ঠাইলৈ যাবলৈ আৰম্ভ কৰিলে।

स्तुति की तो भगवान् कृष्ण संतुष्ट होकर आश्वासन देते हुये कहा "हे कालीय! तुम इस जगहसे दुसरी जगह चले जाओ।" कालीयने कृष्णके आदेशानुसार उस जगहको छोड़ दुसरी जगह जानेका वचन माना।

কালীয়ৰ সপৰিবাৰে কালিন্দী হ্ৰদ ত্যাগ:—কালীয়ই কৃষ্ণৰপৰা বিদায় লৈ গল। নাগপত্নী আৰু নাগশিশুবিলাকো

कालीय नाग द्वारा कालिन्दी ह्रदका परित्याग : कालीय कृष्णसे बिदा लेकर चला गया। नागपत्नी और नाग-

কালীয়ে পুত্ৰ পত্নীসমে ৰমণক যাস্ত।

কালীয়ৰ পিছে পিছে যাবলৈ ধৰিলে। শুকদেৱ গোস্বামীয়ে এই কথাবোৰ ৰজা পৰীক্ষিতৰ আগত কব ধৰিছে; আৰু পৰীক্ষিতে হাতযোৰ কৰি শুনি আছে।

शिशुगणभी कालीयके पीछे पीछे जाने लगे। महर्षि शुकदेव इन बातोंको राजा परीक्षितके सामने कह रहे हैं; और परीक्षित हाथ जोड़कर सुन रहे हैं।



পৰীক্ষিত ৰাজা। শুকদেৱ।

কালীয় আৰু গৰুড়ৰ যুদ্ধঃ—কালীয়ই সপৰিয়ালে হ্ৰদ এৰি আন ঠাইলৈ যাত্ৰা কৰোঁতে গৰুড়ে দেখা পাই পূৰ্বৰ শত্ৰুতা স্মৰি কালীয়ক আক্ৰমণ কৰিলে। কালীয় আৰু

कालीय नाग और गरुड़का युद्ध : जब कालीय परिवारोंके साथ ह्रद छोड़कर दूसरी जगहकी यात्रा कररहा था तब गरुड़ने देखकर पहलेकी दुश्मनी याद कर कालीय पर



কালিয়ে গৰুড়ে যুদ্ধ কৰিছা।

গৰুড়ৰ যুদ্ধ হল: গৰুড়ে কালীয়ক নখপুতি ধৰিলে, কালীয়য়ো গৰুড়ক লেজেৰে মেৰাই ধৰি মুখত ডকিবলৈ চেষ্টা কৰিলে।

हमला किया। कालीय और गरुड़की लड़ाई हुई: गरुड़ने कालीयको नखोंसे नोच लिया। कालीयने भी गरुड़को पूँछमें लपेटकर मुँहसे डंक मारनेकी चेष्टा की।



গৰুড়ে কালীয়ক খেদি আহিছে।

কালীয়ৰ যমুনা হ্ৰদত আশ্ৰয় :—গৰুড়ে কালীয়ক খেদা দেখি নিতান্ত নিৰুপায় হৈ যমুনা হ্ৰদত সোমাল গৈ।

कालीयका यमुनामें आश्रय लेना : जब गरुड़ने कालीयको खदेड़ा तो लाचार होकर कालीय यमुनाके ह्रदमें

গৰুড় পালটি আহিলা। কালীয় হ্ৰদে বুড় দিলা। ৰাজা পৰীক্ষিত। শুকদেৱ।

গৰুড়ে মুনি সৌভৰিৰ শাপলৈ ভয় কৰি কালীয়ক এৰি উভতি আহিল।

ঘুম গয়া। গৰুড় মুনি সৌভৰিকে অভিশাপকে ডৰসে কালীয়কো ছোড়কৰ লৌট আয়া।

কালীয় দমনৰ পাছত কৃষ্ণৰ আনন্দ:--কৃষ্ণই কালীয়ক সেইদৰে দমন কৰি হাঁহিমুখে ঘৰলৈ উভতি আহিল। কৃষ্ণক অহা দেখি এফালে যশোদা আৰু আনফালে ৰজা নন্দই এখন হাতেৰে কৃষ্ণৰ হাতত ধৰি আনখন হাতেৰে গলত সাৱটি মাৰি স্নেহালিঙ্গন কৰিছে। ওচৰতে এজনা ব্ৰাহ্মণ থিয় দি হাত তুলি আশীৰ্ব্বাদ দিছে। নন্দৰ পিছফালে ৰোহিণীয়ে ৰং মনে

কালীয় দমনসে কৃষ্ণকা আনন্দিত হোনা: কৃষ্ণ উসী তৰহ কালীয়কা দমন কৰকে হঁসমুখ হসে ঘৰ লৌট আয়া। কৃষ্ণকো আতে দেখকৰ এক ওৰ যশোদা ঔৰ দুসৰী ঔৰ ৰাজা নন্দ এক হাথসে কৃষ্ণকে হাথ পকড়কৰ দুসৰে হাথকো গলেমেঁ ডালকৰ স্নেহসে আলিঙ্গন কৰ ৰহে হৈঁ। পাসহী এক ব্ৰাহ্মণ হাথ উঠাকৰ আশীৰ্বাদ দে ৰহা হৈ। নন্দকে পীছে ৰোহিণী আনন্দ মনসে খড়ী



বিপ্ৰ। যশোদায়ে নন্দে কৃষ্ণক আশ্বাস কৰিছা। ৰোহিণী। বলভদ্ৰে কৃষ্ণক আশ্বাস কৰিছা।

থিয় দি আছে। বলভদ্ৰই কৃষ্ণক হাতে-গলে ধৰাধৰি কৰি পৰস্পৰে স্নেহালিঙ্গন কৰিছে।

हैं। बलभद्र कृष्णसे गले लगकर परस्पर स्नेहालिङ्गन कर रहे हैं।

যশোদাৰাণীৰ আনন্দ আৰু নন্দ-ৰোহিণীৰ আশীৰ্ব্বাদ :—

তাৰ পাছত যশোদাৰাণীয়ে অতি সন্তোষ লাভ কৰি কৃষ্ণক কোলাত লৈ সাৱটি ধৰিলে। কৃষ্ণয়ো মাকৰ ফালে মুখ ঘূৰাই যশোদাৰ গলত সাৱট মাৰি ধৰিলে। এফালে নন্দ আৰু আন ফালে ৰোহিণীয়ে আনন্দত হাত দাঙি যেন আশীৰ্ব্বাদ দিছে। ৰোহিণীৰ পিছৰ ফালে গোপী আৰু নন্দৰ পিছৰ ফালে বলৰাম, শ্ৰীদাম,

यशोदाका प्रेम और नन्द रोहिणी का आशीर्वाद :

उसके बाद यशोदा रानीने अत्यंत संतोष पाकर कृष्णको गोदमें लेकर प्यार किया. कृष्णने भी माकी. और मुँह मोड़कर यशोदाके गलेमें गलबाँही डालदी। एक ओर नन्द और दुसरी ओर रोहिणी आनन्दसे हाथ उठाकर मानो आशीर्वाद दे रही हैं। रोहिणीके पीछे गोपी और नन्दके पीछे बलराम, श्रीदाम, सुदाम आदि

গোপী। ৰোহিণী। যশোদা কৃষ্ণক কোলা লৈছা। নন্দ। বলভদ্ৰ। শ্ৰীদাম। সুদাম।

সুদাম আদি গোপগোপীসকল থিয় দি আছে। তাত থকা ধেনুবিলাকেও যেন আনন্দত উৎফুল্ল হৈছে।

গোপগণ খড়ে হৈঁ। বছাঙ্গী গায়েঁ ভী মানো আনন্দসে ওতপ্ৰোত হো ৰহী হৈঁ।



শ্ৰীদাম। ৰাম। কৃষ্ণ। বনবহ্নিত ত্ৰাস হুয়া নন্দে গোপ-গকদমে কৃষ্ণত শৰণ পশিছে।

বনাগ্নি পান:—এনেভাৱে থকাৰ পিছত এদিনা হঠাৎ সেই বৃন্দাবনত দাবানল জ্বলি উঠিল। বন-বহ্নি দেখি নন্দ আদি গোপ

বনাগ্নি পান: ইস তৰহসে ৰহনেকে বাদ একদিন অকস্মাৎ ৱৃন্দাবনমেঁ দাবানল জল উঠা। বনমেঁ আগ

আৰু যশোদা আদি গোপীবিলাক অতি সন্ত্ৰস্ত হৈ কৃষ্ণৰ ওচৰলৈ গৈ হাতযোৰ কৰি স্তুতি আৰম্ভ কৰিলে। তেতিয়া কৃষ্ণ-বলৰামে বন-বহ্নিৰপৰা তেওঁলোকৰ ভয় নাই বুলি হাত দাঙি আশ্বাস দিছে ; বনৰ চাৰিওফালে হু হু কৰি জুই জ্বলি উঠিছে।

देखकर नन्द आदि गोप और यशोदा आदि गोपिनीगणनी अत्यंत भयभीत होकर कृष्णके पास जाकर हाथ जोड़कर स्तुति करनेपर कृष्ण. बलराम उन्हें अभय देरहे हैं।

কৃষ্ণে বনবহ্নি পান কৰিছা। বলভদ্ৰ। নন্দ। ৰোহিণী। যশোদা। শ্ৰীদাম। সুদাম।

কৃষ্ণই নিজ-মাহাত্মাৰ বলত বন বহ্নি পান কৰিবলৈ আৰম্ভ কৰিলে। কৃষ্ণই বহ্নি পান কৰা দেখি বলভদ্ৰ, নন্দ, যশোদা আদি গোপ-গোপীসকলে আচৰিত হৈ আগহাত দাঙি কৃষ্ণক লক্ষ্য কৰি কোৱাকুই কৰিবলৈ ধৰিলে, যে কৃষ্ণ মানুহ নহয়—এওঁ পৰম পুৰুষ।

अपनी माहात्म्यके प्रभावसे भगवान् कृष्ण वन वह्निका पान शुरू करदिया। कृष्णको वह्नि पान करते देखकर बलभद्र, नन्द, यशोदा आदि गोप गोपीगण अचरज होकर दाहिने हाथ उठाकर कृष्णको ओर इशारा करके कहा-सुनी करने लगीं कि कृष्ण मनुष्य नहीं परम पुरुष हैं।



কৃষ্ণ। বলৰাম। শ্ৰীদাম। গোৱালী।

ধেনু আগত লৈ কৃষ্ণ-বলৰামৰ গোপবালকৰ সৈতে বৃন্দাবনলৈ গমন :—বনাগ্নিৰপৰা বৃন্দাবন ৰক্ষা কৰাৰ পাছত কৃষ্ণ এদিন লগৰীয়া গোপবালকৰ সৈতে গৰু চৰাবলৈ ওলাল। আগত গাইবোৰ, পাছত দামুৰিবোৰ যাবলৈ ধৰিলে; কৃষ্ণই বাওঁহাতেৰে লৰু আৰু আগহাতেৰে বাঁহী বজাই গৈছে। কৃষ্ণৰ পিছত বলভদ্ৰ বাঁহী ফুকিয়াই লগৰীয়া গোৱালৰ সৈতে যাব ধৰিছে; তাৰ পিছতেই গোপীবিলাকো গৈ আছে।

गायोंको आगे लेकर कृष्ण-बलरामका ग्वालोंके साथ वृन्दावनकी ओर यात्रा : वनकी आगसे वृन्दावनकी रक्षा करनेके बाद कृष्ण एकदिन साथी गोप बालकोंसे गायें चराने निकला। आगे गायें, पीछे बछड़े जा रहे हैं : कृष्ण बायें हाथसे डंडा और दाहिने हाथसे बाँसुरी बजाता जा रहा है। कृष्णके पीछे बलभद्र बाँसुरी फूँकते फूँकते साथी ग्वालोंके साथ जाने लगा : उसके पीछे पीछे गोपिनीगण भी जा रही हैं।

কৃষ্ণ-বলৰাম আৰু অন্যান্য গোপবালকবিলাকে গাই দামুৰিবোৰক আগত লৈ বাঁহী বজাই বজাই বৃন্দাবন পালেগৈ, আৰু মনৰ আনন্দে গৰু চাৰিবলৈ ধৰিলে। গৰু আৰু বনৰ হৰিণাবোৰ

कृष्ण बलराम और दूसरे गोपबालकगण गाय बछड़ोंको आगे लेकर बाँसुरी बजाते बजाते वृन्दावन पहुँचे और मनकी खुशीसे गौएं चराने लगे। गौएं और वनकी हिरनियाँ एक साथ एकही



গোপ-গৰু। কৃষ্ণে বংশী বাইছন্ত। বলভদ্ৰ। সুদাম। বসুদাম।

একে ঠাইতে চৰিছে আৰু সিহঁতে ঘাঁহবপৰা মুখ তুলি কৃষ্ণৰ বংশীধ্বনি কাণপাতি শুনিছে।

जगह चर रही हैं और वे घाँससे मुँह उठाकर कृष्णकी बाँसुरीकी आवाज सुन रही हैं।

বৃন্দাবনৰ কি মনোহৰ দৃশ্য! নানাজাতিৰ ফুল, তৰুলতাই মূৰ তুলি দিগন্ত বিস্তৃত সৌৰভ বিস্তাৰ কৰিছে। ভোমোৰাবোৰে ফুলত পৰি মধুৰ গুঞ্জন কৰি মধুপান কৰিব ধৰিছে। ময়ূৰ আদি নানাজাতীয় পক্ষীবোৰে কিমান ঢেও ধৰি নাচিছে; স্বচ্ছ সৰোবৰত পদ্মফুল ফুটি আছে; হাঁহ আদি জলচৰ পক্ষীবোৰে মনৰ আনন্দত অব্যক্ত মধুৰ শব্দ কৰি জলক্ৰীড়া কৰিছে। এনে হেন

वृन्दावनका दृश्य कैसा खुबसूरत है! भाँति भाँतिके फूल, पेड़-पौधे-बेल-बुटियां सिर उठाकर दूर आसमानक तक सौरभ फैला रहीं हैं। भ्रमर फुलों पर बैठकर मृदु मधुर गुंजन करके मधुपान कर रहे हैं। मोर प्रभृति नाना जातिके पंछी नाच रहे हैं; स्वच्छ सरोवरमें कमलके फूल खिल रहे हैं; हंस आदि जलचर पक्षीगण मधुर आवाजसे जलक्रीड़ा कर रहे हैं। एसेही मनोहर



মৃগ।　পক্ষীসব সৰোবৰত চৰিছা।　কৃষ্ণে গোপগকসমে বৃন্দাবন প্ৰবেশ হৈছা।　ৰাম।　সুদাম।

মনোহৰ বৃন্দাবনত কৃষ্ণ-বলভদ্ৰ আদি গোপবিলাক মনৰ আনন্দে সোমাইছে।

वृन्दावनमें कृष्ण-बलभद्र आदि गोपबालकगण आनन्द मनसे प्रवेश कर रहे हैं।



গোপসবে বাহুযুদ্ধ কৰিছা।　বলভদ্ৰে গোপক তুলি ধৰিছা।　কৃষ্ণে নৃত্য কৰিছা।　শ্ৰীদাম।　সুদাম।

কৃষ্ণ-বলভদ্ৰৰ গোপবালকবিলাকৰ লগত খেলা :—বৃন্দাবনত সোমাই গোপবালকবিলাকে নানাপ্ৰকাৰ ক্ৰীড়া কৰিবলৈ ধৰিছে। কোনোৱে হাতত ধৰাধৰি কৰি বাহুযুদ্ধ কৰিছে, কোনোৱে বা ঠেলাঠেলি কৰিছে। বলভদ্ৰে এটা গোপবালকক হাতত তুলি দিগদিগ দিছে। কৃষ্ণই নৃত্য কৰিছে। শ্ৰীদাম, সুদাম আদিৰ কোনেও বাঁহী, কোনেওবা শিঙা বজাইছে।

कृष्ण-बलरामका ग्वालबालकोंके साथ क्रीड़ा : व्रन्दावनमें घुसकर गोपबालकगण तरह तरहकी क्रीड़ायें करने लगे। कोई आपसमें बाहुयुद्ध कर रहे हैं; कई धकेलना-ठेलना कर रहे हैं। बलभद्र एक गोपबालकको हाथमें चढ़ाकर दिग्-दिग् दे रहा है। कृष्ण नृत्य कर रहा है। श्रीदाम, सुदाम आदि कोई बांसुरी तो कोई सींगाही बजा रहा है।



গোপবালকৰ লগত কৃষ্ণৰ খেলা।

বৃন্দাবনত কৃষ্ণ বহি আছে; তেওঁ আগ হাত দাঙি গোপবালকবিলাকক আদেশ দিছে। কোনো বালকে হাতজোৰ কৰি যেন কৃষ্ণক স্তুতি কৰিছে; কোনোৱে বা ফল বুটলিছে; কোনোৱে আকৌ দৌৰিছে; কোনোৱে বা মোক নুচুবি বুলি হাত জোকাৰি

व्रन्दावनमें कृष्ण बैठा है; वह दाहिना हाथ उठाकर गोपबालकोंको आदेश दे रहा है। कोई बालक हाथ जोड़कर मानो कृष्णकी स्तुति कर रहा है; कोई फल बटोर रहा है; कोई फिर दौड़ रहा है; कोई मुझे मत छू कहकर हाथ हिलाकर मना

হাক দিছে। কোনোৱে আকৌ গছত জৰী লগাই গুলমি-ঢুলনি দিছে। বলভদ্ৰই থিয় হৈ আগ হাতেৰে কাপোৰৰ আচল দাঙি যেন কৃষ্ণৰ মূৰত ছত্ৰহে ধৰিছে।

कर रहा है तो कोई पेड़में रस्सी लगाकर लटककर झूल रहा है। बलभद्र खड़ा होकर दाहिने हाथसे कृष्णके सिरपर आँचलके रूपमें छत्र डुलारहा है।

প্ৰলম্বে বলভদ্ৰক বৈ নিছা

गोपबालक सबे পৰস্পৰে বৈ নিছা।

বলভদ্ৰৰ প্ৰলম্বাসুৰ বধ :—কৃষ্ণ আদি গোপবালকসকল বন-বিহাৰ কৰি থাকোঁতে এদিনাখন প্ৰলম্ব নামে অসুৰ এটা গোপবেশ ধৰি তেওঁলোকৰ মাজত সোমাল। ভগৱান কৃষ্ণই বুজ পাই গোপবালকবিলাকক কলে, যে আমি দুটা দলহৈ এটা খেলা কৰোঁ; এই খেলাত যি দল ঘাটে সেই দলে জিকাদলক কান্ধত বৈ নিব লাগিব। কৃষ্ণ আৰু বলৰাম দুই দলৰ নেতা হৈ

बलभद्रके द्वारा प्रलंबासुर बध : कृष्ण आदि गोप-बालकगण जब वनविहार कर रहे थे तो एकदिन प्रलंब नामका एक असुर ग्वालके वेशमें उनके बीच आ घुसा। भगवान कृष्णने यह जानकर गोपबालकोंसे कहा कि हम दो टोलियोंमें बाँटकर एक खेल खेलें। इस खेलमें जो टोली हारेगी वही जीतनेवाली टोलीको कंधोंपर चढ़ाकर घूमेगी। कृष्ण और बलरामने दोनों टोलियोंका

খেলা আৰম্ভ কৰিছে। খেলাত কৃষ্ণৰ পক্ষ হাৰিল আৰু আগৰ বন্দোবস্ত মতে কৃষ্ণ আদিয়ে বলৰামৰ পক্ষক কান্ধত বই নিবলগীয়া হল। কৃষ্ণৰ পক্ষত প্ৰলম্ব অসুৰ আছিল। প্ৰলম্বাসুৰে বলদেৱক কান্ধত তুলি নিব ধৰিলে।

नायक बनकर खेल आरंभ किया। खेलमें कृष्णकी टोली हार गयी और पहलेकी बातकी मुताबिक कृष्ण आदिको बलरामकी टोलीको कंधेपर ढो कर लाना पड़ा। कृष्णकी टोलीमें प्रलंब असुरभी था। प्रलंबासुर बलदेवको कंधेपर लेकर जाने लगा।

প্ৰলম্বে বলোক সীমাকো চৰাই নিছা। ভাণ্ডিৰ বট। আন গোপগণে খেলা সীমাতে পলাই।

তেওঁলোকৰ খেলাৰ এটা সীমাৰেখা আছিল; আন আন বালকে বৈ নিয়া বালকবিলাকক সীমাত নমাই থলে কিন্তু প্ৰলম্বে বলভদ্ৰক সীমা চেৰাই লৈ গল। তাকে দেখি গোপবালকবিলাকে ইটোৱে সিটোৱে হাত দাঙি সীমা অতিক্ৰম কৰি যাবলৈ যেন বাধাহে দিছে। এই সময়ত বালকবিলাকে আগৰদৰে কাষত

उनकी खेलका एक हद था। और और बालकों ने ढोए हुए बालकोंको हदपर उतार दिया; लेकिन प्रलंबने बलभद्रको हदसे आगे ले चला। उसे देखकर गोपबालकगण हाथ उठाकर हद अतिक्रम करनेको मानो मना कर रहे हैं। इस समय बालकगण पहले जैसे पासमें सींगा और हाथमें डंडा

শিঙা আৰু হাতত লৰু লৈ আছে। ইফালে দৈত্যাই বলদেৱৰ অসহ্য ভাৰ বহন কৰিব নোৱাৰি গোপবেশ এৰি নিজৰ ভয়ঙ্কৰ অসুৰ মূৰ্ত্তি ধৰি বলৰামক কান্ধত লৈ আছে। বলদেৱ অসুৰৰ কান্ধত উঠি উৰতত হাত থৈ নিৰ্ভয়ে বহি আছে।

ली लिये हैं। इधर दुष्ट दैत्य बलभद्रके बोझसे घबराकर गोपका वेश छोड़कर अपनी डरावनी असुर मूर्त्ति प्रगट करदी। फिरभी बलदेव निर्भय मनसे असुरके कंधेपर चढ़ेहुये जांघोंपर हाथ धरे बैठे हैं।

অপেস্বৰা নাচিছা

থূলন্তুৰ অসুৰৰ ওপৰত বলদেৱ কিছু পৰ থাকি ওচৰত তেওঁৰ কোনো লগৰীয়াক দেখা নাপাই তাৰ দুৰভিসন্ধি বুজিব পাৰিলে, বলদেৱৰ খং উঠিল; তেওঁ ওঁঠ কামুৰি অসুৰৰ মূৰত বজ্ৰ সদৃশ মুষ্টি প্ৰহাৰ কৰাত তাৰ মূৰ ফালিল আৰু সি তেজে বতিয়াই পৰি

भारी कायके असुर पर चढ़े जब बलदेवने देखा कि पासमें उनके कोइ साथी नहीं है तो उसका मतलब समझमें आया और गुस्सा आया. वह होठ चबाकर असुरके सिरपर वज्रजैसी मुट्ठीका प्रहार करने लगे, जिससे उसका सिर फट गया और खुनसे के

প্ৰলম্বে প্ৰাণ ছাড়ি পৰিলা। ৰামক কৃষ্ণে আশ্বাস কৰিছা। গোপগণ।

গল। প্ৰলম্ব অসুৰ মৰা দেখি গন্ধৰ্ব্বই খোল বাইছে আৰু বিদ্যাধৰে নাচিছে। কৃষ্ণই সন্তোষ লাভ কৰি বলদেৱক আলিঙ্গন কৰিছে; আৰু এওঁলোকৰ পিছৰ ফালে থাকি অন্যান্য গোপবালক-বিলাকেও আগহাত দাঙি বলদেৱক ধন্যবাদ দিছে।

करके गिर पड़ा। प्रलम्ब असुरको मरते देखकर गंधर्व खोल बजा रहे हैं और विद्याधर नाच रहे हैं। कृष्ण संतोष पाकर बलदेवको आलिंगन करता है; गोपबालकगणभी दाहिने हाथ उठा उठाकर बलदेवको धन्यवाद दे रहे हैं।



কৃষ্ণৰ কান্ধ বগাই গোপগণে হৰিষ কৰিছা। কৃষ্ণ। ৰাম। সুদাম।

কৃষ্ণ-বলৰামৰ গোপবালকৰ সৈতে খেলা:—প্ৰলম্বাসুৰক মাৰাৰ পিছত কৃষ্ণ-বলৰাম আদি গোপবালকবিলাকে আকৌ সেই

कृष्ण-बलरामकी गोपबालकोंके साथ क्रीड़ा: प्रलंब असुरको मारनेके बाद कृष्ण बलराम आदि गोपबालकगण

ভাণ্ডিৰ বটবৃক্ষৰ তলত লগলাগি আগৰ দৰে এফালে কৃষ্ণ আৰু আন ফালে বলদেৱ দলপতি হৈ সকলোৱে হাত তুলি মুখামুখি হৈ খেলা আৰম্ভ কৰিছে।

फिर उसी भांडीर बटवृक्षके नीचे इकट्ठे होकर पहले जैसे एक ओर कृष्ण और दूसरी ओर बलदेव टोलीनायक होकर सभी हाथ उठा उठाकर आमने सामने रहकर खेल आरंभ करते हैं।



বনবহ্নি। ধেনুগণ মুঞ্জবন পশিছা। মহিষ। মেথন। ছাগল। গোপগণ গৰুৰ খোজ নিহালি মুঞ্জবন পশিছা।

শ্ৰীকৃষ্ণৰ দ্বাৰা গোপ-গৰুক দাবাগ্নিৰ পৰা উদ্ধাৰ :—কৃষ্ণ আদি গোপবালকবিলাকে তেনেদৰে খেলা কৰি থাকোঁতে গাই, দামুৰি, ম'হ, মেথন, ছাগলি আদি সকলোবোৰ চৰণীয়া পশু নতুন ঘাঁহৰ লোভত ঘাঁহ খাই খাই গৈ মুঞ্জবন নামৰ বনত সোমাল। সেই বনত চাৰিওফালে দপ্ দপকৈ জুই জ্বলিব ধৰাত গৰু-ম'হ-বিলাকে জুই দেখি ভয়তে ঘাঁহ খাবলৈ এৰি মূৰ দাঙি আটাহ ধৰিছে। ইফালে গোপবালকবিলাকে গৰুবোৰ দেখা নাপাই গৰুৰ খোজ চাই চাই মুঞ্জবনত সোমাইছে গৈ।

श्रीकृष्णके द्वारा ग्वाल-गायोंका दावाग्निसे उद्धार : कृष्ण आदि गोपबालकगण जब खेल रहे थे तब गाय, भैंस, आदि सभी पालतू जानवर नये घासकी चाहसे घास खाते खाते मुंजवनमें चले गये। उस वनमें चारों ओर दप् दप् कर आग जलनेके कारण पशु आग देखकर डरकर घास खाना छोड़कर सिर उठा उठाकर चिल्ला रहे हैं। इधर गोपबालकगणभी गायोंको न देख उनके पदचिह्नोंका पीछा करते हुये उसी वनमें जा घुसे।



বহ্নিৰ হাবাস পাই গোপ-গৰু কৃষ্ণক স্তুতি কৰিছা।

कृष्ण सबाको निर्भय दिया।

গোপবালকবিলাকে সেই মুঞ্জবনত সোমাই দেখে যে চাৰিওফালে দাবাগ্নি দপ্ দপ্ কৰি জ্বলিব ধৰিছে। জুইৰ তাপত সন্ত্ৰস্ত হৈ গৰুবিলাকে মুখ তুলি আৰু গোপবিলাকে কাষত শিঙা লৈ হাতজোৰ কৰি কৃষ্ণৰ স্তুব কৰিব ধৰিলে; আৰু কৃষ্ণক কৰবাত দেখা পায় নে কি দূৰৰপৰা ওপৰলৈ নিৰেখি চাব ধৰিলে। ভক্ত-বৎসল কৃষ্ণই তেতিয়া ওখ গছ এজোপাত ধৰি দুটা ঠানিত ভুখন ভৰি দি বাঁহী বজাই গাইবিলাকক নাম ধৰি ধৰি মাতাত সকলো গাই আৰু গোৱাল গোট খালে। কৃষ্ণই গোপ-গৰুক ৰক্ষা কৰিবলৈ দাবাগ্নি পান কৰিলে।

गोपबालकगणोंने मुंजवनमें देखा कि चारों तरफ दावाग्नि टप्‌ टप्‌ कर जल रही है। आगकी तापसे डरकर गायें मुँह उठाकर और गोपगण बगलमें सींगा लेकर हाथ जोड़कर कृष्णका स्तवन करने लगे, और कहीं कृष्ण दिखाई देता है क्या सोचकर दूरसे देखने लगे। भक्त-वत्सल कृष्ण तब एक ऊँचे पेड़पर चढ़कर दो टहनियोंपर दो पैर रखकर बाँसुरी बजाकर गायोंको नाम ले लेकर पुकारने पर सभी गौएं और गोपगण भगवानके समीप आ गये और भगवान श्रीकृष्णने दावाग्नि पान कर उनको बचा लिया।

কৃষ্ণে গোপ-গৰু পুনু ভাণ্ডিৰৰ তলে আনিছা।

শ্ৰীকৃষ্ণৰ দাবাগ্নি পান :—দাবাগ্নিৰপৰা ৰক্ষা পৰি গোপবালকবিলাকে আঠু লৈ হাতজোৰ কৰি কৃষ্ণক স্তুতি কৰিছে। কৃষ্ণই সেই গছৰ তলত থিয় হৈ আগহাত দাঙি গোপবালকবিলাকক আশ্বাস দিছে। কৃষ্ণৰ পিছৰ ফালে গছৰ তলত গৰুবিলাকে কৃষ্ণৰ ফালে মুখ কৰি মূৰ দাঙি শাৰী পাতি আছে।

श्रीकृष्णका दावाग्नि पान : दावाग्निसे रक्षा पाकर गोपबालकगण घुटने टेककर हाथ जोड़ते हुए कृष्णकी स्तुति कर रहे हैं। कृष्ण उसी पेड़के नीचे खड़ा हो कर दाहिना हाथ उठाकर गोपबालकोंको आश्वासन दे रहा है। कृष्णके पीछे पेड़के नीचे गायें कृष्णकी तरफ मुँह करके सिर उठाकर पंक्तिमें खड़ी हैं।

গোপবালকৰ সৈতে শ্ৰীকৃষ্ণৰ গোকুললৈ প্ৰত্যাবৰ্ত্তন :—গাই আৰু গোপবালকবিলাক গোকুলত আহি উপস্থিত হল। গাইবিলাকে দামুৰিৰ বাবে উৎকণ্ঠিতা হৈ যেন মূৰ দাঙি আহিছে।

गोपबालकोंके साथ श्रीकृष्णका गोकुलमें प्रत्यावर्त्तन : गायें और गोपबालकगण गोकुलमें आ कर हाजिर हुए। गायें बछड़ोंके लिए उत्कंठित होकर मानो सिर उठाकर आ रही हैं।

কৃষ্ণ আসিবাৰ শুনি গোপীগণে চাইছা।

গোপগণসমে কৃষ্ণ ৰাম গোকুলক আসিছা।

গাইবোৰৰ পাছত কৃষ্ণ, বলৰাম, শ্ৰীদাম আদিয়ে বাঁহী বজাই হাতত লক লৈ আনন্দেৰে আহি গোকুলে পালেহি। কৃষ্ণক অহা দেখি গোপীসকলে হাত আগবঢ়াই যেন আহ্বানহে কৰিছে।

গায়োঁকি পীছে কৃষ্ণ, বলৰাম, শ্ৰীদাম আদি বাঁসুরী বজাতে বজাতে হাথমেঁ ডংডা লেকৰ আনন্দসে আ কৰ গোকুল পহুঁচে। কৃষ্ণকো আতে দেখকৰ গোপীগণ হাথ বঢ়া বঢ়াকৰ মানো আহ্বান কৰ ৰহী হৈঁ।

গোপশিশু প্ৰলম্ব বধ ব্ৰজত কহিছা। যশোদা। নন্দ কৃষ্ণ। বলভদ্ৰ।

কোনো কোনো গোপবালকে গোকুললৈ ঘূৰি আহি নিজৰ মাক-বাপেকৰ মাজত বহি প্ৰলম্বক মৰাৰ কথা কৈছে। কৃষ্ণ-

কোই কোই গোপবালক গোকুলমেঁ লৌটকৰ অপনী অপনী পৰিজনোঁ কে বীচ বৈঠকৰ প্ৰলম্বকী মাৰনেকী কহানী কহ ৰহা হৈ। কৃষ্ণ-বলৰাম

বলৰামে গাইবোৰ আগত লৈ বাঁহী বজাই অহা শুনি নন্দ আৰু যশোদা ৰাণীয়ে যেন তেওঁলোকক আগবঢ়াই আনিবলৈহে গৈছে।

गायोंको आगे लेकर बाँसुरी बजाते आते सुनकर नन्द और यशोदा रानी मानो उनका स्वागत करनेके लिए ही आ रहे हैं।

মৈৰা। কৃষ্ণ। বলভদ্ৰ।

বৰ্ষাকালত কৃষ্ণ-বলৰামৰ বৃন্দাবন-লীলা ঃ—বৰ্ষাকালত বৃন্দাবনত কৃষ্ণ-বলৰামে নানা ক্ৰীড়া কৰিছে। বৃন্দাবনৰ বৰ্ণনা অবৰ্ণনীয়। নানাবিধ ফুলি থকা গছ-লতা হালি জালি আছে; সৰোবৰত হাঁহবোৰে জল-ক্ৰীড়া কৰিছে। ময়ূৰ আৰু ময়ূৰীবিলাকে চালি ধৰি নৃত্য কৰিছে। ৰাম আৰু কৃষ্ণই সেই বৃন্দাবনত গাইবোৰ চৰাই নানাভাৱে নাচি বাগি ফুৰিছে।

वर्षाकालमें कृष्ण-बलरामकी वृन्दावन-लीला :

वर्षाकालमें वृन्दावनमें कृष्ण-बलराम नाना क्रीड़ा करने लगे। वृन्दावनकी शोभा वर्णनसे परे है। भाँति भाँतिके फूलोंसे पेड़-पौधे, बेल-बूँटे हिलते-डुलते हैं। सरोवरमें हंसगण जलक्रीड़ा कर रहे हैं। मोर और मोरनीगण आनंदसे नृत्य कर रहे हैं। राम और कृष्ण उसी वृन्दावनमें गायें चराते हुये नाचते बजाते घूमते हैं।

কৃষ্ণ-বলৰামে বৃন্দাবনত সোমাই নানা ভঙ্গি কৰি বংশীধ্বনি কৰাত বনৰ গৰু, ছাগলী, হৰিণ আদিয়ে মূৰ দাঙি কাণ

कृष्ण-बलरामने जब वृन्दावनमें घुसकर अनेक रागिनियोंमें बंशी बजाई तो वनकी गायें, बकरियाँ, हिरन वगैरह सिर उठाकर

বলভদ্ৰ। কৃষ্ণ।

থিয় কৰি উদ্‌গ্ৰীৱ হৈ কৃষ্ণৰ ওচৰলৈ লৰি আহিছে। আন কি বনৰ গছ-লতাবিলাকেও যেন ফলৰ ভৰতে দোঁ খাই কৃষ্ণৰ মধুৰ বংশী-ধ্বনিহে শুনিছে।

कान खड़े करके उदग्रीव होकर कृष्णके पास दौड़कर आयं। वनके पेड़-पौधे और बेल-बुटें भी फलोंके बोझसे झुके हुये मानो कृष्णको मधुर वंशीध्वनिही सुन रहे हैं।

কৃষ্ণৰ মধুৰ বংশীধ্বনি শুনি কিৰাতৰ ৰমণীবিলাকেও আনন্দতে পিঠিৰ বোজা পিঠিতে বান্ধি আঠু কাঢ়ি কপালত হাত দি প্ৰণাম কৰিছে। পৰ্বতৰ পশু, পক্ষী, তৰু, তৃণবিলাকে বংশীৰ ধ্বনি শুনি

कृष्णको मधुर वंशीध्वनि सुनकर किरात रमणियाँभी आनन्दमें पीठके बोझको पीठपर ही बाँधेहुये घुटनें टेककर सिरपर हाथ रख कर प्रणाम कर रहीं हैं। पहाड़के जानवर, पंछी, पेड़, पौधे

কিৰাট ভাৰ্য্যাসৱ। সুদাম। বলভদ্ৰ। কৃষ্ণ।

আনন্দত মগ্ন হৈছে। শ্ৰীদাম, বলভদ্ৰ আৰু কৃষ্ণ আদিয়ে বনৰ পকা ফল খাই ফুৰি ফুৰিছে।

बंशीकी ध्वनि सुनकर आनन्दमें मग्न हो गये हैं। श्रीदाम, बलभद्र और कृष्ण आदि वनके पके फल खा कर घूम रहे हैं।

বৃক্ষৰ ছাত গৰু শুতিহা।

ৰাম কৃষ্ণ গোপসম দধি ভাত ভুঞ্জিছা।

গাইবোৰে ৰ'দত কষ্ট পালে গছৰ তলত শুই পৰে, সেই সময়ত কৃষ্ণ-বলৰাম আদিয়ে আনন্দ মনে নিজ নিজ কাঁহী বাটিত দধি-ভাত লৈ খাবলৈ ধৰে। বলৰাম আৰু কৃষ্ণৰ মাজত এখন বাচনত খাদ্য লৈ দুয়ো ভগাই খায়। তেওঁলোকৰ দুয়ো ফালে আন গোপবালকবিলাকে বহি দধি-ভাত খায়।

दो पहरमें गायें पेड़ोंके नीचे विश्राम कर रही हैं। कृष्ण बलराम आदि आनन्द मनसे अपने अपने थाल कटोरोंमें दही भात खा रहे हैं। बलराम और कृष्ण आपसमें बांट कर खा रहे हैं। उनके दोनों ओर गोपबालकगण दही भात खा रहे हैं।



গোপীসবে কৃষ্ণ আসিবাৰ জানি গৃহৰ বজাইছা।

कृष्ण राम गोपसमे ब्रजक यान्त।

গোপবালকৰ সৈতে গোধন লৈ শ্ৰীকৃষ্ণৰ গোকুললৈ প্ৰত্যাবৰ্ত্তন:—সন্ধ্যা সময়ত গোপ-গৰুবিলাকৰ সৈতে কৃষ্ণ গোকুললৈ ঘূৰি আহোঁতে গোপীবিলাকে আনন্দেৰে শাৰী পাতি আগবাঢ়ি গৈছে। সম আগত কৃষ্ণ, মাজত বলৰাম আৰু শেষৰ ফালে অন্যান্য গোপবালকবিলাকে কোনেও বাঁহী, কোনেও শিঙা বজাই গোধন আগত লৈ গোকুলত সোমাইছে।

गोपबालकोंके साथ गायें लेकर श्रीकृष्णका गोकुलमें प्रत्यावर्त्तन: शामको जब गोप-गायोंके साथ कृष्ण गोकुल लौटते हैं तब गोपिनीगण आनन्दके साथ पंक्तिमें आगे बढ़ कर आती हैं। सबसे आगे कृष्ण, बीचमें बलराम और पीछे पीछे दूसरे गोप-बालकगण कोई बांसुरी, कोई सींगा बजाते बजाते गोधनको आगे ले कर गोकुलमें घुस रहे हैं।

ৰাম। কৃষ্ণ। পৰ্বত মূলত ময়ূৰ।

শৰৎকালত কৃষ্ণ-বলৰামৰ বৃন্দাবন-লীলাঃ — ভগবান শ্ৰীকৃষ্ণই এনেকৈ নানা ক্ৰীড়া কৰি বৰ্ষাকাল কটোৱাৰ পাছত মনোহৰ শৰৎকাল পৰিল। বৃন্দাবনৰ গছবোৰ ফুলে জকমক হৈছে। ময়ূৰবিলাক তাত পৰি মধুৰ ধ্বনি কৰিছে; ভোমৰাবোৰ ফুলত পৰি মৌ পান কৰিছে। ভগবান কৃষ্ণই বলৰামৰ সৈতে বাঁহী বজাই ধেনু চাৰিবলৈ গৈছে।

কৃষ্ণ-বলৰামে হাতত লৰু লৈ বাঁহী বজাই আৰু শিঙা ফুকিয়াই গোধন আগত লৈ যেতিয়া বৃন্দাবনলৈ ওলাই যায়, তেতিয়া গোপীবিলাকে ইটোৱে সিটোৰ ফালে চাই হাত তুলি পৰস্পৰে

शरत्कालमें कृष्ण-बलरामकी वृन्दावन-लीला : वर्षा ऋतु इसी तरहकी अनेक क्रीड़ा करके भगवान श्रीकृष्णने बितायी। उसके बाद मनोहर शरत्काल आ गया। वृन्दावनके पेड़-पौधे फूलोंसे जगमगाने लगे। मोरगण उनमें बैठकर मधुर आवाज करने लगे। अलिगण फूलों पर बैठकर मधुरस पान करने लगे। भगवान कृष्ण बलरामके साथ बांसुरी बजाते हुये धेनु चराने जा रहे हैं।

कृष्ण-बलराम हाथमें डंडा लेकर बांसुरी बजाते और सींगा फूंक कर गोधनको सामने लेकर जब वृन्दावनसे निकल जाते हैं, तब गोपिनीगण एक दूसरीकी ओर ताक कर हाथ उठाकर परस्पर

কৃষ্ণ বৃন্দাবনে যায়। বাম। শ্ৰীদাম। সুদাম। কৃষ্ণ যোৱাত গোপীসবে খেদ কৰিছা।

কৃষ্ণৰ বিৰহ বেদনা প্ৰকাশ কৰে আৰু লগত কৃষ্ণৰ নানা গুণ কীৰ্ত্তন কৰে।

कृष्णकी विरह-वेदना प्रकट करती हैं। और साथही कृष्णके अनेक गुणोंका कीर्तन करती हैं।

হৰিণ। ময়ূৰ। কৃষ্ণে বংশী বজাইছা। গোপবালক। গোপীসবে কৃষ্ণৰ গুণ-কীৰ্ত্তন কৰিছা।

কৃষ্ণই বৃন্দাবনৰ এজোপা গছৰ তলত বহি বাঁহীৰ ফুক দিছে। তেওঁৰ কাষত আন এজন গোপবালকেও বাঁহী বজাইছে। কৃষ্ণৰ মনোহৰ মেঘগম্ভীৰ বংশীধ্বনি শুনি মেঘৰ গৰ্জন বুলি ভুল কৰি

कृष्ण वृन्दावनके पेड़के नीचे बैठकर बांसुरीमें फूंक दे रहा है। उसके पासही दूसरा एक गोपबालकभी बाँसुरी बजा रहा है। कृष्णकी मनोहर, मेघमी गंभीर वंशीध्वनि सुनकर मेघ गर्जन समझ

ম'ৰাই পেখান ধৰি নাচিছে। হৰিণাই মুখ তুলি কৃষ্ণৰ সেই মধুৰ বংশীধ্বনি যেন কাণ পাতিহে শুনিছে। ইফালে গোপীবিলাকে ইটোৱে সিটোৱে লগলাগি মুখামুখি হৈ, কোনেওবা পাছফিৰি কৃষ্ণৰ গুণকীৰ্ত্তন কৰিছে।

मुलसे मोर नाच रहे हैं। हिरण मुँह उठाकर कृष्णकी बहु मधुर ध्वनि मानो कानोंसे सुन रहे हैं। इधर गोपिनीगण एक दूसरोंसे मिलकर आपने मामने होकर, कोई कोई मुँह मोड़कर कृष्णके गुणोंका कीर्तन कर रही हैं।

বৃন্দাবনত কৃষ্ণে বংশী ডাক দিছা।

গোপী গুণ বৰ্ণাইছ কৃষ্ণৰ।

কৃষ্ণই বৃন্দাবনৰ তৰুতলত বহি বংশীৰ সুললিত ধ্বনি কৰিছে। গৰুবোৰে পাহাৰৰ টিলাত উঠি ঘাঁহ খাবলৈ পাহৰি যেন সেই বংশীধ্বনিহে মুখ তুলি শুনাইছে। কৃষ্ণৰ কাষতে আন আন গোপবালকেও বাঁহী বজাইছে। কৃষ্ণৰ বিৰহাতুৰ গোপীসকলে হাত তুলি কৃষ্ণৰ গুণাৱলীৰ কথোপকথন কৰিছে।

कृष्ण वृन्दावनके पेड़के नीचे बैठकर बंशी बजा रहा है। गायें पहाड़के टिलेंपर चढ़कर घाँस खाना भुलकर मानो उस बंशीकी टेरमें मगन हो रही हैं। कृष्णके पासही दुसरे गोपबालकगणभी बाँसुरी बजा रहे हैं। कृष्ण-विरहाकुल गोपिनीगण कृष्ण-गुणावली गा रही हैं।

গোপবালকৰ সৈতে গোধন লৈ শ্ৰীকৃষ্ণৰ ব্ৰজলৈ প্ৰত্যাবৰ্ত্তনঃ—কৃষ্ণই বাঁহী, আন আন গোপবালকৰ কোনেও

गोपबालकोंके साथ गायें लेकर श्रीकृष्णका ब्रजमें प्रत्यावर्त्तन : कृष्ण बाँसुरी, और और गोपबालक बाँसुरी,

যশোদা কৃষ্ণক চাইছে।

কৃষ্ণে গোপ গৰুসমে ব্ৰজক যাস্ত।

বাঁহী, কোনেও শিঙা বজাই আগত ধেনু লৈ ব্ৰজৰ ফালে যাত্ৰা কৰিছে। ব্ৰজ আহি পালত যশোদাই কৃষ্ণক এখন আসনত বহুৱাই কিবা খাবলৈ দিছে। কৃষ্ণই খাবলৈ আৰম্ভ কৰিছে। যশোদাই কৃষ্ণৰ কাষত বহি কৃষ্ণৰ মুখলৈ চাই আছে। গোপীসকলেও আনন্দতে হাত তুলি কৃষ্ণৰ কাষত থিয় দি আছে।

হেমন্তকালত গোপাঙ্গনাসকলৰ কাত্যায়ণী ব্ৰত:—ইয়াৰ পিছত গোপাঙ্গনাসকলে হেমন্তকালত যমুনাত স্নান কৰি ধূপ, দীপ, নৈবেদ্য আদি দি মহামায়াক পূজা কৰি তেওঁৰ ওচৰত বহি হাত-যোৰ কৰি কৃষ্ণক পতি পাবলৈ স্তৱ কৰিছে। কিছুমানে বা ৰংমনে

सींगा बजाते गौओंके साथ व्रजकी ओर आ रहे हैं। व्रज पहुंचने पर यशोदा कृष्णको एक आसनपर बिठाकर कुछ खानेको देती हैं। कृष्ण खा रहा है। यशोदा कृष्णके पास बैठकर कृष्णका मुख निहार रही हैं। गोपिनीगण कृष्णके पास खड़ी हैं।

हेमन्तकालमें गोपाङ्गनाओंका कात्यायणी-व्रत: इसके बाद हेमन्तकालमें गोपांगनाएँ जमुनामें स्नान कर धूप. दीप, नैवेद्य आदि से महामायाकी पूजा करनेके बाद उसके पासही बैठकर हाथ जोड़कर कृष्णको पति रूपसे पानेके लिए स्तुति कर रही हैं।

গোপীসবে পূজা কৰিছা। কাত্যায়ণী দেবী। গোপীসবে কাত্যায়ণী পূজা কৰিবাক যায়।

হাতে কান্ধে ধৰাধৰি কৰি পুষ্প বিচাৰিছে। কোনেও আকৌ সৰোবৰত নামি স্নান কৰিছে।

कोई कोई गलबांही डाले आनंद मनसे फूल ढूंढ़ रही हैं। कोई फिर सरोवरमें उतरकर स्नान कर रही है।



গোপীসবে স্নান কৰিছা। শ্ৰীদাম। শ্ৰীকৃষ্ণে বস্ত্ৰ লৈয়া কদম্বত চড়িছা। সুদাম।

বস্ত্ৰহৰণঃ— এদিনাখন গোপীবিলাকে লগ হৈ যমুনাৰ পাৰত কাপোৰ থৈ উলঙ্গ হৈ জলক্ৰীড়া কৰি আছে। এনে সময়ত কৃষ্ণ ততাতৈয়াকৈ আহি গোপীৰ কাপোৰবোৰ কোচাই লৈ যমুনাৰ পাৰৰ কদম গছত উঠিল গৈ। কদমৰ ডালত কাপোৰবোৰ আলাই থৈ কৃষ্ণই দুই ভৰিৰে দুটা ঠানিত ধৰি গছৰ ওপৰতেই থাকিল। গছৰ তলত শ্ৰীদাম আৰু সুদাম দুয়ো থিয় হৈ আগ হাত দাঙি যেন কৈছে—"কৃষ্ণই গোপীৰ কাপোৰ নিয়া কথা আমাৰ নকবা।" ইফালে গোপীবিলাকৰ জল-ক্ৰীড়া শেষ হলত দেখে, যে পাৰত কাপোৰ নাই। ইফালে সিফালে চাই দেখে, যে কৃষ্ণই কাপোৰবোৰ গছত আৰি থৈ থিয় হৈ আছে। গোপীবিলাকে তাকে দেখি পানীৰ পৰাই আজলি পাতি কৃষ্ণত কাপোৰ প্ৰাৰ্থনা কৰিছে।

वस्त्रहरण : एकदिन गोपिनीगण मिलकर जमुनाके किनारे कपड़े रखकर नंगी होकर जलक्रीड़ा कर रही हैं। ऐसे समयमें कृष्ण जल्दी आकर गोपियोंके कपड़ोंको लेकर जमुनाके किनारेके एक कदम्ब पेड़ पर चढ़ गया और कदम्बकी टहनियोंमें कपड़ोंको लटका दिया। पेड़के नीचे श्रीदाम और सुदाम दोनों खड़े होकर दाहिने हाथोंको उठाकर मानो कहते हैं कि हम गोपियोंसे नहीं कहेंगे। इधर जब गोपियोंकी जलक्रीड़ा खतम हुई तो देखा कि किनारे पर कपड़े नहीं हैं। इधर उधर ताककर देखा कि कृष्ण कपड़ोंको लिये पेड़पर बैठा है। गोपीगण पानीमें से ही अंजलि फैलाकर कृष्णसे कपड़ोंकी याचना कर रही हैं।

গোপীসবে কৃষ্ণত বস্ত্ৰ প্ৰাৰ্থনা কৰিছা। কৃষ্ণে কদম্বৰ তলে নামিছা।

গোপীৰ প্ৰাৰ্থনাত কৃষ্ণই গোপীসকলক পানীৰ পৰা উঠি আহি কাপোৰ নিবলৈ কোৱাত গোপীবিলাকে এখন হাতেৰে গুপ্তাঙ্গ ঢাকি আন হাত তুলি লাজকুৰীয়া ভাৱে পাৰলৈ উঠি আহি কাপোৰ দিবলৈ কৃষ্ণক কাকুতি কৰিলে। তেতিয়া কৃষ্ণই এক হাতেৰে কাপোৰ খুজিব নাপায় বুলি আগ হাত দাঙি নিষেধ কৰি কাপোৰ কান্ধত লৈ কদমৰ তলত থিয় দিলেহি।

गोपियों की प्रार्थना पर कृष्णने जब गोपियों से कहा कि पानीसे निकल कर कपड़े ले लो तो गोपीगणने एक हाथसे गुप्तांग ढक कर लजाते हुए किनारे आकर कपड़ा देनेके लिए कृष्णसे विनती की। तब कृष्ण एक हाथसे कपड़ा मांगना नहीं चाहिए कह कर टाहिने हाथको उठा कर मना करते करते कपड़ोंको कंधेपर ले कर कदम्बके नीचे आ गया।



যমুনা। গোপীসবে স্তুতি কৰিছা। কৃষ্ণত বস্ত্ৰ মাগিছা। শ্ৰীদাম গোপ।

গোপীবিলাকে নিৰুপায় হৈ কৃষ্ণৰ আদেশ মতে হাত পাতি কৃষ্ণত কাপোৰ মাগিছে। কদমৰ তলত কৃষ্ণই বাঁওহাতেৰে কাপোৰবোৰ লৈ আগ হাত দাঙি কোনো লাজ নাই বুলিয়ে যেন গোপীবিলাকক লাজ কৰিবলৈ হাক দিছে। সেই সময়ত শ্ৰীদাম গছতলৰ একাষত থিয় হৈ বাঁহী বজাই আছে।

गोपिनीगण लाचार होकर कृष्णके आदेशके अनुसार दोनों हाथोंको फैलाकर कृष्णसे कपड़े मांग रही हैं। कदम्बके नीचे कृष्ण बायें हाथसे कपड़ोंको लेकर दाहिना हाथ उठाकर कोई शर्म नहीं कहकर मानो गोपियोंको लज्जा करनेको मना कर रहा है। उस समय श्रीदाम पेड़के नीचे एक किनारे खड़ा होकर बाँसुरी बजा रहा है।

গোপী। গোপীসৱে বস্ত্র পিন্ধি কৃষ্ণক নমিছা।

শ্ৰীকৃষ্ণৰ গোপীসকলক আশ্বাস :—গোপীবিলাকে দুই হাত পাতি খোজাত কৃষ্ণই গোপীবিলাকক কাপোৰ দিলে; গোপী-বিলাকে কাপোৰ পিন্ধি আঠু লৈ কৃষ্ণক স্তুতি কৰিব ধৰিলে। কৃষ্ণই গোপীবিলাকৰ মাজত বহি আগহাত দাঙি আশ্বাস দিছে—হে গোপীসকল, তোমালোকে কাত্যায়ণী পূজাৰ ফল পাবা। মোৰ লগত শৰৎকালত ক্ৰীড়া কৰিব পাৰিবা; এতিয়া ঘৰলৈ যোৱা।

"আসিবে শৰৎ ৰাত্ৰি বিতোপন
বিকশিত বৃন্দাবন।
মই সমন্বিতে কৰিবাহা ক্ৰীড়া
পৰম আনন্দ মন॥"

श्रीकृष्णाका गोपियोंको आश्वास : जब गोपिनीगणने दोनों हाथ पसार वस्त्र मांगे तो कृष्णने गोपियोंको कपड़े दे दिये। गोपिनीगण कपड़े पहनकर घुटने टेककर कृष्णकी स्तुति कर रही हैं। कृष्ण गोपियोंके बीचमें बैठकर दाहिना हाथ उठाकर आश्वासन दे रहा है—हे गोपियो, तुमलोगोंको कात्यायनी पूजाका फल मिलेगा। मेरे साथ शरत्कालमें क्रीड़ा कर सकोगी। अब घर लौट जाओ।

গোপীসকল আৰু শ্ৰীকৃষ্ণৰ গোকুললৈ প্ৰত্যাবৰ্ত্তন : ভগৱান কৃষ্ণই গোপীবিলাকক আশ্বাস দি বিদায় দিলত, কৃষ্ণাসক্ত গোপীসকল কোনোৱে কৃষ্ণৰ ফালে, কোনোৱে পাছৰ ফালে আৰু কোনো কোনোৱে গন্তব্য পথৰ ফালে চাই গোকুললৈ গল।

गोपियों और श्रीकृष्णाका गोकुलमें प्रत्यावर्त्तन : भगवान कृष्णके बिदा देनेके बाद भी कृष्णासक्त गोपियाँ कृष्णकी ओर देखती देखती गोकुल में आ रही हैं। कृष्णभी हाथ

গোপীসব ব্ৰজত প্ৰবেশ কৰিলে। কৃষ্ণে গোপীক বিদায় দিছন্ত।

কৃষ্ণই হাত দাঙি গোপীসকলক বিদায় দি লগৰীয়া গোপশিশুৰ লগত গোকুললৈ যাব ধৰিলে।

উঠাকৰ গোপিয়োঁকো ৱিদা টেকৰ মায়ো গোপশিশুঅোঁকি মাথ গোকুল জা ৰহে হৈঁ।

শ্ৰীদাম। সুদাম। কৃষ্ণ। বলভদ্ৰ।

শ্ৰীকৃষ্ণৰ গোপবালকৰ সৈতে বৃন্দাবন-লীলাঃ—আন এদিন কৃষ্ণই গোপবালকবিলাকক এৰি দি এঠাইত বহিল। গৰুবোৰে

স্রীক্রুষ্ণাকা গোপবালগণোঁকি মাথ ব্রুন্দাবন-লীলা : একদিন ক্রুষ্ণ গোপবালকোঁকি মাথ ব্রুন্দাবন জাকৰ গায়োঁকো ছোড় এক

ঘাঁহ খাবলৈ ধৰিলে; কোনো কোনো গাইয়ে দামুৰি পিয়াব ধৰিলে। এই সময়ত কৃষ্ণই গোপবিলাকৰ আগত আগ হাত দাঙি গছবোৰ দেখুৱাই সেইবোৰৰ গুণ বৰ্ণনা কৰিব ধৰিছে। বলদেৱে কৃষ্ণৰ পিছৰ ফালে বহি হাত দাঙি যেন কৃষ্ণৰ বৰ্ণনাকে অনুমোদন কৰিছে। সমুখত গোপশিশুসবে হাত পাতি কৃষ্ণত যেন কিবা খুজিছে।

जगह बैठ गया। गायें घाँस खाने लगीं। कोई कोई गाय बछड़ोंको दूध पीलाने लगी। इसी समय कृष्ण गोपयोंके सामने पेड़ोंको दिखाकर उनके गुणोंका बर्णन कर रहे हैं। बलदेव कृष्णके पीछे बैठकर हाथ उठाकर मानो कृष्णके बर्णनका ही अनुमोदन कर रहे हैं। सामने गोपशिशुगण हाथ पसारकर कुछ मांग रहे हैं।

গোপগণে কৃষ্ণত অন্ন প্ৰাৰ্থিছা। কৃষ্ণ। ৰাম। সুদাম।

বিপ্ৰপত্নী-প্ৰসাদ :—এদিনাখন এনেদৰে গৰু চাৰি থাকোঁতে গ্ৰীষ্মকালৰ ৰ'দত ভোক-পিয়াহত আতুৰ হৈ গোপশিশুসবে হাত-যোৰ কৰি অন্ন খুজিছে। তাকে দেখি কৃষ্ণ-বলৰামে আগ হাত দাঙি শিশুবিলাকক আশ্বাস দি কৈছে—ভাইসকল কাতৰ নহবা, এতিয়াই অন্ন অনাই দিয়াম।

विप्रपत्नी-प्रसाद : एकदिन इसी तरहसे गायें चराते समय धूपमें भूख प्याससे आतुर होकर गोपशिशुगण हाथ जोड़कर अन्न मांग रहे हैं। कृष्ण-बलराम शिशुओंको आश्वासन देकर कहते हैं—भाइयों! कातर न होओ, अभी अन्न लाकर खिलायेंगे।

গোপে অন্ন প্ৰাৰ্থিছা বিপ্ৰসবত। অগ্নি। বিপ্ৰগণে যজ্ঞ কৰিছা।

সেই সময়ত বৃন্দাবনৰ ওচৰৰ এখন গাঁৱত মুনিবিলাকে এটা যজ্ঞ পাতিছে। হোমৰ কুণ্ডত পুৰোহিতে আহুতি দিবলৈ ধৰিছে; আন আন মুনিয়ে হাত তুলি মন্ত্ৰপাঠ কৰিছে। কৃষ্ণই যজ্ঞৰ খবৰ পাই কেইজনমান গোপশিশুক অন্ন খুজিবলৈ যজ্ঞলৈ পঠালে। গোপবালকবিলাক যজ্ঞশালালৈ গল আৰু আঠু লৈ হাত আজলি কৰি ব্ৰাহ্মণসকলত অন্ন প্ৰাৰ্থনা কৰিছে। ব্ৰাহ্মণসকলে তেওঁলোকৰ ফালে দৃষ্টি নকৰাত গোপবালকবিলাকে বিষণ্ণ মনে উলটি আহিব ধৰিছে।

उस समय ब्रन्दावनके पासके एक गांवमें मुनिगण एक यज्ञ कर रहे हैं। होमके कुंडमें पुरोहित आहुति दे रहे हैं। और और मुनि हाथ उठाकर मंत्रका पाठ कर रहे हैं। यज्ञकी खबर पाकर कृष्ण गोपशिशुओंको अन्न मांगनेके लिए भेजते हैं। गोपबालकगण यज्ञशालामें गये ब्राह्मणोंसे अन्नकी प्रार्थना की। पर, ब्राह्मणोंने उनकी ओर दृष्टि न डाली तो गोपबालकगण विषण्ण मनसे लौटकर आ रहे हैं।

কৃষ্ণ-বলৰাম আৰু সুদাম বহি আছে। গোপবালকবিলাক বিফল মনোৰথ হৈ উলটি গৈ কৃষ্ণৰ ওচৰত হাতযোৰ কৰি ব্ৰাহ্মণসকলে ফিৰি নোচোৱাৰ কথা কলে গৈ। তাকে শুনি কৃষ্ণই

कृष्ण, बलराम और सुदाम बैठे हुए हैं। गोपबालकगण व्यर्थ मनोरथ हो लौट कर कृष्णके पास ब्राह्मणोंकी मुँह मोड़कर न देखनेकी बात कही। उसे सुनकर कृष्णने

গোপগণে কৃষ্ণত অন্ন প্ৰাৰ্থিছা। শ্ৰীদাম গোপ। কৃষ্ণ। ৰাম। সুদাম।

বামুনীসকলৰ ওচৰত অন্ন মাগিবলৈ গোপবালকবিলাকক হাত দাঙি আদেশ দিলে।

ब्राह्मणियोंके पाससे अन्न मांगनेके लिए गोपबालकोंको आदेश दिया।

গোপে অন্ন প্ৰাৰ্থিছা ব্ৰাহ্মণীসবত। ব্ৰাহ্মণীসব।

কৃষ্ণৰ কথামতে গোপশিশুসকল পুনৰ অন্ন খুজিবলৈ বিপ্ৰ-পত্নীসকলৰ ওচৰলৈ গল গোপবালক সকলে গলত কাপোৰ লৈ

कृष्णकी बात मानकर गोपशिशुगण फिर अन्न मांगनेके लिए विप्र-पत्नियोंके पास गये। गोपबालकोंने गलेमें कपड़े लेकर हाथ

হাতযোৰ কৰি বহি বিপ্ৰপত্নীসকলৰ ওচৰত অন্ন খুজিলে। বিপ্ৰপত্নীসকলে কৃষ্ণই অন্ন খোজা শুনি আগহাত তুলি অন্ন দিম বুলি গোপবালকবিলাকক বিদায় দিলে।

जोड़कर बैठकर विप्र-पत्नियोंसे अन्न मांगा। विप्र-पत्नियोंने कृष्ण अन्न मांगते हैं सुनकर अन्न दूंगी कहकर गोपबालकोंको बिदा किया।

বিপ্ৰপত্নীসবে অন্ন নিছা।

विप्रसबे निषेधिछा।

গোপবালকৰ মুখত কৃষ্ণই অন্ন খোজা শুনি বিপ্ৰপত্নীসকলৰ কোনোৱে অন্নৰ থাল মূৰত লৈ, কোনোৱে বা পানী কলহ কাষত লৈ যেতিয়া কৃষ্ণৰ ওচৰলৈ যাবলৈ ওলাল, তেতিয়া কোনো কোনো ব্ৰাহ্মণে তেওঁলোকক আগ ভেটি ধৰি হাত তুলি মাৰিবলৈ ভয় দেখাই যাবলৈ বাধা দিলে। কোনো কোনো বিপ্ৰপত্নীৰ লৰা আদিও মাকৰ আগত থিয় হৈ হাত তুলি মাকক যাবলৈ নিষেধ কৰিছে।

গোপবালকোंके মুঁহসে কৃষ্ণকী অন্ন মাংগনেকী বাত সুনকৰ

गोपबालकोंके मुँहसे कृष्णकी अन्न मांगनेकी बात सुनकर विप्र पत्नियां कोई पानीका घड़ा बगलमें लेकर, कोई अन्नकी थाली सिरपर लेकर जब कृष्णके पास जाने लगीं तब कोई कोई ब्राह्मण उन्हें सामनेसे रोककर हाथ उठाकर पीटनेका डर दिखाकर मना कर रहा है। किसी किसी विप्र-पत्नीका लड़का भी मांके सामने खड़ा हो हाथ उठाकर मांको जानेको मना कर रहा है।

কৃষ্ণাসক্তমনা বিপ্ৰপত্নীসকলে স্বামী-পুত্ৰৰ নিষেধ নামানি প্ৰতিজনে একোখন কাঁহীত নানাবিধ অন্ন ব্যঞ্জন ভৰাই মূৰত লৈ

कृष्णासक्त विप्र-पत्नीगण स्वामी-पुत्रकी रुकावट न मानकर थालीमें अनेक प्रकारके व्यञ्जन भरकर सिरपर रखकर पंक्ति

বিপ্রপত্নীসৱে অন্ন নিছা।

कृष्ण। गोप।

শাৰী ধৰি কৃষ্ণৰ ওচৰলৈ যাব ধৰিলে। কিছুমানে এৰোটা কমণ্ডলুত পানী নিছে। বিপ্রপত্নীসকল অহা দেখি কৃষ্ণই এজন গোপৰ গলত বাওঁহাতেৰে ধৰি আগ হাতেৰে পদ্মফুল এটা লৈ বিপ্রপত্নীসকলৰ ফালে চাই আনন্দ কৰিছে। সম্মুখত গাইবোৰে ঘাঁহ খাই আছে।

बांधकर कृष्णके पास जा रही हैं। विप्र-पत्नियोंको आते देखकर कृष्ण आनन्दसे एक ग्वालको गलेमें बांये हाथमें पकड़कर दाहिने हाथमें एक कमलका फुल लेकर विप्र-पत्नियोंकी ओर ताककर दिखा रहा है। सामने गायें चर रही हैं।

কৃষ্ণ গোপবালকসকলৰ সৈতে বহি আছে। বিপ্র-পত্নীসকলে অনা অন্ন-পানী কৃষ্ণৰ আগত নিবেদন কৰি আঠু লৈ হাতযোৰ কৰি নানাভাৱে স্তুতি কৰিব ধৰিলে। তেওঁলোকৰ স্তুতিত কৃষ্ণ তুষ্ট হৈ আগ হাত দাঙি 'মই তোমালোকৰ ব্যৱহাৰত তুষ্ট হৈছোঁ' বুলি যেন আশ্বাস দিছে। গোপবালকবিলাকেও আগ হাত দাঙি আনন্দৰ

कृष्ण गोपबालकोंके साथ बैठा है। विप्र-पत्नियाँ लाये हुए अन्न-पानी कृष्णके सामने निवेदन करके घुटने टेककर हाथ जोड़कर नाना भावोंसे स्तुति कर रही हैं। उनकी स्तुतिसे संतुष्ट होकर कृष्ण दाहिना हाथ उठाकर मैं तुमलोगोंकि बर्तावसे प्रसन्न हुआ हूँ कहकर मानो आश्वासन दे रहा है। गोपबालकगणभी

ব্ৰহ্মা আদি দেৱগণ।

বিপ্ৰপত্নীসবে কৃষ্ণক প্ৰণামিছা।

ভাৱ প্ৰকাশ কৰিছে। বিপ্ৰ-পত্নীসকলৰ ভক্তিৰ কাৰণে কৃষ্ণ তুষ্ট হৈ ইন্দ্ৰ, কুবেৰ, অগ্নি, বৰুণ, শিৱ, ব্ৰহ্মা, চন্দ্ৰ আদি দেৱতাসকলক নিজ নিজ বাহনত উঠি অহা দেখুৱাই দি বিদায় দিলে।

বিপ্ৰসকলৰ সস্ত্ৰীক যজ্ঞাহুতি আৰু এক বিপ্ৰ-পত্নীৰ কৃষ্ণ-ধ্যানত প্ৰাণত্যাগ :— বিপ্ৰপত্নীসকলে সভক্তিৰে কৃষ্ণৰ

आनन्द प्रगट कर रहे हैं। विप्र-पत्नियोंकी भक्तिसे संतुष्ट होकर कृष्णने इन्द्र, कुबेर, अग्नि, वरुण, शिव, ब्रह्मा, चन्द्र आदि देवताओंको अपनी अपनी सवारीपर चढ़कर आयेहुओंको बिदा किया।

विप्रगणोंका सस्त्रीक यज्ञाहुति और एक विप्र-पत्नीका कृष्णके ध्यानमें प्राणत्याग : विप्र-पत्नीगणके घर

দ্বাৰ বান্ধি স্বামী ৰাখল : বিপ্ৰপত্নীৰ প্ৰাণত্যাগ। বিপ্ৰসবে হোম কৰিছা। বিপ্ৰপত্নীসব : বিপ্ৰপত্নীসবক কৃষ্ণে বিদায় দিছা।

চৰণত প্ৰণাম কৰি বিদায় লৈ কৃষ্ণমূৰ্ত্তি ধাৰণা কৰি ঘৰলৈ ঘূৰি আহিলত বিপ্ৰসকলে ৰং মনে সস্ত্ৰীক যজ্ঞত আহুতি দিলে। হোতাই স্ৰুক স্ৰুৱলৈ থিয় হৈ পূৰ্ণাহুতি দিব ধৰিছে। বিপ্ৰ-পত্নীসকল হোমৰ ওচৰত হাত তুলি থিয় হৈ আছে। এজনী বিপ্ৰপত্নীক পতিয়ে ৰুদ্ৰমূৰ্ত্তি হৈ টাঙোন দাঙি যাবলৈ বাধা দিয়াত বিপ্ৰ-পত্নীজনীয়ে কৃষ্ণৰূপ চিন্তা কৰি বহিয়েই প্ৰাণত্যাগ কৰিছে।

लौट आनेपर विप्रगणने आनन्द मनसे सस्त्रीक यज्ञमें आहुति दी। होता स्रुक पूर्णाहुति दे रहे हैं। विप्रपत्नीगण होमके पास खड़ी हैं। एक विप्र-पत्नीका पति क्रोधित हो डंडा उठाकर आनेसे मना करनेपर विप्रपत्नी कृष्णरूपकी चिन्ता करते करते प्राण त्याग देती है।

বিপ্ৰ-সকলৰ অনুতাপ :— ভগবান কৃষ্ণই বিপ্ৰ-পত্নীসকলক বিদায় দি তেওঁলোকে দিয়া পিঠা-পৰমান্ন আদি গোপ-

विप्रगणका अनुताप : भगवान कृष्ण विप्र-पत्नियोंको बिदा देकर उनके दिए हुए भोजनको गोपबालकोंमें बाँट दिया।

ৰামকৃষ্ণে গোপগণসমে ভোজন কৰিছা।

বালকবিলাকক ভগাই দিলে। সকলোৱে ৰং মনে খাবলৈ বহিল। ইফালে যজ্ঞশালাত থকা ব্ৰাহ্মণসকলে পত্নীসকলক কৃষ্ণৰ ওচৰলৈ যাবলৈ বাধা কৰা বাবে অনুতপ্ত হৈ আঠুকাঢ়ি মূৰে কপালে হাত দি দুখ কৰিবলৈ ধৰিলে।

सभी आनन्दमनसे खारहे हैं। इधर यज्ञशालामें ब्राह्मणगण पत्नियोंको कृष्णके पास जानेसे रोकनेके कारण पश्चात्ताप कर रहे हैं।



বিপ্রগণে মহাখেদ করিছা।

কৃষ্ণৰ বিশক চাই বিপ্ৰসবে নমস্কাৰ কৰিছা।

বিপ্ৰসবে অনুশোচ কৰিছা।

কিছুমান ব্ৰাহ্মণে কৃষ্ণৰ ওচৰত অপৰাধ হোৱা বুজি কৃষ্ণ থকা দিশে মুখ কৰি হাতযোৰ কৰি তেওঁৰ উদ্দেশে প্ৰণাম কৰিছে। কিছুমান ব্ৰাহ্মণে আকৌ পৰস্পৰে লগ হৈ কৃষ্ণৰ ওচৰত দোষ হোৱা বুলি অনুশোচনা কৰিছে।

নন্দ আদিৰ ইন্দ্ৰযজ্ঞৰ উদ্যোগ:—ইয়াৰ পিছত কৃষ্ণই এদিনাখন দেখিলে যে নন্দ, উপনন্দ আদি গুৱালবিলাকে ইন্দ্ৰযাগ কৰিবলৈ আয়োজন কৰিছে। তাকে দেখি কৃষ্ণ নন্দৰ ওচৰলৈ গৈ হাতযোৰ কৰি বহি কিহৰ আয়োজন হৈছে বুলি শুধিছে।

द्विजमंडलीमेंसे कइ तो कृष्णको क्षमा याचना कर रहे हैं और कई पश्चातापसे टेक कर रहे हैं।

नन्द आदियोंका इन्द्रयज्ञका उद्योग : उस समय नन्द एक आसनपर बैठे थे। उनके पास उपनन्द और उनके पीछे एक बुढ़ा ग्वाल बैठा था। कृष्णको नमस्कार करनेके बाद नन्द आदि सभी ग्वाल दाहिने हाथ उठाकर दुआ देकर जवाब दे रहे हैं



বৃদ্ধ গুৱাল। উপানন্দ। নন্দ। কৃষ্ণ পিতৃত নমস্কাৰ কৰি বাত পুছিছা। ঋষভ।

সেই সময়ত নন্দ এখন আসনত বহি আছিল, তেওঁৰ ওচৰত উপনন্দ আৰু তেওঁৰ পিছত এজন বুঢ়া গুৱাল বহি আছিল। কৃষ্ণই নমস্কাৰ কৰাত নন্দ আদি সকলো গুৱালে আগ হাত দাঙি আশীৰ্ব্বাদ কৰি ইন্দ্ৰযাগৰ আয়োজন কৰা বুলি উত্তৰ দিছে।

कि इन्द्रयागका आयोजन हो रहा है। नन्द उपनन्द आदिको इन्द्रयागका आयोजन करते देख, कृष्ण गुरुजनोंको प्रणाम कर यज्ञ व्यवस्थाके बारेमें परामर्श करते हैं।

ইন্দ্ৰযজ্ঞ-ভঙ্গ আৰু গোবৰ্দ্ধন-পূজা :—তাকে শুনি কৃষ্ণই কলে, যে আমি গোপ ; আমাৰ সম্বল গৰু-গাই। পৰ্ব্বতৰ নিদানেই আমাৰ সৰ্ব্বসিদ্ধি ; গতিকে গোবৰ্দ্ধন পৰ্ব্বতক বিধিমতে পূজা কৰি ব্ৰহ্মণক খুৱাই আমি দক্ষিণা দিয়াহে কৰ্ত্তব্য। কৃষ্ণৰ কথাৰ যৌক্তিকতা বুজি নন্দ আদি গোপসকলে ইন্দ্ৰযজ্ঞ বন্ধ কৰি গোবৰ্দ্ধন

इन्द्रयज्ञ-भङ्ग और गोवर्द्धनपूजा : कृष्णने कहा कि हम ग्वाल हैं, हमारी धरोहर गाय-बैल; पहाड़ ही हमारी सर्व सिद्धिकी जड़ है। अतः गोवर्धन पहाड़की पूजाकी नियमानुसार करके ब्राह्मणोंको भोजन करवाकर दक्षिणा देनाही हमारा कर्तव्य है। कृष्णकी बात उचित समझकर नन्द आदि गोपगण गोवर्धन



গোপী। যশোদা। নন্দ। বিপ্ৰে হোম কৰিছা। গোপসবে গোবৰ্দ্ধনপূজা কৰিছা। কৃষ্ণ। শ্ৰীদাম। বসুদাম।

পৰ্ব্বতৰ চাৰিও ফালে ধূপ, দীপ, নৈবেদ্য আদি দি ব্ৰাহ্মণসকলক হোম কৰিবলৈ আদেশ দিলে। ব্ৰাহ্মণসকলে পৰ্ব্বতৰ ওচৰত কুণ্ড কৰি তাৰ ওচৰত হোম কৰি থিয় হৈ পূৰ্ণাহুতি দিব ধৰিছে। ব্ৰাহ্মণ-সকলৰ পিছত নন্দ আৰু যশোদা, তাৰ পিছফালে গোপীসকল হাতযোৰ কৰি মঙ্গল প্ৰাৰ্থনা কৰিছে। গোবৰ্দ্ধনৰ আন কাষত গাইবোৰে ওপৰলৈ মুখ কৰি থিয় হৈ আছে। গাইবোৰৰ পিছত বংশী বজাই কৃষ্ণ, কৃষ্ণৰ পিছত শ্ৰীদাম আদি গোপবালকবিলাকৰ কোনেও শঙ্খ, কোনোৱাই বীণা আদি বাদ্যযন্ত্ৰ বজাই আনন্দ-উৎসৱ কৰিব ধৰিছে।

पहाड़के चारों तरफ धूप, दीप, नैवेद्य आदि देकर होम करनेके लिए ब्राह्मणोंको आदेश करते हैं। ब्राह्मणगण पहाड़के पास हवन कुंड बनाकर खड़े होकर पूर्णाहुति दे रहे हैं। ब्राह्मणोंके पीछे नन्द और यशोदा, उनके पीछे गोपिनीगण हाथ जोड़कर मंगलकी प्रार्थना कर रही हैं। गोवर्धनके दूसरी ओर गायें खड़ी हैं। गायोंके पीछे बांसुरी बजाते कृष्ण, श्रीदाम आदि गोपबालक शंख, वीणा आदि बजाकर आनन्दोत्सव कर रहे हैं।

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন-পূজা গ্ৰহণ :—পূজা আৰম্ভ হলত গোপ-গোপীসকলে তল মূৰ কৰি সভক্তিৰে গোবৰ্দ্ধন স্তৱ গাব ধৰিছে।

श्रीकृष्णका गोवर्द्धन-पूजा ग्रहण : नन्द, उपनन्द, यशोदा, रोहिणी आदि गोप-गोपीगण सिर नवांकर भक्तिके साथ



শকটত চৰি পৰ্বতক প্ৰদক্ষিণ কৰিছা। গোপীসব। কৃষ্ণে পৰ্বতৰূপে পূজা ভুঞ্জিছা। কৃষ্ণে পূজা কৰিছা। নন্দ। উপনন্দ। গোপ।

আৰু আঠুকাঢ়ি প্ৰণাম কৰিছে। এফালে কৃষ্ণ, নন্দ, উপনন্দ আদি গোপবিলাকে আৰু আন ফালে যশোদা, ৰোহিণী আদি গোপীসকলে স্তুৱ কৰিছে। কোনো গোপে শঙ্খ বজাইছে, কোনেও বা শিঙা বজাইছে। যি কৃষ্ণই গোবৰ্দ্ধন পূজা কৰিছে সেই কৃষ্ণয়ে আকৌ গোবৰ্দ্ধন পৰ্ব্বতৰ ওপৰত দুই ফালে দুই ভৰি ওলোমাই বহি পূজাৰ প্ৰসাদ হাতত লৈ খাবলৈ ধৰিছে।

গীবৰ্ধনকী স্তুতি কৰ প্ৰণাম কৰতী হৈঁ। জো কৃষ্ণ গীবৰ্ধনকী পূজা কৰ ৰহে হৈঁ বহী কৃষ্ণ ফিৰ গীবৰ্ধন পহাড়কে ঊপৰ দোনোঁ তৰফ দো পৈৰ লটকাকৰ বৈঠকৰ পূজাকা প্ৰমাদ খা ৰহে হৈঁ।

ইন্দ্ৰৰ ক্ৰোধ আৰু প্ৰতিশোধৰ মন্ত্ৰণা :—ভগবান কৃষ্ণই এনেদৰে গোবৰ্দ্ধন যজ্ঞ কৰোৱাৰ ছলেৰে ইন্দ্ৰৰ যজ্ঞভঙ্গ কৰাত ইন্দ্ৰৰ খং উঠিল। ইন্দ্ৰই মেঘবিলাকক মতাই অনাই মেল পাতিলে।

ইন্দ্ৰকা ক্ৰোধ ঔৰ প্ৰতিশোধকা মন্ত্ৰণা : ভগবান কৃষ্ণকে গীবৰ্ধন যজ্ঞ কৰানেকে ছল পূৰ্ণ কৰনেমে ইন্দ্ৰ ক্ৰোধিত হোকৰ বাদলোঁকী মন্ত্ৰাহ কৰনেকো বুলায়া। ইন্দ্ৰ দিব্য আসনপৰ

ইন্দ্ৰ দিব্য আসনত বহিছে। মূৰৰ ওপৰত বিচিত্ৰ ছত্ৰ এজন দেৱতাই ধৰিছে। আন দুজন মেঘ দেৱতাই সম্মুখত হাতযোড় কৰি আঠু লৈ বহিছে আৰু এজনে আঠু লৈ হাতত ভৰ দি বহি আছে।

বৃন্দাবনত ঘোৰতৰ বৃষ্টি :—ইন্দ্ৰই সেই সম্বৰ্ত্তকাদি মেঘবিলাকক সম্বোধন কৰি কলে, যে কৃষ্ণই মোৰ পূজা ভঙ্গ কৰিছে : এতেকে গোবৰ্দ্ধন পৰ্ব্বতৰ সৈতে যিমান গোপ, গোপী আৰু গৰু আছে, বৰষুণ দি সকলোকে উৎসন্ন কৰিব লাগে। ইন্দ্ৰৰ আদেশ

बैठे हैं : सिरपर एक देवता छत्र डुला रहा है। दूसरे दो बादलोंके देवता सामने हाथजोड़े बैठे हैं और दो घुटने टेककर बैठे हैं।

वृन्दावनमें घोरतर वारिपात : इन्द्रने संवर्तक आदि बादलोंको सम्बोधन करके कहा कि कृष्णने मेरी पूजाको भङ्ग कर डाला है : अत: गोवर्धन पहाड़के साथ जितने गोप-गोपी और गायें हैं उनको भीषण वर्षासे नष्ट करना है। इन्द्रका आदेश

গোকুলত বৃষ্টি কবিছা।

শুনি মেঘবিলাকে ইটোসিটোৰে হাত তুলাতুলি কৰি ইটোৱে সিটোক নিষেধ কৰি যেন প্ৰত্যেকে অকলে এই কাম কৰিব পাৰে, এনে দৃশ্য দেখুৱাই সকলোৱে ধাৰাসাৰে বৰষুণ দিবলৈ আৰম্ভ কৰিলে। সেই অতিবৃষ্টিত গোপবিলাক ভিজিবুৰি কেঁকোৰা পৰি গৰুবোৰ খেদিবলৈ ধৰিলে। গাইবোৰে ভিজি ভিজি নিজ নিজ দামুৰিবোৰ পেটৰ তলত ৰাখি মূৰ নোঁৱাই থাকিল।

सुनकर बादलगण पूर्ण उत्साहसे बरसने लगे। उस भयंकर वर्षामें ग्वालगणों और गौओंका बहुत बुरा हाल होने लगा। जो छिपनेकी जगह ढूँढ़ने लगे।

গোপ গৰু চাপিছা। কৃষ্ণে গোবৰ্দ্ধন ধৰিছা। নন্দ। যশোদা। গোপী।

শ্ৰীকৃষ্ণৰ গোবৰ্দ্ধন ধাৰণঃ—কৃষ্ণই গোপ, গোপী আৰু গৰুৰ এনে দুৰৱস্থা দেখি চতুৰ্ভুৰ্জ ৰূপ ধাৰণ কৰি এক হাতেৰেই গোবৰ্দ্ধন পৰ্ব্বতখন ওপৰলৈ তুলি ধৰিলে; আৰু সকলো গোপ, গোপী আৰু গৰুবোৰক তাৰ তলত সোমাবলৈ আদেশ কৰিছে। শ্ৰীকৃষ্ণৰ আদেশ মতে নন্দ, যশোদা আৰু অন্যান্য গোপীবিলাক,

श्रीकृष्णका गोवर्द्धन धारण : कृष्णने गोप, गोपी और गौयोंकी एमो बुरी हालत देखकर चतुर्भुज रूप धारण कर एक हाथसे ही गोवर्धन पहाड़को ऊपर उठाकर सभी गोप, गोपी और गौयोंको उसके नीचे चले आनेको कहा। श्रीकृष्णके आदेशानुसार नन्द, यशोदा और दूसरे गोपीगण, गायें और हाथमें डंडा लिए

ধেনুবোৰ আৰু যিমান গোপবালক আছিল হাতত লৰু লৈ সকলো-ভিজিবুৰি, কেঁকোৰা পৰি সেই গোবৰ্দ্ধন পৰ্ব্বতৰ তলত সোমাব ধৰিলে।

हुए गोपबालक सभी भीगते मीकुड़ते उस गोवर्धन पहाड़के नीचे आगये।

কৃষ্ণে গোবৰ্দ্ধন ধৰিছা।

শ্ৰীকৃষ্ণৰ অভয় দান:—শ্ৰীকৃষ্ণৰ আদেশ অনুসৰি নন্দ প্ৰভৃতি গোপ আৰু যশোদা আদি গোপীবিলাক গোবৰ্দ্ধনৰ তলত সোমাল। গৰুবিলাকো ওপৰলৈ মুখ কৰি গোবৰ্দ্ধনৰ তলত থিয় দি থাকিল। এই সময়ত কোনো কোনো গোপবালকে আঠুলৈ বহি কৃষ্ণক স্তুত কৰিছে; কোনোৱেবা থিয় হৈ আঞ্জলি পাতি প্ৰণাম কৰিছে। কৃষ্ণই দুই ভৰিত ভৰ দি বাওফালৰ প্ৰথম হাতখন ওপৰলৈ তুলি গোবৰ্দ্ধন ধৰি আছে আৰু আগফালৰ প্ৰথম হাত-খনেৰে গোপ, গোপী আৰু গৰুবোৰক অভয় মুদ্ৰাৰে নিৰ্ভয় দিছে।

श्रीकृष्णका अभय दान: श्रीकृष्णके आदेशानुसार नन्द प्रभृति गोप और यशोदा आदि गोपीगण गोवर्धनके नीचे आगये। गायें भी मुँहोंको उपर करके गोवर्धनके नीचे खड़ी रहीं। इस समय कोई कोई गोपबालक घुटने टेककर कृष्णका स्तवन कर रहा है; कोई फिर खड़ा होकर अंजलि पसारकर प्रणाम कर रहा है। कृष्ण दोनों पैरोंपर भार टेकर बायें हाथसे गोवर्धनको उठाये हुये दाहिने हाथसे गोप, गोपी और गायोंको अभयमुद्रासे निर्भय कररहे हैं।



কৃষ্ণে সবাকে বিদায় দিছা।

এনেদৰে থকা দেখি ইন্দ্ৰ ব্যৰ্থমনোৰথ হৈ ফিৰি গল; ইন্দ্ৰৰ আদেশমতে মেঘবোৰেও বৰষুণ দিবলৈ এৰিলে। বৰষুণ এৰাৰ পাছত শ্ৰীকৃষ্ণই সকলো গোপ গোপীক নিৰ্ভয় দি পৰ্ব্বতৰ তলৰ পৰা আহিবলৈ কোৱাত সকলো গোপ-গোপী আৰু গৰু গোবৰ্দ্ধনৰ তলৰ পৰা আহিবলৈ ধৰিলে। নন্দেও আগহাত দাঙি "আৰু ভয় নাই" বুলি যেন সকলোকে আশ্বাস দিছে। গোপবালকবিলাকে আগৰ দৰে গৰু আগত লৈ চাৰিবলৈ গল। শ্ৰীকৃষ্ণই আগৰদৰে পৰ্ব্বতখন ধৰিয়েই আছে।

इस अवस्थाको देखकर व्यर्थ मनोरथ होकर इन्द्र लौट गया; इन्द्रके आदेशानुसार बादलगण चले गये। वर्षा बंद होनेपर श्रीकृष्णके सभी गोप-गोपियोंको निर्भय देनेपर पहाड़के नीचेसे सभी गोप, गोपी और गायें आने लगी। नन्दभी हाथ उठाकर "और डर नहीं है" कहकर मानो सभीको आश्वासन दे रहे हैं। गोपबालकगण पहले जैसे गायोंको सामने ले कर चरानेके लिए गये। श्रीकृष्ण पहले जैसे पहाड़को थामे हुये हैं।

পূৰ্ব্বৰ ঠাইত গোবৰ্দ্ধন স্থাপন আৰু সকলোৰে আনন্দ:— গোপ, গোপী আৰু গৰু গোবৰ্দ্ধনৰ তলৰপৰা ওলাই যোৱাৰ পাছত কৃষ্ণই গোবৰ্দ্ধন পৰ্ব্বতখন আগৰদৰে থাপি থলে। শ্ৰীকৃষ্ণৰ এনে

पहले जगह पर गोवर्धन स्थापन और सबका आनन्द: गोप, गोपी और गायें गोवर्द्धनके नीचेसे निकल जानेके बाद कृष्णने गोवर्धन पहाड़को पहले जैसे थामकर रखा।

দেৱতাসবে নৃত্য কৰিছা।

অদ্ভুত কাৰ্য্য দেখি অপসৰাবিলাকে নৃত্য কৰিছে ; গন্ধৰ্ব্বই তাল আৰু খোল বজাইছে, কোনোৱেবা শঙ্খ বজাইছে। এই প্ৰলয়ঙ্কৰ

শ্ৰীকৃষ্ণকী ঐসী অদ্ভুত কাৰ্বাই দেখকৰ অপ্সৰাগণ নৃত্য কৰ ৰহীং হৈঁ। গংধৰ্ব তাল ঔৰ খোল বজা ৰহা হৈ তো কোই শংখ বজা

ৰোহিণী-বলভদ্ৰে কৃষ্ণক আশ্বাসিছা। নন্দ-যশোদা কৃষ্ণক আশ্বাসিছা। পৰ্বতক স্বস্থানে থৈলা। কৃষ্ণে বংশী ডাক দিছা।

বতাহ বৰষুণৰ পৰা ৰক্ষা পৰি নন্দ-যশোদাই সন্তোষ পাই কৃষ্ণক সাৱট মাৰি ধৰিছে। বলদেৱে কৃষ্ণক কঁকালত আৰু কৃষ্ণই

ৰহা হৈ। ইস ভয়ংকৰ হৱা-বৃষ্টিসে ৰক্ষা পাকৰ নন্দ যশোদাকো সংতোষ হুআ ঔৰ কৃষ্ণকো হাথোঁসে জকড় লিয়া। বলদেৱ কৃষ্ণকো

বলদেৱৰ কঁকালত ধৰাধৰি কৰি দুয়ো যেন এটা অনিৰ্ব্বচনীয় প্ৰীতিৰ চিনাকি দিছে। ৰোহিণীদেৱীয়ে কৃষ্ণক কান্ধত হাত দি স্নেহালিঙ্গন কৰিছে। ইয়াৰ পিছত কৃষ্ণ-বলৰামে বাঁহীত ফুক দি আগত গৰু লৈ গৰু চাৰিবলৈ ওলাইছে।

कमरमें और कृष्ण बलदेवके कमरमें पकड़कर दोनों मानो एक अनिर्वचनीय प्रीतिका परिचय दे रहे हैं। रोहिणी देवी कृष्णके कंधेपर हाथ देकर स्नेहालिंगन कर रही हैं। इसके बाद कृष्ण बलराम बाँसुरीमें फुँक देकर सामने गायें लेकर चराने निकले।

গোপীসবে কৃষ্ণ আসিবাৰ শুনি পদূলি আসিছন্ত। গোপ-গৰু সমে কৃষ্ণ গোকুলে যান্ত।

গোধূলি-গোধন লৈ কৃষ্ণ-বলৰাম ব্ৰজলৈ অহাত গোপাঙ্গনাসকলৰ আনন্দ :—গোধূলি হলত কৃষ্ণ-বলৰাম প্ৰভৃতি গোপবালকবিলাকে আগত ধেনু লৈ গোকুললৈ আহিব ধৰিছে। ইয়াকে শুনি ব্ৰজবাসী গোপাঙ্গনাবিলাকে হাত তুলি এই বুলি যেন কৃষ্ণক নিষেধ কৰিছে যে, "হে কৃষ্ণ, তুমি এনে মোহনবংশী বজাই আগলৈ নাহিবা। তোমাৰ বংশীধ্বনি শুনিলে আমাৰ প্ৰাণ ব্যাকুল হৈ উঠে"।

गोधूलि-गोधन लेकर कृष्ण-बलरामका व्रजमें आनेसे गोपाङ्गनाओंका आनन्द : शाम होनेपर कृष्ण-बलराम आदि गोपबालकगण सामने गायों को लेकर गोकुल आ रहे हैं। इसे सुनकर व्रजके निवासी गोपाङ्गनायें हाथ उठाकर यह कहकर मानो मना कर रही हैं कि हे कृष्ण! तुम ऐसी मोहन बंशी बजाकर सामने न आओ। तुम्हारी बंशीध्वनि सुननेसे हमारे प्राण व्याकुल हो उठते हैं।

নন্দ আৰু গোপসকলৰ আলোচনা :—গোপৰাজ নন্দই শ্ৰীকৃষ্ণৰ এনে অলৌকিক কাৰ্য্য দেখি অতি আচৰিত হৈ সুনন্দ

नन्द और गोपोंका आलोचना : गोपराज नन्द कृष्णके ऐसे अलौकिक कार्य देखकर अत्यंत चकित होकर सुनन्द,

নন্দে গোপগণ সমে কৃষ্ণর মহিমা কহিছা।

পরীক্ষিত রাজা। শুকদেব।

উপনন্দ আদি গোপবিলাকৰ আগত শ্ৰীকৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰিছে। নন্দ মাজতে এখন আসনত বহিছে। অন্যান্য গোপ-বিলাকো প্ৰত্যেকে একোখন আসনত বহি সকলোৱে হাত দাঙি শ্ৰীকৃষ্ণৰ মহত্বৰ সমৰ্থন কৰিছে। শুকদেৱে ভাগৱত কৈছে—পৰীক্ষিতে কৰযোৰে শুনিছে।

उपनन्द आदि गोपोंके सामने श्रीकृष्णकी महत्वका वर्णन कर रहे हैं। नन्द बीचमें एक आसनपर बैठे हैं। दूसरे गोपगणभी एक एक आसनपर बैठकर सभी हाथ उठाकर श्रीकृष्णकी महत्वका समर्थन कर रहे हैं।

ইন্দ্ৰে কৃষ্ণৰ চৰণত পৰিছা। কৃষ্ণ। সুৰভি।

ইন্দ্ৰৰ কৃষ্ণ-স্তৱ আৰু সুৰভিৰ দ্বাৰা শ্ৰীকৃষ্ণৰ অভিষেক :— ইফালে স্বৰ্গৰাজ ইন্দ্ৰই পূৰ্ব প্ৰকাৰে চেষ্টা কৰি গোবৰ্দ্ধনযজ্ঞ ভঙ্গ কৰিব নোৱাৰি অতি লজ্জিত হল আৰু শ্ৰীকৃষ্ণৰ ওচৰত নিজক অপৰাধী বুলি ভাবি দোষ মাৰ্জনৰ বাবে শ্ৰীকৃষ্ণৰ চৰণত দীঘল দি

इन्द्रका कृष्ण-स्तव और सुरभि द्वारा श्रीकृष्णका अभिषेक : इधर स्वर्गराज इन्द्र गोवर्धन यज्ञ भंग न कर सकनेके कारण अत्यन्त लज्जित हुए और श्रीकृष्णके पास अपनेको अपराधी मानकर चरणोंमें दंडवत कर स्तुति करने लगे। श्रीकृष्ण एक

পৰি স্তুতি কৰিব ধৰিলে। শ্ৰীকৃষ্ণই এখন ৰত্নময় দিব্য আসনত বহি দ্বিভুজৰূপে আগহাত তুলি ইন্দ্ৰক আশ্বাস দিছে। সেই সময়ত গোমাতা সুৰভি আহি শ্ৰীকৃষ্ণৰ ওচৰত থিয় দি শ্ৰীকৃষ্ণক অভিষেক কৰিছে।

ৰত্নময় দিব্য আসনপৰ বৈঠকৰ দ্বিভুজ ৰূপসে দাহিনা হাথ উঠাকৰ ইন্দ্ৰকো আশ্বাসন দে ৰহে হৈঁ। উস সময় গোমাতা সুৰভি কৃষ্ণকে পাস খড়ী হোকৰ শ্ৰীকৃষ্ণকো অভিষিক্ত কৰ ৰহী হৈ।



ইন্দ্ৰ। শ্ৰীকৃষ্ণ। সুৰভি।

ইন্দ্ৰই শ্ৰীকৃষ্ণৰ আশ্বাস পাই উঠি আঁঠুলৈ বহি শ্ৰীকৃষ্ণৰ স্তৱ কৰিছে। শ্ৰীকৃষ্ণই হাত দাঙি ইন্দ্ৰক নিৰ্ভয় দিছে। সুৰভিও কৃষ্ণৰ ওচৰত থিয় হৈ আছে।

ইন্দ্ৰ শ্ৰীকৃষ্ণকা আশ্বাসন পাকৰ উঠকৰ ঘুটনেঁকে বল বৈঠকৰ শ্ৰীকৃষ্ণকা স্তৱন কৰ ৰহে হৈঁ। শ্ৰীকৃষ্ণ হাথ উঠাকৰ ইন্দ্ৰকো নিৰ্ভয় দে ৰহে হৈঁ। সুৰভি ভী কৃষ্ণকে পাস খড়ী হৈ।

ইন্দ্ৰই শ্ৰীকৃষ্ণ স্তৱ কৰাৰ সময়ত আকাশত অপ্সৰা আৰু গন্ধৰ্ব-বিলাকে তাল ধৰি নৃত্য কৰিছে। দেৱৰ্ষি নাৰদ বীণাযন্ত্ৰ কান্ধত লৈ

ইন্দ্ৰ জব শ্ৰীকৃষ্ণকী স্তুতি কৰ ৰহে থে উস সময় আসমানপৰ অপ্সৰা ঔৰ গংধৰ্বগণ তালসে নৃত্য কৰ ৰহে থে। দেৱৰ্ষি নাৰদ

দেৱতাসবে নৃত্য কৰিছা।

কৃষ্ণে ইন্দ্ৰক নিৰ্ভয় দিছা।

দেৱঋষি আৰু দেৱতাসব।

উপস্থিত। কোনো কোনো দেৱতাই তাল বজাইছে। কোনো ঋষিয়ে আকৌ আগহাত পাতি যেন কৃষ্ণৰ প্ৰসাদ ভিক্ষা কৰিছে।

वीणा बजाते हुये आये। कोई कोई देव ताल बजा रहा है। कोई कृष्णका प्रसाद मांग रहा है। गायें पासही चर रही हैं।

গৰুবিলাক ওচৰতে তলমুৰা হৈ ঘাঁহ খাই আছে। কৃষ্ণই ইন্দ্ৰৰ স্তুৱত তুষ্ট হৈ আগহাত তুলি আশ্বাস দি বিদায় দিছে।

कृष्ण इन्द्रकी स्तुतिगानसे संतुष्ट होकर उठकर दाहिना हाथ उठाकर आश्वासन देकर बिदा दे रहे हैं।

সেৱক। ইন্দ্ৰ। কৃষ্ণ। সেৱক। পৰীক্ষিত। শুকদেৱ।

ইন্দ্ৰৰ প্ৰত্যাবৰ্ত্তন আৰু শ্ৰীকৃষ্ণৰ ৰাজবেশে উপবেশন :— দেৱৰাজ ইন্দ্ৰই কৃষ্ণৰপৰা বিদায় লৈ ঐৰাৱতত উঠি স্বৰ্গাভিমুখে যাত্ৰা কৰিলে। সেৱক আগে আগে গল। ইন্দ্ৰৰ পাছত গো-মাতা সুৰভি আৰু কন্যা নন্দিনীও স্বৰ্গলৈ যাব ধৰিলে। গো-মাতাই শ্ৰীকৃষ্ণক গোপৰাজ পাতি ধৱল ছত্ৰ ধৰালে। শ্ৰীকৃষ্ণ ৰজাৰ দৰে দিব্য আসনত বহি আছে। এক সেৱকে ওপৰত ধৱল ছত্ৰ ধৰিছে। ৰজা পৰীক্ষিতে এই ঘটনা হাতযোৰ কৰি শুকদেৱক সুধিছে ; আৰু শুকদেৱে আগহাত তুলি পৰীক্ষিতৰ আগত কৈছে।

इन्द्रका प्रत्यावर्त्तन और श्रीकृष्णका राजवेससे उपवेशन : देवराज इन्द्र कृष्णसे बिदा लेकर ऐरावतपर चढ़कर स्वर्गाभिमुख यात्रा की। सेवक आगे आगे गया। इन्द्रके बाद गोमाता सुरभि और कन्या नन्दिनी भी स्वर्ग जाने लगीं। गोमाताने श्रीकृष्णके ऊपर गोपराजका सफेद छत्र रखवाया। श्रीकृष्ण राजाके जैसे दिव्य आसनपर बैठे हुए हैं। एक सेवक ऊपर सफेद छत्र पकड़ रहा है। राजा परीक्षित इस घटनाको शुकदेवसे हाथ जोड़कर पूछ रहे हैं : और शुकदेव परीक्षितके सामने कह रहे हैं।

কৃষ্ণে নির্ভয় দিছা। গোপগণে নন্দৰ বার্ত্তাক কৃষ্ণত কহিছা। কৃষ্ণে নন্দক খেদি যান্ত। নন্দক বৰুণৰ দূতে ধৰিছা।

বৰুণৰ দূতৰ দ্বাৰা নন্দ হৰণ ঃ—ইয়াৰ পাছত ৰজা নন্দই এদিন একাদশী-ব্রত পালন কৰি পাছদিনা দ্বাদশী কম থকা দেখি ৰাতিতে যমুনাত স্নান কৰা সময়ত পানীত ডুব দিওঁতে বৰুণৰ দূতে তেওঁক বৰুণপুৰিলৈ লৈ যায়। গোপবালকবিলাক আকুল হৈ হাত তুলি সেই সংবাদ কৃষ্ণক দিলত কৃষ্ণই কোনো ভয় নাই বুলি হাত জোকাৰি অভয় দিছে। পিছত কৃষ্ণই যমুনাৰ জলত বুৰ দি নন্দৰ চিংকাৰ শুনি "ভয় নাই, মই আহিছোঁ" বুলি হাত দুখন আগ বঢ়াই দি বৰুণৰ সভাত থিয় দিলে। সেই সময়ত বৰুণে নন্দৰ আগহাত খনত নিজৰ হাত দুখনেৰে ধৰি আছিল।

শ্রীকৃষ্ণৰ দ্বাৰা নন্দ উদ্ধাৰ ঃ—বৰুণে কৃষ্ণক অহা দেখি আথে-বেথে নন্দৰ বান্ধ সোলোকাই দিলে আৰু লৰালৰিকৈ বহিবলৈ

वरुणाके दूतोंके द्वारा नन्दका हरण : इसके बाद राजा नन्द एक दिन एकादशीका व्रत मनाकर दूसरे दिन द्वादशी थोड़े समयके लिए है इसलिए रातको ही जमुनामें नहानेके समय पानीमें डुबकी देनेपर वरुणके दूतोंने उनको पकड़कर वरुणपुरी ले गये। गोपबालकगण आकुल होकर उक्त संवाद कृष्णको देनेपर कृष्ण जमुनाके पानीमें डुबकी लगाकर "मैं आता हूँ" कहकर दोनों हाथोंको बढ़ाकर वरुणकी सभामें खड़े हुए। उस समय वरुण नन्दके दाहिने हाथको अपने दोनों हाथोंसे पकड़े हुवे हैं।

श्रीकृष्णके द्वारा नन्दका उद्धार : वरुणने कृष्णको आते देखकर तत्परतासे नन्दके बंधनको खोल दिया और जल्दीके



কৃষ্ণক বৰুণে পূজা কৰিছা।

कृष्ण। नन्द।

কৃষ্ণক দিব্য সিংহাসন আনি দিলত কৃষ্ণ তাতে বহিল। তেতিয়া বৰুণে পাদ্য, অৰ্ঘ্য, ধূপ, দীপ, নৈবেদ্য আদি কৃষ্ণৰ আগত দি আঠুলৈ বহি হাতযোৰ কৰি ক্ষমা ভিক্ষা কৰিলে, আৰু পাৰিষদবিলাকেও আঠুলৈ বহি স্তুতি কৰিব ধৰিলে। কৃষ্ণই বৰুণৰ স্তৱত তুষ্ট হৈ আগ হাত দাঙি আশ্বাস আৰু নিভয় দিলে। পিছত কৃষ্ণই পিতৃ নন্দক আগত লৈ বৰুণালয়ৰপৰা গোকুল অভিমুখে যাত্ৰা কৰিলে।

माथ दिव्य सिंहासन पर कृष्णको बैठाकर पाद्य अर्घ्य, धूप, नैवेद्य आदि सामने रखकर घुटनोंके बल बैठकर हाथ जोड़कर माफी मांगी और पारषदगण भी घुटने टेककर बैठकर स्तुति करने लगे। कृष्ण वरुणके स्तवसे सन्तुष्ट होकर दाहिना हाथ उठाकर आश्वासन और निर्भय दान दिया। पश्चात् कृष्ण पिता नन्दको साथ लेकर वरुणालयसे गोकुलको और यात्रा की।

নন্দৰ বৰুণালয় বৰ্ণন:—ৰজা নন্দ কৃষ্ণৰ সৈতে বৰুণালয়ৰপৰা গোকুললৈ ঘূৰি আহি এখন সভা পাতি বৰুণালয়ৰ সকলো বৃত্তান্ত হাত দাঙি কবলৈ ধৰিলে। সেই সময়ত নন্দ এখন উচ্চ আসনত আঠু যুতি ৰজাৰ দৰে বহিছে। তেওঁৰ ওচৰত অগণন দিব্য

नन्दका वरुणालय बखान: राजा नन्द कृष्णके साथ वरुणालयसे गोकुल लौट आकर एक सभामें बैठकर वरुणालयके सारे वृत्तान्तोंको कहने लगे। उस समय नन्द एक उच्च आसनपर पालथी मारकर राजा सदृश बैठे हुए हैं। उनके सामने दिव्य



গুৱালসৱ। কৃষ্ণ। নন্দে গোপগণত বৰুণৰ সভাৰ মহত্ত কৈছা।

সিংহাসন এখনত কৃষ্ণ বহিছে। চাৰিওফালে ওচৰে-পাজৰে গুৱাল-বিলাকো আসনত বহি হাত তুলি নন্দৰপৰা বৰুণালয়ৰ আচৰিত বৰ্ণনা শুনি যেন আশ্চৰ্য্যান্বিত হৈহে আছে।

সিংহাসনপর কৃষ্ণ বৈঠে হৈঁ। চারোঁ তরফ আমনে-সামনে গ্বালগণভী আসনোঁপর বৈঠকর হাথ উঠাকর নন্দসে বরুণালয়কা বর্ণন সুনকর মানো অচরজ কর রহে হৈঁ।

গোপী। গুৱাল। কৃষ্ণ। নন্দ। উপনন্দ। গোপীসৱ।

তেতিয়া সকলো গোপগোপীয়ে শ্ৰীকৃষ্ণৰ অলৌকিক মাহাত্ম্য দেখি আনন্দত পুলকিত হৈ কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰিবলৈ ধৰিলে। এই সময়ত কৃষ্ণ এখন আসনত বহিছে; তাৰ পিছৰ ফালে নন্দ,

সভী গোপগোপী শ্রীকৃষ্ণকী অলৌকিক লীলা দেখকর আনন্দসে পুলকিত হোকর কৃষ্ণকী মহিমাকা বর্ণন করনে লগে। ইস সময় কৃষ্ণ এক আসনপর বৈঠে হৈঁ, উনকে পীছে নন্দ, নন্দকে পাস উপনন্দ

নন্দৰ কাষত উপনন্দ আৰু কৃষ্ণৰ আগে পাছে গোপীবিলাকো আসনত আঠু লৈ বহি হাত তুলি যেন কৃষ্ণক মধুৰ গুণাৱলী পান কৰিব ধৰিছে।

और कृष्णके आगे-पीछे गोपीगण आसनों पर घुटनों के बल बैठकर मानो कृष्णकी मधुर गुणावलीका रस पान कर रही हैं।



পাৰিষদসব। অনন্ত গোসাই। লক্ষ্মী। কৃষ্ণ। নন্দ। যশোদা।

শ্ৰীকৃষ্ণৰ অনন্তৰূপ ধাৰণ:—এই সময়ত কৃষ্ণই গোপ-গোপীবিলাকক নিজৰ ব্ৰহ্মৰূপ দেখাবলৈ অনন্তৰূপ ধাৰণ কৰিছে। কৃষ্ণ চতুৰ্ভুজৰূপে অনন্ত শয্যাত শুই আছে। লক্ষ্মীদেবীয়ে নিজৰ কোলাত ভৰি তুলি লৈ অঙ্গমৰ্দন কৰিব ধৰিছে। অনন্তদেৱে সহস্ৰ ফণাৰে ওপৰত ছত্ৰ ধৰিছে। পিছৰ ফালে পাৰিষদবিলাকে নিজ সহধৰ্ম্মিণীবিলাকৰ সৈতে আঠু কাঢ়ি বহি কৃষ্ণৰ গুণানুকীৰ্ত্তন কৰিছে। পাৰিষদবিলাকো চতুৰ্ভুজ আৰু কৃষ্ণবৰ্ণ। ৰজা নন্দই আচৰিত হৈ যশোদাৰ সৈতে কৃষ্ণৰ এই অনন্তৰূপ দৰ্শন কৰিছে।

श्रीकृष्णका अनन्तरूप धारण: इस समय कृष्ण गोप-गोपियों को अपना ब्रह्मरूप दिखलानेके लिए अनन्तरूप धारण किए हुए हैं। कृष्ण चतुर्भुज रूपसे अनन्तकी सेजपर सोए हुए हैं। लक्ष्मीदेवी अपनी गोदमें पैर लेकर दबा रही हैं। अनन्तदेव सहस्र फणोंसे भगवानको ढक लिया है। पीछे पारिषद्‌गण अपनी अपनी सहधर्मिणियोंके साथ कृष्णके गुणानुकीर्त्तन कर रहे हैं। पारिषदगणभी चतुर्भुज और कृष्ण वर्णके हैं। राजा नन्द अचरज होकर यशोदाके साथ कृष्णका इस अनन्त रूपका दर्शन कर रहे हैं।

চাৰি বেদে মূৰ্ত্তি ধৰি স্তুতি কৰিছা। ভগবান কৃষ্ণ। লক্ষ্মী দেবী। পাৰিষদ। প্ৰজাসব।

ভগবান শ্ৰীকৃষ্ণ সেই অনন্ত শয্যাত চতুৰ্ভুজৰূপে লক্ষ্মীদেবীৰ সৈতে আছে। চতুৰ্ভুজৰূপে শঙ্খ, চক্ৰ, গদা, পদ্ম ধৰি পীতাম্বৰ পিন্ধা পাৰিষদ এজন আগৰ ফালে থিয় হৈ আছে। তাৰ পিছৰ ফালে ব্ৰজৰ প্ৰজাবিলাকে তধা লাগি হাত তুলি এই আশ্চৰ্য্য ৰূপ দৰ্শন কৰিছে। চাৰি বেদে মূৰ্ত্তি ধাৰণ কৰি হাতযোৰ কৰি আঠু লৈ অনন্ত মূৰ্ত্তিৰ স্তৱ কৰিছে।

भगवान् शेषशय्या पर चतुर्भुजरूपमें लक्ष्मी सहित विराजमान हैं। चारों वेद मूर्तरूपमें हाथजोड़े खड़े हैं। ब्रजवासी भगवान्के रूपको निहार रहे हैं :

গোপীসবে লৰ দিছা। কৃষ্ণে বংশী ডাক দিছা।

শ্ৰীকৃষ্ণৰ দ্বিভুজ বংশীবদন মূৰ্ত্তি গ্ৰহণ :—ভগবানে ক্ষণ-কালৰ ভিতৰতে এই অনন্ত মূৰ্ত্তি ব্ৰজবাসীবিলাকক দৰ্শন কৰাই এই ৰূপ সম্বৰণ কৰিলে। আৰু পৰক্ষণতে আকৌ সেই দ্বিভুজৰূপে কদম্বৰ তলত ত্ৰিভঙ্গ ভঙ্গিমাৰে থিয় হৈ মধুৰ বংশী বজাবলৈ ধৰিলে। কৃষ্ণৰ মোহন বংশীধ্বনি শুনি ব্ৰজাঙ্গনাবিলাকে যেন উদ্‌বাউলী হৈ শাৰীপাতি কৃষ্ণৰ ওচৰলৈ যাব ধৰিছে।

श्रीकृष्णका द्विभुज वंशीवदन मूर्त्ति ग्रहण : व्रज-वासियोंको इस रूपमें दर्शन देकर भगवान् ने अपनी लीलाका संवरण कर उसी समय कृष्ण रूपमें कदम्बतले वंशी बजाने दिखायी देने लगे। वंशीकी टेरमें इधरउधर खोई सी गोपियां बावलीसी होकर कृष्णकी ओर जा रही हैं।

স্বামী শুশ্ৰূষা এৰি লৰ দিছা। গোপী ঠাই লিপিছা। গোপী লৰ দিছা। কৃষ্ণে বংশী ডাক দিছা।

ৰাস-লীলা :—শ্ৰীকৃষ্ণই সেই ত্ৰিভঙ্গ ভঙ্গিমাৰে কদম্বৰ তলত মোহনবংশীৰ ডাক দিলত বংশীৰ ধ্বনিত আকৃষ্ট হৈ গোপীবিলাক উত্ৰাৱল হয়; আৰু তেওঁলোকৰ আধাকৰা কামবোৰ পেলাই থৈ কৃষ্ণৰ ওচৰলৈ যাবলৈ ধৰে। সেই সময়ত কোনো গোপীয়ে স্বামীৰ সেৱা কৰিছে, কোনোৱেবা ঠাই মচিছে, কোনোৱেবা নিজ

रास-लीला : कदम्बके नीचे मोहनकी वंशीसे आकृष्ट होकर गोपियां उतावली हो अधूरे कामोंको छोड़ छोड़कर कृष्णके पास जाने लगती हैं। उस समय कोई गोपी स्वामीकी सेवा कर रही है : कोई जगह लीपती है तो कोई अपनी सन्तानको स्तन पिलाती है; कोई स्वामीको भोजन परोस रही है, स्वामी

সন্তানক পিয়াহ দিছে; কোনোৱে বা স্বামীক খাবলৈ দিছে, স্বামীয়ে আসনত বহি খাইছে। সৰু লৰা এটাই বাপেকৰ গাত ধৰি থিয় দি আছে।

গোপী প্ৰাণ ছাৰি কৃষ্ণৰূপ পাইলা। স্বামী বাৰিছা। কৃষ্ণক গোপী পাইলা।

সেই সময়ত কোনো তৰুণী গোপীয়ে স্বামী দেৱৰৰ বাধাত যাব নোৱাৰি ধ্যানত কৃষ্ণক আলিঙ্গন কৰি প্ৰাণ এৰে। কোনোবা গোপীক স্বামীয়ে টোকনেৰে মাৰিবলৈ ভয় দেখুৱাই কৃষ্ণৰ ওচৰলৈ যাবলৈ নিষেধ কৰিছে। কোনোবা গোপীয়ে কৃষ্ণৰ ওচৰ চাপি আঠু কাঢ়ি সেৱা জনাইছে আৰু কোনো কোনো গোপী কৃষ্ণৰ ওচৰলৈ লৰি যাব ধৰিছে।

ইয়াৰ পিছত কৃষ্ণই যেতিয়া সেই ঘোৰ অন্ধকাৰ ৰাতিত গোপী-বিলাক বাঁহীৰ সুৰত আকৃষ্ট হৈ ওচৰলৈ অহা দেখিলে, তেতিয়া গোপীবিলাকক সম্বোধন কৰি কবলৈ ধৰিলে—"হে গোপীসকল,

आसनपर बैठकर खा रहे हैं। एक छोटा लड़का अपने पितासे लिपट रहा है।

इस समय एक गोपी स्वामी, देवरकी मनाहीके कारण न जा सकने पर ध्यानमेंही कृष्णका आलिंगन करती हुई प्राणोंको त्याग दिया। किसी गोपीको स्वामी डंडासे मारनेका उर दिखलाकर कृष्णके पास जानेमें मनाही कर रहा है। कोई गोपी कृष्णके पास पहुँच कर घुटने टेककर सेवा कर रही है और कोई कोई गोपी कृष्णके पास दौड़कर जा रही हैं।

इसके बाद कृष्ण अब गोपियोंको उस अंधेरी रातमें बाँसुरीकी टेरसे आकृष्ट होकर अपने पास आते देख गोपियोंके प्रति सम्बोधन करके कहने लगे—ऐ गोपिनीगण! तुमलोग बाघ, सिंह,

কৃষ্ণে গোপীক পৰিহাস বুলিছা। পহু। বাঘ। সিংহ। ৰৰা।

তোমালোকে বাঘ, সিংহ, ৰৰা আদি হিংস্ৰ জন্তু পৰিপূৰ্ণ এই বনলৈ নিশা নিজৰ স্বামী, সন্তান আদিক পৰিত্যাগ কৰি কিয় আহিছা! তোমালোক এতিয়া ঘৰলৈ উলটি যোৱা'। তাকে শুনি কোনো গোপীয়ে লাজতে নাকত হাত দিছে। কোনো কোনোৱে বা একোখন হাত মেলি কৃষ্ণৰ ওচৰত কিবা প্ৰাৰ্থনা কৰিছে।

शूकर आदि हिंस्र जानवरों से भरे हुए इस वनमें रातको अपने पति, सन्तान आदिको परित्याग कर क्यों आई हो? अब तुमलोग घर लौट जाओ। इसे सुनकर कोई कोई गोपी शर्मसे नाकमें हाथ रखती है। कोई कोई फिर एक एक हाथ पसार कर कृष्णको पासमें कुछ मांग रही है।

মহাৰাজ পৰীক্ষিতে প্ৰশ্ন কৰিছে, শুকদেৱে কৈ আছে। গোপীসকলে কৃষ্ণৰ এনে নিদাৰুণ কথা শুনি দুখিত হৈ আঁঠুলৈ বহি হাতযোৰ কৰি স্তুতি কৰিবলৈ ধৰিছে। কোনো গোপীয়ে

गोपिनीगणको कृष्णकी एसी कड़ी बात सुनकर दुःख हुआ और घुटने टेककर बैठकर हाथ जोड़कर स्तुति करने लगीं। कोई कोई गोपी घुटनेके बल बैठकर दाहिना हाथ उठाकर कृष्णको

পৰীক্ষিত ৰাজা। শুকদেৱ।

গোপীসবে কৃষ্ণক স্তুতি কৰিছা।

আঠুলৈ বহি আগ হাত দাঙি কৃষ্ণক যেন তেনে নিদাৰুণ কথা কবলৈ বাধা কৰিছে। কৃষ্ণ গোপীসকলৰ মাজত বহি আগহাত তুলি যেন সেই নিষেধ কথাকেই কৈ আছে।

मानो ऐसी बेरहम बात करनेको मना कर रही है। कृष्ण गोपियोंके बीच बैठकर मानो उन्हें समझा रहे हैं।

কৃষ্ণে গোপীৰ মুখ মচিছা।

গোপীসকলৰ বিনয় বাক্যত সন্তুষ্ট হৈ ভগবান কৃষ্ণ উঠি, তেওঁলোকৰ চকুলো নিজ পদ্মহস্তেৰে মচিবলৈ ধৰিলে। গোপী-বিলাকে কৃতাঞ্জলি কৰি কৃষ্ণৰ সন্মুখত থিয় দিলে। কৃষ্ণই গোপীসকলক সম্বোধন কৰি কলে, 'যে তোমালোকৰ কামনা পূৰ্ণ কৰিম, তোমালোকৰ লগত আজি ক্ৰীড়া কৰিম। তোমালোকৰ প্ৰেম-ভক্তিত মই পৰিতুষ্ট হৈছোঁ।'

गोपियोंके विनय वचनसे संतुष्ट होकर भगवान कृष्ण उठकर उनके आसुओंको अपने कर-कमलसे पोंछने लगे। और सम्बोधन करके कहा—तुम्हारी मनोकामना पूर्ण होगी। मैं आज रात रासक्रीड़ा करूँगा। मैं तुम्हारी भक्तिसे प्रसन्न हूँ।

এই বুলি ভগবান কৃষ্ণই গোপীবিলাকক আশ্বাস দি নিজ মাহাত্ম্যেৰে কায়ব্যূহ (নানা শৰীৰ) সৃষ্টি কৰি যত গোপী তত কৃষ্ণ হৈ নৃত্য কৰিবলৈ ধৰিলে। কোনো গোপীয়ে কৃষ্ণৰ কাপোৰত

यह कहकर भगवान कृष्ण गोपियोंको आश्वासन देकर अपनी महिमासे कायव्यूह (अनेक शरीर) की सृष्टि कर जितनी गोपियाँ उतने कृष्ण होकर नृत्य करने लगे। कोई गोपी कृष्णके वस्त्रको

কৃষ্ণে গোপীসমে নৃত্য কৰিছা। গোপীৰ বস্ত্ৰ লৈছা। গোপীক পৰিহাস কৰিছা।

ধৰিছে, কৃষ্ণয়ে কোনো গোপীৰ গলত, কাৰো বা হাতত ধৰি নানা ক্ৰীড়া কৰিছে। ইফালে ওচৰতে থকা পুখুৰীত হাঁহবোৰ চৰিব ধৰিছে। পদুমবোৰ পুখুৰীৰ পানীত ওপঙি আছে।

पकड़ रही है। कृष्णजी किसी गोपीके कपोलपर तो किसीके हाथ पकड़कर नाना तरहकी क्रीड़ायें कर रहे हैं। इधर पासकी तालाबमें हंसगण केलि कर रहे हैं। कमल पानीपर खिल रहे हैं।

কৃষ্ণে গোপীৰ মুখত চুমা খাইছা। গোপী কৃষ্ণক পদসেৱা কৰিছা। কৃষ্ণে গোপীৰ গলত ধৰিছা।

শ্ৰীকৃষ্ণই কোনো কোনো প্ৰেমাসক্ত গোপীক আকোৱালি ধৰি মুখত মুখ দি চুমা খাইছে। কোনোবা গোপী আত্মহাৰা হৈ

श्रीकृष्ण किसी किसी प्रेमासक्त गोपीको आलिङ्गन कर मुँह पर मुँह रखकर चुंबन दे रहे हैं। कोई गोपी आत्महारा होकर

উলঙ্গভাৱে বহি কৃষ্ণৰ ফালে চাই আছে। কোনোবা গোপী বহি কৃষ্ণৰ পদসেৱা কৰিছে। কৃষ্ণই গোপীৰ গলত ধৰি আকোৱালি ধৰিছে। দুজনী গোপীয়ে থিয় দি কৃষ্ণৰ কঁকালৰ কাপোৰত খামোচ মাৰি ধৰিছে। কৃষ্ণই আকৌ গোপী দুজনীৰ গলত দুই হাতেৰে আকোৱালি ধৰিছে। কোনো গোপীয়ে থিয় দি হাত দাঙি কাঠৰ পুতলাৰ দৰে ৰ লাগি কৃষ্ণক চাই আছে।

कृष्णकी ओर देख रही है। कोई गोपी बैठकर कृष्ण-पदकी सेवा करती है। कृष्ण गोपीके गलेमें गलबाँही डाले हुए हैं। दो गोपियाँ खड़ी होकर कृष्णके कमरके कपड़ोंको पकड़ रही हैं। कृष्ण फिर दोनों गोपियोंके गलेमें गलबाँही डाल रहे हैं। कोई गोपी खड़ी होकर हाथ उठाकर लकड़ीके खिलौने जैसी एकटक कृष्णकी ओर देख रही है।

কৃষ্ণে মাতলে গোপী ঠেন কৰি চাইছন্ত

গোপীবিলাকৰ লগত কৃষ্ণৰ এনে ক্রীড়াসক্ত দেখি "কৃষ্ণ আমাৰ ৰূপ-গুণত বশ্য হৈছে" বুলি অভিমানে তেওঁলোকৰ মনত ঠাই ললে। দর্পহাৰী ভগবান কৃষ্ণই তাক বুজিব পাৰি দর্প চূর্ণ কৰিবলৈ তেওঁলোকৰ ফালে চাই মাতিবলৈ ধৰিলে। গোপীসকলৰ কোনো কোনো গোপীয়ে পিছফিৰি চালে; কোনোৱে আকৌ ঘূৰি নাচাই বৃন্দাবনৰ কদম্ব বনৰ সৌন্দর্য্য দর্শনৰ ভাও জুৰিলে।

गोपियोंके साथ कृष्णको ऐसे क्रीड़ासक्त देखकर "कृष्ण हमारे रूप गुणोंसे वश हो गये हैं" ऐसा अभिमान उनके मनमें उद्भव हुआ। दर्पहारी भगवान कृष्ण उसे समझकर दर्प चूर्ण करनेके लिए उनकी ओर देखकर बुलाने लगे। गोपियोंकी कोई कोई गोपी मुँह मोड़कर देखती है। किसीने फिर न ताककर वृन्दावनके कदम्ब वनके सौन्दर्यको देखनेका भान किया।

গোপী কৃষ্ণক নাপাই খেদ কৰিছা।

কৃষ্ণ-বিৰহত কাতৰা গোপীসকলঃ—ভগবান কৃষ্ণই এই দৰ্পান্ধ গোপ-যুৱতীবিলাকৰ সৌন্দৰ্য্যৰ দৰ্প চূৰ কৰি ভক্তৰ বাঞ্ছা পূৰণৰ বাবে তেতিয়াই এক গোপীক লৈ হঠাৎ অন্তৰ্হিত হল। তেতিয়া গোপীসকলে কৃষ্ণক নেদেখি আকুল হৈ কোনোৱে মুখত হাত দি, কোনোৱে আগ হাত তুলি "হে কৃষ্ণ, তুমি আমাক এৰি নাযাবা" এনে কাৰুণ্য বাক্যেৰে কোনোৱে বা অতিশয় প্ৰেমান্ধ হৈ মাটিত বাগৰি কৃষ্ণবিৰহত আতুৰ হৈ পৰিল।

कृष्णविरहमें कातर गोपियां : भगवान कृष्णने इन दर्पान्ध गोपयुवतियोंके दर्पको चूर्ण कर भक्तकी मनोकामना पूर्ण करनेके हेतु तभी एक गोपीको लेकर हठात् अन्तर्हित हुए। तब गोपियाँ कृष्णको न देखकर आकुल होकर कोई मुँहमें हाथ देकर, कोई दाहिना हाथ उठाकर "हे कृष्ण तुम हमको छोड़ कर मत जाओ" ऐसी करुण वाणीसे अत्यंत प्रेमान्ध होकर बेहोश होगई।

গোপীসকলৰ কৃষ্ণৰ শিশুলীলা অভিনয়ঃ—কৃষ্ণ বিৰহত আতুৰা গোপ-ললনাসকলে কৃষ্ণৰ ভাৱত মুগ্ধ হৈ কোনো গোপীয়ে নিজক কৃষ্ণ জ্ঞান কৰি অন্য গোপীৰ গলত ধৰি যেন আলিঙ্গনহে কৰিছে। কোনোৱে বা আগহাত পাতি কৃষ্ণত প্ৰেম মাগিছে। কোনোৱে বা আসন কৰি বহি হাতযোৰ কৰি স্তুতি কৰিছে।

गोपियोंका कृष्णकी शिशुलीलाका अभिनय : कृष्णविरहसे कातर गोपललनायें कृष्णके भावमें मुग्ध होकर कोई गोपी अपनेको कृष्ण जान कर दूसरी गोपीको पकड़कर मानो आलिंगन करती है। कोई दाहिना हाथ पसारकर कृष्णसे प्रेम भीख मांग रही है तो कोई आसनपर बैठकर हाथ जोड़कर स्तुति

গোপীসবে যমুনাতীৰত অন্যো অন্যে কৃষ্ণ ভাৱনা কৰিছা।

আৰু কোনো কোনো বা গোপীয়ে আগ হাত তুলি যেন আশ্বাস দিছে, 'যে কৃষ্ণই আমাক এৰি ক'লৈকো যাব নোৱাৰে; ভয় নকৰিবা'। এইদৰে গোপীবিলাক কৃষ্ণৰ বিৰহত নিতান্ত কাতৰ হল।

कर रही है। और कोई कोई गोपी फिर दाहिना हाथ उठाकर मानो आश्वासन देती है, कि कृष्ण हमको छोड़कर कहीं भी जा नहीं सकते, डरो मत। इसी तरह गोपियां कृष्णके विरहसे अत्यंत कातर हो रही हैं।

গোপীসকলৰ কৃষ্ণৰ অন্বেষণ:—গোপীবিলাক কৃষ্ণবিৰহত ইমান আতুৰ হৈ পৰিল যে তেওঁলোকৰ চেতনা-চেতন জ্ঞান নোহোৱা হল। তেওঁলোকে যমুনাৰ তীৰত থকা গছবোৰক সম্বোধন কৰি কলে, "হে বৃক্ষবোৰ, তোমালোক কৃষ্ণৰ প্ৰিয়, আমাৰ কৃষ্ণ কলৈ গল তোমালোকে কিবা খবৰ পোৱা নে"? এই দৰে অচেতন গছৰ ফালে লক্ষ্য কৰি সুধিবলৈ ধৰিলে—

गोपियों का कृष्ण अन्वेषण: गोपियां कृष्ण विरहसे इतनी कातर हो पड़ीं कि उनको चेतना और ज्ञान भी न रहा। वे जमुनाके तीरके पेड़ोंसे सम्बोधन करके कहने लगीं "हे वृक्ष-समूह! तुमलोग गोविन्दके प्रिय हो, हमारा कृष्ण कहां गया तुम लोगोंको कुछ पता है"? इसी तरह अचेतन पेड़ोंको उपलक्ष

গোপীসবে বৃক্ষত কৃষ্ণৰ বাৰ্ত্তা সুধিছা।

"হে ৰাজ চম্পা কৰা অনুকম্পা
তুমি পতিদান দিয়া।
শিৰীষ সেৱতী তঞি আবে গতি
গোবিন্দক দেখাই নিয়া॥"

कर पूछने लगीं—हे राजचम्पक! अनुकम्पा करो, पतिदान दो : शिरीश! शेफालिका! हमे गोविन्दको दिखाओ।

পক্ষীসবত বাৰ্ত্তা পুচিছা।

গোপীসবে হংস চকোৰাত বাৰ্ত্তা পুচিছা।

তেওঁলোকে যে কেৱল গছবোৰকেই কৃষ্ণৰ খবৰ সুধিছে এনে নহয়,—গছৰ ডালত, বননিত, আৰু পানীত যিবোৰ চৰাই আছিল, সেই চৰাইবোৰতো কৃষ্ণৰ খবৰ লৈছিল। কোনো গোপীয়েবা গছৰ গুৰিত থিয় হৈ কৃষ্ণ ভাৱত বিভোৰ হৈ "তুমি আমাৰ কৃষ্ণৰ খবৰ দিয়া, তুমি তেওঁৰ প্ৰিয়" ইত্যাদি কথা কৈ আকুল হৈছে।

वे सिर्फ पेड़ोंसिंही कृष्णकी खबर पूछ रही हैं ऐसा नहीं। पेड़की टहनियोंसे, वनसे और उन चिड़ियोंसे भी कृष्णकी खबर लीं। कोई गोपी फिर पेड़के नीचे खड़ी होकर कृष्णभावमें विभोर होकर "तुम हमारे कृष्णकी खबर दो, तुम उनके प्रिय हो" कह कर आकुल हो रही है।

তৃণাবৰ্ত হুই গোপী গোপীক হৰিছা। পূতনাৰ বেশে তন দিছা। শকট হুয়া গোপী ৰহিছা: কৃষ্ণ হুয়া চৰণে উভতাইছা। যশোদাৰ বেশে গোপীক সাৱটাইছা।

গোপীবিলাক কৃষ্ণভাবত ইমান মুগ্ধ হৈ পৰিল যে তেওঁলোকে শ্ৰীকৃষ্ণৰ শিশুলীলা নিজে নিজে কৰি আনন্দ কৰিবলৈ ধৰিলে। কোনোৱে দৈত্যবেশ ধৰি, কোনো গোপীকপ কৃষ্ণক কান্ধত তুলি ওপৰলৈ লৈ গৈছে। কোনোবা গোপী পূতনা হৈ কোনো গোপীকপ কৃষ্ণক স্তনপান কৰাইছে। কোনোবা গোপী শকটাকাৰ ধাৰণ কৰিছে,

गोपियां कृष्ण भावसे इतनी मुग्ध हो पड़ीं कि वे श्रीकृष्णकी शिशुलीला आपही आप करके आनन्द मनाने लगीं। कोई दैत्यवेश धर कर किसी गोपीरूप कृष्णको कंधेपर उठा ले जाती है। कोई गोपी पूतना होकर किसी गोपीरूप कृष्णको स्तन पिलाती है। कोई गोपी शकटका रूप धारण करती है, कोई

কোনো বা তাৰ তলত কৃষ্ণৰূপে থিয় দি আছে। কোনো বা গোপী যশোদা হৈ কোনো গোপীৰূপ কৃষ্ণক সাৰটি ধৰিছে।

তৃণাবৰ্ত্তৰ বেশে শিলাত পৰিছা। গোপী কৃষ্ণ হুইছা। যশোদা হুইছা। কৃষ্ণ হুইছা। বংশী ডাক দিছা। কৃষ্ণ দুই গোপীৰ কান্ধত হাত থৈছা।

কোনোবা গোপীৰূপ কৃষ্ণই আন গোপীৰূপ তৃণাৱৰ্ত্ত অসুৰক গলত টিপি মাৰি তাৰ ওপৰত বহিছে। কোনোবা গোপী কৃষ্ণ হৈছে আৰু কোনো গোপী যশোদা হৈ তেওঁৰ কাষত থিয় দি আছে। কোনোবা গোপী শিশুকৃষ্ণ হৈ আঠু কাঢ়ি ফুৰিবলৈ ধৰিছে। কোনোবা গোপী যশোদা হৈ কোনো গোপীৰূপ কৃষ্ণক হাতেৰে ওপৰলৈ তুলি দিগ্ দিগ্ দিছে। কোনো দুজনী গোপীয়ে পৰস্পৰে পৰস্পৰৰ হাতত ধৰাধৰি কৰি বকাসুৰৰ ভাও কৰিছে। কোনোবা গোপীয়ে কৃষ্ণৰ দৰে মধুৰ বংশী বজাইছে। কোনোবা গোপী নিজক কৃষ্ণ কৰি আন গোপীৰ কান্ধত নিজৰ বাওঁ হাত থৈ বংশীৰ ধ্বনিৰে যেন আকৃষ্ট হৈ গোপীক টানি আনিছে।

गोपी उसके नीचे कृष्ण रूपसे खड़ी है। कोई गोपी यशोदा होकर किसी गोपीरूप कृष्णको पकड़ रही है।

कोई गोपीरूप कृष्ण दूसरी गोपीरूप तृणावर्त असुरके गलेको दबाकर उसके उपर बैठी है। कोई गोपी कृष्ण बन रही है, और कोई गोपी यशोदा होकर उसके पास खड़ी है। कोई गोपी शिशु कृष्ण होकर घुटने टेककर घूमने लगी है। कोई गोपियाँ परस्पर हाथोंको पकड़कर बकासुरका अभिनय कर रही हैं। कोई गोपी कृष्णके जैसे वंशी वजा रही है। कोई गोपी अपनेको कृष्ण बनाकर दूसरी गोपीके कंधेपर बाँये हाथ रखकर वंशीकी ध्वनिसे मानो गोपियोंको आकृष्ट कर रही है।

গোপী মন্দৰ বুলি আঁচল তুলিছা। গোপী গোপী-কালিক দমিছা। অগ্নিভয় কহিছা। যশোদা হই খেদিছা। যশোদাৰ বেশে গোপীক বান্ধিছা।

কোনো গোপীয়ে নিজক কৃষ্ণ কৰি কাপোৰৰ আঁচলক মন্দৰ পৰ্বত কৰি ওপৰলৈ তুলি ধৰিছে। তাৰ তলত কোনো গোপী বহি আছে। কোনো গোপী কালি নাগ হৈ বহি আছে আৰু কোনো গোপী কৃষ্ণ ৰূপ ধাৰণ কৰি সেই গোপীৰ মূৰত উঠি তাক দমন কৰিছে। কোনো গোপীয়ে কৃষ্ণ হৈ কোনো গোপীৰূপ গোপবালকৰ আগত যেন অগ্নিৰ (বনৰ দাবানলৰ) ভয়ৰ কথা কৈছে। কোনো গোপী যশোদা হৈ কৃষ্ণক পাছে পাছে খেদিছে আৰু কোনো গোপী কৃষ্ণ হৈ আগে আগে লৰিছে। কোনো গোপীয়ে যশোদাৰ ৰূপ ধৰি গোপীৰূপ কৃষ্ণক পাই গলত বান্ধে আৰু মুখ চাই থাকে।

कोई गोपी अपनेको कृष्ण बनाकर कपड़ेकी आँचलको मन्दरका पहाड़ बनाकर ऊपर उठाती है। उसके नीचे कोई गोपी बैठी है। कोई गोपी कालीय नाग होकर बैठी है और कोई गोपी कृष्ण रूप धर कर उस गोपीके सिरपर चढ़कर उसका दमन कर रही है। कोई गोपी कृष्ण बनकर किसी गोपीरूप गोपबालकके सामने मानो अग्निके (दावाग्नि) डरकी बात कह रही है। कोई गोपी यशोदा होकर कृष्णके पीछे पीछे दौड़ रही है और कोई गोपी कृष्ण बनकर आगे आगे भाग रही है। कोई गोपी यशोदाका रूप धर कर गोपी रूप कृष्णको बाँधती है।

যশোদা-কৃষ্ণ হুইছা। ধেনু হুইছা। কৃষ্ণ হুই বংশী ডাক দিছা। ধেনুকাসুৰ হুইছা। গোপী কৃষ্ণ হুই শুতিছা। নন্দ বৰুণদূত হুইছা।

কোনোবা গোপীয়ে যশোদা হৈ আকৌ গোপীৰূপ কৃষ্ণক কোলাত লৈছে। কোনো গোপী ধেনুকাসুৰ হৈ আঠু কাঢ়ি যেন গোকুলত সোমাইছে। কোনোবা গোপী কৃষ্ণ হৈ মধুৰ বংশীধ্বনি কৰিছে। কোনো গোপী ধেনুকাসুৰ হৈছে; আৰু আন গোপীৰূপ কৃষ্ণই ভৰিত ধৰি ওপৰলৈ তাক মাৰি পঠাবলৈ উদ্যত হৈছে। কোনোবা গোপী পাত-শয্যা হৈ মাটিত পৰিছে, অন্য গোপীৰূপ কৃষ্ণই তাৰ ওপৰত শুই পৰিছে। কোনো গোপী নন্দ ৰাজৰ বেশ ধাৰণ কৰিছে আৰু তেওঁৰ কাষত অন্য এক গোপী কৃষ্ণ হৈ আঠু কাঢ়ি বহি আছে। আকৌ কোনো গোপী কৃষ্ণ হৈ হাত পাতি দাবানল পান কৰিছে।

कोई गोपी फिर यशोदा होकर गोपीरूप कृष्णको गोदमें ले रही है। कोई गोपी धेनुकासुर बनकर घुटने टेककर मानो गोकुलमें घुस रही है। कोई गोपी कृष्ण बनकर मधुर वंशीध्वनि कर रही है। कोई गोपी धेनुकासुर बन और दूसरी गोपीरूप कृष्ण पैर पकड़कर ऊपर फेंकनेका उद्यम कर रहा है। कोई गोपी पत्र-शय्या बनकर जमीन पर गिरी, दूसरी गोपीरूप कृष्ण उसके ऊपर सो रहा है। कोई गोपी नन्दराजका रूप धर रही है और दूसरी एक गोपी कृष्ण होकर उसके पास घुटनोंके बल बैठी है। फिर कोई गोपी कृष्ण होकर हाथ पसारकर दावानलका पान कर रही है।

গোপী বাৰ্ত্তা পুচিছা। বিলাপ। গোপীৰ কৃষ্ণপদ অনুসৰণ।

কোনো এক গোপী আন গোপীত আঠু লৈ হাত পাতি খবৰ সুধিছে। সেই গোপীয়ে যেন থিয় দি হাত তুলি কৃষ্ণবিৰহৰ খবৰ কৈছে। আকৌ অন্যান্য গোপীয়ে কৃষ্ণৰ ভৰিৰ খোজ হালি হালি দেখুৱাই যেন কৃষ্ণক অন্বেষণ কৰিছে।

कोई एक गोपी दूसरी गोपीके सामने घुटने टेककर हाथ पसारकर खबर पूछती है। तब गोपी मानो खड़ी होकर हाथ उठाकर कृष्ण विरहकी खबर कहती है। फिर दूसरी गोपी झुकी झुकी मानों कृष्णकी खोज रही है।

গোপীয়ে কৃষ্ণ-পদ-চিহ্ন কথা কহিছা।

যমুনাৰ তীৰৰ বালিত কৃষ্ণৰ খোজ পৰি থকা দেখি গোপী-বিলাকে ইটোৱে সিটোৰ ফালে চাই, পৰস্পৰে পৰস্পৰৰ আগত কৃষ্ণৰ পদচিহ্ন থকাৰ কথা কৰলৈ ধৰিছে।

यमुनाके तीरपर बालुमें कृष्णके पदचिह्नोंको देखकर गोपियाँ एक दूसरेकी ओर ताक कर परस्परमें बात कह रही है।

গোপী। গোপী কৃষ্ণক নেদেখি মূৰ্চ্ছিত হৈছে। গোপীৰ আগত কৃষ্ণ অন্তৰ্ধান হৈলা। কৃষ্ণ। অভিমানী গোপী।

শ্ৰীকৃষ্ণই লগত নিয়া গোপীৰ অহঙ্কাৰ অতিকে চৰি উঠা দেখি শ্ৰীকৃষ্ণ হঠাৎ অন্তৰ্দ্ধান হয়। তেতিয়া কৃষ্ণৰ বিৰহত সেই গোপী মূৰ্চ্ছিত হৈ মাটিত বাগৰি পৰিল। চিত্ৰকৰে এই গোপীৰ* ভিন ভিন অৱস্থা ইয়াত অঙ্কন কৰিছে।

* চিত্ৰকৰে এই গোপীক 'ৰাধা' বুলি অনুমান কৰিছে।

श्रीकृष्ण साथकी गोपीकी अत्यंत बढ़े हुए अहंकारको देखकर हठात् अन्तर्धान हो गये। तब कृष्णकी विरहसे गोपी मूर्च्छित होकर मिट्टीमें गिर पड़ी। चित्रकारने इस गोपीकी* भिन्न भिन्न अवस्थाओंका यहाँ अंकन किया है।

* चित्रकारने इस गोपीको 'राधा' समझा है।

গোপীসবে কৃষ্ণবাৰ্ত্তা পুছিছে।

ইয়াৰ পাছত গোপীবিলাকে কৃষ্ণ বিৰহত আকুল হৈ কৃষ্ণক বিচাৰি ফুৰোঁতে সেই গোপীক লগ পাইছে আৰু তেওঁত কৃষ্ণৰ খবৰ সুধিছে। কৃষ্ণৰ সহিত যোৱা গোপী বহি আছে। আন গোপী-বিলাকৰ কোনোৱে আগ হাত পাতি, কোনোৱে বা হাত দাঙি কৃষ্ণৰ খবৰ লৈছে।

गोपियाँ कृष्ण विरहमें आकुल होकर कृष्णको ढूँढ़ते ढूँढ़ते उस गोपीसे मिलीं और पूछ रही हैं। कृष्णके साथ गयी गोपी बैठी है।

যমুনাৰ বালিত কৃষ্ণৰ গুণ বৰ্ণাইছে।

ইয়াৰ পিছত গোপীসকলে সেই অন্ধকাৰ ৰাতিত ঘৰলৈ নাভাবি কৃষ্ণবিৰহানলত দেই পুৰি যমুনাৰ বালিত বহি কৃষ্ণময় প্ৰাণ হৈ হাতযোৰ কৰি কৃষ্ণৰ গুণ গাই গাই ধ্যান কৰিবলৈ আৰম্ভ কৰিলে।

गोपियाँ उस अंधेरी रातमें भी घरकी चिन्ता न करके कृष्ण-विरहानलमें जलती जमुनाके बालुमें बैठी कृष्ण ध्यानमें ही निमग्न हो रही हैं।

তাৰ পাছত ভক্তবৎসল ভগবান দৈৱকী নন্দনে গোপীবিলাকৰ তেনে দুখ দেখি আৰু ঐকান্তিক প্ৰেম দেখি সন্তুষ্ট হৈ হঠাৎ

भक्तवत्सल भगवान देवकी नन्दन गोपियोंकी ऐसी अवस्था और ऐकान्तिक प्रेम देख कर संतुष्ट हो हठात् गोपियोंके बीच हाथ पर

কৃষ্ণ গোপীৰ মধ্যত বেকত হৈছা।

গোপীবিলাকৰ মাজত হাতত বংশী লৈ ত্ৰিভঙ্গ মূৰ্ত্তিত আবিভূৰ্ত হল। তেতিয়া গোপীবিলাকে পৰমানন্দ লাভ কৰি বহি কৰযোৰে স্তুতি কৰিবলৈ ধৰিলে।

बंसी लेकर त्रिभंग मूर्तिसे आविर्भूत हुए। तब गोपियाँ परमानन्द पाकर हाथ जोड़कर स्तुति करने लगीं।

কৃষ্ণক পাই গোপীসবে উন্মত্তভাৱে ধৰিছা।

হঠাৎ শ্ৰীকৃষ্ণক ত্ৰিভঙ্গ মূৰ্ত্তিত আবিৰ্ভাৱ হোৱা দেখি মৰা মানুহে জীৱ পোৱাৰ দৰে হৈ কোনো গোপীয়ে কৃষ্ণৰ ওচৰলৈ লৰি গৈ হাত মেলি কিবা প্ৰাৰ্থনা কৰিছে; কোনোবা গোপীয়ে কিবা খাদ্য হাতত লৈ কৃষ্ণক যাচিছে। কোনোবা গোপীয়ে কৃষ্ণৰ চৰণত দীঘল দি পৰিছে। কোনোবা গোপীয়ে কৃষ্ণক আথেবেথে সাৱোট মাৰি ধৰিছে। ভগবান কৃষ্ণয়ো কোনো গোপীৰ মাজত থিয় হৈ ত্ৰিভঙ্গ মূৰ্ত্তিৰে বংশী বজাইছে। কাকো বা মূৰত ধৰি আশ্বাস দিছে; আৰু কাৰো গলত সাৱোটমাৰি ধৰি আলিঙ্গন দি যথাযোগ্য ভাৱে সকলোকে সন্তুষ্ট কৰিছে।

नाना भावोंसे भगवान्‌की गोपियाँ अपने भगवानको खिला रही हैं और उनके प्यारे चितचोर भी उन्हीं के बीच अपनी मोहककछटा बिखेरते हुए वंशी बजा उन्हें विभोर कर रहे हैं।

পক্ষীগণে জলক্ৰীড়া কৰিছে। কৃষ্ণ। গোপী।

কোনোবা গোপী প্ৰেমমুগ্ধ হৈ কৃষ্ণৰ ওচৰলৈ গৈ কৃষ্ণৰ হাত টানি আনি নিজৰ গালৰ ওপৰত দি গা ঘঁহিয়াই বহি গৈছে। কোনো গোপবালাই বহি নিজৰ কোলাত কৃষ্ণৰ ভৰি তুলি পদসেৱা কৰিছে। কোনো গোপীয়ে ফুলৰ মালা গাঁথি শ্ৰীকৃষ্ণৰ মূৰত দিছে। আৰু কোনো গোপৰমণীয়ে বহি কোলাত কৃষ্ণৰ চৰণ লৈ আগ হাত তুলি কপালত ফোট দিব ধৰিছে। কৃষ্ণয়ো কোনো গোপ-কুমাৰীক মুখ দাঙি আদৰ কৰিছে। আন ফালে যমুনাৰ তীৰৰ গছত নানা চৰাই পৰি আনন্দ কৰিছে আৰু জলচৰ পক্ষীবোৰে জলক্ৰীড়া কৰিব ধৰিছে।

कोई गोपी प्रेममुग्ध होकर कृष्णके हाथको खींचकर अपने कपोलपर रखकर बैठी है। कोई गोपबाला अपनी गोदमें कृष्णका पाँव रखकर पदसेवा कर रही है। कोई गोपी फूलोंकी माला गंथकर श्रीकृष्णको पहना रही हैं। और कोई गोपरमणी दाहिना हाथ उठाकर मस्तकपर तिलक कर रही है। कृष्णभी किसी गोपकुमारीको मुँह उठवाकर आदर कर रहे हैं। उधर जमुनाके तीरके पेड़ोंपर चिड़ियां बैठकर आनन्द कर रही हैं और जलचर पंछीगण जलक्रीड़ा कर रहे हैं।

হংস।   গোপী।   কৃষ্ণ।   কদম্ব।

কৃষ্ণক পাই গোপীবিলাক অতি বিহ্বল হৈ কৃষ্ণত মন মজাই সেই হংসাদি পখী, কদম্ব আদি তৰু লতা আদিৰে সুশোভিত যমুনাৰ পাৰত বহি আনন্দত মগ্ন হৈ পৰিছে। কোনো গোপীয়ে কৃষ্ণৰ হাতত ধৰিছে। কোনোৱে বা কঁকালত সাৱটি মাৰি ধৰিছে আৰু কোনোৱে বা কৃষ্ণৰ ওচৰত বহি হাতযোৰ কৰি স্তুতি কৰিব ধৰিছে।

तरुलताओंसे सुशोभित उस यमुनाके तीरपर अपने प्रिय सखाके सान्निध्यमें गोपललनायें कृष्णासक्त बनी भगवानके आलिंगन, सेवा और स्तुतिमें अपनेको कृतार्थ कर रही हैं।

ৰাস।

ভগবান কৃষ্ণই গোপীবিলাকক সান্ত্বনা কৰি কলে, 'যে তোমালোকৰ মনৰ আশা শৰৎকালৰ পূৰ্ণিমা ৰাতিত পূৰণ কৰিম'। সেই অনুসাৰে ভগবান কৃষ্ণই ৰাসক্ৰীড়া আৰম্ভ কৰিলে; যত গোপী তত কৃষ্ণ হৈ গোপীসকলৰ লগত নানাপ্ৰকাৰ ৰাসক্ৰীড়া আৰম্ভ কৰিলে। কৃষ্ণই কোনো গোপীৰ গলত ধৰি, কাৰো হাতত ধৰি, কাৰো মুখত চুমা দি ইত্যাদি নানাভাৱে ৰতিক্ৰীড়াৰ দ্বাৰা গোপীৰ মন তুষিবলৈ প্ৰবৃত্ত হল।

भगवान कृष्णने गोपियोंको आश्वासन देकर कहा आज शरत्-पूर्णिमाको तुम्हारी मनोकामना पूर्ण होगी। कहकर भगवान कृष्णने रासक्रीड़ाका प्रारंभ किया, जितनी गोपियाँ उतने कृष्ण होकर गोपियोंके साथ नाना प्रकारकी रासक्रीड़ा होने लगी। कृष्ण किसी गोपीके गलेमें गलबाँही डालकर, किसीके हाथ पकड़कर, किसीको चुम्बन देकर आदि नाना भावसे रति क्रीड़ाओंके द्वारा गोपी मनको प्रसन्न करने लगे।

ৰাস।

কৃষ্ণপ্ৰেমত মজি গোপীসকল আত্মহাৰা হৈ কোনো কোনোৱে শ্ৰীকৃষ্ণৰ ওচৰত গা হলাই দিলে। শ্ৰীকৃষ্ণই কাৰো কান্ধত ধৰিলে, কাৰো আচল দাঙি দিলে, কাৰো বা গলত বাওঁ হাত দি আলিঙ্গন কৰিলে। কোনো কোনো গোপীয়ে শ্ৰীকৃষ্ণৰ গলে কঁকালে সাৱটি মাৰি ধৰিলে। কোনো গোপীয়ে শ্ৰীকৃষ্ণৰ উত্তৰীয় বস্ত্ৰ টানিলে। কোনোৱে বা মালা পিন্ধাবলৈ মন কৰিলে।

कृष्णप्रेममें डूबकर गोपियाँ आत्महारा होकर क्रीड़ा कर रही हैं। श्रीकृष्णने किसीका कंधा पकड़ा, किसीका आँचल उठा दिया, तो किसीके गलेपर बाँया हाथ रखकर आलिंगन किया। कोई कोई गोपी श्रीकृष्णके गलेमें कमरमें जकड़कर पकड़ रही है। किसी गोपीने श्रीकृष्णके उत्तरीय वस्त्रको खींचा तो कोई माला

কোনো কোনো সময়ত শ্ৰীকৃষ্ণ থিয় দি থাকিল, কেতিয়াবা ত্ৰিভঙ্গ মূৰ্ত্তি ধৰি গোপীক স্পৰ্শ কৰিলে। কেতিয়াবা কেতিয়াবা শ্ৰীকৃষ্ণৰ দুই ফালে দুই গোপী কৃষ্ণৰ হাতে কান্ধে ধৰি আলিঙ্গন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

पड़ना रहा है। भगवान् अपनीही क्रीड़ाकी आपही कभी कभी रुक रुक कर देखते हैं।



কৃষ্ণে মহাৰাস ক্ৰীড়া কৰিছা।

ভগবান শ্ৰীকৃষ্ণই গোপাঙ্গনাসকলক আনন্দ দিবলৈ তেওঁ-লোকক যমুনাৰ বালিত চক্ৰাকাৰে শাৰী কৰিলে আৰু নিজ মায়াবলে নানা শৰীৰ হৈ প্ৰতিটো গোপীৰ লগত এজোকন কৃষ্ণ হৈ নানা ভঙ্গিৰে ৰাসক্ৰীড়া আৰম্ভ কৰিলে।

भगवान श्रीकृष्ण गोपांगनाओंकी आनन्द देनेके लिए उनको जमुनाके बालुमें गोलाकारकी पंक्ति बनवाइ : और अपने मायाबलसे नाना शरीर होकर हर गोपीके साथ एक एक कृष्ण होकर नाना भंगियोंसे रास क्रीड़ा आरंभ करते हैं।

দেৱতাগণ। অপেস্বৰা গন্ধৰ্ব। বিদ্যাধৰ। অপেস্বৰা।

কৃষ্ণ-গোপী।

ভগবান দেৱকীনন্দনৰ এনে অপূৰ্ব মনোহৰ ৰাসক্ৰীড়া দেখি আনন্দিত হৈ দেৱতাবিলাক সস্ত্ৰীক শূন্যমাৰ্গত বহি ৰ লাগি চাই ৰল। অপ্সৰাসকলে নানা ভঙ্গিত হাত তুলি নৃত্য কৰিবলৈ ধৰিলে আৰু গন্ধৰ্ব বিদ্যাধৰবিলাকে খোল তাল লৈ গীত ধৰিলে।

भगवान देवकीनन्दनकी ऐसी अपूर्व मनोहर रासक्रीड़ा देखकर आनन्दित होकर देवतागण सस्त्रीक शून्यमार्गमें बैठकर एक टक ताक रहे हैं। अप्सरायें नाना भंगिमाओंसे हाथ उठाकर नृत्य करने लगीं और गंधर्व विद्याधरगण खोल ताल लेकर गीत गाने लगे।

কৃষ্ণে গোপীক উৰুত বৈসাইছা।

ৰাসোৎসৱত শ্ৰীকৃষ্ণৰ লগত নানা ৰতিক্ৰীড়াত গোপীবিলাক ভাগৰি পৰিল। তেতিয়া শ্ৰীকৃষ্ণই কোনো গোপীৰ গলত ধৰি, কাকো কোলাত লৈ, কাকো বা উৰুত বহুৱাই, কাকো বা কোলাত শুৱাই, কাকো বা চন্দন আদিৰ অনুলেপন দি, নিজ পদ্মহস্তেৰে শ্ৰম দূৰ কৰিলে।

रासोत्सवमें श्रीकृष्णके साथ नाना रति क्रीड़ाओंसे गोपियां थक गईं। तब श्रीकृष्णने किसी गोपीके गलेमें पकड़कर, किसीको गोदमें लेकर, तो किसीको जांघपर बैठाकर, किसीको गोदमें सुलाकर, किसीको चन्दन आदिके अनुलेपन देकर अपने पद्महस्तसे सबका श्रम दूर किया।

কৃষ্ণে গোপীসমে ক্ৰীড়া কৰিছা।

শ্ৰীকৃষ্ণৰ হাতৰ স্পৰ্শ পাই গোপীবিলাক সুস্থ হৈ পুনৰ ক্ৰীড়া কৰিবলৈ আৰম্ভ কৰিলে। কোনো গোপী ভঙ্গি কৰি থিয় দি থাকিল। কোনোৱেবা নিজৰ বাওঁহাতেৰে কৃষ্ণৰ বাওঁহাতত ধৰি আগহাতেৰে কৃষ্ণৰ মুখ তুলি ধৰিলে। কোনো গোপীয়ে কৃষ্ণৰ আগহাত নিজৰ কান্ধত তুলি ললে। কোনোৱে আকৌ কৃষ্ণৰ কান্ধত নিজৰ হাত তুলি দিলে। কোনো প্ৰেমান্ধ গোপীয়ে কৃষ্ণক আকোৱালি ধৰি তেওঁৰ মুখত মুখ লগাই দিলে আৰু কোনোবা গোপীয়ে চমৎকৃত হৈ হাত ভৰি মেলি কাঠৰ পুতুলাৰ দৰে থিয় দি ৰল।

श्रीकृष्णके स्पर्शसे गोपियां स्वस्थ होकर फिर क्रीड़ा करने लगीं। कोई गोपी भान करके खड़ी रही। कोई अपने बांये हाथसे कृष्णके बांये हाथ पकड़कर दाहिने हाथसे कृष्णकी मुँहको उठा लिया। कोई गोपी कृष्णके दाहिने हाथको अपने कंधेपर उठा लेती है। कोई फिर कृष्णके कंधेपर अपना हाथ उठा लेती है। कोई प्रेमान्ध गोपी कृष्णको पकड़कर कृष्णके मुँहसे मुँह लगा दिया और कोई गोपी चमत्कृत होकर हाथ पैर फैलाकर लकड़ीके खिलौने जैसे खड़ी रही।

কৃষ্ণে গোপীগণ সমে নানা ভঙ্গি কৰি ক্ৰীড়িছা।

গোপীসকলে শ্ৰীকৃষ্ণৰ লগত এইদৰে ক্ৰীড়া কৰা দেখি, ক্ৰীড়া-দৰ্শনৰ বাবে অহা দেৱাঙ্গনাবিলাকে গোপীসকলৰ সৌন্দৰ্য্য আৰু সৌভাগ্যৰ প্ৰশংসা কৰিব ধৰিলে আৰু নিজক নিতান্ত অভাগী ভাবি বিমৰ্ষভাবে মূৰে কপালে হাত দি বিমৰ্ষ হৈ পৰিল। এই

गोपियोंको श्रीकृष्णके साथ इसी तरह क्रीड़ा करते देखकर क्रीड़ा दर्शनके लिए आई हुई देवांगनायें गोपियोंके सौन्दर्य और सौभाग्यकी तारीफ करने लगीं और अपनेको निहायतही भाग्यहीन समझकर, विमर्ष भावसे सिरपर कपालपर हाथ रखकर विमर्ष

দেৱাঙ্গনা। ইন্দ্ৰ। পৱন।

সময়ত ইন্দ্ৰ উচ্চৈশ্ৰবা ঘোঁৰাত আৰু পৱন নিজৰ হৰিণ বাহনত উঠি আহিছিল।

ची पड़ीं। इस समय इन्द्र उच्चैःश्रवा घोड़ेपर और पवन अपनी हिरनकी सवारीपर विराजमान थे।

কৃষ্ণে গোপীগণ সহিতে জলক্ৰীড়া কৰিছন্ত।

দৈৱকীনন্দন শ্ৰীকৃষ্ণই এইদৰে গোপীবিলাকৰ সৈতে স্থলক্ৰীড়া শেষ কৰি জল-ক্ৰীড়া আৰম্ভ কৰিলে। কোনো গোপী কৃষ্ণৰ ওচৰত সাঁতোৰ মেলিছে। কোনো গোপীক বা পানীত চুব মাৰি ধৰিছে। কেতিয়াবা কৃষ্ণই সাঁতোৰ মেলিছে কেতিয়াবা কেতিয়াবা হাত আঞ্জলি কৰি গোপীসকলৰ সৈতে পানী সিচা-সিঁচি কৰিছে।

दैवकीनन्दन श्रीकृष्णने इस तरह गोपियोंके साथ स्थल क्रीड़ा समाप्त कर जलक्रीड़ा शुरू की। कोई गोपी कृष्णके पास तैरती है। कभी कृष्ण तैरते हैं। कभी कभी हाथोंकी अंजलिसे एक दूसरे पर पानी उलाच रहे हैं।

কৃষ্ণ জল ক্ৰীড়া কৰিছন্ত।

ভগবান কৃষ্ণই যমুনাত নামি এইদৰে জল-ক্ৰীড় কৰিছে। তেওঁ কোনো কোনো গোপীৰ গাত পানী চতিয়াইছে। কাৰো বা হাতে গলে আকোৱালি ধৰিছে। গোপীবিলাকৰ কোনোৱে বা কৃষ্ণৰ কঁকালত ধৰিছে, কোনোৱে বা হাতত ধৰিছে তাক কোনোৱে বা আঁজলি কৰি পানী চতিয়াই দিছে। ইফালে দেৱনাৰী-

भगवान कृष्ण जमुनामें जलक्रीड़ा कर रहे हैं। किसी गोपीके बदन पर पानी छिड़कते है, किसीके हाथों गले जकड़ते हैं। गोपियोंमेंसे कोई कृष्णकी कमरको पकड़ रही है, तो कोई हाथ पकड़ रही है और कोई अंजलिसे पानी छिड़क रही है। इधर देवनारियां आसमानपर बैठकर वीणा बजाकर गाना

দেৱনাৰী। দেৱতাগণ। সিদ্ধ।

সকলে আকাশত বহি বীণা বজাই গান গাইছে। দেৱতাবিলাকে পুষ্পবৃষ্টি কৰিছে ; আৰু সিদ্ধবিলাকে হাত দাঙি নৃত্য কৰিছে।

गा रहीं हैं। देवतागण पुष्पवृष्टि कर रहे हैं और सिद्धगण हाथ उठाकर नृत्य कर रहे हैं।

গোপী কৃষ্ণক পুষ্প পিন্ধাইছা।

শ্ৰীকৃষ্ণই এইদৰে জল-ক্ৰীড়া শেষ কৰি যমুনাৰ পুলিনত বহিল। সেই সময়ত কোনো গোপীয়ে কৃষ্ণক বিচনীৰে বিচিছে। কোনোৱে বা কৃষ্ণৰ হাতত অলঙ্কাৰ পিন্ধাইছে। কোনোৱে বা চোৰৰ ঢুলাইছে ; আৰু কোনোৱে বা সুগন্ধি ফুলৰ মালা গাঁথি কৃষ্ণৰ মূৰত দিব ধৰিছে।

श्रीकृष्ण इस तरह जलक्रीड़ा समाप्त कर जमुनाके पुलिनमें आ बैठे। उस समय कोई गोपी कृष्णको पंखासे हवा कर रही है। कोई कृष्णके हाथपर जेवर पहना रही है। कोई चँवर डुला रही है और कोई सुगंध फलोंकी माला गुँथ कर पहिना रही है।



ৰাজা পৰীক্ষিত। শুকদেৱ।

ভগবান কৃষ্ণই এইদৰে ক্ৰীড়া শেষ কৰিলে। মহাৰাজ পৰীক্ষিতে শুকদেৱৰ ওচৰত হাতযোৰ কৰি এইবোৰ কথা সুধিছে আৰু শুকদেৱে পৰীক্ষিতৰ আগত কৈছে। কৃষ্ণৰ সৈতে সমস্ত ৰজনী এইদৰে গোপীসকলে ক্ৰীড়া কৰি আছে, তথাপি কৃষ্ণ-মায়াত তেওঁলোকৰ স্বামীবিলাকে একোকে জানিব পৰা নাই। তেওঁলোকৰ

भगवान कृष्णने इस तरह क्रीड़ा समाप्त की। महाराजा परीक्षित शुकदेवके पास हाथ जोड़कर ये बातें पूछ रहे हैं और शुकदेव परीक्षितके सामने कह रहे हैं। कृष्णके साथ सारी रात इसी तरह गोपियाँ क्रीड़ा कर रही हैं, तो भी कृष्णकी मायासे उनके स्वामी इसे नहीं जान सके। उनके पासही अपनी अपनी

গোপসবে হাত বুলাই দেখে কাছতে আছে নিজজায়া। ৰাজা পৰীক্ষিত। শুকদেৱ। যশোদা দেখন্ত কৃষ্ণ শয্যাতে শুতিছা।

শুচৰতে নিজ নিজ ভাৰ্য্যাবিলাক আগৰদৰে শুই থকা পাইছে। দেবী যশোদায়ো দেখিলে, যে কৃষ্ণ আগৰদৰে নিজৰ কাষতে শুই আছে।

भार्याओंकी पहले जैसी मोती हुई देखी। देवी यशोदाजिभी देखा कि कृष्ण पहले जैसे अपने पालने मो पड़े हैं।

গোপীসবে কৃষ্ণসমে ক্ৰীড়িছা। কৃষ্ণে বৃন্দাবনে বংশী ডাক দিছা। গোপী গৃহত চলিল। গৃহত গোপী কৃষ্ণক চিন্তিছা।

কৃষ্ণই ত্ৰিভঙ্গ মূৰ্ত্তি ধৰি বংশীধ্বনি কৰিছে। দুজনী গোপী কৃষ্ণৰ দুয়ো কাষত থিয় দি আছে। তাৰ পাছত কৃষ্ণ বহি গোপীসকলক প্ৰবোধ দি ঘৰলৈ যাবলৈ কলে। গোপীবিলাকো উদাস মনে ঘৰলৈ উভতি গল আৰু ঘৰত গৈ কোনো গোপী নাকত হাত দি, কোনো গোপী বা বুকত হাত বান্ধি মনে মনে কৃষ্ণক ধ্যান কৰিবলৈ ধৰিলে।

कृष्ण वंशीध्वनि कर रहे हैं। दो गोपियाँ कृष्णकी दोनों तरफ खड़ी हैं। उसके बाद कृष्णने बैठकर गोपियोंको प्रबोध देकर घर जाने कहा। गोपियाँ भी उदास मनसे घर लौट गयीं और घर जाकर कोई गोपी नाकपर हाथ रखकर, कोई गोपी छातीपर हाथ बाँधकर मन ही मन कृष्णका ध्यान करने लगीं।

অম্বিকাদেৱী। শঙ্কৰ। গোপগণে শঙ্কৰ সহিতে অম্বিকাদেৱী পূজিছা।

সুদৰ্শন বিদ্যাধৰৰ শাপমুক্তি:—ইয়াৰ পাচত এদিন নন্দ আদি গোপবিলাকে মহাদেৱৰ সৈতে দেৱী অম্বিকাৰ পূজা পাতিছে। অষ্টভূজা দেৱীৰ মূৰ্ত্তি কৰি দেৱীৰ ওচৰতে ত্ৰিশূল আৰু ডমৰু হাতত লৈ থকা মহাদেৱৰো মূৰ্ত্তি কৰিছে। বিবিধ নৈবেদ্য, ধূপ, দীপ, গন্ধ, পুষ্প দি আঠুকাঢ়ি হাতযোৰ কৰি নন্দ,

सुदर्शन विद्याधरकी शापमुक्ति : एकदिन नन्द आदि ग्वालगण महादेवके साथ देवी अम्बिकाकी पूजा कर रहे हैं। अष्टभुजा देवीकी मूर्ति बनाकर देवीके पास त्रिशूल और डमरू हाथमें लिए हुए महादेवकी भी मूर्ति बनाई। विविध नैवेद्य, धूप, दीप, गंध, पुष्पादिसे पूजन कर, हाथ जोड़कर नन्द, कृष्ण, बलभद्र

কৃষ্ণ, বলভদ্ৰ আৰু সুদাম আদি গোপবিলাকে নিজৰ কল্যাণৰ অৰ্থে দেৱীক স্তুতি কৰিছে ।

और सुदाम आदि गोपगण अपने कल्याणके लिए देवीकी स्तुति कर रहे हैं ।



বিপ্ৰক দান দিছা। উপবাস প্ৰয়াসত গোপগণ শাৰী শাৰী শুইছা।

পূজা শেষ হলত বিশিষ্ট ব্ৰাহ্মণক নিমন্ত্ৰণ কৰি খুৱাইছে আৰু গো দান কৰিছে। কোনো ব্ৰাহ্মণে গৰু ঘৰলৈ খেদি নিব ধৰিছে ; উপবাসত শ্ৰান্ত হোৱা নন্দ আদি গোপসকলে শাৰী শাৰী হৈ শুই পৰিছে।

पूजा समाप्त होनेपर विशिष्ट ब्राह्मणोंको बुलाकर भोजन करा रहे हैं और गौदान कर रहे हैं। ब्राह्मण गौ हाँक कर घर ले जा रहे हैं, तो कोई आसनपर बैठ कर भोजन कर रहे हैं। उपवाससे श्रान्त नन्द आदि गोपगण सो रहे हैं।

এইদৰে শুই থাকোঁতে হঠাৎ ক'ৰবাৰ পৰা প্ৰকাণ্ড অজগৰ এটা আহি নন্দক কঁকাললৈ গিলি পেলালে। নন্দই সাৰ পাই আৰ্ত্তস্বৰে কৃষ্ণক নাম কাঢ়ি মাতিবলৈ ধৰিলে। কোনো এক

इस तरहसे सोते रहनेके समय हठात् कहींसे एक प्रकांड अजगर साँप आकर नन्दको कमर तक निगल जाता है। नन्द जागकर आर्तस्वरसे कृष्णका नाम लेकर पुकारने लगे। किसी एक

শ্ৰীদাম। বলভদ্ৰ। কৃষ্ণ। গোপগণে জেং-জ্বালি পুৰিছে। নন্দক অজগৰে গিলিছে।

গোপে অজগৰৰ মুখত এডাল লৰু সুমাই দিলে। নন্দৰ চীৎকাৰ শুনি হাতত লৰু লৈ কৃষ্ণ, বলৰাম আৰু সুদাম আদি লৰি আহি উপস্থিত হ'লহি।

গ্বালোঁনে অজগরকো মুহমেঁ এক ডণ্ডা ঘুসেড় দিয়া। নন্দজী চিল্লাহট সুনকর হাথোঁমেঁ ডংডা লেকর কৃষ্ণ, বলরাম ঔর সুদাম আদি দৌড়কর আয়ে।

ভগবান কৃষ্ণ লৰি আহি অজগৰৰ মৰত ভৰি দিয়া মাত্ৰেই অজগৰে সাপৰূপ এৰি দিব্য গন্ধৰ্বৰূপ ধাৰণ কৰিলে আৰু হাত-যোৰ কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। পিছত কৃষ্ণৰ আদেশ-

ভগবান কৃষ্ণ আকর অজগরকে সিরপর পৈর রখতেহী অজগরনে সাঁপকা রূপ ছোড়কর দিব্য গংধৰ্বকা রূপ ধারণ কর লিয়া ঔর হাথ জোড়কর কৃষ্ণকী স্তুতি করনে লগা। কৃষ্ণকী আদেশানুসার

শ্ৰীদাম। বলভদ্ৰ। নন্দ। শ্ৰীকৃষ্ণ। অজগৰে দিব্য গন্ধৰ্ব-ৰূপ ধৰিছা।

মতে সেই গন্ধৰ্ব পুনৰ স্বৰ্গ লৈ গল। বসুদেৱ, বলভদ্ৰ আৰু নন্দ আদিয়ে এই আচৰিত ঘটনা দেখি তধা লাগি চাই বল।

गंधर्व स्वर्गमें चला गया। वसुदेव, बलभद्र और नन्द आदि इस अजीब घटनाको एकटक निहार रहे हैं।

গোপগণে ব্ৰজক যান্ত। নন্দ। কৃষ্ণ। বলভদ্ৰ। গোপগণ। ৰাজা পৰীক্ষিত। শুকদেৱ

নন্দ আদি গোপসকলে এইদৰে অম্বিকাদেৱীৰ পূজা-ব্ৰত শেষ কৰি ব্ৰজলৈ উভতি আহিল ব্ৰজৰাজ নন্দ গৰুৰ গাড়ীত উঠি কৃষ্ণ

नन्द आदि ग्वालगण इसी तरह अम्बिका देवीकी पूजा-व्रत समाप्त करके व्रज लौट आये। व्रजराज नन्द बैलगाड़ी पर चढ़कर

আৰু বলৰামৰ সৈতে ব্ৰজলৈ গল। অন্যান্য গোপবিলাকো কান্ধত বাওঁহাতেৰে লৰু লৈ খোজকাঢ়ি যাবলৈ ধৰিলে। ৰজা পৰীক্ষিতৰ আগত এইবোৰ কথা শুকদেৱে আসনত বহি কৈছে; আৰু পৰীক্ষিতে হাতযোৰ কৰি শুনিব ধৰিছে।

कृष्ण और बलरामके साथ व्रज गये। दूसरे ग्वालगणभी कंधेपर गायें हाथमें डंडा लेकर पैदल जाने लगे। राजा परीक्षितके सामने ये बातें शुकदेव महाराज कह रहे हैं और परीक्षित हाथ जोड़कर सुन रहे हैं।

মৃগ। কৃষ্ণ। ৰাম। গোপীসব। শঙ্খচূড়।

শঙ্খচূড় বধ:—ইয়াৰ পিছত এদিন ভগৱান কৃষ্ণ সুগন্ধ চন্দনাদিৰে অলঙ্কৃত হৈ বলভদ্ৰৰ সৈতে সেই মনোহৰ গোকুলত বসনে ভূষণে বিভূষিত গোপীসকলৰ সৈতে ক্ৰীড়া কৰি আছে। কৃষ্ণ আৰু বলৰামে ত্ৰিভঙ্গ মোহন মূৰ্ত্তি ধৰি বাঁহী বজাইছে। গোপ-ৰমণীসকলেও সেই বাঁহীৰ সুৰত মতলীয়া হৈ যেন নৃত্যহে কৰি আছে। হেন সময়তে গোপীবিলাকৰ পিছফালৰ পৰা ঘোৰ কৃষ্ণবৰ্ণ বিকটাকাৰ শঙ্খচূড় নামে এটা অসুৰে আগহাতত এপাত

शंखचूड़ वध : इसके बाद एकदिन भगवान कृष्ण सुगंध चन्दनादिसे अलंकृत होकर बलभद्रके साथ उस मनोहर गोकुलमें वसन-भूषणसे विभूषित गोपियोंके साथ क्रीड़ा कर रहे थे। कृष्ण और बलराम त्रिभंग मोहन मूर्ति लेकर वंशी बजा रहे हैं। गोपरमणियाँभी उस वंशीके सुरमें बावली होकर नाच रही हैं। इसी समय गोपियोंके पीछेसे घोर कृष्णवर्ण विकटाकार शंखचूड़ नामका एक असुर दाहिने हाथमें एक त्रिशूल लेकर गोपियोंके

ত্ৰিশূল লৈ লৰি গোপীসকলৰ ওচৰ পালেহি। অসুৰৰ ভৰিৰ শব্দ শুনি এজনী গোপীয়ে পিছ ফিৰি চাই অসুৰক দেখি আচৰিত হল।

पास आ गया। असुरके पैरोंकी आवाज सुनकर एक गोपी मुँह मोड़कर ताककर असुरको देखकर अचरजमें आगई।

গোপীসব। বাম কৃষ্ণে বৃক্ষ উচাই পাছত খেদিছা। শঙ্খচূড়ে গোপীক হৰিলে।

অসুৰ শঙ্খচূড়ে তৎক্ষণাৎ এজনী গোপীক কোলাত লৈ বেগাই যাবলৈ ধৰিলে। তাকে দেখি কৃষ্ণ-বলৰামে একোডাল গছ উভাৰি দুয়ো হাতেৰে ধৰি শঙ্খচূড়ক মাৰিবলৈ পাছে পাছে খেদা দিলে। আন আন গোপীবিলাকে ভয়ত আতুৰ হৈ কৃষ্ণ-বলৰামৰ পাছত যাবলৈ ধৰিলে।

असुर शंखचूड़ झट एक गोपीको गोदमें लेकर तेजीसे जाने लगा। उसे देखकर कृष्ण बलराम एक एक पेड़ उखाड़कर शंखचूड़को मारनेके लिए पीछे पीछे दौड़े। दूसरी गोपियां डरसे आतुर होकर कृष्ण बलरामके पीछे पीछे जाने लगीं।

কৃষ্ণ-বলৰামৰ খেদাত শঙ্খচূড়ে গোপীক এৰি লৰ দিলে। ভগবান কৃষ্ণই ভয়াতুৰ গোপ-ৰমণীসকলক ৰাখিবলৈ বলৰামক থৈ নিজে শঙ্খচূড়ক পিছে পিছে খেদা দিলে। শঙ্খচূড় কৃষ্ণৰ আগে

कृष्ण, बलरामको आते देख शंखचूड़ गोपीको छोड़कर भागा। भगवान कृष्ण भयातुर गोपरमणियोंकी रक्षाके लिए बलरामको छोड़कर खुद शंखचूड़के पीछे दौड़ने लगे। शंखचूड़ कृष्णके आगे

গোপীক ৰাখি তথাতে ৰাম ৰহিলা। কৃষ্ণে একলে যক্ষক খেদন্ত।

আগে লৰি যাবলৈ ধৰিলে। বলৰামে কৃষ্ণৰ কথা মতে আগহাত তুলি গোপীসকলক নিৰ্ভয় দিলে। সেই সময়ত গোপীবিলাকে হাত তুলি যেন ৰাম-কৃষ্ণৰ ওচৰত নিজক ৰক্ষাৰহে প্ৰাৰ্থনা কৰিছে।

आगे भागने लगा। कृष्णकी बात मानकर बलरामने दाहिना हाथ उठाकर गोपियोंको निर्भय दिया। उस समय गोपियाँ हाथ उठाकर मानो राम कृष्णके पास अपनी रक्षाके लिए प्रार्थना कर रही हैं।

গোপী কৃষ্ণৰ হাত আগুছা কোলাত বৈসাই। ৰামৰ হাতত কৃষ্ণে মণি দিছা। শঙ্খচূড়ৰ প্ৰাণ গল।

কৃষ্ণই শঙ্খচূড়ক মাৰি পেলালে। অসুৰ দাঁত নিকতাই দীঘল দি মাটিত পৰি থাকিল। অসুৰৰ মূৰত এটা মণি আছিল; কৃষ্ণই মণিটো আনি বলদেৱৰ হাতত দিলে। শঙ্খচূড়ক মড়া শুনি গোপীসকল আনন্দত আত্মহাৰা হল। তেওঁলোকে আনন্দতে কোনো গোপীয়ে পিছ ফালে থিয় দি কৃষ্ণৰ আগহাতখন আনি নিজৰ গাত লগাই দিলে। কোনো গোপীয়ে বা বহি পিছফালৰ

कृष्णने शंखचूड़को मार डाला। असुर दांत निकालकर लंबा होकर जमीन पर गिर पड़ा। असुरके सिरपर एक मणि थी। कृष्णने मणि लाकर बलदेवके हाथमें दे दी। शंखचूड़को मरा सुनकर गोपियाँ आनन्दमग्न होगईं। कोई गोपी बैठ कर

কৃষ্ণৰ আদেশে গোপীসৱ গৃহক যান্ত।

পৰা গা পিহি দিব ধৰিলে আৰু কোনোৱে বা কৃষ্ণৰ ভৰি নিজৰ কোলাত তুলি লৈ কৃষ্ণৰ বাওঁহাতত আনি নিজৰ দুই হাতেৰে মৰ্দ্দন কৰিবলৈ ধৰিলে।

पोछिको ओरसे कृष्णके शरीर मलने लगी और कोई कृष्णके पाँवको अपनी गोदमें उठा कर अपने दोनों हाथोंसे मर्दन करने लगी।

গোপীসকলৰ কৃষ্ণ-গীত:—ইয়াৰ পাছত শ্ৰীকৃষ্ণৰ আদেশ মতে গোপাঙ্গনাসকল শাৰীপাতি গীত গাই ঘৰলৈ যাব ধৰিছে। মহাৰাজ পৰীক্ষিতে ভাগৱত কথা শুনিব ধৰিছে।

गोपियोंकी कृष्णगीत: इसके बाद श्रीकृष्णके आदेशानुसार गोपांगनागण पंक्ति बनाकर गीत गाकर घर जा रही हैं।

ৰাজা পৰীক্ষিত। শুকদেৱ।

গোপীসবে কৃষ্ণ কথা কৈছা।

গোপীসকল ঘৰ পাই সকলো গোপী মিলি এঠাইত বহি পৰস্পৰে হাত দাঙি দাঙি শ্ৰীকৃষ্ণৰ সেই আচৰিত আচৰিত কথা-বোৰৰ গুণ-গাণ কৰিছে।

घर पँहुचकर सभी गोपीयाँ मिलकर एक जगह बैठकर हाथ उठा उठाकर श्रीकृष्णकी उन अजीब बातोंका गुणगान कर रही हैं।

গোধূলি কৃষ্ণ আসিবা বাৰ্ত্তা, যশোদাত গোপী কৈছা।

ব্ৰহ্মা ৰুদ্ৰদেৱতাগণে কৃষ্ণক পশ্চত নমিছা।

কৃষ্ণ গধূলি পৰত লগৰীয়া গোপসকলৰ সৈতে গৰু চৰাই ঘৰলৈ উভতি আহিব ধৰিছে। এই খবৰ কোনো এজনী গোপী আহি যশোদাত কৈছে। যশোদা সেই সময়ত এখন আসনত

गामको कृष्ण साथी गोपबालकोंके साथ गौ चराकर घर आ रहे हैं। इस खबरको कोई एक गोपी आकर यशोदासे कहती है। यशोदा उस समय एक आसनपर बैठी है और पीछे एक गोपी



ৰাজা পৰীক্ষিত। শুকদেৱ।

বহি আছে আৰু পিছ ফালে থাকি এজনী গোপীয়ে চোঁৱৰেৰে তেওঁক বিচিব ধৰিছে। কৃষ্ণ আগত, পিছত বলৰাম, বাঁহী বজাই গীত গাই বাচুৰ লৈ ঘৰলৈ আহিব ধৰিছে; মাজ বাটতে মহাদেৱে লগ পাই পৰম পুৰুষ জানি আঠুলৈ স্তুতি কৰিব ধৰিছে। মহাৰাজ পৰীক্ষিতে প্ৰশ্ন কৰিব ধৰিছে আৰু শুকদেৱে ভাগৱত কব ধৰিছে।

অৰিষ্টাসুৰ বধ :—ৰাসৰ সময়ত গন্ধৰ্বসকলে নৃত্যগীত কৰি পুষ্প-বৰষা দেখি অৰিষ্ট নামৰ কংসৰ অনুচৰ এক যক্ষই ভয়ানক

चंवर डुला रही है। कृष्ण सामने, पीछे बलराम, बांसुरी बजा बजाकर बछड़ोंको लेकर घर आ रहे हैं। बीच राहमें मिलनेपर महादेव परमपुरुष जानकर घुटने टेककर स्तुति कर रहे हैं। महाराजा परीक्षित प्रश्न पुछते हैं और शुकदेव भागवत कह रहे हैं।

अरिष्टासुर वध : रासके समयमें गंधर्वोंको नृत्यगीत और पुष्पवृष्टि करते देखकर अरिष्ट नामका कंसका अनुचर एक यक्ष

অৰিষ্ট।   গোপৰ কান্ধত হাত থৈয়া কৃষ্ণে অৰিষ্টক মাতিছা।   ৰাম।   গোপী।

বৃষভ আকৃতিৰে আহি অনিষ্ট কৰিবৰ অভিপ্ৰায়ে গোকুলত সোমায়। তাক দেখি ব্ৰজবাসীসকল ভীত হৈ শ্ৰীকৃষ্ণৰ শৰণাপন্ন হয়। তেতিয়া কৃষ্ণই সেই অৰিষ্টৰ ফালে মুখ কৰি আগহাতেৰে নিৰ্ভয় দিছে আৰু বাওঁহাতখন পিছৰ ফালে কৰি নিজৰ পিছত অহা গোপৰ গাত লগাই দি তেওঁলোকক আগবাঢ়ি আহিবলৈ হে যেন বাধ্য কৰিছে। গোপৰ পিছফালে বলৰামো যেন যুজিবলৈহে আহিছে। বলৰামৰ পিছৰফালে গোপী এজনী আন এজনী গোপীৰ গলত ভয়ত যেন সাৱটমাৰি ধৰিছে আৰু সিজনী গোপীয়ে "ভয় নাই, মনে মনে থাক" এই বুলি আগহাত তুলি যেন বাধা দিছে।

যেতিয়া গোপসকলৰ সৈতে কৃষ্ণ সেই অৰিষ্টৰ অভিমুখে খেদি গল, তেতিয়া বৃষভ-ৰূপী অৰিষ্টয়ো নেজ ওপৰলৈ তুলি মূৰটো অলপ তলমুৱা কৰি শিং পাতি যুজিবৰ মনে কৃষ্ণৰ ফালে খোজ ললে। কৃষ্ণই

भयानक वृषभाकृतिमें अनिष्ट करनेके अभिप्रायसे गोकुलमें आ घुसा। उसे देखकर व्रजवासीगण भीत होकर श्रीकृष्णके शरणापन्न हुए। तब कृष्ण उस अरिष्टकी ओर मुँह करके दाहिने हाथसे निर्भय करते हुये और बाँये हाथसे अपने पीछे आए हुये गोपगणोंको आगे बढ़ आनेमें मानो मना कर रहे हैं। गोपोंके पीछे बलरामभी मानो लड़नेके लिए ही आये हैं। बलरामके पीछे एक गोपी दूसरी गोपीको गलेमें डरसे मानो जकड़ रही है और दूसरी गोपी "डर नहीं है चुप रहो" यह कह कर दाहिने हाथसे मानो मनाही कर रही है।

जब गोपोंके साथ कृष्ण उस अरिष्टकी ओर गये तब वृषभरूपी अरिष्ट भी पूँछ ऊपर उठाकर सिरको जरा झुकाकर सींग तानकर लड़नेकी इच्छासे कृष्णकी ओर लपका। कृष्ण भी अरिष्टकी ओर

অৰিষ্ট। কৃষ্ণ। ৰাম। শ্ৰীদাম। গোপী।

আগৰ দৰে পিছৰ লগৰীয়া গোপৰ গাত হাত দি অৰিষ্টৰ ফালে আগুৱালে। বলৰাম আৰু গোপীও পিছৰ ফালে আগৰ দৰে থাকিল।

आगे बढ़े। बलराम और गोपीभी पीछेकी और पहलेकी तरह रहीं।

অৰিষ্ট। কৃষ্ণ। ৰাম। শ্ৰীদাম। গোপী।

অৰিষ্ট যুজিবৰ মনে ফেৰ পাতি কৃষ্ণৰ ফালে অহা দেখি কৃষ্ণই লগত অহা গোপসকলক তৎক্ষণাৎ এৰি আহি অৰিষ্টৰ শিং জোৰাত

अरिष्टको लड़नेकी इच्छासे पैंतरे बदलते देख कृष्ण साथमें आए हुए गोपोंकी पीछे छोड़ आगे बढ़कर अरिष्टके दोनों सींगोंको

দৃঢ়মুঠিৰে ধৰিলেহি। তাকে দেখি বলদেৱ লৰি আহি কৃষ্ণৰ পিছত উপস্থিত হল। আৰু শ্ৰীদাম আৰু গোপীবিলাকো বলদেৱৰ পিছত আচৰিত হৈ হাত দাঙি থিয় দিলে।

जोरसे पकड़ लिया। उसे देखकर बलदेव दौड़कर कृष्णके पीछे आगये और श्रीदाम और गोपियाँ भी बलदेवके पीछे चकित होकर देखने लगे।

সিদ্ধ। বিদ্যাধৰ। দেৱনাৰী পুষ্পবৃষ্টি কৰিছা। গন্ধৰ্ব্ব।

কৃষ্ণে অৰিষ্টক বধিলা। ৰাম। বসুদাম। গোপী।

ভগবান কৃষ্ণই অৰিষ্টক মাৰি পেলালে ; সি মাটিত মুখথেকেচা খাই বাগৰি পৰিল। তেতিয়া কৃষ্ণই তাৰ মূৰত ভৰি দি শিংজোৰা উভাৰিলে—এটা শিং আগহাতত আৰু আনটো শিং বাওঁহাতেৰে কান্ধত তুলি ললে। বলদেৱ আৰু অন্যান্য গোপ গোপীবিলাক

भगवान कृष्णने अरिष्टको मार डाला। वह पृथ्वीपर गिर पड़ा। तब कृष्णने उसके सिरपर पैर रखकर सींगोंको उखाड़, एक सींगको दाहिने हाथमें और दूसरेको बाँये हाथसे कंधेपर रख लिया। बलदेव और दूसरे गोप गोपियाँ अचरजमें आकर

আচৰিত হৈ কৃষ্ণৰ পিছফালে থিয় দিলে। ইফালে স্বৰ্গবাসীসকলে এই ঘটনা দেখি আনন্দিত হল। সিদ্ধবিলাকে হাতজোৰ কৰি স্তুৱ কৰিব ধৰিলে, বিদ্যাধৰে খোল তাল ধৰি নৃত্য কৰিলে, দেৱাঙ্গনাসকলে আঠু লৈ বহি কন্টিৰপবা ফুল লৈ পুষ্পবৃষ্টি কৰিলে।

पोक्के खड़े हैं। इधर स्वर्गवासीगण इस घटनासे आनन्दित होकर हाथ जोड़कर स्तुति करने लगे। विद्याधर खोल ताल लेकर नृत्य करने लगे और देवांगनायें पुष्पवृष्टि करने लगी।

ৰোহিণী। যশোদা। নন্দ। কৃষ্ণ। ৰাম। শ্ৰীদাম। সুদাম।

ভগবান কৃষ্ণই এইদৰে অৰিষ্টাসুৰক বধ কৰি বলৰাম আৰু অন্যান্য গোপৰ সৈতে ব্ৰজলৈ উভতি গল। পুত্ৰৰ এই আচৰিত ঘটনা শুনি নন্দ-যশোদা আদি আনন্দিত হল। ৰজা নন্দই নিজে এখন আসনত বহি কাষতে কৃষ্ণ আৰু বলৰামক আসনত বহুৱাই আনন্দ লাভ কৰিলে। ৰোহিণী আৰু যশোদায়ো ৰজা নন্দৰ কাষতে

भगवान कृष्ण अरिष्टासुरको वध कर बलराम आदि सहित व्रजको लौट आये। पुत्रकी इस अजीब घटना सुनकर नन्द यशोदा आदिको बहुत आनन्द हुआ। राजा नन्द एक आसनपर बैठकर पासही कृष्ण और बलरामको बिठाकर आनन्द मनाने लगे। रोहिणी [illegible] भी राजा नन्दके पास खड़ी होकर इस

থিয় হৈ এই আনন্দ উৎসৱত যেন যোগহে দিছে। বলদেৱৰ পিছৰ ফালে কাষতলিত শিঙা লৈ শ্ৰীদাম আৰু তাৰ পিছৰ ফালে সুদাম এনেয়ে থিয় হৈ আছে।

आनन्द उत्सवमें भाग ले रहे हैं। बलदेवके पीछेकी तरफ भुजाके नीचे सींगा दबाये श्रीदाम और उनके पीछे सुदाम खड़ा है।

দৈৱকী-বসুদেৱ। নাৰদে কংসত কৃষ্ণৰ কথা কহিছা। অনুচৰ।

নাৰদৰ আগমন:—কৃষ্ণ আৰু বলৰাম এইভাৱে ছদ্মবেশে গোকুলত আছে। এদিন দেৱৰ্ষি নাৰদ বাওঁহাতে বীণা লৈ কংস-ৰাজৰ ওচৰত উপস্থিত হল আৰু বসুদেৱে কৃষ্ণক গোকুলত লুকাই ৰখা সংবাদ দিলেহি। তাকে শুনি কংসই আগহাতেৰে খড়্গ তুলি আৰু বাওঁহাতেৰে ঢাল লৈ বসুদেৱক কাটিবলৈ উদ্যত হোৱাত নাৰদে বাধা দিলে। সেই সময়ত বসুদেৱ-দৈৱকী মুখামুখি কৰি এঠাইত বহি আছে। নাৰদৰ বাধাত কংস নিবৃত্ত হৈ এখন

नारदका आगमन: कृष्ण और बलराम छद्मवेशमें गोकुलमें हैं। एक दिन देवर्षि नारद बायें हाथमें वीणा लेकर कंस राजाके पास हाजिर हुए और वसुदेवको कृष्णको गोकुलमें छिपा रखनेकी खबर दी। उसे सुनकर कंस दाहिने हाथसे खड्ग उठाकर और बायें हाथसे ढाल लेकर वसुदेवको काटनेके लिए जब उद्यत हुआ तब नारदने मना किया। उस समय वसुदेव देवकी आमने सामने बैठे हैं। नारदकी मनाहीसे कंस एक

সিংহাসনত বহিল। পিছৰ ফালে এটা অনুচৰে থিয় দি ছাতা ধৰিলে। ৰজা কংসৰ সম্মুখৰ ফালে এখন আসনত নাৰদ ঋষিও বীণাখন দুয়ো হাতেৰে ধৰি বহিল।

आसनपर बैठ गया। सामने एक आसनपर नारद ऋषि भी वीणाको दोनों हाथोंसे पकड़ बैठे हैं।

চানুৰ। ছত্ৰধৰা। কংসে কেশীক গোকুলক পঠিছা। মুষ্টিক। শল্ল। তোমৰ।

ৰজা কংসই নাৰদৰপৰা কৃষ্ণৰ সংবাদ পাই ভীত হৈ কেনেকৈ কৃষ্ণক মাৰিব পাৰিব তাৰ আলোচনা কৰিবলৈ দৈত্যসকলক মাতিলে। কংসৰ আদেশত দৈত্যবিলাক আহি কংসৰ ওচৰত আঠু লৈ হাতযোৰ কৰি আদেশ পাবলৈ বাট চাই বহিল। ৰজা সিংহাসনত বহিছে, অনুচৰে ওপৰত ছত্ৰ ধৰিছে। ৰজাৰ পিছৰ ফালে চানুৰে আগহাতেৰে তৰোৱাল, বাওঁহাতেৰে ঢাল লৈ বহিছে। সম্মুখৰ ফালে হাতযোৰ কৰি কেশী, মুষ্টিক, শল্ল আৰু তোমৰ বহিছে।

नारद द्वारा कृष्ण-संवादसे भयभीत राजा कंस कृष्णको मारनेकी योजना निश्चित करनेके उद्देश्यसे दैत्योंको बुलाया। राजा कंसके आदेशसे दैत्य पास आकर घुटने टेककर हाथ जोड़ खड़े हैं। राजा सिंहासनपर बैठा है, अनुचर ऊपर छत्र डुला रहा है। राजाके पीछे चाणुर दाहिने हाथमें तलवार, बायें हाथमें ढाल लिये बैठा है। सामने हाथ जोड़कर केशी, मुष्टिक, मल्ल और तोमर बैठे हैं।

অক্ৰূৰ। কংস।

মন্ত্ৰীসকলৰ লগত পৰামৰ্শ কৰি ৰজা কংসই ইয়াকে ঠিক কৰিলে যে অক্ৰূৰ কৃষ্ণৰ মিত্ৰ; তেওঁৰ হতুৱাই কৃষ্ণক মাতি আনি মাৰিব লাগিব। এই বুলি অক্ৰূৰক মতাই অনাই ৰজা কংসই অক্ৰূৰৰ

मन्त्रियोंके साथ सलाह करके राजा कंसने यही निश्चय किया कि अक्रूर कृष्णका मित्र है; उसके द्वारा ही कृष्णको बुलवा कर मारना होगा। यह सोचकर अक्रूरको बुलवा कर राजा कंस

হাতত ধৰি গোকুলক যাবলৈ অনুৰোধ কৰিছে। অক্ৰূৰ ৰজা কংসৰ ওচৰত থিয় দি আছে। কংসই এখন আসনত বহি অক্ৰূৰৰ হাতত ধৰি আছে।

अक्रूरसे गोकुल जानेके लिये अनुरोध कर रहा है। अक्रूर राजा कंसके पास खड़ा है।

অশ্বৰূপী কেশীৰ গোকুল প্ৰবেশ।

কেশী-বধ:—ইতিমধ্যে কেশী নামে দৈত্যই কংসৰ আদেশ-অনুসাৰে অশ্বৰূপ ধৰি গোকুলত সোমাই সকলো গোপ, গোপী আৰু গোৰুবোৰৰ মহাত্ৰাস লগাই দিলে। সেই অশ্বৰূপী দানৱে দাঁত সেকেতাই মুখ আৰু নেজ ওপৰলৈ তুলি কৃষ্ণক মাৰিবলৈ খেদা দিছে। তেতিয়া কৃষ্ণ আৰু বলৰামেও যুদ্ধ কৰাৰ ইচ্ছাতে হাত দাঙি কেশীক খেদি গৈছে। কেশীৰ ভয়ত গৰু-গাই ভয় খাই লৰ দিছে, গৰুৰ পাছতে এজনী গোপীয়েও ভয়াতুৰ হৈ পিছৰ পিনে চাই চাই লৰিছে। এজন গোপো ভয় খাই আছে।

যেতিয়া কেশী দৈত্যই কৃষ্ণক খাওঁ বুলি খেদা মাৰি আহিল, তেতিয়া কৃষ্ণই ছল কৰি তাৰ পিছ ভৰি দুখনত সাৰোট মাৰি ধৰি

केशी वध: इसी बीच केशी नामके दैत्यने कंसके आदेशानुसार अश्वका रूप धर कर गोकुलमें सभी गोप, गोपियाँ और गौओंका महा त्रास देने लगा। वह अश्वरूपी दानव दाँत निकालकर मुँह और पूँछ ऊपर उठाकर कृष्णको मारनेके लिए झपटता है। तब कृष्ण और बलराम भी युद्ध करनेकी इच्छासे हाथ उठाकर केशीकी ओर झपटते हैं। केशीके डरसे गायें भाग रही हैं। उनके पीछे गोपीभी भयातुर होकर पीछेकी ओर देख देख कर भाग रही है।

जब केशी दैत्य कृष्णकी ओर मुँह फैलाकर आया, तो कृष्णने छल करके उसके पीछेके दोनों पैरोंको पकड़कर ऊपर उठाकर

কৃষ্ণে কেশীক বধ কৰিছা।

ওপৰলৈ তুলি কিছুপৰ আকাশত ঘূৰাই আছিল। পাছত লীলা কৰাৰ উদ্দেশ্যে তাক মাটিত পেলাই দিলত সি মুখ মেলি খাবলৈ পুনৰ আহিল; তেতিয়া কৃষ্ণই তাৰ সেই পৰ্বতৰ গুহা সদৃশ মুখৰ ভিতৰত বাঁওহাতখন সুমাই দি কেশীৰ উশাহ বন্ধ কৰি মাৰি পেলালে—কেশী দাঁত নিকতাই আঠুকাঢ়ি পৰি থাকিল।

आसमानमें खूब घुमाया। बादमें लीला करनेको उद्देश्यसे उसे जमीनपर फेंक देनेपर वह मुँह खोलकर खानेको लिए फिर आया; तब कृष्णने उसकी पहाड़की गुफा जैसे मुँहके भीतर अपने बायें हाथको घुमा कर श्वास-प्रश्वास बंद कर केशीको मार डाला। केशी दाँत निकालकर पड़ गया।

কেশীক মাৰা দেখি দেৱতাবিলাকে স্বৰ্গত আনন্দ কৰিছে। এক হাতত ত্ৰিশূল আন হাতত ডমৰু লৈ বৃষভত উঠি মহাদেৱ, হংসবাহনত চৰি কমণ্ডলু, জপমালা, পদ্ম আৰু বেদলৈ চতুৰ্মুখ ব্ৰহ্মা আৰু কোনোৱে খোল, কোনোৱে বা তাল লৈ নৃত্য-গীত

केशीको मारते देखकर देवता स्वर्गमें आनन्द मना रहे हैं। एक हाथमें त्रिशूल, दूसरे हाथमें डंवरु लेकर वृषभपर चढ़कर महादेव, हंसवाहन पर चढ़कर कमंडलु, जपमाला, कमल और वेद लेकर चतुर्मुख ब्रह्मा और नाना वाद्ययंत्र लेकर नृत्यगीत

দেৱতাগণ। মহেশ। ব্ৰহ্মা। বিদ্যাধৰ।

কেশী মৰিল। গোৱাল। কৃষ্ণ। গোপগণে কৃষ্ণক পূজিছা। গোপী।

কৰি গন্ধৰ্বসকলে আনন্দিত হৈ আকাশত হৰ্ষ কৰিছে। কেশী যেতিয়া মৰি মুখঠেকেচা খাই পৰি ৰল, তেতিয়া ভগৱান কৃষ্ণই তাৰ মুখৰপৰা হাতখন উলিয়াই আনিলে। পিছত কৃষ্ণ এখন আসনত বহিলত এজন গোপ-বালকে বাওঁহাতত এটা পাত্ৰ লৈ কৃষ্ণৰ কাষত

কৰতে কৰতে আনন্দিত হোকৰ গংধৰ্বগণ আকাশমেঁ হৰ্ষ মনা ৰহে হৈঁ। কেশী জব জীভ নিকালকৰ পড় গয়া তব ভগবান কৃষ্ণনে উসকে মুঁহসে অপনা হাথ নিকাল লিয়া। গোপবালক কৃষ্ণকো অৰচ মগন কৰ উনকে মালনে প্ৰেমসে খানেকো চীজে দেৰহে হৈঁ ঔৰ

নাৰদে কৃষ্ণক স্তুতি কৰিছা।

বহিল আৰু আগহাতেৰে কিবাকিবি খোৱা বস্তু কৃষ্ণক দিলে। কৃষ্ণই সেই খোৱা বস্তু আগহাত পাতি লৈছে আৰু অন্যান্য গোপ-গোপীয়ে কৃষ্ণক বেঢ়ি বহিছে। নাৰদে কৃষ্ণক স্তুতি কৰিছে।

भगवान हर्षित मनसे स्वीकार कर रहे हैं। नारद ऋषियो भगवान कृष्णकी स्तुति मना रहे हैं।

 চিত্ৰ-ভাগৱত

পৰীক্ষিত।　　　　শুকদেৱ।

সুদাম।　　কৃষ্ণ।　　ব্যোম।　　ব্যোমাসুৰে গৰুৰত চৰি কৰি থৈছা।

ব্যোমাসুৰ বধ :—ভগবান কৃষ্ণই গোপ-বালকবিলাকৰ লগত বিবিধ ক্ৰীড়া কৰি আছে। এদিন গোপ-বালকবিলাকৰ কোনো সদাগৰ, কোনো ভেৰা-ছাগলী আৰু কোনো চোৰৰ ভাৱৰীয়া হৈ "চোৰ-সদাগৰী" ক্ৰীড়া আৰম্ভ কৰিলে; এই সময়ত কংসৰ অনুচৰ ব্যোম নামে এটা অসুৰে চোৰৰ ওচৰত চোৰ আৰু সদাগৰৰ ওচৰত সদাগৰ হৈ বহুত গোপবালকক চুৰ কৰি এটা গুহাত নি থলে আৰু গুহাৰ মুখত শিলৰ এখন ঢাকনি দিলে। সেই সময়ত কৃষ্ণ থিয় দি আছিল; সুদামো কৃষ্ণৰ পিছ ফালে থিয় দি ৰৈছে। মহাৰাজ পৰীক্ষিতৰ প্ৰশ্নত শুকদেৱে ভাগৱত কৈছে।

व्योमासुर वध : भगवान कृष्णके गोपबालकोंके साथ विविध क्रीड़ाओंमें रत रहते हुए एकदिन व्योम नामक कंसका अनुचर बहुतसे गोपबालकोंको चुराकर एक गुफामें छिपाकर गुफाके मुँहको पत्थरसे ढाँक दिया। उस समय कृष्ण खड़े थे; सुदामभी कृष्णके पीछेकी तरफ खड़ा है। महाराज परीक्षितका प्रश्न सुनकर शुकदेव भागवत कह रहा है।

দেৱতা।

গোপগণ। কৃষ্ণে ব্যোমক বধিছা।

ব্যোমাসুৰে এজন এজনকৈ গোপ-বালক চুৰ কৰি নিওঁতে নিওঁতে যেতিয়া কেৱলমাত্ৰ ৫।৬ জন গোপবালক বাকী থকা কৃষ্ণই দেখিলে, তেতিয়া শেষ বাৰ দৈত্য আহোঁতে তেওঁ তাৰ চুলিত ধৰি মাটিত আচাৰ মাৰি দিলে। ভীষণ কৃষ্ণবৰ্ণ বিপুলকায় সেই অসুৰ ততালিকে দাঁত নিকতাই মৰি গল। সেই সময়ত অৱশিষ্ট গোপ-বালকবিলাক কৃষ্ণৰ কাষত থিয় দি আছে; আৰু আকাশত দেৱতাবিলাকে আগহাত দাঙি কৃষ্ণৰ প্ৰশংসা কৰিছে।

व्योमासुर एक एक कर गोपबालकोंको चुरा कर ले गया। तब कृष्णने आखिरीबार उसे जाते देख उसके बालोंको पकड़ कर जमीन पर दे मारा। मारके मकहित वह भीषणकाय असुर दाँत निकाल कर गिर कर मर गया; देवगण हर्षान्वित हो भगवान्का गुणगान करने लगे।

দেৱতাসকলে আকাশত খোল-তাল বজাই নৃত্য-গীত কৰিছে। কৃষ্ণই অসুৰক মাৰি গোপ-বালকবিলাকৰ সৈতে বেণু বজাই আগত ধেনু-বৎস লৈ গোকুললৈ উভতিব ধৰিছে। আগে আগে গৰুবোৰ

देवगण आकाशमें वाद्य बजाकर नृत्य गीत कर रहे हैं। कृष्ण असुरको मारकर गोपबालकोंके साथ बेनु बजाकर आगे धेनु-बत्स लेकर गोकुल लौट रहे हैं। आगे आगे गौएं जा रही हैं और पीछे

দেৱতাসব।

যশোদা। কৃষ্ণ। কৃষ্ণে গোপসমে গোকুলক যায়।

গৈছে আৰু পিছত গোপ-বালকৰ সৈতে কৃষ্ণ যাব ধৰিছে। কৃষ্ণ গোকুল পালত যশোদাই কৃষ্ণক কাষত বহুৱালে আৰু দুয়ো হাত তুলি যেন কিবা আচৰিত ঘটনাৰ বিৱৰণহে শুনিব ধৰিছে।

पीछे गोपबालकोंके साथ कृष्ण आ रहे हैं। कृष्णके गोकुल पहुँचने पर यशोदा कृष्णसे घटनाका विवरण सुन रही हैं।

অক্ৰূৰে গোকুলক যাস্ত।

অক্ৰূৰৰ আগমন :—ইফালে ৰজা কংসৰ আদেশমতে মহামতি অক্ৰূৰে বিচিত্ৰ ঘোৰাৰ মনোহৰ ৰথত উঠি নিজ ৰথ চলাই গোকুলৰ ফালে যাত্ৰা কৰিছে।

अक्रूरका आगमन : इधर राजा कंसके आदेशानुसार महामति अक्रूर विचित्र घोड़ोंके मनोहर रथ पर चढ़कर खुद रथ हाँक कर गोकुलकी ओर यात्रा कर रहे हैं।



অক্ৰূৰে কৃষ্ণৰ খোজ নমিছা।

মহাত্মা কৃষ্ণভক্ত অক্ৰূৰ গোধূলি পৰত গোকুল পালে গৈ। তেওঁ পথত কৃষ্ণৰ ধ্বজ, বজ্ৰ, যব, পঙ্কজ, অঙ্কুশ শোভিত পদচিহ্ন দেখি ৰথৰ পৰা নামিল আৰু "এই মোৰ প্ৰভুৰ পদচিহ্ন" বুলি অতি প্ৰেমভাৱে আঠু লৈ প্ৰণাম কৰিলে।

महात्मा कृष्णभक्त अक्रूर शामके समय गोकुल पहुंचे। रास्तेमें ध्वजा, वज्र, यव, पंकज, अंकुशसे शोभित कृष्ण-पदचिह्नों को देखकर रथसे उतरे और "यह मेरे प्रभुके पदचिह्न" समझकर अत्यंत प्रेमभावसे घुटने टेककर प्रणाम किया।

অক্ৰূৰ পুনৰ ৰথত উঠি কিছুদূৰ গৈ ৰথৰ পৰা নামিল। এই সময়ত ৰাম-কৃষ্ণই গাই খীৰাব ধৰিছে। অক্ৰূৰে দূৰৈৰ পৰা

अक्रूर फिर रथपर चढ़कर कुछ दूर आकर रथसे उतरे। इस समय राम-कृष्ण गायों को दुह रहे थे। अक्रूर दूरसे देखकर

বলৰাম। কৃষ্ণ। অক্ৰূৰ। ৰথত অক্ৰূৰ।

আনন্দমনে ওচৰ চাপিল আৰু কৃষ্ণৰ ভৰিত প্ৰণাম কৰিবলৈ হাত দুখন আগ বঢ়াই দিছে। কৃষ্ণই বাধা দি অক্ৰূৰৰ হাত দুখনত ধৰিছে। ৰামে কৃষ্ণৰ পিছৰ ফালে থিয় দি দুয়ো হাত মেলি অক্ৰূৰক স্বাগত সম্ভাষণ জনাইছে।

आनन्दमनसे पास गये और कृष्णके चरणोंमें प्रणाम करनेके लिए दोनों हाथ बढ़ा रहे हैं। कृष्ण मना कर अक्रूरके दोनों हाथ पकड़ रहे हैं। राम कृष्णके पीछेकी तरफ खड़े होकर दोनों हाथ फैलाकर अक्रूरका स्वागत सत्कार कर रहे हैं।

নন্দ। কৃষ্ণে অক্ৰূৰৰ চৰণ ধুৱাইছে। ৰামকৃষ্ণে অক্ৰূৰৰ চৰণ ঝাস্তিছা। नन्द।

কৃষ্ণ আৰু বলৰামে "আহক খুৰা" বুলি অক্ৰূৰক সমাদৰ কৰি ঘৰলৈ নি সুৱৰ্ণ আসনত বহুৱাইছে। সুৱৰ্ণ ভৃঙ্গাৰেৰে

कृष्ण और बलराम "आइए चाचा" कह कर अक्रूरको आदर सहित घर ले जाकर सोनेके आसनपर बैठाया। सोनेकी

বলৰামে পানী ঢালি দিছে আৰু কৃষ্ণই নিজে চৰণ ধুৱাইছে। অক্রূৰৰ পিছ ফালে বহি গোপৰাজ নন্দই ভায়েক অক্রূৰক গন্ধ-চন্দন এখন শৰাইত আগবঢ়াই দি বাতৰি সুধিছে। অক্রূৰে ভৰি-হাত ধুই সুস্থ হৈ আসনত বহিল, বলৰামে পিছৰ ফালে বহি হাত পিহিব ধৰিলে, আৰু আগৰ ফালে বহি কৃষ্ণই ভৰি তিপিবলৈ আৰম্ভ কৰিলে। ৰজা নন্দই ওচৰতে এখন আসনত বহি হাত তুলি মঙ্গল বাতৰি সুধিছে।

झारीसे बलराम पानी ढाल देते हैं और कृष्ण चरणोंको धो रहे हैं। अक्रूरके पीछे बैठकर गोपराज नन्द भाई अक्रूरसे गंध, चन्दन एक ठगीमें आगे बढ़ा कर कुशल मंगल पूछ रहे हैं। अक्रूर हाथ पैर धोकर स्वस्थ होकर आसनपर बैठे हैं। बलराम पीछे की तरफ बैठकर हाथ मलने लगे और सामनेकी तरफ बैठकर कृष्ण पाँव दबा रहे हैं। राजा नन्द पासही एक आसनपर बैठकर संभाषण कर रहे हैं।

অক্রূৰ। কৃষ্ণ। ৰাম।

ইয়াৰ পিছত অক্ৰূৰ, কৃষ্ণ আৰু বলৰাম পৃথক পৃথক আসনত বহি সকলোৱে হাত তুলি গোপনে গোপনে যেন কিবা আলোচনা কৰিবলৈ ধৰিলে।

इसके बाद अक्रूर, कृष्ण और बलराम आदि पृथक् पृथक् आसनपर बैठ वार्तालाप कर रहे हैं।



গুৱাল।

ৰাম-কৃষ্ণে মথুৰাক যাইবাক পিতৃসমে আলোচিছা।

ভগবান কৃষ্ণই অক্ৰূৰৰ পৰা জানিবলৈ পালে যে কংসই তেওঁক মাৰিবলৈ ছল কৰি ধনুৰ্যজ্ঞলৈ নিমন্ত্ৰণ কৰিছে আৰু দদাক বলৰামৰ সৈতে তেওঁক নিবলৈ অক্ৰূৰক পঠাইছে। কৃষ্ণই এই ৰহস্যটো পিতাকক নকৈ ধনুৰ্যজ্ঞ চাবলৈ এনেয়ে নিমন্ত্ৰণ কৰা বুলি কলে। বলৰাম, কৃষ্ণ, নন্দ আৰু এজন গোপে এই নিমন্ত্ৰণৰ বিষয় আলোচনা কৰিছে। ইফালে এজন গোপে নন্দৰ আদেশ মতে এখন গৰু গাড়ীত কিছুমান দধি-দুগ্ধৰ কলহ ভৰাই লৈছে।

भगवान कृष्णको अक्रूरसे ज्ञात हुआ कि कंस उन्हें मारनेके लिए छल करके धनुर्यज्ञके लिए निमन्त्रण दिया है। और भैया बलरामके साथ उन्हें लानेके लिए अक्रूरको भेजा है। कृष्णने इस रहस्यको पितासे न कहकर केवल धनुर्यज्ञ निमंत्रणकीही बात कही। बलराम, कृष्ण, नन्द और एक गोप इस निमन्त्रणके बारेमें ही आलोचना कर रहे हैं। इधर एक गोप नन्दके आदेशसे एक बैलगाड़ीमें कुछ दही-दूधके घड़े रख रहा है।

গোপীসব।

ৰাম-কৃষ্ণৰ মথুৰাযাত্ৰা—গোপীৰ বিলাপ :—অক্ৰূৰে কৃষ্ণক মথুৰালৈ নিব অহা সংবাদ পাই গোকুলত হাহাকাৰৰ ৰোল উঠিছে। গোপীবিলাকে ইজনীয়ে সিজনীৰ হাতত ধৰি ইজনীয়ে সিজনীৰ কালে চাই নানা প্ৰকাৰে বেজাৰ কৰিব ধৰিছে।

राम-कृष्णकी मथुरायात्रा—गोपियों का विलाप : अक्रूर द्वारा कृष्णकी मथुरा लेजानेके संवादसे गोपियां व्याकुल हुई आपसमें दुःख प्रकट कर रही हैं।



অক্ৰূৰ। কৃষ্ণ। বলভদ্ৰ। নন্দ। গোপী।

মহামতি অক্ৰূৰৰ কথা মতে ৰাম-কৃষ্ণক মথুৰালৈ যাবলৈ ৰজা নন্দই আদেশ দিলত অক্ৰূৰে নিজে সাৰথি হৈ ৰথ চলালে। কৃষ্ণ, বলৰাম আৰু স্বয়ং ৰজা নন্দ অক্ৰূৰৰ ৰথত উঠিল। ৰথৰ পিছ ফালে দুজনী গোপীয়ে পৰস্পৰে এজনীয়ে হাতযোৰ কৰাৰ দৰে কৰি আৰু আনজনীয়ে আগহাত দাঙি যেন কৈছে, যে কৃষ্ণ আমাক এৰি মথুৰালৈ গল; তেওঁ যে আৰু ফিৰি আহিব আশা নাই।

महामति अक्रूरके कथनानुसार राम कृष्णको मथुरा जानेका आदेश राजा नन्दके देनेपर अक्रूर खुद सारथि होकर रथ हाँकने लगे। कृष्ण, बलराम और स्वयं राजा नन्द अक्रूरके रथपर चढ़े। रथके पाछेको तरफ दो गोपियाँ एक हाथ जोड़कर और दूसरी दाहिना हाथ उठाये मानो कह रही हैं कि कृष्ण हमको छोड़कर मथुरा जा रहे हैं शायदही वापिस आवें।

নন্দ। অক্ৰূৰ। ৰাম। কৃষ্ণে গোপীক প্ৰবোধিছা।

ইয়াৰ পিছত ৰজা নন্দই নিজে এখন গৰু-গাড়ীত যাবলৈ ধৰিলে; কৃষ্ণ-বলৰাম অক্ৰূৰৰ ৰথত গল। ৰথৰ পিছ ফালৰ পৰা গোপী-বিলাকে অতি কাতৰভাৱে অক্ৰূৰক গালি শাপনি দি কৃষ্ণ-বিৰহত আতুৰা হৈ কান্দিবলৈ ধৰিলে। কৃষ্ণই গোপীসকলৰ ফালে ফিৰি চাই আগ হাত তুলি তেওঁলোকক বেজাৰ কৰিবলৈ হাক দিছে। গোপীসকলক হাত তুলি যেন কৃষ্ণক যাবলৈ বাধাকেহে কৰিছে।

इसके बाद राजा नन्द खुद एक बैल गाड़ीपर जाने लगे; कृष्ण बलराम अक्रूरके रथपर चढ़ गये। दुःखी गोपियां अक्रूरको कोस रही हैं और रथके पीछे पीछे जा रही हैं। कृष्ण उन्हें समझा रहे हैं पर वे कृष्णको न जानेके लिये मना रही हैं।

ৰাম। কৃষ্ণ। অক্ৰূৰ। ব্ৰহ্মা। পৰমেশ্বৰে অক্ৰূৰক দেখা দিছা।

অক্ৰূৰৰ কৃষ্ণ-মাহাত্ম্য দৰ্শন আৰু কৃষ্ণ-স্তৱ:—অক্ৰূৰে ৰাম-কৃষ্ণক লৈ দুপৰ সময়ত কালিন্দী হ্ৰদ পালে গৈ। তাত তেওঁ স্নান কৰেঁ। বুলি কৃষ্ণ-বলৰামক ৰথত থৈ হ্ৰদত ডুব মাৰোঁতে পানীৰ ভিতৰত কৃষ্ণ-বলৰামক দেখি আচৰিত হল। পানীৰ পৰা মূৰ উলিয়াই পাৰলৈ চায় যে কৃষ্ণ-বলৰাম আগৰদৰে ৰথতেই বহি আছে। নিজৰ ভ্ৰম হোৱা বুলি অক্ৰূৰে পুনৰ ডুব দি চায় যে ভগৱান কৃষ্ণ অনন্ত-শয্যাত শঙ্খ-চক্ৰ-গদা-পদ্ম চাৰি হাতে ধৰি চতুৰ্ভুজ ৰূপে বহি আছে—উত্তৰত অনন্ত নাগে সহস্ৰ ফণাৰে ছত্ৰ ধৰিছে। সম্মুখত চতুৰ্মুখ ব্ৰহ্মাই কৰযোৰে স্তুতি কৰিছে, আন ফালে সনকাদি ঋষিয়ে থিয় হৈ কৰযোৰে স্তুতি কৰিছে। এনে অৱস্থা দেখি অক্ৰূৰে আঁঠুলৈ আঁজলি কৰি স্তৱ কৰিবলৈ ধৰিলে। ৰাম-কৃষ্ণই ৰথত বহি অক্ৰূৰৰ স্নান কৰা চাই আছে।

अक्रूरका कृष्ण माहात्म्य दर्शन और कृष्ण-स्तव : अक्रूर दोपहरको राम कृष्णको लेकर कालिन्दी तटपर पहुँचे। वहाँ स्नान करनेके अभिप्रायसे अक्रूरने ज्यों ही जलमें डुबकी लगाई पानीके अंदर कृष्ण बलरामको देखकर अचरज हुआ। पानीसे सिर निकालकर किनारे गये तो कृष्ण बलराम पहले जैसे रथ परही बैठे हैं। अपना भ्रम मानकर अक्रूरने फिर डुबकी मारकर देखा कि भगवान कृष्ण शेष शय्यापर शंख, चक्र, गदा, पद्म चारों हाथोंमें लेकर चतुर्भुज रूपसे विराजमान हैं। ऊपर अनन्त नाग सहस्र फनोंसे छाँह कर रक्खी है। सामने ब्रह्मा हाथ जोड़कर स्तुति कर रहे हैं, दूसरी ओर सनकादि ऋषि खड़े होकर हाथ जोड़कर स्तुति कर रहे हैं। ऐसी अवस्था देखकर अक्रूर हाथ जोड़कर स्तुति करने लगे।



অক্ৰূৰে কৃষ্ণক "সমস্তে অদ্ভূত তোমাতেসে আছে" বুলিছা।

মহাত্মা অক্ৰূৰে সেই অপৰূপ বিশ্বৰূপ দৰ্শন কৰি যেতিয়া বিস্ময়ান্বিত হল, তেতিয়া ভগবান অন্তৰ্হিত হল। অক্ৰূৰে সেই ৰূপ দেখি আনন্দিত হৈ যথাযথ স্নানাদি ক্ৰিয়া সমাপন কৰি ৰথত উঠিলহি। তেতিয়া কৃষ্ণই হাঁহি মাৰি পলম হোৱাৰ কথা সুধিলত অক্ৰূৰে কৃষ্ণৰ ফালে চাই কৰযোৰে তেওঁৰে মাহাত্ম্য বুলি কলে। কৃষ্ণ আৰু বলৰামে হাত তুলি অক্ৰূৰক যেন আশ্বাস দিলে।

महात्मा अक्रूर उस अपरूप विश्वरूपका दर्शन कर जब विस्मयान्वित हुए तब भगवान अन्तर्हित हुए। अक्रूर भी उस रूपको देखकर आनन्दित होकर स्नानादि क्रिया समाप्त कर रथ पर जा चढ़े। तब कृष्णने हँसकर देर करनेकी बात पूछनेपर महात्मा अक्रूरने कृष्णकी ओर ताककर कहा "यह आपहीकी महिमा है"। कृष्ण और बलराम हाथ उठाकर अक्रूरको मानो आश्वासन दे रहे हैं।

অক্রূৰ। কৃষ্ণ। ৰাম। নন্দ।

ৰাম-কৃষ্ণ আদিৰ মথুৰা প্ৰবেশ :—কৃষ্ণ-বলৰামক লৈ অক্রূৰৰ ৰথ মথুৰা পালে গৈ। মথুৰাৰ দুৱাৰত ৰথ লৈ অক্রূৰে কৰযোৰ কৰি কৃষ্ণ-বলৰামক সেই দিনা তেওঁৰ ঘৰত আতিথ্য গ্ৰহণ কৰিবলৈ প্ৰাৰ্থনা জনালে। কৃষ্ণ-বলৰামে ৰথৰ পৰা নামি থিয় দি আতিথ্য গ্ৰহণৰ নিষেধসূচক আগহাত তুলি পিছত থাকিল বুলি উত্তৰ দিলে। ইফালে ৰজা নন্দ যেতিয়া মথুৰা আহি পালে তেতিয়া তেওঁক আদৰ কৰি এখন বিচিত্ৰ আসনত বহুৱাইছে। আৰু এজন বন্দীয়ে আগৰ ফালে আঠু লৈ বহি এটা বাটিত গন্ধ-চন্দন যোগাইছে। পিছ ফালৰ পৰা আন এজনে বহি বিচনীৰে বিচিছে।

राम कृष्ण आदिका मथुरा प्रवेश : कृष्ण बलरामको लेकर अक्रूरका रथ मथुरा पहुँच गया। मथुराके दरवाजेपर रथ थमाकर अक्रूरने कर जोड़कर कृष्ण बलरामसे उस दिनके लिए उनके घरमें आतिथ्य ग्रहण करनेकी प्रार्थना की। कृष्ण बलरामभी रथसे उतर कर आतिथ्य ग्रहणका निषेध सूचक दाहिना हाथ उठाकर बादमें ठहरेंगे ऐसा कहा। इधर राजा नन्द जब मथुरा आ पँहुचे तब उनका आदर कर एक विचित्र आसनपर उन्हें बैठाया। और एक दास सामने एक कटोरेमें गध-चन्दन दे रहा है और पाछेकी ओरसे दूसरा एक दास पंखा डुला रहा है।

মনস্বী অক্রূৰে কৃষ্ণ আগমনৰ বাতৰি ক'সত জনাই ঘৰলৈ আহি এখন আসনত বহিল। তেওঁৰ গৃহিনীয়ে গন্ধ তেলৰ

मनस्वी अक्रूर कृष्ण बलरामसे आदेश लेकर घर आ गये। उनकी पत्नीने नैवेद्य सामने रखा। इधर बलरामके माथ कृष्ण



অক্রূৰ গৃহত পশিল।

বাটি আনি আগত যোগাইছে। ইফালে বলৰামৰ সৈতে কৃষ্ণ মথুৰাত প্ৰবেশ কৰিলে। তেওঁলোকৰ পাছত হাতত বেণু লৈ গোপশিশুবিলাক যাব ধৰিছে। তেওঁলোকে বাটত এজনী কুঁজী ৰমণী দেখা পালে।

मथुरामें प्रवेश कर रहे हैं। उनके पीछे हाथमें बेणु लेकर गोप-शिशुभी जाने लगे। राहमेंहो कुब्जा नामकी एक रमणीको हाथमें गंधद्रव्य लेकर कंसके घर जाते देखा।

গোপশিশু। ৰাম। কৃষ্ণ। কুব্জী।

কৃষ্ণ আগত, মাজত বলদেৱ আৰু পাছত সুদাম শাৰীপাতি মনোহৰ গতিৰে মথুৰাৰ ৰাজবাটেদি যাব ধৰা দেখি মথুৰাৰ পুৰনাৰীসৱে শ্ৰীকৃষ্ণক চাবলৈ অট্টালিকাৰ ওপৰত উঠিছে; কোনোৱে বা কৃষ্ণৰ ফালে চাই হাতযোৰ কৰিছে, কোনোৱে বা আগহাত তুলি আশ্চৰ্য্যান্বিত হৈ একেথৰে চাই আছে।

सामने कृष्ण, बीचमें बलदेव और पीछे सुदामको पंक्ति बनाकर मनोहर गतिसे मथुराकी राजसड़कसे जाते देखकर मथुराकी पुरनारियां श्रीकृष्णको देखनेके लिए इमारतोंके ऊपर चढ़ी हैं; कोई कृष्णकी ओर ताककर हाथ जोर रही है तो कोई चकितसी उनको निहार रही है।

নাৰীসব কৃষ্ণক দেখিবে গৃহত চড়িছা। কৃষ্ণ। ৰাম। সুদাম।

ধোবা। কৃষ্ণে ধোবাক বধিছে। গ্বালোঁনে বস্ত্র লৈছা।

ৰজক বধ:—মথুৰাৰ ৰাজবাটে দি বলৰাম আৰু অন্যান্য গোপবালকৰ সৈতে গৈ থাকোঁতে ৰাজভৱনৰ ফালে ধোৱা কাপোৰৰ বোজা লৈ যোৱা এটা ধোবাক দেখি কাপোৰ খুজিলে। ধোবাই

रजक वध : मथुराकी राजसड़कसे बलराम और दूसरे गोपबालकोंके साथ कृष्णने राजभवनकी ओर एक धोबीको धोए हुए कपड़ोंका बोझ लेकर जाते देख उससे कपड़े मांगे। धोबीके

ৰাগান্বিত হৈ গালি পৰাত কৃষ্ণই চৰ মাৰি তাৰ গলটো ছিঙি পেলালে। ধোবাৰ মূৰ ছিঙি মাটিত পৰিল আৰু গাড়ী ডোখৰো হাত-ভৰি পেলাই ৰক্তাক্ত হৈ মাটিত পৰি গ'ল। বলদেৱ কৃষ্ণৰ পিছ ফালে থিয় দি আছে। ধোবা মৰিলত কৃষ্ণই ভাল ভাল কাপোৰবোৰ লগৰ গোপবালকবিলাকক ভগাই দিলে। কৃষ্ণই ধোবাক মৰা দেখি এজন মানুহে অতি দ্ৰুতবেগে এই খবৰটো যেন ৰজাত জনাবলৈ গৈছে।

क्रोधित हो गाली देनेपर भगवानने उसकी मार दिया और कृष्णने अच्छे अच्छे कपड़ोंको साथके गोपबालकोंको बाँट दिया। कृष्ण द्वारा धोबीको मारते देखकर एक आदमी अत्यंत द्रुत वेगसे कंसके पास गया।

সুদাম। কৃষ্ণ। বলভদ্ৰ। শ্ৰীদাম।

ভগবান কৃষ্ণই তেনেকৈ ধোবাক মাৰি কংসলৈ আনা বিতোপন কাপোৰ পিন্ধি বলভদ্ৰ আৰু গোপবালকবিলাকৰ সৈতে সুদামা মালীৰ ঘৰত সোমাল। সুদামাই অতি ভক্তিৰ সৈতে কৃষ্ণ, বলৰাম আৰু গোপসকলক আসনত বহুৱালে। পিছত মালী সুদামাই এখন শৰাইত সুগন্ধি পুষ্পৰ মালা আনি কৃষ্ণৰ আগত

भगवान कृष्ण धोबीको मारकर कंसके कपड़े पहनकर बलभद्र और गोपबालकोंके साथ सुदामा मालीके घरमें घुसे। सुदामा अत्यंत भक्तिके साथ कृष्ण, बलराम और गोपबालकोंको आसनपर बैठाया। बादमें माली सुदामा एक ठगीमें (फुलोंके बरतन) सुगंधी फुलोंकी माला लाकर कृष्णके सामने रखकर घुटने जोड़कर

ৈথ আঠু জুৰি স্তুতি কৰিবলৈ ধৰিলে। কৃষ্ণই আগ হাত দাঙি যেন সুদামাক আশীষ দিছে।

स्तुति करने लगा। कृष्ण दाहिना हाथ उठाकर मानो सुदामाको आशीष दे रहे हैं।

কুঁজী। ৰাম-কৃষ্ণে কুঁজীত চন্দন খুজিছা। গোৱাল। কৃষ্ণে কুঁজীক ঋজু কৰিছা। ৰাম। সুদাম।

কুঁজীৰ লগত কৃষ্ণ-বলৰামৰ সাক্ষাৎ:—মালাকাৰ সুদামাৰ দ্বাৰা অভ্যৰ্থিত হৈ কৃষ্ণ-বলৰাম আৰু অন্যান্য গোপবালকবিলাকৰ সৈতে মথুৰাৰ ৰাজবাটত গৈ থাকোঁতে কুঁজীৰ হাতত গন্ধদ্ৰব্যৰ বাটি লৈ যোৱা দেখি গন্ধ-চন্দন খুজি বৰ দিম বুলিলে। কুঁজী কৃষ্ণত আসক্ত হৈ তেওঁলোকক গন্ধ-চন্দন দিলে। কুঁজী কৃষ্ণত আসক্ত হোৱা জানি তেওঁৰ অভিপ্ৰায় পূৰণৰ আশায় তেওঁৰ গলত ধৰি কৃষ্ণই আলিঙ্গন কৰিলে। কুঁজীয়ে কৃষ্ণৰ উত্তৰীয় বস্ত্ৰত ধৰিলে কুঁজী সুন্দৰী ৰমণী হৈ উঠিল। কৃষ্ণৰ পিছৰ ফালে বলৰামে হাতত বাঁহী লৈ আৰু তাৰ পিছৰ ফালে বাঁহী বজাই সুদামা থিয় হৈ আছে।

कुब्जाके साथ कृष्ण-बलरामकी साक्षात्: मालाकार सुदामाके द्वारा अभ्यर्थित होकर कृष्ण, बलराम और दूसरे गोपबालकगण मथुराकी राजमरड़कसे जानेके समय एक कुब्जाको हाथमें गंध द्रव्यका कटोरा ले जाते देख गंध चन्दन मांगकर उसके बदलेमें वर देनेकी बात कही। कुब्जा कृष्णप्रेमसे आसक्त हो उन्हें गंध चन्दन दे दिया। कुब्जाकी आसक्तिको जानकर कृष्णने प्रेमालिङ्गन कर उसकी मनोकामना पूर्ण की। कुब्जा कृष्णके उत्तरीय वस्त्रको पकड़े सुशोभित लग रही है।

পুৰবাসী স্ত্ৰী। বসুদাম। ৰাম। কৃষ্ণ। বাণিজাৰগণ।

কুঁজীৰ বাসনা পূৰণ কৰি সুদামা আৰু ৰামৰ সৈতে কৃষ্ণ মথুৰা নগৰত সোমাল। কৃষ্ণৰ অসামান্য ৰূপত নগৰীয়া ৰমণী-বিলাক মুগ্ধ হৈ পৰিল। বাটত যাওঁতে বাণিজাৰবিলাকে কৃষ্ণক দেখা পাই অতি ভক্তিৰে শৰাইত নানা উপহাৰ দি আঠুকাঢ়ি কৰযোৰে স্তুতি কৰিবলৈ ধৰিলে। তেতিয়া কৃষ্ণ আৰু বলৰামে আগহাত দাঙি তেওঁলোকৰ ওপৰত সন্তুষ্টিৰ ভাব প্ৰকাশ কৰিছে।

कुब्जाकी वासना पूर्ण कर सुदामा और रामके साथ कृष्ण मथुरानगरमें आये। कृष्णके असामान्य रूपसे नगरकी रमणियाँ मुग्ध हो उठीं। पाससे जातेहुये वणिक्‌गण कृष्णको देखकर अत्यंत भक्तिसे ठगीमें नाना उपहार देकर घुटने टेककर कर जोड़कर स्तुति करने लगे। कृष्ण बलराम प्रेमसे उनका अभिनंदन स्वीकार कर रहे हैं।

শ্ৰীকৃষ্ণৰ ধনুৰ্ভঙ্গ :—ভগবান কৃষ্ণ মথুৰাৰ ৰাজবাটেদি এনেকৈ ফুৰি ফুৰি গৈ কংসৰ ধনুৰ্যজ্ঞশালা পালে গৈ। বলৰাম আৰু গোপবালকবিলাকো কৃষ্ণৰ পিছে পিছে গৈছে। পুৰস্ত্ৰীবিলাকে কৃষ্ণৰ ৰূপ দৰ্শন কৰি আছে। কৃষ্ণ ধনুৰ্যজ্ঞৰ ঠাই পাই তাত ইন্দ্ৰৰ ধনুৰ দৰে অতি উজ্জ্বল কংসৰ ধনু দেখি তেওঁ ধনুখন লৈ

श्रीकृष्णका धनुर्भंग : भगवान् कृष्ण मथुराकी राज-सड़कसे इसी तरह पूछ-ताछ करते कंसकी धनुर्यज्ञकी जगह जा पहुंचे। बलराम और गोपबालकगणभी कृष्णके पीछे पीछे आगये। पुरस्त्रियाँ कृष्णके रूपका दर्शन कर रही हैं। धनुर्यज्ञकी जगह कृष्णने इन्द्रके धनु जैसा अति उज्ज्वल कंसका धनु देखकर

পুৰ-স্ত্ৰী। গোপগণ। বলভদ্ৰ। কৃষ্ণে কংসৰ ধনু ধৰিছা। ধনুৰখীয়া সেনা।

গুণ লগাই টঙ্কাৰ দিলে। তাকে দেখি ধনুৰখীয়া সেনাবিলাকে ঢাল আৰু তৰোৱাল লৈ কৃষ্ণক খেদি আহিল।

अपनि हाथमें लेकर टंकार किया। उसे देखकर धनुर्के पहरेदार सैनिकगण ढाल और तलोवार लेकर कृष्णकी ओर दौड़े।

কংসৰ সৈন্য। ৰাম-কৃষ্ণে ধনুৰখীয়াসবক বধিছন্ত।

কংসৰ অনুচৰবিলাকে হাতত খড়্গ, ধনু আদি লৈ কৃষ্ণ-বলৰামক খেদি অহা দেখি দুয়ো ভাই-ককায়ে তীক্ষ্ণ অসিৰে কাকো কাটি, ধনুৰে কাকো বিন্ধি ছিন্ন ভিন্ন কৰিলে। কংসৰ সৈন্যবিলাকেও ভয় নাখাই কৃষ্ণ-বলৰামক বেঢ়ি ধৰিলে।

कंसके अनुचरोंको आपनी ओर आते देख कृष्ण बलरामकी दोनों भाई भी आपने आपने शस्त्रोंसे उन सैनिकों पर प्रहार कर उन्हें तितर बितर कर दिया।



গোপবালক। কৃষ্ণ। বলৰাম। গোপবালক।

কৃষ্ণ-বলৰামে কংসৰ সৈন্যবিলাকক মাৰি গোপবালকবিলাকৰ সৈতে নির্ভয় চিত্তে নগৰৰ ৰাজবাটত ফুৰি সাজবেলিকো নগৰৰ বাহিৰত বল গৈ। পৰিশ্ৰান্ত কৃষ্ণ-বলৰামে হাত ভৰি ধুই দুয়ো দুখন বিচিত্ৰ বিছানাত শুইছে; দুজন গোপবালকে ভৰিৰ ওচৰত বহি দুয়োৰো ভৰি টিপিবলৈ ধৰিছে। আন এজন গোপবালক ওচৰতে চোঁৱৰ ধৰি আছে।

कृष्ण बलराम कंसकी सेनाओंको मारकर गोपबालकोंके साथ निर्भय चित्तसे राजमार्गसे ग्रामकी नगरके बाहर आकर ठहरे। परिश्रान्त कृष्ण बलराम हाथ पैर धोकर दोनों दो विचित्र बिछौनोंपर सो रहे हैं: दो गोपबालक पैरोंके पास बैठकर दोनोंके पाँव दबा रहे हैं। दूसरा गोपबालक पास ही चँवर डुला रहा है।

কংসৰাজা। কংসৰ পাত্ৰ। ৰাজাগণ। বসুদেৱ-দৈৱকী।

মালসকল। বাদ্য বজোৱা। ৰাম-কৃষ্ণে মালসমে যুঁজিছন্ত। পুৰ-স্ত্ৰী।

মল্লৰঙ্গ :—পাছ দিনা কংসৰ ধনুৰ্যজ্ঞ আৰম্ভ হল। ৰজা কংস উচ্চ আসনত হাতত ঢাল-তৰোৱাল লৈ বহিছে। পিছফালৰ পৰা এজন চৰে মূৰৰ ওপৰত শুক্ল ছত্ৰ ধৰিছে। সম্মুখত এজনা পাত্ৰই হাতত ঢাল-তৰোৱাল লৈ বহি আছে। তাৰ পিছৰ ফালে কংসৰ অভিমুখে চাপৰ আসনত আন আন ৰজাবিলাক যজ্ঞ চাবলৈ বহিছে। তাৰ পিছত মহামতি বসুদেৱ আৰু দৈৱকীও পুত্ৰৰ অলৌকিক শক্তি চাবলৈ যেন সভাত বহি আছে। আন এঠাইত কিচ্‌কিচীয়া কলা মালবিলাক ঢাল-তৰোৱাল লৈ সুসজ্জিত হৈ বহি

मल्लयुद्ध : दूसरे दिन कंसका धनुर्यज्ञ शुरु हुआ। राजा कंस ऊँचे आसनपर हाथमें ढाल-तलवार लेकर बैठा है। पीछेकी ओर एक दास सिरपर शुक्ल छत्र डुला रहा है। सामने एक सैनिक हाथमें ढाल-तलवार लेकर बैठा है। उसके पीछे कंसके आमने सामने नीचे आसनोंपर दूसरे राजागण यज्ञ देखनेके लिए बैठे हैं। उसके पीछे महामति वसुदेव और देवकीभी पुत्रकी अलौकिक शक्ति देखनेके लिए सभामें बैठे हैं। दूसरी एक जगह भयंकर पहलवान ढाल-तलवार लेकर सुसज्जित होकर बैठे

আছে। পুৰবাসী ৰমণীবিলাকে আচৰিত হৈ থিয় দি মালযুঁজ চাবলৈ ধৰিছে। কৃষ্ণই এটা মালৰ লগত যুঁজ কৰি মালৰ গলত আগ-হাতেৰে সাৰোটি ধৰি তাক মাটিত পেলাই ধৰিছে, আৰু বলৰামেও আন এটা মালক মাটিত পেলাই হেঁচি ধৰিছে।

हैं। पुरवासिन रमणियाँ अचरज होकर खड़ी होकर मल्लयुद्ध देख रही हैं। कृष्ण एक पहलवानके साथ लड़कर मल्लके गलेमें दाहिने हाथसे पकड़कर उसे जमीनपर गिरा लिया है और बलरामभी दूसरे एक पहलवानको जमीनपर गिराकर दबा रखा है।



দ্বাৰী। অম্বষ্ঠ হাথিয়াৰ। কৃষ্ণে অম্বষ্ঠক মাতিছা। ৰাম। গোপগণ।

কুৱলয় বধ ঃ—ভগবান কৃষ্ণই বলৰামৰ সৈতে ধনুৰ্যজ্ঞত কংসৰ মালবোৰক মাৰি গোপবিলাকৰ সৈতে পুৰত সোমাবলৈ দুৱাৰত উপস্থিত হল গৈ। কুৱলয় নামে এটা প্ৰকাণ্ড হাতীয়ে দুৱাৰ ৰোধ কৰি থকা দেখি কৃষ্ণই মাউতক হাতীটো আঁতৰাই নিবলৈ কলে। মাউতে কৃষ্ণৰ আদেশ শুনি ৰাগান্বিত হৈ হাতীটোক অঙ্কুশেৰে খুচি কৃষ্ণআদিৰ ফালে আগবঢ়াই দি তেওঁলোকক বাধাহে দিলে।

कुवलय वध : भगवान कृष्ण बलरामके साथ धनुर्यज्ञ में कंसके पहलवानोंको मारकर ग्वालोंके साथ पुरमें घुसनेके लिए दरवाजे पर आये। कुवलय नामका एक प्रकांड हाथीको दरवाजा रोके खड़ा देखकर कृष्ण महावतसे हाथीको हटा ले जानेको कहा। महावत कृष्णके आदेश से क्रोधित होकर हाथीको अङ्कुश चुभाकर कृष्ण आदिकी ओर बढ़ा रहा है।

দুৱাৰী। কুৱলয়। কৃষ্ণে হস্তীক ধৰিছা। ৰাম। গোপ।

দুৱাৰত এজন দুৱৰী থিয় হৈ আছে। মাউতৰ কাৰ্য্যত খং উঠি কৃষ্ণই তৎক্ষণাং খেদি গৈ সেই কুৱলয় হাতীৰ নেজত দুয়ো হাতেৰে খামোচ মাৰি ধৰি টান দিলে। কৃষ্ণৰ পিছৰ ফালে বলৰাম আৰু বলৰামৰ পিছৰ ফালে শিঙা বংশী বাই গোপবালক-বিলাকে কৃষ্ণৰ সেই আশ্চৰ্য্য কাৰ্য্য চাই থিয় দি আছে।

দৰবাজেপৰ এক প্ৰহৰী খড়া হৈ। মহাবতকে কাৰ্যসে ক্ৰুদ্ধ হো কৃষ্ণ উস কুৱলয় হাথীকী পুঁছকো জোৰসে পকড়কৰ খীঁচতে হৈঁ। কৃষ্ণকে পীছেকী ঔৰ বলৰাম ঔৰ বলৰামকে পীছেকী ঔৰ গোপবালকগণ কৃষ্ণকা বহ অজীব কাৰ্য খড়ে খড়ে দেখ ৰহে হৈঁ।

গোপগণ। ৰাম। কৃষ্ণে হস্তীৰ দান্ত লৈবাক ধৰিছন্ত।

কৃষ্ণই কুৱলয়ৰ পিছৰ ফালে জোৰে টানি এৰি দিলত সি বেগৰ কোবত সম্মুখৰ ফালে মুখ ঠেকেচা খাই মাটিত পৰি গল। হাতীটো আগৰ ফালে পৰাৰ কাৰণে মাউত পিছৰ ফালে পৰিবৰ ভয়ত হাতীৰ ওপৰতে ফেঁটা পৰি বাওঁহাত মেলি বল হাতীটো মাটিত হামকুৰি খাই পৰা মাত্ৰকে কৃষ্ণ আগৰ ফালে গৈ তাৰ দাঁত দুটাত খামোচ মাৰি ধৰিলে। তেতিয়া বলদেৱ প্ৰভৃতি গোপ-বালকবিলাকো কৃষ্ণৰ পিছ ধৰিলে গৈ।

कृष्ण कुवलयकी पोंछकी ओर जोरसे खींचकर हठात् छोड़ देनेपर वह वेगसे सामने मुँह के बल जमीनपर गिर पड़ता है। हाथीके गिरनेके कारण महावत पीछेकी ओर लुढ़क पड़ता है। जमीनपर पड़े हाथीके दोनों दांतोंको कृष्ण उखाड़ लेता है।

বন্দী। কংস। কৃষ্ণ। বলৰাম। গোপসকল।

কৃষ্ণই সেই কুৱলয় হাতীক তাৰ দাঁতেৰেই মাউতৰ সৈতে মাৰি মাটিত পেলাই থৈ কংসৰ বহা চ'ৰা পালে গৈ। কংস এখন আসনত হাতত ধনু-শৰ লৈ বহি আছে। পিছৰ ফালৰ পৰা এজন বন্দীয়ে ছত্ৰ ধৰিছে। কান্ধত গদা লৈ আগত কৃষ্ণ আৰু তাৰ পিছত বলৰাম কংসৰ ওচৰলৈ গল। লগতে শিঙা, বেণু বজাই গোপ-শিশুবিলাকো উপস্থিত হল গৈ

कृष्ण उस कुवलय हाथीको और महावतको मारकर बैठकखानेमें आ पहुँचे। कंस एक आसनपर हाथमें धनुष-बाण लेकर बैठा है। कंधेपर गदा लेकर आगे कृष्ण और उनके पीछे बलराम कंसके पास गये। साथही गोपशिशु-गणभी हैं।

পুৰ-স্ত্ৰীসকল। কৃষ্ণ। ৰাম। গোপগণ।

কৃষ্ণ-বলৰামৰ ধনুৰ্যজ্ঞত উপস্থিতি:—যেতিয়া কৃষ্ণ কংসৰ ধনুযজ্ঞত উপস্থিত হল, তেতিয়া তাত উপস্থিত হোৱা সমজুৱা-সকলে কৃষ্ণক দহ প্ৰকাৰে দেখিবলৈ পালে। যজ্ঞক্ষেত্ৰত কৃষ্ণ আৰু বলৰামে কান্ধত বাওঁহাতেৰে শিঙা লৈ লয়লাসে গোপবিলাকৰ সৈতে যেতিয়া প্ৰবেশ কৰিলে, তেতিয়া তাত উপস্থিত থকা ৰমণীবিলাকে কৃষ্ণ-দৰ্শনত মোহিত হৈ যেন পৰস্পৰে কৃষ্ণৰ গুণ-গানকে কৰিছে।

कृष्ण-बलरामका धनुर्यज्ञमें उपस्थिति : जब कृष्ण कंसके धनुर्यज्ञमें हाजिर हुए, तब वहाँ उपस्थित सभाजनोंने कृष्णको दस प्रकारसे देखा। यज्ञस्थलमें कृष्ण और बलराम कंधेपर बायें हाथमें सींगा लेकर लयसे गोपबालकोंके साथ जब प्रवेश करते हैं तब वहाँ उपस्थित रमणियाँ कृष्ण दर्शन से मुग्ध होकर परस्पर मानो कृष्णके ही गुणगान कर रही हैं।

ৰাম-কৃষ্ণই গোপসকলৰ সৈতে কংসপুৰত সোমায়েই মুষ্টিক আৰু চানুৰ নামে ভীষণ আকৃতিৰ মাল দুজনক দেখা পালে। কংসই ৰাম-কৃষ্ণক দেখিয়েই মুষ্টিক আৰু চানুৰৰ লগত তেওঁলোকক যুঁজ কৰিবলৈ আদেশ দিলত দুয়ো যুঁজ কৰিবলৈ প্ৰস্তুত হল।

राम-कृष्णने ग्वालोंके साथ कंसके पुरमें घुम कर ही मुष्टिक और चानुर नाम भीषण आकृतिके दो पहलवानोंको देखा। राम-कृष्णको देखतेही कंसके मुष्टिक और चानुरको लड़नेका आदेश देनेपर दोनों युद्ध करनेके लिए तैयार हुए। चानुर आगे

মুষ্টিক। চানুৰ। কৃষ্ণ। ৰাম। গোপগণ।

চানুৰ আগত, মুষ্টিক পাছত, আন ফালে কৃষ্ণ, তাৰ পিছত বলৰাম আৰু শেষত গোপগণ থিয় হৈ আছে।

मुष्टिक पीछे, दूसरी ओर आगे कृष्ण उनके पीछे बलराम और शेषमें ग्वालगण खड़े हैं।

বন্দী। কংস। ৰাম-কৃষ্ণে মালে সমে যুজিছন্ত। পুৰ-স্ত্ৰী।

কংস আগৰদৰে ঢাল-তৰোৱাল লৈ আসনত বহি আছে। আগত উপহাৰ-দ্ৰব্য পূৰ্ণ এখন শৰাই আছে, আৰু পিছৰ ফালে

कंस पहले जैसे ढाल-तलवार लेकर आसनपर बैठा है। सामने भेंटके द्रव्यपूर्ण उपहार पड़े हैं। पीछेकी तरफ एक

এজন বন্দীয়ে বহি ছত্র ধৰিছে। সম্মুখত চানুৰৰ সৈতে কৃষ্ণই আৰু মুষ্টিকৰ সৈতে বলদেৱে পোনতে কঁকালত ধৰাধৰি কৰি মল্লযুদ্ধৰ নিয়মানুসাৰে যুঁজ আৰম্ভ কৰিছে। পিছ ফালে গোপ-বালকগণ আৰু পুৰ-স্ত্রীসকল থিয় দি চাই আছে।

ट म चँवर डुला रहा हैं। सामने चानुरके साथ कृष्ण और मुष्टिकके साथ बलदेव मल्लयुद्धके नियमानुसार युद्ध आरंभ कर रहे हैं। पीछे गोपबालकगण खड़े होकर देख रहे हैं।



পুৰবাসী স্ত্রী। মুষ্টিক-ৰাম। কৃষ্ণ। চানুৰ। বসুদেৱ। দৈৱকী।

পিছত বাহুযুদ্ধৰ নিয়মানুসাৰে মুষ্টিক মাটিত ভৰি মেলি বহি পিছৰ ফালে আগহাত মাটিত গজা মাৰি বাওঁহাতেৰে সেই ভাৱে বহা বলদেৱৰ কঁকালত ধৰিছে। বলদেৱেও মুষ্টিকৰ কোলাত বহি এখন ভৰি কোচাই লৈ আনখন ভৰি আঙুৰাই দি মুষ্টিকক টিপি ধৰি আগহাতেৰে মুষ্টিকৰ গলৰ ফালে টান দি বাওঁহাত ওপৰলৈ তুলি লৈছে। তেনেকৈ কৃষ্ণয়ো চানুৰৰ আগখন হাতত নিজৰ বাওঁহাতেৰে মেৰপাক দি আগহাত দাঙি যেন মাৰিবলৈহে খুজিছে। সেই সময়ত পুৰবাসিনী স্ত্রীবিলাকে আগৰ ফালে আৰু দৈৱকী-বসুদেৱ পাছৰ ফালে আসনত বহি চাই আছে।

बाहुयुद्धकी नियमानुसार मुष्टिक जमीनपर पैर फैलाकर बैठकर पीछेकी तरफ दाहिना हाथ मिट्टीपर टेककर बायें हाथसे उसी भावसे बैठे हुए बलरामकी कमर पकड़े है। बलदेवभी मुष्टिककी गोदमें बैठकर एक पैर संभालकर दूसरे पैर बढ़ाकर मुष्टिककी दबाकर पकड़कर दाहिने हाथसे मुष्टिकके गलेकी ओर खींचकर बायें हाथको ऊपर उठा रहे हैं। वैसेही कृष्णभी चानुरके दाहिने हाथमें अपने बायें हाथसे घेर डालकर दाहिना हाथ उठाकर मानो मारनाही चाहते हैं। उस समय पुरवासिन स्त्रियाँ सामने की ओर और दैवकी वसुदेव पीछेकी ओर आसनपर बैठकर देख रहे हैं।

দৈৱকী বসুদেৱে সন্তাপ কৰিছা। পুৰ-স্ত্ৰী। ৰাম। কৃষ্ণ। কংস।

চানুৰ-মুষ্টিকৰ কৃষ্ণ-বলৰামৰ লগত যুদ্ধ দেখি বসুদেৱ-দৈৱকী আৰু পুৰ-স্ত্ৰীসকলৰ বিষাদ ঃ—বালক কৃষ্ণ আৰু বলৰামক সেইদৰে বিশাল আকাৰৰ মল্লৰ লগত যুদ্ধ কৰা দেখি দৈৱকী আৰু বসুদেৱ বিষন্ন হৈছে। পুৰ-স্ত্ৰীসকলে কৃষ্ণৰ আশ্চৰ্য্য কৰ্ম দেখি স্তম্ভিত হৈ আগহাত পাতি যেন নিৰ্দ্দয় কংসৰ ওচৰত কৃষ্ণৰ প্ৰাণ ভিক্ষাহে কৰিছে; নাইবা কৃষ্ণ আৰু বলৰামক যুদ্ধৰ পৰা বিৰত হবলৈ প্ৰাৰ্থনা কৰিছে। কংসই হাতত ঢাল-তৰোৱাল লৈ এখন আসনত অকলে বহি আছে। কৃষ্ণ-বলৰামে তেওঁৰ সম্মুখত যুদ্ধ কৰিবলৈ যেন প্ৰস্তুত হৈ আছে।

चानुर-मुष्टिककी कृष्ण-बलरामके साथ लड़ाई देखकर वसुदेव-देवकी और पुरस्त्रियोंका विषाद : बालक कृष्ण और बलरामको उसी तरह विराट आकारके मल्लोंके साथ लड़ते देखकर देवकी और वसुदेव लिति हो रहे हैं। पुरस्त्रियाँ कृष्णका अद्भुत कर्म देखकर स्तम्भित होकर दाहिना हाथ पसारकर मानो निर्दय कंसके पास कृष्णकी प्राणकी भिक्षा मांग रही हैं या कृष्ण और बलरामको युद्धसे निवृत्त होनेके लिए प्रार्थना कर रही हैं। कंस हाथमें ढाल-तलवार लेकर एक आसनपर अकेले बैठा है। कृष्ण-बलराम उसके सामने युद्ध करनेके लिए तैयार हैं।

ধনুৰ্যজ্ঞস্থলত দৈৱকী-বসুদেৱ বহি আৰু পুৰ-স্ত্ৰীবিলাক থিয় দি চাই থাকোঁতেই বলভদ্ৰে মুষ্টিকক মাটিত চিৎ কৰি পেলাই দি

धनुर्यज्ञशालामें देवकी वसुदेव और पुरस्त्रियोंके देखते देखते ही बलभद्रने मुष्टिककी मिट्टीपर चित करके घुसोंसे (मुष्टिके प्रहारसे)

দৈৱকী-বসুদেৱ। পুৰ-স্ত্ৰী। বলভদ্ৰে মুষ্টিকক বধিলা। কৃষ্ণে চানুৰক পাক ঘুৰাইছা। গোপশিশু। পুৰ-স্ত্ৰী।

ভুকুৱাই মাৰি পেলালে। তেনেকৈ কৃষ্ণয়ো কৌশল কৰি চানুৰক আগহাতেৰে ওপৰলৈ তুলি তাতে পাক ঘূৰাই মাৰি পেলালে।

मार डाला। वैसेही कृष्णनेभी कौशलसे चानूरको टांगें हाथसे ऊपर उठाकर वहीं घुमाकर मार डाला।

ছত্ৰধাৰী। কংসৰাজা। সেৱক। বলভদ্ৰে কূটমল্লক বধিলা। কৃষ্ণে তোশলমল্লক বধিলা।

চানুৰ, মুষ্টিক আদিৰ বধত কংসৰ ক্ৰোধঃ—ৰজা কংস আগৰদৰে আসনত বহি থাকি চানুৰ আৰু মুষ্টিকৰ মৃত্যু দেখি

चानुर, मुष्टिक आदिकी वधसे कंसका क्रोध : राजा कंस चानुर और मुष्टिककी मृत्यु देखकर अत्यंत विस्मयान्वित

অতি বিস্ময়ান্বিত হল। পাছত কূট নামে এক মাল ৰণত প্ৰবেশ কৰিলত বলভদ্ৰে তাক এক ভুকুতে মাৰি মাটিত মুখঠেকেচা খুৱাই মাৰি পেলালে। তাৰ পিছত তোসল্ল আৰু শল্ল নামে দুটা মালে যুদ্ধ কৰোঁ বুলি সেই ঠাইত উপস্থিত হল। কৃষ্ণই দুয়োকো গোৰ মাৰি মূৰ ছিঙি পেলালে ; মূৰ দুটা এঠাইত আৰু গাৰি দুডোখৰ আন ঠাইত বাগৰি পৰিল। এজনৰ ছিঙা গাৰিৰ ওপৰত কৃষ্ণৰ বাওঁ ভৰিখন লাগি থাকিল। কংসই এই ঘটনা দেখি বিস্ময়ান্বিত হৈ খণ্ডত কঁপিবলৈ ধৰিলে।

हुआ। बादमें कूट नामका एक मल्लके रणमें प्रवेश करनेपर बलभद्रने उसेभी मुष्टिके एकही प्रहारसे मारकर फेंक दिया। उसके बाद तोसल्ल और शल्ल नामके दो मल्ल लड़ाई करनेके लिए उसी जगहपर आये। कृष्णने दोनोंको लात मारकर सिरोंको तोड़ डाला; दोनों सिर एक जगह और धड़के दोनों टुकड़े दूसरी जगह गिर पड़े। इस घटनाको देखकर विस्मयान्वित होकर कंस काँपने लगा।

দৈৱকী। বসুদেৱ। পুৰ-স্ত্ৰী। বলৰাম। শ্ৰীকৃষ্ণ। গোপবালকসকল।

কৃষ্ণ-বলৰামৰ আনন্দ ঃ—ভগবান কৃষ্ণই কংসৰ মালবিলাকক মাৰি আনন্দিত হৈ বলৰাম আৰু গোপ-বালকবিলাকৰ সৈতে নাচিবলৈ ধৰিছে। কৃষ্ণ-বলৰামে নানা ভঙ্গি কৰি নাচিছে আৰু গোপ-বালকবিলাকে চাপৰি ধৰিছে। বসুদেৱ-দৈৱকীৰ সৈতে পুৰনাৰীবিলাকে এই আনন্দ-নৃত্য যেন আগ্ৰহেৰে চাব ধৰিছে।

कृष्ण-बलरामका आनंद : भगवान कृष्ण कंसके मल्लोंको मारकर आनन्दित होकर बलदेव और गोपबालकोंके साथ नाच रहे हैं। कृष्ण और बलराम नाना भंगियोंसे नाच रहे हैं और गोपबालकगण ताली बजा रहे हैं। वसुदेव-देवकीके साथ पुरवासीगण इस आनन्द-नृत्यको मानो चावसे देख रहे हैं।



কংসে ক্ৰোধে বল্কিছা। পাত্ৰ। মল্ল। কৃষ্ণ। ৰাম।

কংসৰ ক্ৰোধ আৰু কৃষ্ণৰ হাতত মৃত্যু :—কৃষ্ণ-বলৰামে মালবিলাকক মাৰি তেনেকৈ আনন্দত নৃত্য কৰা দেখি ৰজা কংস ক্ৰোধত অস্থিৰ হৈ পৰিল। আৰু আসনত বহি থাকিয়েই বাওঁহাতেৰে ঢাল আৰু আগহাতেৰে অস্ত্ৰ মুঠি দাঙি যেন পাত্ৰক সম্বোধন কৰি ক্ৰোধৰ ভাব প্ৰকাশ কৰিছে।

कंसका क्रोध और कृष्णकी हाथसे मृत्यु : कृष्ण बलरामको मल्लोंको मारकर आनन्दसे नृत्य करते देखकर राजा कंस क्रोधसे अस्थिर हो पड़ा और आसनपर बैठे बैठेही बायें हाथसे ढाल और दाहिने हाथसे मुष्टि उठाकर मानों प्रहरीको सम्बोधन करके क्रोधका भाव प्रगट कर रहा है।

ৰজা কংস ক্ৰোধত কদ্ৰমূৰ্ত্তি হৈ হাতত ঢাল-তৰোৱাল লৈ কৃষ্ণক খেদি গল। কৃষ্ণই কংসৰ খং আৰু বেচিকৈ তুলিবলৈ খিল খিল কৰি হাঁহি মাৰি কঁকালত পীতবস্ত্ৰ বান্ধি বুক ফিন্দিয়াই হাত দাঙি খেদা মাৰি গল। সেই সময়ত দৈৱকী আৰু বসুদেৱ বিষন্ন মনে

राजा कंस क्रोधसे रुद्रमूर्ति होकर हाथमें ढाल-तलवार लेकर कृष्णकी ओर झपटा। कृष्ण कंसके क्रोधको और बढ़ानेके लिए हँसते हँसते कमर कसकर छाती फुलाकर हाथ उठाकर कंसकी ओर लपके। उस समय दैवकी और वसुदेव विषण्ण मनसे बैठे हैं।

কংসে খাণ্ডাবাক ধৰিছা।   কৃষ্ণে মঞ্চত চড়িছা।



গুৱাল।   দৈৱকী।   বসুদেৱ।   বলভদ্ৰ।   শ্ৰীদাম।   পুৰ স্ত্ৰী।

মুখত হাত দি বহি আছে। বলদেৱ, গোপবালক আৰু পুৰ-স্ত্ৰী-সকলে আশ্চৰ্য্যান্বিত হৈ যেন কৃষ্ণ আৰু কংসৰ যুদ্ধহে চাবলৈ অপেক্ষা কৰিছে।

বলদেৱ, গোপবালক্ক আৈৰ পুৰস্ত্ৰিয়াঁ আশ্চৰ্য্যান্বিত হোকৰ মানো কৃষ্ণ আৈৰ কংস কী লড়াইকী দেখনেকী ইন্তজাৰমে হৈ।

দৈৱকী-বসুদেৱ আগৰদৰে বহি আছে। বলদেৱ, সুদাম আৰু পুৰ-স্ত্ৰীসকলে থিয় দি কংস আৰু কৃষ্ণৰ যুঁজ চাই আছে। আন

দেৱকী-বসুদেৱ পহলে জৈসে বৈঠে হৈ। বলদেৱ, সুদাম আৈৰ পুৰস্ত্ৰিয় খড়ী হোকৰ কংস আৈৰ কৃষ্ণকী লড়াই দেখ ৰহী হৈ।

কৃষ্ণে কংসৰ চুলিত ধৰিছা।

অসুৰ। দৈৱকী। বসুদেৱ। বলদেৱ। সুদাম। পুৰ-স্ত্ৰী।

এজন কংসৰ অনুচৰ অসুৰে বাওঁহাতেৰে ঢাল আৰু আগহাতে তৰোৱাল লৈ আগআঠু কাঢ়ি বাওঁআঠু অলপ বেঁকা কৰি অতি তীক্ষ্ণ দৃষ্টিৰে ক্ৰোধান্বিত হৈ যেন যুযুৎসুভাৱে সেই কংস আৰু কৃষ্ণৰ ফালে চাই ৰৈছে। যুঁজ কৰি থাকোঁতে কৃষ্ণই হঠাৎ কংসক থাপ্মাৰি আগহাতেৰে চুলিত ধৰি পেলাই দিলে। কংস অলপ মূৰ হলাই হাতত ঢাল তৰোৱাল লৈয়ে যেন বিমৰ্ষ হল।

कंसके दूसरे एक अनुचर बायें हाथमें ढाल और दाहिने हाथमें तलवार लेकर दाहिना घुटना टेककर बायाँ घुटना जरा झुकाकर अति तीक्ष्ण दृष्टिसे क्रोधान्वित होकर मानो लड़ाकूभावसे उस कंस और कृष्णको ओर देख रहा है। लड़ाई करते रहनेके समय कृष्णने हठात् कंसको थपेड़े मारकर दाहिने हाथसे बालोंको पकड़कर गिरा दिया।

সেৱক। কৃষ্ণে কংসৰ উপৰত জগতৰ ভৰে পৰিছা। ৰাম। সুদাম। পুৰ-স্ত্ৰী। ৰাজগণ ত্ৰাসে পলায়।

কৃষ্ণই খড়েৰে কংসক চুলিত ধৰি চিংকৰি মাটিত পেলাই দি তাৰ ওপৰত উঠি আঠুৰে কংসৰ কঁকালত আৰু বাওঁহাতেৰে কংসৰ আগহাতত হেঁচা দি উঠিব নোৱাৰাকৈ ধৰি আগহাতেৰে যেন প্ৰাণনাশ কৰিবলৈ উদ্যত হৈছে বলৰাম, সুদাম আৰু পুৰ-স্ত্ৰী-বিলাক আশ্চৰ্য্যান্বিত হৈ সেই ঘটনা চাই আছে। কংসক সেইদৰে সমৰত পৰা দেখি আন আন ৰজা আৰু সেৱকসকল দশোদিশে পলাবলৈ ধৰিছে।

भगवान कृष्णने कंसको उसी तरह मारकर उसके बालोंको पकड़कर लंबा करके फेंक दिया। कंस दाँत निकालकर हाथ पैर फैलाकर पड़ा है। देवकी और वसुदेव आश्चर्यान्वित और

कृष्ण क्रोधसे कंसके बालोंको पकड़कर चितकर जमीनपर गिराकर उसके ऊपर चढ़कर घुटनेसे कंसके कमरमें और बायें हाथसे कंसके दाहिने हाथपर दबाव डालकर दाहिने हाथसे मानो उसको जान लेनेके लिए उद्यत हुए। बलराम, सुदाम और पुरनारियाँ आश्चर्यान्वित होकर उस घटनाको देख रही हैं। कंसको उसी तरह समरमें गिरते देखकर और और राजा और सेवकसमूह जहाँ तहाँ भागने लगे।

ভগৱান কৃষ্ণই কংসক সেইদৰে মাৰি তাৰ চুলিত ধৰি দীঘলকৈ পেলাই দিছে। দৈৱকী আৰু বসুদেৱ আচৰিত আৰু আনন্দিত হৈ যেন কৃষ্ণক আগবঢ়াই আনিবলৈহে সমস্তেৰে আগহাত মেলি

দেৱতাগণ।

দৈৱকী-বসুদেৱ। কৃষ্ণে কংসক ঘমাইছা। সুদাম। ৰাম। শ্ৰীদাম। পুৰ-স্ত্ৰী। বসুদাম।

গৈছে। সুদাম আৰু বলৰামে আনন্দিত হৈ বংশী বজাই আছে। শ্ৰীদাম, বসুদাম প্ৰভৃতি গোপসকল আৰু পুৰ-স্ত্ৰীবিলাকে আনন্দিত হৈ যেন উল্লাস প্ৰকাশ কৰিছে। কংস-নিপাত দেখি আনন্দিত

आनन्दित होकर मानो कृष्णकी स्वागत करनेके लिएही हाथ पसार रहे हैं। सुदाम और बलराम खुश होकर वंशी बजा रहे हैं। श्रीदाम, वसुदाम प्रभृति गोपगण और पुरस्त्रियाँ आनन्दित होकर

হৈ আকাশত দেৱতাবিলাকৰ কোনোৱে ফুলৰ কটি হাতত লৈ পুষ্পবৃষ্টি কৰিছে ; কোনোৱেবা খোল-তাল ধৰি আক কোনোৱেবা এনেই হাত তুলি নৃত্য-গীত কৰিছে।

मानो उल्लास प्रकट कर रहे हैं। कंसको निधनसे खुश होकर आकाशमें देवता पुष्पवृष्टि कर आनन्दसे नृत्य कर रहे हैं।



কংস বৈকুণ্ঠক যায়।

দৈৱকী। গুৱাল। বসুদেৱ। নন্দ। বলভদ্ৰ। কৃষ্ণক কংসে নমিছা।

কংস ভগবান কৃষ্ণৰ হাতত মৰিল, তেওঁ ভগবানক বৈৰভাৱে চিন্তা কৰাৰ ফলত চতুৰ্ভুজৰূপ লাভ কৰিলে। আৰু চাৰি হাতে শঙ্খ, চক্ৰ, গদা, পদ্ম ধৰি মূৰ দোৱাই কৃষ্ণৰ চৰণত ভক্তি কৰিলে। কৃষ্ণই ত্ৰিভঙ্গ-ভঙ্গিমাৰে মোহনবেশে যেন কংসৰ ভক্তি হাত পাতি গ্ৰহণ কৰিছে। দৈৱকী, বসুদেৱ নন্দ আৰু বলৰাম আদিয়ে এই অদ্ভুত ঘটনাৱলী দৰ্শন কৰি আনন্দিত আৰু বিস্ময়ান্বিত হৈ তধা লাগি চাই আছে। ইয়াৰ পিছত কংসই শঙ্খ, চক্ৰ, গদা, পদ্ম ধৰি চতুৰ্ভুজৰূপে বিমানত চৰি বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলে।

भगवानकी वैरीरूपसे भजनेके फलसे कंसने चतुर्भुज रूप प्राप्त किया। और चारों हाथोंमें शंख, चक्र, गदा, पद्म लेकर सिर झुकाकर कृष्णके चरणोंमें भक्ति करने लगा। कृष्ण त्रिभंग भंगिमासे मोहन वेशमें मानो कंसकी भक्ति हाथ फैलाकर ग्रहण कर रहे हैं। देवकी, वसुदेव, नन्द और बलराम आदि इस अद्भुत घटनाको देखकर आनन्दित और विस्मयान्वित होकर एक टक ताक रहे हैं। इसके बाद कंस शंख, चक्र, गदा पद्म सहित चतुर्भुज रूपमें विमानपर चढ़कर वैकुण्ठको प्रयाण किया।

কংস মৰা খবৰ নগৰত বাষ্ট্ৰ হলত কংসৰ ভায়েকসকলে কৃষ্ণক মাৰিবলৈ ঢাল-তৰোৱাল লৈ খেদি আহিল। তাকে দেখি বলৰামে আগভেটি ধৰি অকলে গোটেইবিলাকক গদাৰে কোবাই মাৰি

कंसके मरनेकी खबर सुनकर कंसके भाइ-बंधु ढाल-तलवार लेकर कृष्णको मारनेके लिए आये। उसे देखकर बलरामने आगे बढ़कर अकेलेही सभोंको गदासे प्रहार कर मार

কংসৰ ভ্ৰাতৃসবক বলভদ্ৰে গদা ধৰি কোবাই মাৰিছা। সুদাম। কৃষ্ণ।

মহেশ। ব্ৰহ্মা। সিদ্ধ। অপেস্বৰা। বিদ্যাধৰ। গন্ধৰ্ব।

পেলালে। কোনো হাত ভৰি ভাঙি গল মূৰ বেঁকা হৈ, কোনো কঁকাল ভাঙি আঠুকাঢ়ি আৰু কোনোবা ক্ষত-বিক্ষত হৈ বিৰূপ-ভাবে পৰি মৰি থাকিল। সেই সময়ত সুদাম গোপে বহি কৃষ্ণক ভক্তি কৰিছে। কৃষ্ণই আগহাত তুলি সুদাম ভক্তক যেন আশ্বাস দিছে। ইফালে আকাশত মহাদেৱে হাতত ত্ৰিশূল ধৰি বৃষভত উঠি, চতুৰ্মুখ ব্ৰহ্মাই হংসত চৰি সেই কংসবধ-উৎসৱ চাই আছে। আৰু লগতে অপ্সৰা আৰু গন্ধৰ্ববিলাকে তাল-খোল ধৰি নৃত্য-গীত আৰু বাদ্য কৰিছে।

डाला। किसीको हाथ पैर तोड़कर, गला-सिर वक्र करके और किसीको क्षत-विक्षत कर कुरूप बना दिया। आकाशमें महादेव हाथमें त्रिशूल लेकर वृषभपर चढ़कर चतुर्मुख ब्रह्मा हंसपर चढ़कर उस कंसवध उत्सवको देख रहे हैं और साथही अप्सरा और गंधर्वगण ताल खोल लेकर नृत्यगीत और बाजा बजा रहे हैं।

পুৰোহিতে কংসৰ প্ৰেতকাৰ্য্য কৰাইছা। শ্ৰীকৃষ্ণ। কংসৰ ভাৰ্য্যাসকল।

কংস মৰিলত কংসৰ ভাৰ্য্যাসকলে স্বামীৰ বিয়োগত অত্যন্ত কাতৰা হৈ কেইগৰাকীমানে মাটিত বাগৰি আৰু কেইগৰাকীমানে মূৰে কপালে ভুকুৱাই কান্দিবলৈ ধৰিলে। তাকে দেখি ভগৱান কৃষ্ণই মিঠাকথাৰে হাত তুলি তেওঁলোকক আশ্বাস দিলে, আৰু পুৰোহিত মতাই আনি কংসৰ প্ৰধানা মহিষীৰ হতুৱাই প্ৰেতকাৰ্য্য কৰোৱাৰ দিহা কৰিলে। পুৰোহিত আসনত বহি বিধি অনুসাৰে ৰাজপ্ৰথা মতে কংসৰ প্ৰধানা মহিষীৰ দ্বাৰা প্ৰেতকাৰ্য্য আৰম্ভ কৰিলে। মহিষীয়ে যথোচিত আসনত বহি প্ৰেতকাৰ্য্য কৰিবলৈ ধৰিলে।

कंसके मरनेपर कंसकी स्त्रियां स्वामीके वियोगमें अत्यंत कातर हो कर कोई जमीनपर गिरकर और कोई सिर पीटकर रोने लगीं। उसे देखकर भगवान कृष्णने मिठी बातोंसे हाथ उठाकर उन्हें आश्वासन दिया और पुरोहित बुलवाकर कंसकी प्रधान महिषी द्वारा प्रेतकार्य करवानेकी व्यवस्था की।

বসুদেৱ-দৈৱকীৰ বন্ধন মোচন:—কংসৰ প্ৰেতকৰ্ম্মৰ পাছত নগৰ কিছু শান্ত হলত কৃষ্ণই পিতৃ-মাতৃক বন্ধন-মুক্ত কৰি তেওঁলোকৰ ওচৰত দণ্ডাকাৰ কৈতে আঁঠু ললে। বসুদেৱ-দৈৱকীয়ে দুয়োকো আকোৱালি ধৰি কোলাত ললে। দৈৱকীয়ে কৃষ্ণক আৰু বসুদেৱে বলৰামক কোলাত লৈ বহুদিনৰ সঞ্চিত পুত্ৰ-স্নেহ যেন ঢালি দিব ধৰিছে। বসুদেৱ-দৈৱকীৰ ওচৰত এজন সেৱকে

वसुदेव-देवकीका बंधन मोचन: कंसके प्रेतकार्यके बाद कृष्ण पितृ-मातृका बंधन खोलकर उनके चरणोंमें दण्डके साथ प्रणाम किया। वसुदेव देवकी दोनों भाइयोंको लेकर बहुत दिनोंके संचित पुत्रस्नेहको मानो उंडेल रहे हैं। इसके बाद वसुदेव और देवकी खड़े होकर हाथ पसारकर दोनों पुत्रोंको आलिंगन

বসুদেৱ-দৈৱকী পুত্ৰ কোলে লৈছা। দৈৱকী। বসুদেৱ। ৰাম-কৃষ্ণে পিতৃ-মাতৃক স্তুতি কৰিছা। গুৱাল।

কৰযোৰে বিনয় জনাইছে। ইয়াৰ পাছত বসুদেৱ আৰু দৈৱকী থিয় দি হাত মেলি পুতেক দুজনক আলিঙ্গন কৰিবলৈহে যেন পুনৰ ইচ্ছা কৰিছে। কৃষ্ণ আৰু বলৰামে বিনীতভাৱে আঠু লৈ কৰযোৰে পিতৃ-মাতৃক স্তুতি কৰিছে, লগতে গুৱালেও তেওঁলোকক ভক্তি জনাইছে।

কৰনেকি লিএ হী মানো ফিৰ ইচ্ছা প্ৰকট কৰ ৰহে হৈঁ। কৃষ্ণ ঔৰ বলৰাম বিনীত ভাৱসে ঘুটনে টেককৰ হাথ জোড়কৰ পিতৃ-মাতৃকী স্তুতি কৰ ৰহে হৈঁ। সাথহী এক গ্বালভী উনকী ভক্তি কৰ ৰহা হৈ।

সেৱক। ৰাম-কৃষ্ণ। উগ্ৰসেনক ৰাজা পাতিছা। উগ্ৰসেনৰ জ্ঞাতিসকল।

উগ্ৰসেনক ৰাজপদত স্থাপন :—ইয়াৰ পিছত কৃষ্ণই পাত্ৰ-মন্ত্ৰী সকলোৰে সম্মতি লৈ উগ্ৰসেনক ৰজা পাতিলে। উগ্ৰসেন ৰাজধৰ্ম্ম অনুসাৰে সিংহাসনত বহিছে। এজন অনুচৰে এফালে ধৱল ছত্ৰ ধৰিছে, আন ফালে আন এজন অনুচৰে চোঁৰৰ ঢ়লাইছে। সম্মুখৰ ফালে সেৱকবিলাকে আৰু কৃষ্ণ-বলৰামে আঁঠু লৈ ৰাজ-সেৱাৰ নিদৰ্শন দেখুৱাইছে। অলপ আঁতৰত উগ্ৰসেনৰ নাতি আৰু অন্যান্য পুৰ-স্ত্ৰীবিলাকৰ কোনোৱে বহি কোনোৱে থিয় দি শোভা দৰ্শন কৰিছে।

उग्रसेनकी राज्यप्राप्ति : इसके बाद कृष्णने मन्त्रियोंकी सम्मति लेकर उग्रसेनको राजा बनाया। उग्रसेन राजधर्मानुसार सिंहासनपर बैठे हैं। एक अनुचर एक तरफ धवल छत्र पकड़ रहा है, दूसरी तरफ एक दूसरा अनुचर चँवर डुला रहा है। सामने सेवकगण और कृष्ण-बलराम घुटने टेककर राजसेवाका निदर्शन कर रहे हैं। थोड़ी दूरीपर राज-परिवार और पुरस्त्रियाँ इस शोभाको निहार रहे हैं।

সুদাম। শ্ৰীদাম। ৰাম। কৃষ্ণক নন্দে আশ্বাস কৰিছা। উপনন্দ। সুবাল।

নন্দ আদি গোপসকলৰ ব্ৰজলৈ প্ৰত্যাবৰ্ত্তন :—ইয়াৰ পাছত ভগবান কৃষ্ণ মথুৰাত কিছুদিন থকাৰ অভিপ্ৰায়ে পিতা নন্দক গোকুললৈ উলটি যোৱাৰ কথা কলে। কৃষ্ণ-প্ৰেমাসক্ত নন্দই কৃষ্ণক এৰি যাবলগা হোৱাত অতি স্নেহেৰে কৃষ্ণক সাৰোট মাৰি ধৰি আলিঙ্গন কৰিছে। কৃষ্ণয়ো সেইদৰে নন্দৰ কঁকালত সাৰোটি ধৰি যেন স্নেহ ঢালি দিছে। এই সময়ত সুদাম, শ্ৰীদাম, বলৰাম,

नन्द आदि गोपोंका व्रज-प्रत्यावर्त्तन : इसके बाद भगवान कृष्ण मथुरामें कुछदिनोंके लिए ठहरनेके अभिप्रायसे पिता नन्दसे गोकुल लौट जानेको बात कही। कृष्णप्रेमासक्त नन्द कृष्णको छोड़कर जाने पर अत्यंत स्नेहसे कृष्णका आलिंगन करते हैं। कृष्णभी स्नेहसे पिताको आलिंगन करते हैं। इस समय

উপনন্দ আৰু অন্যান্য গোপবিলাক চাৰিওফালে থিয় হৈ আছে। এনে বোধ হয় যেন তেওঁলোকে কৃষ্ণক এৰি যাবলগা হোৱাত অতি উদ্‌বিগ্নচিত্ত হৈ অসন্তোষহে প্ৰকাশ কৰিব ধৰিছে।

सुदाम, श्रीदाम, बलराम, उपनन्द और दूसरे ग्वालगणभी कृष्णको छोड़कर जानेमें अत्यंत उद्विग्नता प्रदर्शन कर रहे हैं।

নন্দে গোকুলক পাইলা।

যশোদা পুত্ৰ নাসিবাক দেখি সন্তাপ কৰিছা।

গোকুলবাসীৰ বিৰহ ঃ—ইফালে গোকুলত যশোদাই কৃষ্ণক বহুদিন দেখা নাপাই পুত্ৰবিৰহত আতুৰা হৈ মূৰে কপালে হাত দি বেজাৰ কৰিছে। আন আন গোপীসকলে যশোদাৰ গাত হাত বুলাই "কৃষ্ণ বেগেতে আহি পাব, বেজাৰ নকৰিবা" বুলি সান্ত্বনা দিছে। আন এজনী গোপীয়ে আকৌ হাত তুলি যেন নিৰ্ভয় দিছে। এনে সময়তেই গোপৰাজ নন্দ গৰুৰ গাড়ীত উঠি গুৱাল-বিলাকৰ সৈতে গোকুল পালেহি।

गोकुलवासियोंका विरह : इधर गोकुलमें यशोदा कृष्णको बहुत दिन न देखकर पुत्रविरहमें कातर होकर रो रही है। और और गोपियाँ यशोदाके बदनपर हाथ फिरती हुई "कृष्ण शीघ्रही आ पहुँचेगा, चिन्ता न करो" कहकर आश्वासन दे रही हैं। ऐसे समयही गोपराज नन्द बैलगाड़ीपर चढ़कर ग्वालोंके साथ गोकुल पहुँचे।

ৰাম-কৃষ্ণৰ উপনয়ন সংস্কাৰ ঃ—আজি মথুৰাবাসীৰ আনন্দৰ সীমা নাই। কৃষ্ণ-বলৰামৰ অদ্ভুত কাৰ্য্য দেখি নগৰবাসী আনন্দত

राम-कृष्णका उपनयन-संस्कार : आज मथुरा-वासियोंका आनन्द बेहद है। कृष्ण बलरामके अद्भुत कार्य



ব্ৰাহ্মণক ধেনু দান দিছা বসুদেৱে। নৰ্ত্তকসকল। ৰাম-কৃষ্ণক গর্গে যজ্ঞসূত্ৰ দিছ'। বসুদেৱ।

আত্মহাৰা। বসুদেৱে পুৰোহিতক আগত লৈ বিধি অনুসাৰে পুত্ৰ দুটিৰ উপনয়ন কৰ্ম্ম সমাপন কৰিছে—ব্ৰাহ্মণক ধেনুদান কৰিছে। ব্ৰাহ্মণে আনন্দমনে ধেনু লৈ ঘৰমুৰা হৈ যাব ধৰিছে। নটুৱাসকলে খোল-তাল লৈ নানা ভঙ্গিৰে নৃত্য কৰি গীত গাব ধৰিছে। কৃষ্ণ-বলৰামে দণ্ড-কমণ্ডলু হাতত লৈ ব্ৰহ্মচাৰী হৈ বিদ্যাভ্যাস কৰিবলৈ গুৰুগৃহলৈ যাত্ৰা কৰিছে।

"বিদ্যাৰ উদ্‌ভৱ তুমি সৰ্ব্বজ্ঞ মুৰাৰি।
দিলন্ত গায়ত্ৰী সঙ্গে ভৈল ব্ৰহ্মচাৰী॥" ১১৪৮

देखकर नगरवासी आनन्दमग्न हैं। वसुदेव पुरोहितों द्वारा विधि अनुसार दोनों पुत्रों के उपनयन कर्म कर रहे हैं। ब्राह्मणों को धेनुदान कर रहे हैं। ब्राह्मण आनन्द मनसे धेनु लेकर घर की ओर जा रहे हैं। नटगण नाना भंगियोंसे नृत्य कर गीत कर रहे हैं। कृष्ण-बलराम दंड कमंडलु हाथमें लेकर ब्रह्मचारी होकर विद्याभ्यास करनेके लिए गुरुगृहकी यात्रा कर रहे हैं।

সান্দীপনি মুনিৰ ওচৰত বিদ্যালাভঃ—কৃষ্ণ-বলৰামে বিদ্যাভ্যাস কৰিবলৈ যোৱাৰ সময়ত মাক দৈৱকী আৰু ৰোহিণীৰ

सान्दीपनि मुनिके पास विद्याभ्यास : कृष्ण बलराम विद्याभ्यासके लिए जाते समय माँ देवकी और रोहिणीके पास बिदा

ৰোহিণী। দৈৱকী। কৃষ্ণ। ৰাম। ৰাম-কৃষ্ণক সান্দীপনি পঢ়াইছা।

ওচৰত বিদায় লবলৈ গৈছে। দৈৱকী-ৰোহিণী অন্তঃপুৰত আসনত বহি আছে। কৃষ্ণ-বলৰামে বাওঁহাতেৰে কান্ধত দণ্ড ধাৰণ কৰি উপস্থিত হল গৈ। দৈৱকী-ৰোহিণীয়ে আগহাত আগবঢ়াই দি যেন পুত্ৰক সাদৰে আহ্বান কৰিছে। কৃষ্ণ-বলৰাম সান্দীপনি মুনিৰ পঢ়াশালিলৈ গৈ বিধি অনুসাৰে আঠু লৈ বিনীতভাৱে ঠগাত পুথি লৈ পাঠ আৰম্ভ কৰিছে। মুনিয়ে আসনত বহি আগহাত তুলি যেন শাস্ত্ৰৰ সমস্ত ৰহস্য প্ৰকাশ কৰি শিক্ষা দিব ধৰিছে।

लेनेके लिए जा रहे हैं। देवकी रोहिणी अन्त:पुरमें आसनोंपर बैठी हैं। कृष्ण बलराम बांये हाथमें कंधेपर दंड लेकर वहाँ आये। देवकी रोहिणी दाहिने हाथ बढ़ाकर पुत्रोंको मानो सादर आह्वान कर रही हैं। कृष्ण बलराम सान्दीपनि मुनिकी पाठशालामें जाकर विधि अनुसार विनीत भावसे विद्या अध्ययन आरंभ करते हैं। मुनि आसनपर बैठे शास्त्रके सभी रहस्योंको प्रगट करके शिक्षा दे रहे हैं।

কৃষ্ণ-বলৰামৰ গুৰু-দক্ষিণা :—চৌষষ্টি দিনত চৌষষ্টি-কলা শিক্ষা শেষ হলত কৃষ্ণ-বলৰামে গুৰুৰ ওচৰত বিনীত বেশে বহি, বিদ্যাৰ্থী ব্ৰহ্মচাৰীৰ নিয়ম অনুসাৰে গুৰু-দক্ষিণা দিয়াৰ উদ্দেশ্যে গুৰুক সুধিলে—"গুৰুদেৱ, আপোনাক কি দক্ষিণা দিম, লাজ নকৰি

कृष्ण-बलरामकी गुरुदक्षिणा : चौसठ दिनोंमें चौसठ कलाओंकी शिक्षा समाप्त कर कृष्ण बलराम नियमानुसार गुरु-दक्षिणा देनेके उद्देश्यसे गुरुसे पूछा "गुरुजी, आपको हम क्या दक्षिणा दें ?" तब गुरुजीने भार्याके साथ आलोचना कर उनके

রাম-কৃষ্ণে গুরুত সুধিছা কি দিব দক্ষিণা। সান্দিপনি ভার্য্যাসমে মৃতপুত্র মাগিছা।



ৰাম-কৃষ্ণে গুৰুপুত্ৰ আনিবাক যাত্ৰা।

বেগেতে কওক।” তেতিয়া গুৰুৱে ভাৰ্য্যাৰে সৈতে আলোচনা কৰি তেওঁলোকৰ প্ৰভাসত মৰা পুত্ৰক আনি দিয়া ৰূপ দক্ষিণা খুজিলে। কৃষ্ণ-বলৰামে তাকেই দিবলৈ স্বীকাৰ কৰি সুন্দৰ বেগী ঘোৰাৰে সুসজ্জিত ৰথত উঠি প্ৰভাসলৈ যাত্ৰা কৰিলে।

प्रभासमें मरे हुए पुत्रों को वापिस देनेकी दक्षिणा मांगी। कृष्ण बलरामने स्वीकृति देकर सुन्दर तेज घोड़ोंसे सुसज्जित रथपर चढ़कर प्रभास की यात्रा की।

ৰাম-কৃষ্ণ। সাগৰে পূজা কৰিছা কৃষ্ণক।

সাগৰৰ স্তৱ :—ভগবান কৃষ্ণ আৰু বলৰাম ৰথত উঠি গুৰু-পুত্ৰক বিচাৰি গৈ সাগৰৰ তীৰত উপস্থিত হল গৈ। সাগৰে কৃষ্ণ-বলৰামক পৰম পুৰুষ জানি মূৰ্ত্তি ধৰি গলবস্ত্ৰ হৈ আঠু লৈ ধূপ, দীপ, নৈবেদ্য দি কৰযোৰে স্তৱ কৰিব ধৰিলে।

पंचजन्य असुर बध :—সাগৰৰ স্তৱত তুষ্ট হৈ ভগবানে গুৰু-পুত্ৰৰ বাতৰি সোধাত পঞ্চজন্য নামে শঙ্খৰূপধাৰী অসুৰে হৰি নিয়া বুলি কলে। তাকে শুনি কৃষ্ণই সাগৰত বুৰ দি সেই পঞ্চজন্যৰ ওচৰ পালে গৈ। কৃষ্ণই অসুৰক দুয়োহাতেৰে খামোচ মাৰি ধৰিলে; তেতিয়া সেই শঙ্খাকৃতি অসুৰেও কৃষ্ণৰ আগভৰিত

सागरका स्तवन : भगवान कृष्ण और बलराम रथपर चढ़कर गुरुपुत्रको ढूँढ़कर सागरके तीरपर हाजिर हुए। सागर कृष्ण बलरामको परमपुरुष जान कर मूर्ति धारण कर गलवस्त्र देकर घुटने टेककर धूप, दीप, नैवेद्य देकर हाथ जोड़कर स्तवन करने लगा।

पंचजन्य असुरका बध : सागरकी स्तुतिसे संतुष्ट होकर भगवानने गुरुपुत्रकी वार्ता पूछनेपर, पंचजन्य नामक शंख रूपधारी असुर हरण कर ले गया सागरने बतलाया। उसे सुनकर कृष्ण सागरमें डूब मारकर उस पंचजन्यके पास पहुँचे। कृष्णने असुरको दोनों हाथोंके पंजोंमे पकड़ा, तो उस शंखाकृति असुरनेभी कृष्णके

পঞ্চজন্য। কৃষ্ণ। বাম। কৃষ্ণ।

হুয়োহাতেৰে খামোচ মাৰি ধৰিলে। কৃষ্ণই তেতিয়া সেই অসুৰক মাৰি তাৰ শৰীৰৰ শঙ্খ পথালি লৈ ৰথত উঠিল গৈ।

ढाहिने पावमें दोनों पंजों से जकड़कर पकड़ा। कृष्ण तब उस असुरको मारकर उसके बदनके शंखको लेकर रथपर चढ़ गये।

যমৰাজা বিপ্ৰসুত দিছা। কৃষ্ণ। ৰাম।

বিপ্ৰপুত্ৰ আনয়ন:—কৃষ্ণ-বলৰামে সাগৰত গুৰুপুত্ৰক বিচাৰি নাপাই যমৰ নগৰী পালে গৈ। যমপুৰী প্ৰৱেশ কৰিয়েই কৃষ্ণই

विप्रपुत्रका आनयन: कृष्ण-बलराम सागरमें गुरुपुत्रको ढूँढ़कर न मिलनेपर यम नगरमें पहुँचे। पुरीमें प्रवेश करतेही

পাঞ্চজন্য শঙ্খত ফুক দিলত সকলোৰে হৃদয় কঁপি উঠিল। ধৰ্ম্মৰাজ যমে শ্ৰীকৃষ্ণ বুলি বুজি পাই আথেবেথে আগ্ৰহেৰে আগবঢ়াই আনিলে গৈ। কৃষ্ণ-বলৰামে ৰথ এৰি থৈ যমৰ সভাত বিচিত্ৰ আসনত বহিল। যমে পাদ্য, অৰ্ঘ আৰু মধুপৰ্ক দি, গন্ধ পুষ্প, ধূপ, দীপেৰে পৰম ভক্তিভাৱে পূজা কৰিলে। কৃষ্ণই আগহাত তুলি যমক আশ্বাস দি গুৰুপুত্ৰৰ সংবাদ সুধিলত, যমে বিপ্ৰপুত্ৰক কৃষ্ণৰ আগত আনি দিলে। বিপ্ৰপুত্ৰ কৃষ্ণ-বলৰামৰ আগত হাতযোৰ কৰি থিয় দি ৰল।

कृष्णके पांचजन्य शंखमें फूँक देनेसे सभीका हृदय काँप उठा। धर्मराज यमने श्रीकृष्णको जानकर तत्परतासे स्वागत किया। कृष्ण-बलरामको सभामें विचित्र आसनपर बैठाके यमने पाद्य, अर्घ्य, मधुपर्क, गंधपुष्प, धूप, दीपके साथ परम भक्तिभावसे पूजा की। कृष्ण द्वारा गुरुपुत्रका संवाद पूछनेपर यमने विप्रपुत्रको कृष्णके सामने खड़ा कर दिया।

ৰাম। কৃষ্ণ। ব্ৰাহ্মণে ভাৰ্য্যাসমে পুত্ৰক ধৰিছা।

কৃষ্ণ-বলৰামৰ বিদায় গ্ৰহণ :—কৃষ্ণ-বলৰাম যমৰপৰা বিদায় লৈ গুৰুপুত্ৰক আনি গুৰুৰ আগত দিলেহি। গুৰু অতি আনন্দিত হৈ পত্নীৰ সৈতে পুত্ৰক সাৱটি মাৰি মৰমৰ চকুলোৰে তেওঁক অভিষিক্ত কৰিছে। কৃষ্ণ-বলৰাম ওচৰা-উচৰি কৰি এখন আসনত বহি হাত মেলি যেন গুৰুৰপৰা বিদায় প্ৰাৰ্থনাহে কৰিছে।

कृष्ण-बलरामकी बिदाईका ग्रहण : कृष्ण-बलराम यमसे बिदा लेकर गुरुपुत्र सहित गुरुके सामने आये। गुरु, पत्नी अत्यंत प्रसन्न होकर पुत्रको प्रेमाश्रुओंसे सिंचित करने लगे। कृष्ण बलराम पासही एक आसनपर बैठे गुरुसे बिदा मांग रहे हैं।

কৃষ্ণ-ৰাম মথুৰাক যায়। सान्दिपनि। गुरुपुत्र। विप्रपत्नी। पुर-स्त्री।

কৃষ্ণ-বলৰামৰ মথুৰা আগমনঃ—কৃষ্ণ-বলৰামে গুৰুৰপৰা বিদায় লৈ ৰথত উঠি মথুৰালৈ যাত্ৰা কৰিলে। কৃষ্ণই পাঞ্চজন্য শঙ্খ হাতত লৈ ৰথৰ আগত বহি ৰথ চলাবলৈ ধৰিলে। ৰথৰ পিছফালে মহামুনি সান্দিপনি হাতযোৰ কৰি কৃষ্ণ-বলৰামক পৰম দেৱতা বুলি শিশু হলেও স্তুতি কৰিছে। গুৰুপুত্ৰ, গুৰুপত্নী আৰু আন আন পুৰবাসী স্ত্ৰীসকলে কৃষ্ণ-বলৰামক হাত তুলি আশীৰ্বাদ দি বিদায় দিছে।

कृष्ण-बलरामका मथुरा आगमन : कृष्ण-बलराम गुरुसे बिदा होकर रथपर चढ़कर मथुराकी यात्रा की। कृष्ण पांचजन्य शंखको हाथमें लेकर रथ हाँकने लगे। उसके पीछे महामुनि सान्दीपनि हाथ जोड़कर कृष्ण बलरामको परम देवता जानकर शिशु होनेपरभी स्तुति कर रहे हैं। गुरुपुत्र, गुरुपत्नी और दूसरी पुरवासी स्त्रियाँ कृष्ण-बलरामको हाथ उठाकर आशीर्वाद देकर बिदा कर रहे हैं।

কৃষ্ণ-বলৰাম মথুৰা পোৱাত মথুৰাবাসী আনন্দত বিভোৰ হৈ কোনোৱে ঢাক বজাব ধৰিলে, কোনোৱে মৃদঙ্গ বজাব ধৰিলে,

कृष्ण बलरामके मथुरा पहुँचनेपर मथुरावासी आनन्द विभोर होकर वाद्य बजाने लगे। पुरस्त्रियाँ आनन्दसे बावली होकर

বাদ্যসব বজাইছা। পুৰবাসী প্ৰজাসবে আনন্দ কৰি আগ বাঢ়িছা। বসুদেৱে পুত্ৰক আশ্বাস কৰিছা। কৃষ্ণসঙ্গী।

কোনোৱে বাঁহী ফুকিয়াব ধৰিলে আৰু কোনোৱে বা শঙ্খ বজাব ধৰিলে। পুৰ-স্ত্ৰীবিলাকো আনন্দত উদ্‌বাউলী হৈ কৃষ্ণ-বলৰামক বৰি আনিবলৈ আগবাঢ়ি যাব ধৰিলে। বসুদেৱে কৃষ্ণক পাই সাৱট মাৰি ধৰিছে, কৃষ্ণয়ো পিতাকক সাৱটি ধৰিছে। বলদেৱ কৃষ্ণৰ পিছৰ ফালে থিয় দি আছে।

स्वागतके लिए आगे बढ़ने लगीं। वसुदेव कृष्णको प्रेमालिंगन कर रहे हैं।

কৃষ্ণ-বলৰাম গুৰুগৃহৰপৰা ঘূৰি যোৱা দেখি ৰোহিণীয়ে বলৰামক আৰু দৈৱকীয়ে কৃষ্ণক অতি স্নেহৰে সাৱটি ধৰি বুকৰ

कृष्ण बलरामको गुरुगृहसे आया सुनकर रोहिणी बलरामको और देवकी कृष्णको अति स्नेहसे छातीसे लगा रहे हैं। और

ৰোহিণী বলৰামক আৰু দৈৱকীয়ে কৃষ্ণক সাৱটি ধৰিছা।

पुर स्त्रीसब।

ভিতৰত যেন সুমাই ললে। আন আন পুৰ-স্ত্ৰীসকলে কৃষ্ণ-ৰামক চাবলৈ লৰি লৰি যেন আগহাত দাঙি আশীৰ্বাদ দি বসুদেৱৰ ঘৰলৈ আহিবলৈ ধৰিছে।

और पुरस्त्रियाँ कृष्ण बलरामको देखने लिए दौड़ दौड़कर वसुदेवके घर आने लगीं।

শ্ৰীকৃষ্ণৰ দ্বাৰা উদ্ধৱক ব্ৰজলৈ প্ৰেৰণ:—ভগবান শ্ৰীকৃষ্ণ গুৰুগৃহৰপৰা বিদ্যালাভ কৰি অহাৰ পিছত এদিন প্ৰিয় ভক্ত উদ্ধৱৰ সৈতে গোপনে গোপীসকলৰ প্ৰেম-ভক্তিৰ কথা আলচ কৰিছে। কৃষ্ণ এখন আসনত বহিছে আৰু সম্মুখত মাটিত আঠুলৈ

श्रीकृष्णके द्वारा उद्धवका व्रज प्रेषण: भगवान श्रीकृष्ण गुरुगृहसे विद्यालाभकर आनेके बाद एक दिन प्रिय भक्त उद्धवके साथ गोपियोंकी प्रेमभक्तिकी चर्चा कर रहे हैं। कृष्ण एक आसनपर बैठे हैं और सामने जमीनपर घुटने टेककर भक्तिके साथ

ৰাজা পৰীক্ষিত। শুকদেৱ।

মহাৰাজ পৰীক্ষিতে প্ৰশ্ন কৰিছে শুকদেৱে ভাগৱত কৈ গৈছে।

উদ্ধৱ। কৃষ্ণ।

সভক্তিৰে উদ্ধৱ বহিছে। কৃষ্ণই মৰমেৰে প্ৰিয় ভক্ত উদ্ধৱৰ হাতত ধৰি আন্তৰিক প্ৰীতি জনাই গোকুললৈ যাবলৈ অনুৰোধ কৰিছে।

“ৰহস্য থানক লাগি তাঙ্ক মাতি আনি।
হাতত ধৰিযা হাতে বুলিলন্ত বাণী॥
মথুৰাপুৰি সিটো বৃষ্ণিবংশ মাজে।
নাই মোৰ সখি মুখ্য মন্ত্ৰী তুমি বাজে॥” ২২২৬

उद्धव बैठे है। कृष्ण स्नेहसे प्रिय भक्त उद्धवको आन्तरिक प्रेमके साथ गोकुल जानेके लिए अनुरोध कर रहे हैं।



উদ্ধৱ। কৃষ্ণ। ৰাম।

ভক্ত উদ্ধৱে থিয় হৈ হাতযোৰ কৰি কৃষ্ণৰ আদেশ শুনিলে আৰু গোপ-গোপীক কৃষ্ণৰ সংবাদ দিবলৈ প্ৰণাম জনাই ৰথত উঠি গোকুললৈ যাত্ৰা কৰিলে। সেই সময়ত কৃষ্ণ-বলৰাম দুয়ো দুখন আসনত বহি আগহাত তুলি যেন উদ্ধৱক বিদায় সম্ভাষণহে জনাইছে। উদ্ধৱৰ ৰথৰ ঘোৰা অতি দ্ৰুতবেগে গোকুল অভিমুখে যাবলৈ উদ্যত হৈছে। গাড়ীৰ শব্দ শুনি গাই দামুৰি লৰ দিছে।

भक्त उद्धवने खड़े होकर हाथ जोड़कर कृष्णका आदेश सुना और गोप गोपीको कृष्णका संवाद देनेके लिए प्रणाम कर रथपर चढ़कर गोकुलकी यात्रा की। उद्धवके रथके घोड़े अति द्रुत वेगसे गोकुलकी ओर जा रहे हैं।



সৰোবৰ-ৰাজহংস। যশোদা। নন্দ। উদ্ধৱ। গোপী দধি মথিছে।

উদ্ধৱ বেগেতে গৈ গোকুল পালে। গোপৰাজ নন্দ আৰু ৰাণী যশোমতীয়ে উদ্ধৱক আদৰি আনি আসনত বহুৱালে; আৰু দুয়ো মাটিতে বহি ধূপ, দীপ আৰু শৰাইত নৈবেদ্য তামোল দি যথোচিত সৎকাৰ কৰিলে। উদ্ধৱ আসনত বহি অতি আপ্যায়িত হৈ আগহাত তুলি অতিৰিক্ত অভ্যৰ্থনা কৰিব নালাগে বুলিহে যেন কৈছে। ইফালে গোপীসকলে কলহত দধি মথিবলৈ ধৰিছে। পুখুৰীবোৰত ফুলা পদ্ম আৰু চৰিফুৰা ৰাজহাঁহবোৰে গোকুলৰ শোভা বিস্তাৰ কৰিছে।

उद्धव तेजीसे जाकर गोकुल पहुँचे। गोपराज नन्द और रानी यशोमतीने उद्धवको आदरसे बुला कर आसनपर बैठाया और दोनों जमीनपरही बैठकर धूप, दीप और नैवेद्य, ताम्बूलादिसे यथोचित सत्कार किया। उद्धव आसनपर बैठकर अत्यन्त आप्यायित होकर हाथ उठाकर मानो "ज्यादा स्वागतकी जरूरत नहीं है" यही कह रहे हैं। इधर गोपियाँ घड़ेमें दही मथ रही हैं। तालावोंमें फुले हुए कमल और चरते हुए राजहंस गोकुलकी शोभाको बढ़ा रहे हैं।



যশোদা। নন্দ। উদ্ধৱ।



যশোদা। নন্দ। উদ্ধৱ।

অতিথি সংকাৰ হৈ যোৱাৰ পিছত নন্দ আৰু যশোদা দুখন আসনত বহি, আগহাত পাতি আগ্ৰহেৰে উদ্ধৱক আসনত বহুৱাই লৈ মথুৰাবাসীসকলৰ এজন এজনকৈ সকলোৰে কুশল বাতৰি সুধিব ধৰিছে। উদ্ধৱেও হাত তুলি মথুৰাৰ সকলো খবৰ কবলৈ আৰম্ভ কৰিছে।

अतिथिका स्वागत हो जानेके बाद नन्द और यशोदा आग्रहसे उद्धवसे मथुरावासियोंकी एक एक करके सभीकी खुश-खबर पूछ रहे हैं।

"যাদৱ বংশৰ কল্যাণ কথাক উদ্ধৱ কৈয়ো সত্বৰে। ☞ পত্নী সুত সমে কুশলে আছন্ত সখি বসুদেৱ মোৰে।" ১২৭৮০

যশোদা। নন্দ। উদ্ধব।



গোপীসবে দধিমথন করিছা।

গোকুলত গোপীবিলাকে প্ৰভাত সময়তে উঠি চোতাল-ঘৰ পৰিষ্কাৰ কৰি গা-মূৰ ধুই শুচি হৈ ধূপ-ধূনা দি কৃষ্ণগুণ গাই দুজনী দুজনী গোপীয়ে লগলাগি বহি একোটা কলহত গাখীৰ ভৰাই দধি

गोकुलमें गोपियाँ सबेरेही उठकर घर-आँगन साफ कर तन-बदन धोकर पवित्र होकर धूप, धूना देकर कृष्णगुण गा कर दो दो गोपियाँ मिलकर बैठकर घड़ेमें दही भरकर मथनेका आरंभ



পৰীক্ষিত ৰাজা। शुकदेव।

মথিবলৈ আৰম্ভ কৰিছে। সূৰ্য্য উদয় হোৱাৰ পিছতে তেওঁলোকে নন্দৰ দুৱাৰমুখত অতি উজ্জ্বল ৰথ এখন দেখিবলৈ পালে।

कर रही हैं। सूरज उदय होनेके बादही नन्दके दरवाजेपर अत्यंत उज्ज्वल एक रथ उन्हें दिखाई दिया।

গোপীসব। नन्द। উদ্ধৱ।

ৰথখন দেখাত তেওঁলোকৰ মনত নানা সন্দেহ জন্মিল আৰু পৰস্পৰে নানা আশঙ্কাৰ কথা আলাপ কৰিবলৈ ধৰিলে। এনেতে হৰিদাস উদ্ধৱে কালিন্দীত নিত্যকৃত্য কৰি কৃষ্ণৰ সাজে সজ্জিত হৈ গোপীসকলৰ ওচৰ পালেহি। গোপীবিলাকে কৃষ্ণৰ একান্ত ভক্ত বুলি বুজি উদ্ধৱক বেঢ়ি ধৰিলে। উদ্ধৱে ৰজা নন্দৰ লগত নানা প্ৰকাৰ আলাপ কৰিবলৈ ধৰিলে। গোপীবিলাকে পৰস্পৰে হাত তুলি কৃষ্ণৰ সংবাদ পোৱাৰ ভৰসাত যেন আনন্দত বিভোৰ হৈ পৰিল।

रथ देखकर उनके मनमें नाना तरहके संदेह पैदा हुए और परस्पर नाना आशंकाओंकी बातें आलाप करने लगीं। इतनेमें उद्धव कालिन्दीमें नित्यकृत्य करके कृष्णके वेशसे सज्जित होकर गोपियोंके पास पहुँचे। गोपियोंने एकान्त भक्त जानकर उद्धवको घेर लिया। उद्धव राजा नन्दके साथ नाना प्रकारकी चर्चायें करने लगे। गोपियाँ परस्पर हाथ उठाकर कृष्णके संवादके पानेकी भरोसेमें मानो आनन्दसे विभोर हो पड़ीं।



গোপীসব। উদ্ধৱ।

উদ্ধৱৰ গোপীসকলৰ লগত আলাপ:—নন্দৰ লগত আলাপ শেষ কৰি ভক্ত উদ্ধৱে গোপীবিলাকৰ সৈতে বিৰলত বহি কৃষ্ণ বিষয়ৰ নানাবিধ আলাপ কৰিবলৈ ধৰিলে। গোপীবিলাকেও হৰ্ষ পুলকিত চকুৰে ভক্তি-প্ৰেমাশ্ৰু বিসৰ্জ্জন কৰি উদ্ধৱৰ কৃষ্ণৰ নানা কথা সুধিব ধৰিলে। উদ্ধৱে হাত তুলি আশ্বাস দি উত্তৰ দিবলৈ ধৰিলে।

उद्धवका गोपियोंके साथ आलाप: नन्दके साथ आलाप समाप्तकर भक्त उद्धव गोपियोंके साथ एकान्तमें बैठकर कृष्णके बारेमें नाना तरहकी चर्चायें करने लगे। गोपियाँ भी हर्षसे पुलकित आंखोंसे प्रेमाश्रु विसर्जन कर उद्धवसे कृष्णकी नाना बातें पूछने लगीं। उद्धव हाथ उठाकर आश्वासन देकर समाधान करने लगे।

গোপীসৱ। উদ্ধৱ। যমুনা। গোবৰ্দ্ধন গিৰি। কালিন্দী।

মহামতি উদ্ধৱে গোপীবিলাকৰ সৈতে কথোপকথন শেষ কৰি ভক্তিৰ স্মৃতিস্তম্ভ-স্বৰূপ গোবৰ্দ্ধন পৰ্বত চাবলৈ গল। লগতে গোপীসবো গল। যমুনাৰ পৱিত্ৰ জলকণাৰে সুশোভিত সেই গোৱৰ্দ্ধন পৰ্বত আৰু কালিন্দী হ্ৰদ চাই উদ্ধৱে অপাৰ আনন্দ-বোধ কৰিলে।

महामति उद्धव गोपियोंके साथ बातचीत समाप्तकर भक्तिके स्मृतिस्तम्भ-स्वरूप गोवर्धन पर्वतको देखने गये। साथही गोपियाँभी गयीं। जमुनाके पवित्र जलकणोंसे सुशोभित उस गोवर्धन पर्वत और कालिन्दी ह्रदको देखकर प्रेम-विभोर हो गया।

STATE CENTRAL LIBRARY, ASSAM
Call No.

Please handle the book carefully



গোপী। উদ্ধৱ। গোপী।

উদ্ধৱে গোৱৰ্দ্ধন পৰত দৰ্শন কৰি ঘূৰি আহি গোপীসকলৰ লগত বহি আকৌ কৃষ্ণ-বিষয়ৰ নানা কথা পাতিলে।

गोवर्धन पहाड़का दर्शन समाप्तकर लौट आकर गोपियोंके साथ बैठकर फिर कृष्णके बारेमें नाना बातोंकी शुरू की।



উদ্ধৱ মথুৰাক যায়। নন্দ-যশোদা গোপীসমে উদ্ধৱক আগবঢ়ায়।

উদ্ধৱৰ মথুৰালৈ প্ৰত্যাবৰ্ত্তন : — মহামতি উদ্ধৱে নন্দ, যশোদা আৰু গোপীসকলৰপৰা বিদায় লৈ ৰথত উঠি মথুৰা অভিমুখে যাত্ৰা কৰিলে। উদ্ধৱ ৰথত উঠিলত, ৰজা নন্দ, ৰাণী যশোমতী আৰু অন্যান্য গোপীসকলে উদ্ধৱৰ ৰথৰ পিছে পিছে কিছু দূৰ আগবাঢ়ি যাবলৈ ওলাল।

उद्धवका मथुरामें प्रत्यावर्त्तन : महामति उद्धवने नन्द, यशोदा और गोपियोंसे बिदा होकर रथपर चढ़कर मथुराकी यात्रा की। उद्धवके रथपर चढ़नेपर राजा नन्द, रानी यशोमती और दूसरी गोपियाँ उद्धवके पीछे पीछे कुछ दूरी तक आयें।

উদ্ধৱ। কৃষ্ণ বলৰাম। উদ্ধৱ। উগ্ৰসেন। ছত্ৰধৰা।

কেইবা দিনৰ মূৰত গোকুলৰ খবৰ লৈ উদ্ধৱ আহি মথুৰা পালেহি। উদ্ধৱ ৰথৰপৰা নামিয়েই পোনতে কৃষ্ণ-বলৰামৰ ওচৰত আঠুলৈ হাতযোৰ কৰি গোকুলৰ সংবাদ কৈছে। কৃষ্ণ-বলৰামে আসনত বহি আগহাত তুলি গোকুলবাসীৰ কুশল বাতৰি সুধিছে। তাৰ পিছত উদ্ধৱ ৰজা উগ্ৰসেনৰ ওচৰলৈ গৈ ৰাজোচিত সম্মান দেখুৱাই কৰযোৰে গোকুলৰ খবৰ কৈছে। ৰজা উগ্ৰসেন ৰাজসিংহাসনত বহি আছে; এজনে পিছৰ ফালে ছত্ৰ ধৰিছে। ৰজাৰ সম্মুখত দ্ৰব্যপূৰ্ণ শৰাই আৰু জলপূৰ্ণ ভৃঙ্গাৰ আছে।

कई दिनोंके बाद गोकुलकी खबर लेकर उद्धव मथुरा पहुँचे। उद्धव रथसे उतरकर पहले कृष्ण बलरामके पास घुटने टेककर हाथ जोड़कर गोकुलका संवाद कह रहे हैं। कृष्ण बलराम आसनपर बैठकर गोकुलवासियोंकी खुश-खबर पूछ रहे हैं। उसके बाद उद्धव राजा उग्रसेनके पास जाकर राजोचित सम्मान दिखलाकर करजोड़ कर गोकुलकी खबर कह रहे हैं। राजा उग्रसेन राज-सिंहासनपर बैठे हैं; एक पीछेकी तरफसे छत्र पकड़ रहा है। राजाके सामने द्रव्योंसे पूर्ण ठगी और जलपूर्ण गंगासागर है।

— অন্ত —

— समाप्त —

ASSAM